● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

এজন ব্যক্তি সফল; যদিহে
তেওঁ পুৱা টোপনিৰ পৰা
উঠে আৰু নিশা শুৱলৈ
যায়, আৰু তাৰ মাজৰ
সময়খিনিত যি মন যায়
তাকে কৰিব পাৰে।

বব ডিলান
*ন'বেলজয়ী গীতিকাৰ-গায়ক*



৫ তাহানিৰ জোনাকী পৰুৱা
১৫ বিশ্ব আৰ্চাৰীত ভাৰতৰ সোণ লাভ
৪ মনুষ্যত্ব আৰু মানৱতা দুয়ো এক সংগীত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২১তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৭ জেঠ ১৪২৯ ভাস্কৰাব্দ ২২ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 22 May 2022 মূল্য ঃ ৯.০০ টকা

■ আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যুক কেন্দ্ৰ কৰি থানাত অগ্নিসংযোগ-আৰক্ষীক প্ৰহাৰ ■ দুঘণ্টা তাণ্ডৱ চলাই উন্মত্ত জনতা আঁতৰি যোৱাৰ পাছত আহিল উচ্চপদস্থ বিষয়া ■ তিনিজনক গ্ৰেপ্তাৰ

# আৰক্ষীৰ সন্মুখতে ভস্মীভূত বটদ্ৰৱা থানা



## কোনোবাই আৰক্ষী থানা জ্বলাই দিয়াটো কোনোপধ্যে সহ্য কৰা নহ'ব ঃ মন্ত্ৰী হাজৰিকা

নিৰাপত্তাজনিত ত্ৰুটিৰ বাবে তাৎক্ষণিকভাৱে নিলম্বিত ভাৰপ্ৰাপ্ত বিষয়া-বিভাগীয় তদন্ত হ'ব ■ অনাকাংক্ষিত-সুপৰিকল্পিত ঘটনা ঃ আৰক্ষী বিষয়া





**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/বটদ্ৰৱা, ২১ মে'** ঃ অসম আৰক্ষীৰ ফোপোলা স্বৰূপ উদঙাই উন্মত্ত জনতাই আজি দিন দুপৰতে জ্বলাই ভস্মীভূত কৰিলে নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানা। আজি দিনৰ প্ৰায় ২-৩০ বজাত সংঘটিত এই ঘটনাত আৰক্ষী থানাখন জ্বলি ছাঁইত পৰিণত হোৱাৰ উপৰি সম্পূৰ্ণৰূপেজাহ যায় থানাখনৰ গুৰুত্বপূৰ্ণ নথিপত্ৰসমূহ। জুইৰ লেলিহান শিখাই থানাৰ মালখানাটোও গ্ৰাস কৰাত বুজন *১০ পৃষ্ঠাত চাওক*

■ মাধ্যমিক টে'টত গ্ৰেচ নম্বৰ প্ৰাপ্ত নিৰ্বাচিত প্ৰাৰ্থীৰ যোগদান স্থগিত ৰখা হৈছে ঃ শিক্ষামন্ত্ৰী ■ চৰকাৰে নিবনুৱাৰ জীৱনক লৈ খেলা কৰাৰ অভিযোগ ■ ন্যায়ালয়ৰ নিৰ্দেশত হাহাকাৰ

# টে'টত মেধা বনাম গ্ৰেচ নম্বৰৰ প্ৰাৰ্থীৰ সংঘাত

**দুমাহৰ ভিতৰত পুনৰীক্ষণ কৰি সিদ্ধান্ত ল'ব শিক্ষা বিভাগে**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ মে'** ঃ শিক্ষক নিযুক্তিৰ যোগ্যতা আহৰণৰ পৰীক্ষা টে'টত গ্ৰেচ নম্বৰ প্ৰদান কৰি প্ৰাৰ্থীক উত্তীৰ্ণ কৰোৱাৰ বাবে শিক্ষা বিভাগে গ্ৰহণ কৰা সিদ্ধান্তত উচ্চ ন্যায়ালয়ে আপত্তি কৰাৰ পাছত বিতৰ্ক অব্যাহত আছে। ন্যায়ালয়ৰ স্থিতিৰ ফলত নিযুক্তিক লৈ গভীৰ অনিশ্চয়তাত ভুগিবলগীয়া হৈছে প্ৰাৰ্থীসকল। অৱশ্যে ইয়াৰ মাজতে আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে গ্ৰেচ নম্বৰ প্ৰাপ্তসকলক এই পৰ্যন্ত নিযুক্তি দিয়া হোৱা নাই। তেওঁলোকৰ নিযুক্তি স্থগিত ৰখা হৈছে। ডাঃ পেগুই লগতে কয় যে গ্ৰেচ নম্বৰ প্ৰদান প্ৰক্ৰিয়াটো অহা দুমাহৰ ভিতৰত চৰকাৰে পৰীক্ষা কৰি সেই মতে ব্যৱস্থা গ্ৰহণ কৰিব। উল্লেখ্য যে মাধ্যমিক টে'টত গ্ৰেচ নম্বৰ দিয়াত বহু সংখ্যক প্ৰাৰ্থী উত্তীৰ্ণ হয়। শিক্ষক নিযুক্তিৰ *১০ পৃষ্ঠাত চাওক*

## বিধানসভাৰ গৃহ মেৰামতিৰ সিদ্ধান্তৰ বিৰুদ্ধে থিয় দিলে বিধায়কে

মুখ্যমন্ত্ৰী-বিধানসভাৰ অধ্যক্ষক আপত্তি দৰ্শালে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ মে'** ঃ ৰাজহুৱা ধনৰ শৰাধ কৰি অসম বিধানসভা সচিবালয়ে বিধায়কৰ 'কটেজ'সমূহ অহা আগষ্টত *১০ পৃষ্ঠাত চাওক*

## ৰাজ্যৰ ৩২খন জিলা বানৰ কবলত, এদিনতে মৃত্যু চাৰিজনৰ

বানাক্ৰান্তৰ সংখ্যা ৮,৩৯,৬৯১জনলৈ বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ মে'** ঃ সামগ্ৰিকভাৱে বৰষুণৰ মাত্ৰা হ্ৰাস পালেও ৰাজ্যৰ বান পৰিস্থিতি গুৰুতৰ হৈয়েই আছে। ফলত *আঠ পৃষ্ঠাত চাওক*

## পৰিকল্পিত আৰু শীতল মস্তিষ্কৰে হত্যা কৰা হৈছিল বচাবৰুৱাক

গভীৰ ৰহস্যৰ আৱৰ্তত জাপৰিগোগৰ হত্যাকাণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ মে'** ঃ পত্নীক অসৎ দৃষ্টি দি অহাৰ বাবেই পৰিকল্পিত আৰু শীতল মস্তিষ্কৰে ভাড়াঘৰৰ মালিক তথা *১০ পৃষ্ঠাত চাওক*

■ ৰাষ্ট্ৰীয় আয়ৰ পাঁচৰ পৰা সাত শতাংশৰ অংশীদাৰ এক শতাংশ লোক ■ নগৰাঞ্চলতকৈ গ্ৰামাঞ্চলত অন্ধকাৰময় ছবি অসমতাৰ

# দেশত আয়ৰ বৈষম্যৰ ভয়াৱহ তথ্য উদঙালে প্ৰধানমন্ত্ৰীৰ উপদেষ্টাই

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ মে'** ঃ দেশত আয়ৰ বৈষম্যৰ এক অন্ধকাৰ ছবি উদঙাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদে। 'ভাৰতত অসমতাৰ শেহতীয়া স্থিতি' শীৰ্ষক প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদে প্ৰস্তুত কৰা প্ৰতিবেদনত দাঙি ধৰা হৈছে দেশৰ আয় বিতৰণৰ বৃহৎ বৈষম্য। সামাজিক বিকাশ আৰু সমৃদ্ধিৰ লক্ষ্যত উপনীত হোৱাৰ পথত থকা সুৰুঙাবোৰ মৰিষণৰ প্ৰয়োজনীয়তাৰ বিষয়েও প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে। পৰ্যাপ্ত পানী যোগান, অনাময় ব্যৱস্থা তথা প্ৰয়োজনীয় সা-সুবিধাৰ উপলব্ধতাকে ধৰি পৰিয়ালসমূহৰ সামগ্ৰিক উন্নয়ন সাধনত ভাৰতে লক্ষ্যণীয় অগ্ৰগতি লাভ কৰিছে যদিও আয়ৰ সমতা, দৰিদ্ৰতা আৰু নিয়োজনৰ পদক্ষেপসমূহ যথেষ্ট পৰিমাণে উন্নত কৰাৰ প্ৰয়োজন আছে বুলি উপদেষ্টা পৰিষদে পৰামৰ্শ আগবঢ়াইছে।

প্ৰতিবেদনত উল্লেখ যে দেশৰ প্ৰথম এক শতাংশই ৰাষ্ট্ৰীয় আয়ৰ পাঁচৰ পৰা সাত শতাংশ *১০ পৃষ্ঠাত চাওক*

## চুবুৰীয়া ৰাজ্যৰ সীমা সমস্যা সমাধান ৬৫ শতাংশ সম্পূৰ্ণ হৈছে ঃ শ্বাহ

অৰুণাচলৰ ৰামকৃষ্ণ মিছনৰ সোণালী জয়ন্তীত গৃহমন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা/ডুমডুমা, ২১ মে'** ঃ অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ দেউমালিৰ নৰোত্তম নগৰস্থিত ৰামকৃষ্ণ মিছনৰ *১০ পৃষ্ঠাত চাওক*

**আবকাৰী কৰ হ্ৰাস কৰি সীতাৰমণৰ ঘোষণা**

# প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৯.৫০ টকা আৰু ডিজেলৰ মূল্য সাত টকা হ্ৰাস

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ মে'** ঃ পেট্ৰ'ল-ডিজেলৰ মূল্য হ্ৰাস পাব। আজি মাজ নিশাৰ পৰা প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৯.৫০ টকা আৰু ডিজেলৰ মূল্য সাত টকাকৈ হ্ৰাস পাব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আবকাৰী কৰ হ্ৰাসৰ ঘোষণা কৰি এইদৰে *১০ পৃষ্ঠাত চাওক*



## বৰপেটাত জেহাদীৰ ঘৰত এন আই এৰ অভিযান

মানসিকতা পৰিৱৰ্তন-প্ৰশিক্ষণত ব্যৱহৃত কিতাপ-নথিপত্ৰ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ মে'** ঃ অসমত নতুনকৈ পোহৰলৈ অহা অল কায়দাৰ নীতি অনুসৰণ কৰা বাংলাদেশী জেহাদী সংগঠন আনছাৰুল্লাহ বাংলা টীম (এ বি টি)ৰ বৰপেটাস্থ ধৃত সদস্যৰ ঘৰত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ)ই আজি অভিযান চলাই বহু আপত্তিজনক কিতাপ আৰু নথিপত্ৰ উদ্ধাৰ কৰে। *১০ পৃষ্ঠাত চাওক*

■ বৰ্তমান যোগ্যসকলে ধন নিদিয়াকৈ স্বচ্ছ-নিকা ব্যৱস্থাৰে চাকৰি লাভ কৰিছে ঃ ছাত্ৰ পৰিষদৰ অনুষ্ঠানত দাবী মন্ত্ৰী অতুল বৰাৰ

# অসমত কৰ্মসংস্কৃতিৰ অভাৱ বুলি কয় বহিঃৰাজ্যৰ পৰা অহা বিষয়াসকলে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ মে'** ঃ 'এখন সমাজ সকলো দিশত আগুৱাই যাবলৈ হ'লে দক্ষ প্ৰশাসনিক বিষয়া, বৈজ্ঞানিক, চিকিৎসক, অভিযন্তা আদিৰ লগতে ভাল সমাজকৰ্মী সৃষ্টি কৰিব লাগিব। অসমীয়া যুৱক-যুৱতীৰ মাজত মেধাৰ অভাৱ নাই; কিন্তু সঠিক দিশত আগুৱালৈ বা সঠিক দিশ নিৰ্বাচন কৰাৰ ক্ষেত্ৰত সমস্যা আছে। বহিঃৰাজ্যৰ পৰা অহা বিষয়াসকলে প্ৰায়ে কয়—অসমীয়া মানুহবিলাক *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ২৩° |
| ডিব্ৰুগড় | ২৭° | ২২° |
| দিল্লী | ৪০° | ২৮° |
| কলকাতা | ৩৭° | ২৯° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৭° | ২৯° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২২° | ১৭° |

২১ মে', ২০২২

**চেঙা তেল**



*দেখিলে... বান-গৰাখহনীয়াত উপায় নাপাই সকলো আমাৰ দলৰ নাৱতে উঠিল!*






দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২২ মে', ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## চেঙাৰ কাশিমপুৰত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়াত ত্ৰস্তমান শতাধিক পৰিয়াল

### তিনি বছৰত দুই শতাধিক পৰিয়াল গৃহহীন, সহস্ৰাধিক বিঘা কৃষিভূমি বিলীন

**আলোপতি, ২১ মে' ঃ** পুনৰ ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰিছে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাশিমপুৰ গাঁৱত। যোৱা কে'বাদিন ধৰি ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ লগে লগে কাশিমপুৰত পুনৰ আৰম্ভ হৈছে খহনীয়াৰ তাণ্ডৱ। চলিত বৰ্ষত দ্বিতীয়বাৰৰ বাবে অঞ্চলটোত সৃষ্টি ব্ৰহ্মপুত্ৰৰ খহনীয়াত ২০টাৰো অধিক পৰিয়াল গৃহহীন আঠ পৃষ্ঠাত চাওক

## হাতীৰ উপদ্ৰৱত কঠিয়াতলি, ৰেংবেং, গৰুবন্ধাৰ ৰাইজৰ বিনিদ্ৰ ৰজনী



অগ্ৰদূত বাৰ্তা
**পুৰণিগুদাম, ২১ মে' ঃ** টঙি ঘৰত উঠি টিং বজাই, পেঁপা বজাই নিশা হাতী খেদিব লগা হৈছে নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কঠিয়াতলিৰ জনতাই। কঠিয়াতলিত আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনৰ কঠিয়াতলি, গৰুবন্ধা, ৰেংবেং আদি অঞ্চলত আঠ পৃষ্ঠাত চাওক

## গোংগেয়া নৈৰ খহনীয়াৰ কৱলত চিথিলাৰ ঘোপ গাঁও



### বিগত কে'বা বছৰত জাহ গৈছে বিঘাই বিঘাই খেতিমাটিৰ লগতে ঘৰ-দুৱাৰো

অগ্ৰদূত বাৰ্তা
**দোতমা, ২১ মে' ঃ** কোকৰাঝাৰ জিলাত গোংগেয়া নৈৰ খহনীয়াৰ কৱলত চিথিলাৰ ঘোপ নামৰ এখন গাঁও। বিগত কে'বা বছৰ ধৰি গাঁওখনৰ ওচৰেদি বৈ যোৱা গোংগেয়া নৈখনত গাঁওখনৰ কে'বা শতাধিক খেতিমাটি জাহ যোৱাৰ লগতে বহুতো পৰিয়ালৰ ঘৰ-মাটিও নৈখনত জাহ গৈছে। যাৰ ফলত গাঁওখনৰ বহুতো লোক এতিয়া গাঁও এৰি স্থানান্তৰ হ'বলগীয়া হৈছে। সেই বাবে গাঁওবাসীয়ে নৈখনৰ খহনীয়া ৰোধ কৰিবলৈ চৰকাৰলৈ দাবী জনাইছে। চিথিলাৰ ঘোপ গাঁওখনত থকা একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনো খহনীয়াৰ কৱলত পৰি এবাৰ ধ্বংস হোৱাৰ পাছত পুনৰ নিৰ্মাণ কৰে আঠ পৃষ্ঠাত চাওক

## টিহু-হাৰিভাঙা পথৰ পিপলিবাৰীত পথ দুৰ্ঘটনাত এজন নিহত

অগ্ৰদূত বাৰ্তা
**টিহু, ২১ মে' ঃ** আজি পুৱা কিনকিনিয়া বৰষুণৰ মাজতে টিহু-হাৰিভাঙা পথৰ পিপলিবাৰীত এক পথ দুৰ্ঘটনাত এজন গাখীৰ বিক্ৰী কৰা লোকৰ শোকাৱহভাৱে মৃত্যু হয়। তথ্য অনুসৰি পুৱা প্ৰায় আঠ বজাত চাইকেলেৰে হাৰিভাঙাৰ দিশৰ পৰা টিহু নগৰ অভিমুখে গাখীৰ বিক্ৰী কৰিবলৈ আহি থকা সত্যৱান হালৈ (৬৪) নামৰ লোক এজনক টিহুৰ নালন্দা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কঢ়িওৱা এ এছ-২৫ চি চি-৮৭২৫ নম্বৰৰ বাহনখনে মহটিয়াই নিয়ে। স্থানীয় লোকৰ পৰা ঘটনাৰ খবৰ পাই টিহু থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত লোকজনক চিকিৎসালয়লৈ নিয়ে আঠ পৃষ্ঠাত চাওক

## বিজয় কৃষ্ণ সন্দিকৈৰ সহধৰ্মিণী স্বৰূপৰাণী সন্দিকৈৰ বিয়োগ

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ২১ মে' ঃ** বিশিষ্ট ৰাজনীতিক, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বিজয় কৃষ্ণ সন্দিকৈৰ সহধৰ্মিনী স্বৰূপৰাণী সন্দিকৈ (৭৮)ৰ যোৱা নিশা ২.৫৫ বজাত নিজ বাসগৃহত মৃত্যু হয়। তেওঁ বিগত কে'বাবছৰ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল যদিও শেহতীয়াকৈ কিছু আৰোগ্য হোৱাত যোৰহাট নগৰৰ নিজা বাসগৃহত থাকিয়ে চিকিৎসা গ্ৰহণ কৰি আছিল। পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ বোৱাৰী হৈও সহজ-সৰল জীৱন-যাপন কৰা স্বৰূপৰাণীৰ আকস্মিক মৃত্যত সমগ্ৰ যোৰহাটতে শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে নগৰৰ জেইল ৰোডস্থিত বাস ভৱনত অজস্ৰ গুণমুগ্ধই আহি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন আঠ পৃষ্ঠাত চাওক

## অতিৰিক্ত উপায়ুক্ত, চক্ৰ বিষয়া, লাট মণ্ডলৰ বিৰুদ্ধে গোচৰ

# যোৰহাটত গৰাকীৰ অজ্ঞাতেই ভূমি বিক্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ২১ মে' ঃ** চৰকাৰে ভূমি দালালৰ বিৰুদ্ধে সৰৱ হৈ থকাৰ সময়তে যোৰহাটত পোহৰলৈ আহিছে মাটি দালাল আৰু শীৰ্ষ চৰকাৰী বিষয়াৰে গঠিত এটা চক্ৰই সংঘটিত কৰা এক ভয়ংকৰ ভূমি কেলেংকাৰী। এই ভূমি কেলেংকাৰীৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন অধিবক্তাই আজি যোৰহাটৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত দুজন অতিৰিক্ত উপায়ুক্ত, এজন ৰাজহ চক্ৰ বিষয়া আৰু তিনিজন লাট মণ্ডলকে ধৰি দুজন মাটি দালালৰ বিৰুদ্ধে দাখিল কৰা এক এজাহাৰৰ ভিত্তিত ন্যায়ালয়ে ভাৰতীয় দণ্ডবিধিৰ ৪০৬/৪০৫/ ৪২০/ ৩৪/১২০ (বি)/৪৬৮ ধাৰাৰ অধীনত ৬২/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰিছে। তদুপৰি উক্ত গোচৰ আন তিনিজন বিষয়া আৰু এজন মণ্ডলক সাক্ষী কৰা হৈছে। এইকেইজন আদালতত উপস্থিত থাকিব লাগিব। উল্লেখ্য যে যোৰহাটৰ উপকণ্ঠ পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত চাৰিগাঁও মৌজাৰ এক নম্বৰ বামুণ গাঁৱৰ ১০১ আৰু ২৩২ নম্বৰ পট্টাৰ দাগ নম্বৰ ১৯৪১/ ১৯৪৩/ ১৬৮৫/ ১৯৯৫ৰ অন্তৰ্গত ছয় কঠা ভূমি প্ৰকৃত গৰাকীৰ অজ্ঞাতে প্ৰশান্ত শৰ্মা আৰু বিনয় শইকীয়া নামৰ দুজন দালালে যোৰহাটৰ এজন ব্যৱসায়ী শ্যামসুন্দৰ মালপানী আৰু আঠ পৃষ্ঠাত চাওক



বৰপেটা জিলাৰ চেঙাত কাশিমপুৰত ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়া, শনিবাৰে।

## ওদালগুৰিৰ ৰৌতাত নকল সাৰৰ গুদামত অভিযান ঃ গ্ৰেপ্তাৰ দুই

বিশেষ সংবাদদাতা
**ওদালগুৰি ২১ মে' ঃ** কালি সন্ধিয়া ওদালগুৰি আৰক্ষীৰ অভিযানত জিলাখনৰ ৰৌতাত এটি পৰিত্যক্ত গুদামত আৰক্ষীয়ে অভিযান চলাই নকল সাৰসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ সূত্ৰে উল্লেখ কৰা মতে, ওদালগুৰি উপ-আৰক্ষী অধীক্ষক সুকুমাৰ সিংহাৰ নেতৃত্বত আৰু ৰৌতা আৰক্ষী থানা, লালপুল আৰক্ষী চকীৰ সহযোগত ৰৌতাৰ আনন্দ বসুমতাৰীৰ নামত থকা এটা গুদামত অভিযান চলায়। উক্ত অভিযানত আৰক্ষীয়ে দলগাঁৱৰ তিনি নম্বৰ চিকনমাটিৰ কুতুবুদ্দিন আহমেদ আৰু ৰৌতাৰ ইকৰাবাৰীৰ ছাদ্দাম হুছেইন (২৪) নামৰ দুজনক হাতেলোটে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে উল্লেখ কৰা মতে, পৰিত্যক্ত ঘৰটোত নিমখ আৰু জিংক পাউদাৰৰ লগতে এক বিশেষ ৰং হাতেৰে মিহলাই নকল সাৰ (এমঅপি) প্ৰস্তুত কৰি বস্তাত ভৰোৱা হৈছিল। আৰক্ষীয়ে নকল সাৰ ভৰ্তি বস্তাৰ লগতে খালী বস্তাও উদ্ধাৰ কৰে। উল্লেখ্য যে নতুন বস্তা ক্ৰয় কৰি সাৰৰ নাম আৰু সাৰ কোম্পানীৰ মোহৰ মেচিনত আঠ পৃষ্ঠাত চাওক

## যুৱতীৰ অশ্লীল ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰি গ্ৰেপ্তাৰ যুৱক



অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ২১ মে' ঃ** কামৰূপ জিলাৰ কএঙাঁ আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ ধুহিৰ আব্দুল বাৰেক নামৰ যুৱক এজনে এগৰাকী হিন্দু যুৱতীৰ স'তে থকা কিছুমান অশ্লীল ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰি ৰঙাঘৰত সোমাবলগীয়া হ'ল। যুৱকজনে কেইদিনমান পূৰ্বে যুৱতীগৰাকীৰ স'তে থকা অশ্লীল ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰাত হিন্দু জাগৰণ মঞ্চই এই বিষয়ে জানিব পাৰি আজি দুপৰীয়া যুৱকজনৰ কৰ্মস্থলীত বকুলতল চ'কৰ পৰা যুৱকজনক কৰায়ত্ত কৰি কএঙাঁ থানাত গতাই দিয়ে। উল্লেখ্য যে পেছাত দৰ্জী আব্দুলে ইয়াৰ পূৰ্বেও এগৰাকী হিন্দু যুৱতীক বিয়া কৰাইছিল। দুই সন্তানৰ পিতৃ আব্দুলে দৰ্জী কাম কৰে যদিও এনেধৰণৰ অসামাজিক কাম-কাজত জড়িত হৈ থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। হিন্দু জাগৰণ মঞ্চৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে আজি যুৱকজনক গ্ৰেপ্তাৰ কৰে।

## মৰনৈত হৰিণা পহু উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২১ মে' ঃ** গোৱালপাৰা জিলাৰ মৰনৈত আজি এহা হৰিণা পহু উদ্ধাৰ কৰা হয়। দুধনৈ-কৃষ্ণাই নদীৰে ভাহি অহা হৰিণা পহুটোক মৰনৈ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ সমীপত কুকুৰে খেদি অহা প্ৰত্যক্ষ কৰি স্থানীয় সচেতন ৰাইজে উদ্ধাৰ কৰি বন বিভাগক খবৰ দিয়ে। আঘাতপ্ৰাপ্ত হৰিণাটোক গোৱালপাৰা পশু চিকিৎসা কেন্দ্ৰলৈ আনি চিকিৎসা কৰাৰ পাছত সূৰ্য পাহাৰত এৰি দিয়ে বুলি সদৰী কৰিছে গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই।

## প্ৰাক্তন ছাত্ৰ নেতা শৰৎ মুদৈৰ মৃত্যু

বিশেষ সংবাদদাতা
**নগাঁও, ২১ মে' ঃ** অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, প্ৰাক্তন ছাত্ৰ নেতা শৰৎ মুদৈ (৬২) ৰ আজি পুৱা গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আজি কিছুদিন ধৰি মুদৈ বৃক্ক ৰোগত আক্ৰান্ত হৈ আছিল। অসম আন্দোলনৰ সময়ত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা মুদৈ সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ লগত জড়িত আছিল। অসম আন্দোলনৰ সময়ত তেওঁ এনএছএৰ অধীনত গ্ৰেপ্তাৰ বৰণ কৰি কাৰাবাস খাটিবলগা হৈছিল। তদুপৰি আঠ পৃষ্ঠাত চাওক

## সামাজিক মাধ্যমত যুৱতীৰ আপত্তিজনক ফটো প্ৰচাৰ কৰি গ্ৰেপ্তাৰ যুৱক



**আলোপতি, ২১ মে' ঃ** বৰপেটা জিলাৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত কাছুমাৰা এনচি গাঁৱৰ আব্দুল চালামৰ পুত্ৰ বাবুল হাচান (২২)-এ একে গাঁৱৰে এগৰাকী যুৱতীৰ আপত্তিজনক ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰি আৰক্ষীৰ জালত পৰে। যুৱকজনে এনে আপত্তিজনক ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰাত যুৱতীগৰাকীৰ পিতৃয়ে কাছুমাৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ১৭/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি অভিযুক্তজনক কালি গুৱাহাটীত গ্ৰেপ্তাৰ কৰে। আজি যুৱকজনক আদালতত হাজিৰ কৰোৱাত আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰে।

## বান সাহায্য প্ৰদানৰ ক্ষেত্ৰত অসমক বঞ্চিত কৰিছে কেন্দ্ৰই ঃ অভিযোগ জাতীয় পৰিষদৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** কেন্দ্ৰীয় চৰকাৰে অষ্টলক্ষ্মী তথা 'এ ফৰ আসাম' আখ্যা দিয়া অসমৰ ক্ষেত্ৰত বান সহায্য প্ৰদানত সম্পূৰ্ণৰূপে উপেক্ষিত কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে অসম জাতীয় পৰিষদে। আজি চিৰিয়াখানা পথত থকা দলৰ মুখ্য কাৰ্যালয়ত সভাপতি লুৰীণজ্যোতি গগৈয়ে এক সংবাদমেলত কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰি কয় যে ৰাজ্যৰ শেহতীয়াকৈ বানত ৰাজ্যৰ ২৭ খন জিলাৰ ৭৫টা ৰাজহ চক্ৰৰ অন্তৰ্গত ১,৭৯০খন গাঁৱৰ সাত লাখ ১৭ হেজাৰতকৈ অধিক লোক আক্ৰান্ত হৈছে বুলি তথ্যত পোহৰলৈ আহিছে। এনে এক বৃহৎ দুৰ্যোগৰ স'তে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সহায়ৰ প্ৰয়োজন আছিল যদিও এই ক্ষেত্ৰত কেন্দ্ৰই কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি সভাপতি গগৈয়ে মন্তব্য কৰি কয়, 'ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ অধীনত ৰাজ্য চৰকাৰে ২০২০-২০২১ বৰ্ষত কেন্দ্ৰৰ পৰা ২,৬৪০.৪১ কোটি টকা বিচাৰিছিল যদিও ইয়াৰ মাত্ৰ ৪৩৭.১৫ কোটি টকাহে কেন্দ্ৰই অনুমোদন দিছিল। এই অনুমোদিত ধনৰ ৪৪.৩৭ কোটি টকাহে কেন্দ্ৰই ইতিমধ্যে মোকলাই দিছে। আঠ পৃষ্ঠাত চাওক

## ভেৰগাঁৱত চাৰিদফীয়া দাবীত ওদালগুৰি আদিবাসী ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘট



অগ্ৰদূত বাৰ্তা
**টংলা, ২১ মে' ঃ** আন্তঃৰাষ্ট্ৰীয় চাহ দিৱসৰ দিনাই আজি চাহ বাগিচা উচ্ছেদ অভিযানৰ বিৰুদ্ধে প্ৰতিবাদ কৰি লগতে অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫২৫ টকালৈ বৃদ্ধি আৰু আদিবাসীসকলক ভূমি পট্টা প্ৰদান কৰাৰ দাবীত ভেৰগাঁৱত মহকুমা সদৰস্থিত মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ ওদালগুৰি জিলা সমিতিয়ে ভেৰগাঁও আঞ্চলিক সমিতিৰ সহযোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে বৰাক উপত্যকাৰ কাছাৰ জিলাৰ ডলু চাহ বাগিচাৰ শ্ৰমিকসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ ২৫০০ বিঘা মাটি উচ্ছেদ কৰি অসম চৰকাৰে গ্ৰীণফিল্ড এয়াৰপ'ৰ্ট নিৰ্মাণ কাৰ্যৰ বিৰোধিতাৰে ওদালগুৰি জিলা আদিবাসী আঠ পৃষ্ঠাত চাওক

## আজাৰা ৰাজহ চক্ৰৰ দুই স্থানত সতৰ্কতা

### যিকোনো মুহূৰ্ততে ভূমিস্খলনৰ আশংকা



অগ্ৰদূত বাৰ্তা
**আজাৰা, ২১ মে' ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ দুই স্থানৰ অৰ্ধশতাধিক পৰিয়াল ভূমিস্খলনৰ স্পৰ্শকাতৰ অঞ্চলত বসবাস কৰি আছে। এনে অৱস্থাত পৰিয়ালসমূহৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য কৰি আজাৰা ৰাজহ চক্ৰ কাৰ্যালয় সক্ৰিয় হৈ উঠিছে। আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ ভূমিস্খলন প্ৰৱণ অঞ্চল হিচাপে ইতিমধ্যে কাঁহিকুছি গাঁও পঞ্চায়তৰ মাটিয়া পাহাৰত থকা ৩০টা পৰিয়াল আৰু আজাৰা গাঁও পঞ্চায়তৰ সামুগুৰী গগ গাঁৱৰ ২৮টা পৰিয়াল ভূমিস্খলন প্ৰৱণ অঞ্চলত আছে। ইতিমধ্যে কালি আৰু আজি আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্ভুক্ত ভূমিস্খলন প্ৰৱণ মাটিয়াপাহাৰ আৰু সামুগুৰী গগ গাঁওসমূহত আজাৰা ৰাজহ চক্ৰ বিষয়া প্ৰিয়াংশু ভৰদ্বাজৰ নিৰ্দেশমৰ্মে অজয় মজুমদাৰ, ক্ষেত্ৰ বিষয়া (দুৰ্যোগ ব্যৱস্থাপনা বিভাগ)ৰ তত্ত্বাৱধানত, লট মণ্ডল গএঞাধৰ নাথ, পূৰ্ণকান্ত মহন্ত, দীপ ঠাকুৰীয়া, মনোজ দাস আৰু অন্যান্য কৰ্মচাৰীৰ আঠ পৃষ্ঠাত চাওক

## কলগাছিয়াৰ মজিদভিটা গাঁৱত বেঁকী নদীত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**কলগাছিয়া, ২১ মে' ঃ** কলগাছিয়া থানাৰ অন্তৰ্গত বালিকুৰিৰ মজিদভিটা চৰত বেঁকী নদীত ভাহি থকা অৱস্থাত ৬০-৬৫ বছৰ বয়সায়ী এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকে নদীৰ পাৰত ঘাঁহ কাটিবলৈ গৈ মৃতদেহটো নদীত ওপঙি থকা প্ৰত্যক্ষ কৰি কলগাছিয়া আৰক্ষীক খবৰ দিয়ে। স্থানীয় ৰাইজৰ মতে হাত-ভৰি বান্ধি থকা লোকজনক দুৰ্বৃত্তই মাৰি নদীত পেলাই দিয়া বুলি সন্দেহ প্ৰকাশ কৰিছে। পাছত ঘটনাস্থলীত কলগাছিয়া থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি ঘটনাৰ তদন্ত কৰিছে বুলি জানিব পা গৈছে। মৃত লোকজন বৰপেটা সদৰ আৰক্ষী থানাৰ অন্তৰ্গত কুমাৰহাটী গাঁৱৰ ৰবীন দাস বুলি বিশেষ সূত্ৰে চিনাক্ত কৰা হৈছে।

## বেছিমাৰীত নাৰীদেহ ব্যৱসায়ী চক্ৰ উৎখাত আৰক্ষীৰ ঃ জেললৈ প্ৰেৰণ



অগ্ৰদূত বাৰ্তা
**দলগাঁও, ২১ মে' ঃ** দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত বেছিমাৰীত দীৰ্ঘদিনৰ পৰা গোপনে চলাই থকা নাৰীদেহ ব্যৱসায়ী চক্ৰ এটা আৰক্ষীয়ে উৎখাত কৰা ঘটনাই অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰিছে। দলগাঁও থানাৰ আৰক্ষীয়ে কালি এই চক্ৰটোৰ চাৰিজনক আটক কৰি আজি জেললৈ প্ৰেৰণ কৰে। এশ শতাংশ ধৰ্মীয় সংখ্যালঘু বসতি প্ৰধান অঞ্চল বেছিমাৰীৰ গণ্ডাপুখুৰীত ফকিৰ আলীয়ে নিজৰ ঘৰত দীৰ্ঘদিনৰ পৰা চলাই আছিল এই ৰমৰমীয়া ব্যৱসায়। এক বিশেষ খবৰৰ ভিত্তিত দলগাঁও আৰক্ষী থানাৰ উপ-পৰিদৰ্শক শশাংক কুমাৰ সাহা আৰু খাৰুপেটীয়াৰ চক্ৰ পৰিদৰ্শক আঠ পৃষ্ঠাত চাওক

## দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তেজপুৰৰ 'তৰুণ অসম সংঘ'ৰ প্ৰতিষ্ঠা দিৱস আৰম্ভ

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২১ মে' ঃ** ক্ৰীড়া, সংস্কৃতি আৰু সামাজিক ক্ষেত্ৰখনলৈ বিগত নটা দশকৰ অধিককাল ধাৰাবাহিকভাৱে সেৱা আগবঢ়াই অহা তথা সাহিত্যিক লক্ষ্মীধৰ শৰ্মাকে ধৰি জাতীয় জীৱনৰ বহু কেইগৰাকী পুৰোধা ব্যক্তিৰ প্ৰযত্নত ১৯৩০ত তেজপুৰত গঢ়ি উঠা 'তৰুণ অসম সংঘ'ৰ ৯২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত বৰ্ণাঢ্য কাৰ্যসূচীৰ আজি আৰম্ভ হৈছে। এই বিশেষ কাৰ্যসূচীৰ আৰম্ভণি দিনটোত আঠ পৃষ্ঠাত চাওক

### প্ৰবীণ চিত্ৰ-ভাস্কৰ্য শিল্পী জ্ঞানেন্দ্ৰ নাথ বৰাৰ চিত্ৰ-ভাস্কৰ্য প্ৰদৰ্শনী উদ্বোধন বিশিষ্ট চিত্ৰশিল্পী ননী বৰপূজাৰীৰ



■ টিহু মণ্ডল বিজেপিৰ উদ্যোগত সদ্য নিযুক্ত ৮৭গৰাকীক অভিনন্দন জ্ঞাপন

## মানুহৰ শান্তি আৰু পৰিধি আছে কিন্তু প্ৰশান্তি নাই ঃ মন্ত্ৰী দাস



অগ্ৰদূত বাৰ্তা
**টিহু, ২১ মে' ঃ** বিজেপিৰ টিহু মণ্ডল সমিতিৰ উদ্যোগত অসম চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি লাভ কৰাসকলক আজি অভিনন্দন জ্ঞাপন কৰা হয়। এই উপলক্ষে টিহু মহাবিদ্যালয়ৰ কালীচৰণ ডেকা প্ৰেক্ষাগৃহত টিহু মণ্ডল বিজেপিৰ সভাপতি আঠ পৃষ্ঠাত চাওক

## উত্তৰ গুৱাহাটীত পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱাৰ ওপজা দিন উদ্‌যাপন

### মেক্সমুলাৰ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰতকৈয়ো উচ্চ খাপৰ পণ্ডিত আছিল আনন্দৰাম বৰুৱা ঃ ড° শৰ্মা

অগ্ৰদূত বাৰ্তা
**উত্তৰ গুৱাহাটী, ২১ মে' ঃ** 'মেক্সমুলাৰ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰতকৈয়ো উচ্চ খাপৰ পণ্ডিত আছিল আনন্দৰাম বৰুৱা। ১২ বছৰত ১৩ খন অমূল্য গ্ৰন্থ ৰচনা কৰি আনন্দ ৰাম বৰুৱাই যি দৃষ্টান্ত দেখুৱাই গৈছে সেয়া কেৱল ভাৰততেই নহয় সমগ্ৰ বিশ্বতে বিৰল। তেওঁ ১২ বছৰীয়া সাহিত্য সাধনাৰ সময়খিনিত সংস্কৃত অভিধান প্ৰণয়ন কৰাই নহয় সংস্কৃত ব্যাকৰণো ৰচনা কৰিছিল। মাত্ৰ ৩৯ বছৰ জীয়াই থকা বৰুৱাই সাহিত্য সাধনাৰ ক্ষেত্ৰত বিৰামহীনভাৱে কৰা কষ্টৰ বাবেই হয়তো অকালতে মৃত্যুবৰণ কৰিব লগা হ'ল। কিন্তু জাতিৰ বাবে চমু জীৱন কালত অমূল্য অৱদান আগবঢ়োৱা এই মহান পণ্ডিতগৰাকীক আজিও সঠিক মূল্যায়ন হোৱা নাই।' এই মন্তব্য ড° জগদীশ শৰ্মাৰ।' তেওঁ আনন্দৰাম বৰুৱাৰ ৰচনা সম্ভাৰ অসমীয়াৰ লগতে ভাৰতৰ বিভিন্ন ভাষাত অনুবাদ কৰিবলৈ চৰকাৰক আহ্বান জনায়। উল্লেখ্য যে পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱাৰ ১৭২ সংখ্যক ওপজা দিনটো আজি উত্তৰ গুৱাহাটীত উদ্‌যাপন কৰা হয়। আনন্দৰাম বৰুৱা স্মৃতিত স্থাপিত 'আনন্দ ৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা' আবিলেক'ই আজি দিনজোৱা কাৰ্যসূচীৰে পালন কৰা ১৭২ সংখ্যক জন্ম জয়ন্তীত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক ড° শৰ্মাই এইদৰে মন্তব্য আগবঢ়ায়। আবিলেকৰ সঞ্চালক ড° দিলীপ কুমাৰ কলিতাই আদৰণি ভাষণ প্ৰদান কৰা আৰু মেঘনা চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানটোত সংস্থাৰ বছৰেকীয়া পত্ৰিকা 'আনন্দম' উন্মোচন কৰে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। পত্ৰিকা উন্মোচন কৰি শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে কয় যে বৰ্তমান আঠ পৃষ্ঠাত চাওক

## ধলাইবিলত ভয়ংকৰ পথ দুৰ্ঘটনা ঃ দুজনকৈ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ২১ মে' ঃ** শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষী নিৰেশৰ অন্তৰ্গত ধলাইবিলত আজি সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হয়। আজি দুপৰীয়া ১২ বজাত ১৫ নম্বৰ ঘাইপথেৰে যোৰহাটৰ পৰা জামুগুৰিহাটৰ কুসুমটোলালৈ আহি থকা এএছ-০৩ এইছ ৩৯৪৫ নম্বৰৰ চেভ্ৰলেট স্পাৰ্ক বাহনখনত টুপীয়া অভিমুখে প্ৰফুল্ল কলিতা (৩৫) আৰু মজনুৰ আলী (৩৪) আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৭ জেঠ ১৪২৯ ভাস্কৰাব্দ ২২ মে' ২০২২



## লেহেমীয়া হৈছে



বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা ভাৰতত ক'ভিড মহামাৰীত মৃত্যুৰ সংখ্যাক কেন্দ্ৰ কৰি বিতৰ্ক অব্যাহত আছে। বিশ্ব স্বাস্থ্য সংস্থা (ডব্লিউ এইছ অ')ই ভাৰতত ক'ভিড মহামাৰীত মৃত্যুৰ সংখ্যা ৪৭ লাখ বুলি দেখুৱাইছে। বিশ্ব স্বাস্থ্য সংস্থাৰ এই তথ্য ভাৰত চৰকাৰে মানি লোৱা নাই। ভাৰত চৰকাৰৰ মতে 'হু'ৱে প্ৰকাশ কৰা এই তথ্য শুদ্ধ নহয়। ভাৰত চৰকাৰে প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতত ক'ভিডত মৃত্যু হোৱা লোকৰ সংখ্যা চাৰি লাখ ৭৪ হেজাৰ। ভাৰত চৰকাৰে 'হু'ৰ তথ্য ভুল বুলি দাবী কৰিছে যদিও বিশ্বৰ বিভিন্ন দেশে বিশ্ব স্বাস্থ্য সংস্থা ('হু')ৰ তথ্যকেই বিশ্বাস কৰিব পাৰে আৰু তেনে ক্ষেত্ৰত বিশ্বৰ সন্মুখত ভাৰতৰ ভাবমূৰ্তি কিছু পৰিমাণে হ'লেও ম্লান পৰিব। ক'ভিডত মৃত্যুৰ সংখ্যাৰ সন্দৰ্ভত বিতৰ্ক অব্যাহত থকাৰ পৰিপ্ৰেক্ষিততে কেন্দ্ৰীয় চৰকাৰে টিকাকৰণ অথবা ক'ভিড প্ৰতিষেধক প্ৰদান অভিযান শেহতীয়াকৈ লেহেমীয়া হোৱা বুলি অসন্তুষ্টি ব্যক্ত কৰিছে আৰু সকলো ৰাজ্য তথা কেন্দ্ৰীয় শাসিত ৰাজ্য চৰকাৰক ক'ভিড প্ৰতিষেধক প্ৰদান অভিযান ক্ষিপ্ৰতৰ কৰিবলৈ কৈছে। কেন্দ্ৰীয় স্বাস্থ্য সচিবে যোৱা ২০ মে'ত দেশত ক'ভিড প্ৰতিষেধক সম্পূৰ্ণ কৰা অভিযানৰ গতি লেহেমীয়া হৈ পৰা বুলি সদৰী কৰি অভিযান ক্ষিপ্ৰতৰ কৰিবলৈ নিৰ্দেশ দিছে। সম্পূৰ্ণ প্ৰতিষেধক প্ৰদান অভিযান হিচাপে প্ৰথম আৰু দ্বিতীয় প্ৰতিষেধকৰ উপৰি তৃতীয়টো সতৰ্কতামূলক প্ৰতিষেধক অথবা বুষ্টাৰ প্ৰদান কৰিবলৈ কোৱা হৈছে। উপযুক্ত সকলোকে তৃতীয় পালি বা বুষ্টাৰ প্ৰদান অভিযানত চৰকাৰে গুৰুত্ব দিয়াৰ লগতে ১২-১৮ বছৰৰ ল'ৰা-ছোৱালীসকলকো প্ৰতিষেধক প্ৰদান অভিযান ক্ষিপ্ৰতৰ কৰিবলৈ কোৱা হৈছে। ক'ভিড প্ৰতিষেধক প্ৰদান অভিযান লেমেহীয়া হৈ পৰাত যে কেন্দ্ৰীয় চৰকাৰ চিন্তিত হৈছে, শেহতীয়া ব্যৱস্থাই তাৰেই ইংগিত। চৰকাৰে সেয়ে আগন্তুক দুমাহৰ বাবে 'হৰ ঘৰ দস্তক' অভিযান কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অভিযান কাৰ্যসূচী অনুসৰি ঘৰে ঘৰে গৈ ক'ভিডৰ প্ৰতিষেধক প্ৰদান কৰিবলৈ কোৱা হৈছে। স্কুলীয়া ১২-১৮ বছৰীয়া ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়লৈ নোযোৱা আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত শিশুসকলক প্ৰতিষেধক প্ৰদান কৰিবলৈ কোৱা হৈছে। চৰকাৰে বিশেষকৈ ১২-১৪ বছৰ বয়সীয়া শিশুসকলক প্ৰতিষেধক প্ৰদান যথেষ্ট লেহেমীয়া হৈ আছে বুলি উল্লেখ কৰিছে। চৰকাৰে সেয়ে ১২-১৪ বছৰ বয়সীয়া শিশুসকলক প্ৰতিষেধক প্ৰদান ক্ষিপ্ৰতৰ কৰিবলৈ কৈছে। এই প্ৰসংগতে কেন্দ্ৰীয় চৰকাৰে ক'ভিড প্ৰতিষেধকসমূহ যাতে নষ্ট নহয় নাইবা নষ্ট হ'বলৈ দিয়া নহয়, সেই বিষয়ত সকীয়াই দিছে। ব্যৱহাৰ নোহোৱাকৈ থকা সকলো প্ৰতিষেধক জুলাইৰ ভিতৰত শেষ কৰিবলৈও কোৱা হৈছে। উল্লেখ্য যে দেশৰ বেছিভাগ উপযুক্ত লোকেই ক'ভিডৰ তৃতীয় পালি বা বুষ্টাৰ প্ৰতিষেধক লোৱা নাই। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে ক'ভিড প্ৰতিষেধক সম্পূৰ্ণ কৰা অভিযানত বিশেষ গুৰুত্ব দিয়াটো লক্ষ্যণীয়। বিশেষকৈ এছিয়া, আফ্ৰিকা আৰু ইউৰোপীয় বহুতো দেশত ক'ভিডৰ নতুন নতুন লহৰ সৃষ্টি হোৱা আৰু চীন দেশৰ ক'ভিড শূন্য (জিৰ' ক'ভিড) অভিযান বিফল হোৱাৰ অভিজ্ঞতা আৰু শিক্ষা লৈয়ে ভাৰতে ক'ভিড প্ৰতিষেধক সম্পূৰ্ণ কৰাৰ অভিযান ক্ষিপ্ৰতৰ কৰাত গুৰুত্ব দিছে। যোৱা এটা সপ্তাহত ভাৰতত নতুন ক'ভিড আক্ৰান্তৰ সংখ্যা ৩৫ শতাংশ বৃদ্ধি পোৱা বুলি প্ৰকাশ পাইছে। যোৱা ২০ মে'ত ২৪ ঘণ্টাত দেশত ২,২৫৯ জন লোক নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছে আৰু মৃত্যু হৈছে ২০ জনৰ। দেশত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পাই গৈ আছিল যদিও শেহতীয়াকৈ দৈনিক দুহেজাৰৰ ওপৰত থকাটো উৎসাহজনক নহয়। যি হাৰত কমিব লাগিছিল, সেইদৰে কমা নাই। উল্লেখ্য যে চীন দেশত শেহতীয়াকৈ পুনৰ ক'ভিড বৃদ্ধি পোৱাত দেশখনৰ অৰ্থনৈতিক ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পৰিছে। ঔদ্যোগিক খণ্ডত উৎপাদন হ্ৰাস পাইছে। ভাৰত চৰকাৰে চীন আৰু অন্যান্য দেশত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰা শিক্ষা গ্ৰহণৰ প্ৰয়োজন আছে। পুনৰ যাতে ভাৰততো ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হ'ব নোৱাৰে, সেইটো নিশ্চিত কৰিব লাগিব। চৰকাৰে সেয়ে প্ৰতিষেধক প্ৰদান অভিযান সম্পূৰ্ণ কৰাত, ১২-১৮ বছৰীয়াসকলক প্ৰতিষেধক প্ৰদান সম্পূৰ্ণ কৰা আৰু তৃতীয় পালি প্ৰতিষেধক ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাত গুৰুত্ব দিছে।

অৱশ্যে কেন্দ্ৰীয় চৰকাৰে ক'ভিড প্ৰতিষেধক অভিযান সম্পূৰ্ণ কৰা আৰু ক্ষিপ্ৰতৰ কৰাত গুৰুত্ব দিয়াৰ সময়তে উচ্চতম ন্যায়ালয়ে কোনো লোককে ক'ভিড প্ৰতিষেধক ল'বলৈ বাধ্য কৰিব নোৱাৰিব বুলি দিয়া ৰায় চিন্তাৰ বিষয় হৈ পৰিছে। যোৱা দুই মে'ত উচ্চতম ন্যায়ালয়ে কোনো লোকক ক'ভিড প্ৰতিষেধক প্ৰদান কৰাটো বাধ্যতামূলক নহয় বুলি ৰায় দিছে। সেই অনুসৰি ক'ভিড প্ৰতিষেধক লোৱাৰ বাবে কাৰো ওপৰত হেঁচা প্ৰয়োগ কৰিব নোৱাৰিব। দেশৰ সংবিধানৰ অনুচ্ছেদ ২১ অনুসৰি ব্যক্তিৰ শাৰীৰিক মৰ্যাদা সুৰক্ষিত ৰখাৰ উদ্দেশ্যেই ন্যায়ালয়ে এই নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ে অৱশ্যে স্বাস্থ্য সুৰক্ষাৰ বাবে চৰকাৰে কিছুমান ব্যক্তিগত অধিকাৰ সীমিত কৰি নিৰ্দেশ জাৰি কৰিব পাৰিব বুলিও কৈছে। চীন দেশত প্ৰতিষেধক বাধ্যতামূলক কৰা আৰু সকলোকে প্ৰতিষেধক ল'বলৈ বাধ্য কৰা হৈছিল আৰু ইয়াৰ যোগেদি চীনক সম্পূৰ্ণ ক'ভিডমুক্ত কৰাটো সম্ভৱ বুলি চীনা নেতাসকলে বিশ্বাস কৰিছিল; কিন্তু ক'ভিডমুক্ত বুলি দাবী কৰাৰ পাছতো এতিয়া চীনত পুনৰ ক'ভিডৰ আতংকই দেখা দিছে। প্ৰতিষেধক লোৱাৰ পাছতো বহু লোক আক্ৰান্ত হৈছে। এয়া নিশ্চয় ভাৰতৰ বাবেও চিন্তাৰ বিষয় হ'ব পাৰে। আনহাতে, ভাৰতত ১৮০ কোটি পালি ক'ভিডৰ প্ৰতিষেধক ইতিমধ্যে প্ৰদান কৰা হৈছে। তৎসত্বেও ২৫ শতাংশৰো অধিক লোকে এতিয়াও দ্বিতীয় পালি প্ৰতিষেধক লোৱা নাই। দেশৰ স্বাস্থ্যখণ্ডৰ কাৰণে ই ভাল খবৰ নহয়। চৰকাৰে এশ শতাংশ লোকক সম্পূৰ্ণ ক'ভিড প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লৈছে। সেই লক্ষ্যত উপনীত হোৱাত যিমানেই পলম হ'ব, সিমানেই ক'ভিড পৰিস্থিতিক লৈ অনিশ্চয়তা থাকিব। চৰকাৰে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদানৰ অভিযান কাৰ্যসূচী লোৱাটো সেয়ে গুৰুত্বপূৰ্ণ। ক'ভিড প্ৰতিষেধক প্ৰদান অভিযান লেহেমীয়া হোৱাৰ পৰিণতি ভয়ংকৰ হ'বগৈ পাৰে। দ্বিতীয় পালি প্ৰতিষেধক ২৫ শতাংশক দিবলৈ এতিয়া বাকী থকা আৰু তৃতীয় পালি প্ৰতিষেধক ৬০ বছৰৰ ঊৰ্দ্ধৰ লোকসকলৰ মাত্ৰ ৪২ শতাংশইহে লোৱা বুলি প্ৰকাশ পাইছে। বিশেষকৈ শিশুসকলক প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত লেহেমীয়া হোৱাটো গুৰুতৰ অৱহেলা। প্ৰতিষেধক নোলোৱাৰ ফলত শিশুসকল আক্ৰান্ত হোৱাৰ আশংকা বেছি আৰু শিশুসকলৰ পৰা প্ৰাপ্তবয়স্ক সকলো আক্ৰান্ত হ'ব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত কৰ'নাত আক্ৰান্তৰ ১৯ শতাংশই শিশু বুলি প্ৰকাশ পাইছে আমেৰিকান একাডেমী অৱ পিড্ৰিয়াটিক্সৰ প্ৰতিবেদনত। ভাৰত চৰকাৰে এইবোৰ প্ৰতিবেদনৰ তথ্যক আওকাণ কৰিব নোৱাৰিব। চৰকাৰে সেয়ে ১২-১৪ বছৰ বয়সীয়াসকলক প্ৰতিষেধক প্ৰদান অভিযান ক্ষিপ্ৰতৰ কৰাৰ প্ৰয়োজন আছে। যিদৰে উপযুক্তসকলৰ সকলোকে তৃতীয় পালি প্ৰতিষেধক প্ৰদান অভিযান সম্পূৰ্ণ কৰাটো জৰুৰী, সেইদৰে শিশুসকলক প্ৰতিষেধক প্ৰদান অভিযানো যিমান পাৰি সোনকালে সম্পূৰ্ণ কৰিব লাগিব। ইতিমধ্যে গ্ৰহণ কৰা প্ৰতিষেধকবোৰ কিমানদিনলৈ কাৰ্যক্ষম হৈ থাকে, সেই সন্দৰ্ভত নিশ্চিতভাৱে ক'ব পৰা হোৱা নাই। বিশেষকৈ বিশ্বৰ একাংশ দেশত ক'ভিডৰ সংক্ৰমণ অব্যাহত থকা আৰু কোনো দেশ সম্পূৰ্ণ ক'ভিডমুক্ত হ'ব নোৱৰাটো আওকাণ বা অৱহেলা কৰিবলগীয়া বিষয় নহয়।

# মনুষ্যত্ব আৰু মানৱতা দুয়ো এক সংগীত

## বুদ্ধিজীৱীৰ কাম এতিয়া শাসকৰ অন্যায়ক ন্যায় বুলি প্ৰচাৰ কৰা



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

তেতিয়াৰ ভাৰতত দিল্লীৰ ৰজা আছিল পৃথ্বিৰাজ আৰু পৃথক আজমীৰ ৰাজ্যৰ ৰজা আছিল জয়চন্দ্ৰ। জয়চন্দ্ৰ শক্তিত আছিল দুৰ্বল। সেয়ে দিল্লী অধিকাৰ কৰিব নোৱাৰিব বুলি জানি কাবুলৰ পৰা বাবৰক মাতি আনিছিল দিল্লী আক্ৰমণৰ বাবে। জয়চন্দ্ৰই ভাবিছিল মোগলে দিল্লী দখল কৰি কিছু লুট-পাট কৰি গুচি যাব আৰু তেতিয়া তেওঁ দিল্লীৰ ৰজা হ'ব; কিন্তু বাবৰে দিল্লী এৰি নগ'ল। জয়চন্দ্ৰৰ ৰাজ্য আক্ৰমণ কৰি জয়চন্দ্ৰক হত্যা কৰি তেওঁৰ ৰাজ্যও দখল কৰিলে। ইতিহাসৰ পুনৰাবৃত্তি ঘটিছিল বাংলাৰ নবাব চিৰাজুদ্দৌলাৰ শাসন কালত। তেওঁৰেই প্ৰধান সেনাপতি মিৰ্জাফৰে নিজে নবাব হোৱাৰ আশাত ইংৰাজ বণিকক মাতি আনিছিল। চিৰাজুদ্দৌলাক হত্যা কৰি ইংৰাজে মিৰ্জাফৰক কিছুদিনৰ বাবে নবাবৰ পদত বহুৱাইছিল। তাৰ পাছত সিংহাসনৰ পৰা আঁতৰাইছিল। মিৰ্জাফৰৰ মৃত্যু হৈছিল কুষ্ঠ ৰোগত।

মনুষ্যত্ব আৰু মানৱতা— দুয়ো এক সংগীত। এই সংগীতৰ শত্ৰুবোৰেই মানুহৰ শত্ৰু। কিয়নো এই সংগীতৰ স'তে একেই সূতাৰে বন্ধা মানুহৰ ভৱিষ্যৎ।

**দুই**

মানুহৰ ধৰ্মবোধ মানৱ চেতনাৰ এক চূড়ান্ত ঠাই। ধৰ্মৰ নৈতিকতা, ধৰ্মচেতনা, আধ্যাত্মিকতাক মানুহে মান্য কৰাৰ খুব প্ৰয়োজন; কিন্তু দুখৰ কথা এয়াই যে মানুহৰ চৰিত্ৰত আজি পিশাচ লম্ভিছে। সেই পিশাচে তাক ধৰ্মান্ধতাৰ পিনে টানি নিছে। ফলত ধৰ্মবোধ ৰূপান্তৰিত হৈছে এক বিকৃত বিষাক্ত শক্তিলৈ।

বেছিদিন হোৱা নাই দিল্লীৰ জাহাংগীৰপুৰী অঞ্চলৰ সাম্প্ৰদায়িক দাংগাৰ পাছত মুছলমানৰ ঘৰ-বাৰী, দোকানপাট বুলড'জাৰেৰে ধ্বংস কৰি দিয়া হৈছে এই অচিলাত যে ইয়াৰ পৰাই 'হনুমান জয়ন্তী'ৰ শোভাযাত্ৰাৰ ওপৰত পাথৰ নিক্ষেপ কৰা হৈছিল। অভিযানৰ সময়ত তাৰ জামে মছজিদৰ বাহিৰৰ অংশকো ধ্বংস কৰি দিয়া হৈছে। এই ধাৰাবাহিকতাৰ অংশ হিচাপে যোৱা পাঁচ মে'ত উত্তৰ প্ৰদেশৰ কাণপুৰৰ এখন মাদ্ৰাছা 'অবৈধভাৱে স্থাপিত' আখ্যায়িত কৰি সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়া হৈছে। ইয়াৰ আগতে মোবাৰকপুৰত জামেয়া আশ্ৰাফিয়া মাদ্ৰাছাৰ কিছু অংশ বুলড'জাৰেৰে ভাঙি পেলোৱা হয়। এটাৰ পাছত এটা এনে ঘটনা দেখি অনুমান হয় যে বুলড'জাৰে এতিয়া আমাৰ জাতীয় পৰিচিতি লাভ কৰিবলৈ গৈছে। বুলড'জাৰ শাসনৰ উদ্দেশ্য দেশত আইনৰ ৰাজত্ব শেষ। এই বুলড'জাৰৰ বৈশিষ্ট্য এয়াই যে এয়া কেৱল মুছলমানৰ বিৰুদ্ধে ব্যৱহাৰ কৰা হৈছে। যিসকলে শাসক দলৰ স'তে মতাদৰ্শগত বিৰোধিতা কৰে অথবা অন্য কোনো দলৰ স'তে আছে, এই সময়ৰ ৰাজনৈতিক শাসনে ভিন্নমতক সবাতোকৈ ডাঙৰ অপৰাধ হিচাপে গণ্য কৰিছে।

**তিনি**

কাশ্মীৰক লৈ পুনৰ ৰাজনীতি। ভোটৰ বাবে কাশ্মীৰৰ পুনৰ্বিন্যাস। কাশ্মীৰীসকলৰ ৰাজনৈতিক আকাংক্ষা দমন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ নতুন কৌশল। প্ৰায় সাত দশক ধৰি ভাৰতভুক্ত জম্মু-কাশ্মীৰ লাডাখৰ যি পৃথক মৰ্যাদা আৰু সীমিত সাংবিধানিক স্বায়ত্তশাসন আছিল তাৰ অৱসান ঘটোৱা হৈছিল ২০১৯ত। লাডাখক জম্মু আৰু কাশ্মীৰৰ পৰা পৃথক কৰি কেন্দ্ৰীয় শাসিত অঞ্চল ঘোষণা কৰা হৈছিল। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে লাডাখবিহীন জম্মু-কাশ্মীৰত সম্ভাব্য নিৰ্বাচনৰ বাবে সীমা পুনৰ্নিৰ্ধাৰণ কৰিছে এক কমিটীৰ মাধ্যমত। ছুপ্ৰিম ক'ৰ্টৰ অৱসৰপ্ৰাপ্ত বিচাৰপতি ৰঞ্জনা দেশাইৰ নেতৃত্বত গঠিত তিনি সদস্যৰ এক পেনেলে দুবছৰৰ অন্তত যি প্ৰস্তাৱ দাখিল কৰিছে, সেয়াই গেজেট আকাৰে প্ৰকাশিত হৈছে মে'ৰ প্ৰথম সপ্তাহত। কমিটীৰ প্ৰস্তাৱৰ যে চৰকাৰৰ ইচ্ছা-অনিচ্ছাৰ স'তে মিল আছে সেয়া নক'লেও হ'ব। আগতে জম্মু আৰু কাশ্মীৰৰ বিধানসভাত জনপ্ৰতিনিধিৰ আসন আছিল ৮৩। চৰকাৰী গেজেট অনুযায়ী এতিয়া আসন হৈছে ৯০। ইয়াৰ জম্মুৰ বাবে ৪৩, আগতে আছিল ৩৭। আৰু কাশ্মীৰৰ বাবে ৪৭, আগতে আছিল ৪৬। নতুন এই নিৰ্বাচনী নক্সাৰ তাৎপৰ্য বহু। সহজে বুজা যায় যে কেন্দ্ৰীয় চৰকাৰে বৰ্তমান কেন্দ্ৰীয় শাসিত এই জনপদত ৰাজনৈতিকভাৱে আৰু নিয়মতান্ত্ৰিক উপায়ত কাশ্মীৰীসকলৰ আধিপত্য হ্ৰাস কৰিব বিচাৰিছে। সচৰাচৰ নিৰ্বাচনী আসনৰ বিন্যাস কৰা হয় জনসংখ্যাৰ ভিত্তিত; কিন্তু জম্মু আৰু কাশ্মীৰৰ নিৰ্বাচনী আসনৰ পুনৰ্বিন্যাসত সেই নিয়ম মনা হোৱা নাই। নতুন বিন্যাসত কাশ্মীৰৰ ৰাজনৈতিক প্ৰতিনিধিত্বৰ সুযোগ কমিল আৰু বাঢ়িল জম্মুৰ আসন। জম্মুৰ বাবে আসন বৃদ্ধি মানে তাত পোনে পোনে লাভ হ'ব বিজেপিৰ। মুছলিম সংখ্যাগৰিষ্ঠ কাশ্মীৰৰ বিপৰীতে জম্মুৰ ৬০ শতাংশ অধিবাসী হিন্দু। জম্মু আৰু কাশ্মীৰ মিলি গড়ে ৭০ শতাংশ মানুহ মুছলমান; কিন্তু ৭০ শতাংশ মুছলিম অঞ্চল হ'লেও নিৰ্বাচনী আসনবোৰৰ এতিয়া এনেকৈ বিন্যাস হ'ল যাতে বিধানসভা আৰু লোকসভাত কাশ্মীৰী মুছলমানৰ প্ৰতিনিধিত্ব আধাতকৈও কমি যাব পাৰে। সম্পূৰ্ণ অঞ্চলটোত সবাতোকৈ বেছি আসন পোৱা দল হ'ব পাৰে বিজেপি।

জম্মুত আসন বঢ়োৱা হৈছে বিজেপি প্ৰভাৱিত অঞ্চলবোৰত। ইয়াৰ ১০ খন জিলাৰ চাৰিখন জিলা জম্মু, কাঠুৱা, চাম্বা আৰু উদামপুৰ হিন্দু সংখ্যাগৰিষ্ঠ। কাশ্মীৰত যেনেকৈ বহু ৰাজনৈতিক দলৰ শক্তিশালী উপস্থিতি, জম্মুত বিশেষকৈ জম্মুৰ হিন্দু প্ৰধান সেই চাৰিখন জিলাত বিজেপিৰ তেনে কোনো প্ৰতিপক্ষ নাই। ফলত জম্মু আৰু কাশ্মীৰত 'গণতান্ত্ৰিকভাৱেই' বিজেপিৰ শাসন আৰম্ভ হোৱাত অবাক হ'বলগীয়া একো নাথাকিব।

কেৱল জম্মুৰ হিন্দুপ্ৰধান অঞ্চলত নিৰ্বাচনী আসন বঢ়ায়েই সংস্কাৰ শেষ হোৱা নাই। জম্মু আৰু কাশ্মীৰৰ নখন আসনক 'চিডিউল ট্ৰাইব'ৰ বাবে সংৰক্ষিত ঘোষণা কৰা হৈছে। তাৰে তিনিখন কাশ্মীৰত আৰু ছখন জম্মুত। ইয়াৰ ফলত কাশ্মীৰৰ ইমানদিনৰ মুছলিমপ্ৰধান দলবোৰৰ সম্ভাব্য আসন বিধানসভাত আৰু কমিব।

**চাৰি**

প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক সত্যজিৎ ৰায় পৰিচালিত এখন চিনেমা 'হীৰক ৰাজাৰ দেশে' কেৱল মাথোঁ এখন চিনেমাই নহয়, ৰূপকৰ আশ্ৰয়মিশ্ৰিত এই চিনেমাখনত কিছু ধ্ৰুৱ সত্য ফুটাই তোলা হৈছে। শাসকৰ অন্যায়-অবিচাৰ, শোষণ-নিৰ্যাতনত ৰাষ্ট্ৰৰ নাগৰিক কিমান অসহায়, তাৰেই প্ৰতিচ্ছবি 'হীৰক ৰাজাৰ দেশে'। এখন গণতন্ত্ৰহীন চৰকাৰৰ অধীনত ৰাষ্ট্ৰৰ নাগৰিকৰ যেনেকৈ অধিকাৰ বঞ্চিত হয়, তেনেকৈ অধিকাৰৰ কথা ক'বলৈ গ'লে জোৰ-জুলুম-নিৰ্যাতন সহ্য কৰিব লগাত পৰে। একনায়কতান্ত্ৰিক চৰকাৰৰ মূল কথা যেনে এক ব্যক্তিৰ কথাতেই ৰাষ্ট্ৰৰ সকলো পৰিচালিত হয়, বিচাৰ-আচাৰ হয়, নাগৰিকৰ অধিকাৰ তাৰ ইচ্ছাত পৰিচালিত হয়, হীৰক ৰাজাৰ দেশত তেনে এক শাসকৰ চৰিত্ৰই ফুটাই তোলা হৈছে। মন্ত্ৰীবোৰে একান্ত গোলামৰ দৰে ৰজাৰ সকলো অন্যায়-অত্যাচাৰ মানি লৈ ৰজাক খুচি কৰিবৰ বাবে অবিবেচকৰ দৰে ৰজাৰ প্ৰশংসা কৰি গৈছে। আমাৰ ৰাষ্ট্ৰ, সমাজ-সভ্যতাও আজি এনে এক অন্ধ অৱস্থাত প্ৰৱেশ কৰিছে। ৰাজনীতিৰ বাহিৰৰ এটা গোষ্ঠীও প্ৰশংসা কৰিবৰ বাবে সৃষ্টি হৈছে। সিহঁত 'বুদ্ধিজীৱী' নামে পৰিচিত। সিহঁতৰ কাম শাসকৰ অন্যায়ক ন্যায় বুলি কোৱা। জনগণৰ সকলো অধিকাৰ শাসকৰ বিশেষ বাহিনীৰ বুটৰ তলত পিষ্ট হ'লেও সেই শ্ৰেণীয়ে কোৱা শুনা যায়— সকলো অধিকাৰ এই শাসকৰ আমোলতেই জনগণে ভোগ কৰিব পাৰিছে। বিশেষ সুবিধাভোগী এই শ্ৰেণীৰ কাম চৰকাৰক তোষামোদ কৰি আৰু বেছি সুবিধা আদায় কৰা।

হীৰক ৰাজাৰ দেশৰ চিত্ৰই আমাৰ ৰাষ্ট্ৰৰ প্ৰতিচ্ছবি।

**পাঁচ**

নাৎসীবাদ, ফেচিবাদ, জাতীয়তাবাদ, ধৰ্মবাদ, মৌলবাদ, বৈষম্যবাদ, সন্ত্ৰাসবাদ— চব একাকাৰ হৈ গৈছে। ছেকুলাৰ মানৱতাবাদীসকল অকলশৰীয়া হৈ পৰিছে। অসহিষ্ণু মানুহৰ সংখ্যা বাঢ়িছে। উদাৰ ভাৰতবৰ্ষ সলনি হৈ গৈছে। কোনো ভুল নিজে নিজেই সংশোধিত নহয়। সমাজক শুদ্ধ আৰু সুস্থ ৰাখিবলৈ প্ৰতিনিয়ত ইয়াৰ ভিতৰৰ অশুদ্ধতা আৰু অসুস্থতাক দূৰ কৰাৰ প্ৰয়োজন।

বহুকালৰ পৰাই মানুহে ধৰ্ম-কৰ্ম কৰি আহিছে। ধৰ্মৰ বৰ্তমান অসহিষ্ণু ৰুদ্ৰ ৰূপ আগতে কিন্তু নাছিল। ধৰ্ম এক চেতনা। এক মহান আধ্যাত্মিক বিষয়। ৰাজনীতি আৰু এক বিষয়। বাস্তৱ জীৱনৰ বিষয়। ৰাজনীতিত উন্নত নীতি-আদৰ্শ যেনেকৈ আছে, তেনেকৈ অসত্য, ভণ্ডামি প্ৰতাৰণা প্ৰভৃতি অনৈতিক বিষয়ও আছে। এতিয়া ত্যাগৰ আৰু সাধনাৰ ৰাজনীতি নাই। তাৰ ঠাই দখল কৰিছে ভোগবাদিতাই। ত্যাগৰ ৰাজনীতি হৈছে অপসাৰিত। ৰাজনীতি এতিয়া পৰিণত হৈছে অৰ্থ উপাৰ্জনৰ যন্ত্ৰত। অতীতত দেখা গৈছিল তৃণমূলৰ পৰা ৰাজনীতিক আৰু ৰাজনীতিৰ ধাৰা গঢ়ি উঠিছিল। অনেক ত্যাগ তিতিক্ষা আৰু পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁলোক আহিছিল। এতিয়া সেয়া নহয়। যিকোনো দলৰেই নহওক কিয়, অজস্ৰ টকা ঢালি বা যিকোনো প্ৰক্ৰিয়াৰেই নিৰ্বাচিত নহওক কিয়, এগৰাকী জনপ্ৰতিনিধিয়ে শপত গ্ৰহণৰ পাছত তেওঁৰ প্ৰধান দায়িত্ব সংবিধান ৰক্ষা কৰা। সংবিধান ৰক্ষাৰ সংজ্ঞা হ'ল ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰতি অবিচল থকা আৰু মানুহৰ মৌলিক অধিকাৰ ৰক্ষা কৰা। ইটা, পাথৰ, লোহা-লক্কৰ আৰু চিমেণ্টৰ মাধ্যমত যি উন্নয়ন সেয়া অন্য বিষয়। গণতন্ত্ৰ নহয়। বৰ্তমান অৱস্থাত এজন জনদৰদীয়ে নিৰ্বাচিত হ'বলৈ বিচাৰে বৈষয়িকভাৱে লাভৱান হোৱাৰ লক্ষ্যলৈ। তেওঁৰ আশা-আকাংক্ষাৰ স'তে জনগণৰ আশা-আকাংক্ষাৰ তিলমাত্ৰ সম্পৰ্ক নাই। কাৰণ ৰাজনীতি এতিয়া আগৰ দৰে নাই। মানুহৰ কল্যাণ কামনা, দেশপ্ৰেম, আদৰ্শবোধ এইবোৰেই আচলতে ৰাজনীতিৰ প্ৰধান ভিত্তি। ৰাজনীতি এক গভীৰতা সম্পন্ন ইতিহাস নিৰ্ধাৰক মহৎ আৰু মানৱীয় সাধনা। ৰাজনীতি শব্দটোৱে এই ধাৰণাকে বহন কৰি আহিছে। এতিয়া এই শব্দটোৰ স'তে যুক্ত হৈছে এক ভিন্ন আৰু নিকৃষ্ট ৰুগ্নতাৰ ছবি। ৰাজনীতি বুলিলে এতিয়া বুজায় ছল-চাতুৰি, কূটচাল, সংকীৰ্ণতা, ব্যক্তি বা গোষ্ঠীৰ তাড়িত অপতৎপৰতা।

ৰাজনীতিত উন্নত নীতি-আদৰ্শ যেনেকৈ আছে, তেনেকৈ অসত্য, ভণ্ডামি প্ৰতাৰণা প্ৰভৃতি অনৈতিক বিষয়ও আছে। এতিয়া ত্যাগৰ আৰু সাধনাৰ ৰাজনীতি নাই। তাৰ ঠাই দখল কৰিছে ভোগবাদিতাই। ত্যাগৰ ৰাজনীতি হৈছে অপসাৰিত। ৰাজনীতি এতিয়া পৰিণত হৈছে অৰ্থ উপাৰ্জনৰ যন্ত্ৰত

দেশত আজি মূল্যবোধ নৈতিকতা আৰু সুশিক্ষাৰ অভাৱত নানা অনিয়ম অনৈতিকতা আৰু কুশিক্ষাৰ প্ৰসাৰ ঘটিছে। সৎ গুণৰ অনুপস্থিতিত নানা উপসৰ্গ সমাজত বিস্তৃত হৈছে। ধৰ্মীয় মূল্যবোধ আৰু নৈতিকতাৰ শিক্ষাৰ অভাৱত উগ্ৰবাদে মূৰ দাঙি উঠিছে ধৰ্মৰ নামত। সৰ্বত্ৰ এক অস্থিৰতা। ক্ষোভ আৰু হতাশা। এয়া কোনো শুভ লক্ষণ নহয়। যাৰ হাতত দেশ পৰিচালনাৰ ভাৰ তেওঁলোকে এই হতাশা আৰু ক্ষোভ কাণ পাতি শুনাৰ প্ৰয়োজন।

**ছয়**

ছক্ৰেটিছে কৈছিল ঃ 'আদৰ্শৰ সাৰ্থকতা বাস্তৱতা হোৱাৰ মাজত নহয়। আদৰ্শ বাস্তৱ হ'লে সেয়া আদৰ্শ হৈ নাথাকে। আদৰ্শৰ সাৰ্থকতা আদৰ্শ হৈ থকাত। আদৰ্শ হৈছে আকৰ্ষণ। আদৰ্শ হৈছে পৰিমাপদণ্ড। আদৰ্শ বাস্তৱায়িত হ'ব নোৱাৰে বাবেই আদৰ্শ বাস্তৱতকৈ কম বাস্তৱ; কিন্তু কম সত্য বা কম গুৰুত্বপূৰ্ণ নহয়। বৰঞ্চ আদৰ্শ বাস্তৱতকৈ অধিক বাস্তৱ। অধিক সত্য। এই কাৰণে আদৰ্শ দৰকাৰ, কাৰণ আদৰ্শৰ মান নাথাকিলে মানুহ হৈ পৰে নীতিহীন। আদৰ্শৰে আমি আমাৰ বাস্তৱৰ সম্পূৰ্ণতা আৰু অসম্পূৰ্ণতাক পৰিমাপ কৰোঁ। যি মানুহ আদৰ্শৰ যিমান ওচৰা-ওচৰি যাব পাৰে, সি মানুহ হিচাপে সিমানখিনি সম্পূৰ্ণ। যি মানুহ আদৰ্শৰ পৰা যিমান দূৰত থাকে সি সিমানখিনি অসম্পূৰ্ণ। এইবোৰ নিৰ্ধাৰণৰ বাবেও আদৰ্শ দৰকাৰ।'

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# অংকৰ দৰে উত্তৰটো সহজ

**ৰিজু হাজৰিকা**

**এজন** মানুহে ভগৱানৰ মূৰ্তিৰ ওচৰত, হাতযোৰ কৰি কিবা-কিবি কৈ আছিল। ওচৰত থকা মানুহবিলাকে সুধিলে— তুমি ভগৱান কৃষ্ণৰ মূৰ্তিটোৰ ওচৰত কি কৈ আছিলা? তেওঁ তেতিয়া ক'লে— প্ৰভু মোক জ্বালা-যন্ত্ৰণাৰ পৰা মুক্তি দিয়া। তেতিয়া ভগৱানে কৈছিল— সেইটো কেতিয়াও হ'ব নোৱাৰে। তুমি যেতিয়ালৈ দুখ-কষ্ট পাই থাকিবা, তেতিয়ালৈ মোক পাই থাকিবা, তুমি সুখত থাকিলে মোৰ কথা পাহৰি যাবা।

তাৰ পাছত মই ভগৱানক কৈছিলো— প্ৰভু মোৰ খোৱা-কোঙা ল'ৰাটোক ভাল কৰি দিয়া। তেতিয়া ভগৱানে কৈছিল— কেতিয়াও নিদিও তাক ভাল কৰি, সি ভাল হ'লে— মোক প্ৰাৰ্থনা কৰিবলৈ পাহৰি যাবা, মানুহে দুখততহে ভগৱানক প্ৰাৰ্থনা কৰে, সুখৰ দিনত পাহৰি যায়। তাৰ পাছত মই ভগৱানক ক'লো— প্ৰভু মোক ধৈৰ্য দিয়া। ভগৱানে ক'লে— নহয়, ইয়াক মই মঞ্জুৰ কৰিব নোৱাৰো, এইটো নিজে উপাৰ্জন কৰি লোৱা বস্তু।



ইয়াৰ পাছত ভগৱানক ক'লো— প্ৰভু সুখ পাবলৈ মোক আশীৰ্বাদ দিয়া। ভগৱানে ক'লে— নহয়, সুখটো তুমি নিজে উপাৰ্জন কৰি লোৱা বস্তু। ভগৱানে বা আন কোনেও ইয়াক উপহাৰ দিব নোৱাৰে। তুমি সুখ দিয়া সুখ দিয়া বুলি বলিয়া হৈ চিঞৰিলেও ইয়াক কোনেও দিব নোৱাৰে।

ইয়াৰ পাছত ভগৱানক মই ক'লো— হে ভগৱান মোক শক্তি দিয়া। ভগৱানে ক'লে— নহয় মই তোমাক শক্তি দিব নোৱাৰো। তুমি নিজে শক্তি বঢ়াই লোৱা। ব্যায়াম কৰিবা, দৌৰিবা, আসন কৰিবা, খাবা ভাল ভাল পুষ্টিকৰ খাদ্য, ফল-মূল বেছি খাবা, পৰিশ্ৰম কৰিবা, খৰি ফালিবা, কোৰ মাৰিবা, খোৱা আৰু শোৱা টাইম ঠিক ৰাখিবা, তোমাৰ শক্তি বাঢ়িব।

মই আকৌ ভগৱানক ক'লো— মোক সকলো বস্তুকে দিয়া যাতে মই জীৱনটো উপভোগ কৰিব পাৰো।

ভগৱানে ক'লে— নহ'ব, মই তোমাক জীৱনটোহে দিব পাৰিম। তেতিয়া তুমি জীৱনটো থাকে মানে তাক উপভোগ কৰিব পাৰিবা। জীৱনেই যদি নাথাকে, তেন্তে যমপুৰীত গৈ তুমি কি উপভোগ কৰা, নকৰা পৃথিৱীৰ মনুষ্যসকলে কি দেখা পাব? তাৰ একো সাৰ্থকতা নাই। তুমি কি খাইছা, নাখাইছা মানুহে দেখিব লাগিব। তেতিয়াহে তোমাৰ উপভোগ্যৰ বিচাৰ মানুহে কৰিব, অন্যথা ইয়াৰ একো মূল্য নাই।

কথাটো একেবাৰে সঁচা। আমি কেনেকে আছো, কি খাইছো, বজাৰলৈ গৈ খোৱা বস্তু কি কি কিনিছো, মানুহে লক্ষ্য কৰি থাকে। ভাল বস্তু কিনি আনিলে মানুহে কয়— তেওঁ সদায় ভাল বস্তু কিনে দেই, খায় ভালকৈ, বান্ধে, ভালকৈ, দাইলত চম্ভাৰ মাৰিলে, মাছ-মাংস ৰান্ধিলে তাৰ গন্ধ চাৰিওফালে বিয়পি যায়। সেই গন্ধ শুঙিয়েই ওচৰ-চুবুৰীয়াই কৈ দিব পাৰে— আজি বৰুৱাৰ ঘৰত ৰৌ মাছ, পাঠাৰ মাংস ৰান্ধিছে। মৃত্যুৰ পাছত ক'ত যায়, কি খায় কোনে দেখে।

শেষত মই ভগৱানক ক'লো— প্ৰভু, মই যাতে আনকো ভাল পাব পাৰো সেই মনটো দিয়া। মই মানুহক যিমান ভাল পাওঁ, সেই পৰিমাণে মানুহে মোক ভাল পায় নে নাপায় সেই জ্ঞান আহৰণ কৰিবলৈ জ্ঞান দিয়া। তেতিয়াহে মোৰ মনত শান্তি হ'ব। কথা এটা খৰচি মাৰি জানিলেহে মনটো শান্তিৰে ভৰি পৰে। মনৰ শান্তিয়ে মানুহক সুখী কৰে। নহ'লে সংসাৰ মিছা।

তেতিয়া ভগৱানে হাঁহি এটা মাৰিলে। তেওঁ সাধাৰণতে নাহাঁহে। দিনটোত বোলে ভগৱানে তিনিবাৰহে হাঁহে। আজি কিন্তু ভগৱানে হাঁহি এটা মাৰি ক'লে— আ-হা-হা অৱশেষত তুমি অনুভৱ কৰিলা আচল কথাটো। এনেকৈয়ে তুমি তোমাৰ কৰ্ম কৰি যোৱা। তেতিয়া সুখী হ'বা, সকলো প্ৰশ্নৰ উত্তৰ পাবা, প্ৰেৰণা পাবা। তুমি মোক যিবিলাক বস্তু খুজিলা সেইবোৰ তোমাৰ লগতে আছে— তুমি মাত্ৰ বিচাৰি ল'ব জানিব লাগিব।

আচল কথা মানুহৰ মনতে আছে সব প্ৰশ্নৰ উত্তৰণ। কেৱল বিচাৰি ল'ব জানিব লাগিব। অংকৰ দৰে উত্তৰটো সহজ।

# বাটৰ কচু ঘঁহে গাত হাতৰ মুঠিত মেলে ফাট

**মনোজ কুমাৰ ভট্টাচাৰ্য**



— হেৰা, তোমাৰ হৈছে কি?
— ক'ত কি হোৱা দেখিলেনো আপুনি? চেহেৰাটো মোৰ বেমাৰীৰ দৰে লাগিছে নেকি?
— অ, লাগিছে, দেখাত নালাগিলেও তোমাৰ যে বেমাৰ হৈছে সেইটো খাটাং। ভালদৰে ধৰিব পাৰিছো মই।
— উৰা, কি কথা কয়হে আপুনি? যাক বেমাৰী বুলি ভাবিছে তেওঁ একো গমেই নাপায়, অথচ দূৰৈৰ পৰাই আপুনি ৰোগৰ লক্ষণ দেখা পায়! তাৰ মানে আপুনি সৰ্বজান? নহ'লে কেনেকৈ জানিবহে?
— তোমাৰ চাল-চলনতেই মই ৰোগ ধৰিব পাৰিছো।
— ভালেই হৈছে দিয়ক। এতিয়া আপুনি ঘৰতে এখন ক্লিনিক খুলিব পাৰিব। আমাৰ ৰাইজৰো বহুত সুবিধা হ'ব।
— কি কথা কোৱাহে?
— আজি-কালি ৰোগৰ পৰীক্ষা কৰোঁতেই টকা খৰচ কৰি ৰোগী আধামৰা হ'ব লাগে। তাৰ পাছতো ডাক্তৰে সঠিকভাৱে ৰোগ নিৰ্ণয় কৰিবই নোৱাৰে। তেনেস্থলত আপুনি যদি পৰীক্ষা নকৰাকৈ ৰোগ চিনাক্ত কৰিব পাৰে ভালৰেই কথা।
— শুনা তোমাৰ ৰোগ শাৰীৰিক নহয়, মানসিক ৰোগতহে আক্ৰান্ত হৈছা তুমি। তোমাৰ কথা-বতৰা, চিন্তা-ভাৱনাই তাৰেই ইংগিত বহন কৰে।
— আপুনি বাৰু সদ্যহতে কাৰোবাৰ লগত প্ৰেম খেলি আছে নেকি?
— কিয় সুধিলা? এতিয়া মোৰ প্ৰেম কৰাৰ বয়স আছে নেকি? ডেকা কালতে এইবোৰৰ পৰা আঁতৰি থাকিলো আৰু এতিয়া বৃদ্ধাৱস্থাত প্ৰেমত পৰিবলৈ মোক কামদেৱে লম্ভিলেহে হ'ব।
— বয়সে মানুহক বুঢ়া নকৰে নহয়, মনেহে কৰে। মৌ-বাহৰ ৰহঘৰাৰ দৰে আপোনাৰ যৌৱন যে চপচপীয়া হৈ আছে মই কিবা নাজানোনে? আপোনাৰ মতলব নুবুজাকৈ থকা নাই মই?
— মোৰ মতলব? এইবোৰ কি কৈছা তুমি?
— ঠিকেই কৈছো। আপুনি সমাজত মোক বলিয়া বুলি প্ৰচাৰ কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰিব বিচাৰিছে নহয়?
— মোৰ ক'ত কি স্বাৰ্থ দেখিলাহে তুমি?
— মোক এইখন ঘৰৰ পৰা খেদি আপোনাৰ প্ৰেমিকাজনীক ঘৰ চপাই লোৱাৰ পাং পতা নাই জানো?
— শুনা, এইবোৰ তোমাৰ ভ্ৰান্ত ধাৰণা। তোমাৰ মানসিক বিকৃতিৰ এইটোৱেই এটা প্ৰমাণ। মিছাতে কিছুমান অমূলক কথা ভাবি অশান্তি এটা চপাই লোৱা কিয়?
— আপুনি মোক মানসিক ৰোগী বুলি কিয় ক'লে সেইটো আগতে কওক। নহ'লে কিন্তু কথা বেয়া হৈ যাব।
— হেৰা, তুমি বাটৰ কচু গাত ঘঁহি লোৱা কিয় কোৱাচোন মোক? তোমাৰ ৰেহ-ৰূপ ইমানদিনে মই লক্ষ্য কৰিহে আছো। নলগা জেঙত লাগি ফুৰাতো তোমাৰ অভ্যাসত পৰিণত হৈছে বুজিছা?
— ক'ত নলগা জেঙত লাগি ফুৰা দেখিলেহে আপুনি?
— চৌধুৰীৰ ল'ৰাই মদ খাই ৰাস্তাত মাতলামি কৰিছে, তাত তোমাৰ কি হ'ল কোৱাচোন? তাৰ মাক-দেউতাক আছে নহয়, যি কয় তেওঁলোকেই ক'ব।
— চকুৰ আগতে ল'ৰা এটা অধঃপাতে গ'লে মই মনে মনে থাকিম নেকি? তেনেহ'লে দেখোন মই চকু থাকিও অন্ধ আৰু মাত থাকিও বোবাৰ দৰে থকা যেন হ'ব।
— শুনা, অপাত্ৰত দান কৰিব নাপায় আৰু মূৰ্খক উপদেশ দিব নাপায়। হিতে বিপৰীত হয় বুজিছা?
— সকলোৱে অন্যায়ৰ প্ৰতিবাদ নকৰা বাবেইতো সমাজখন ৰসাতললৈ গৈছে। এদিন তাক কাণত ধৰি দুই চৰ সোধাই দিলে লগে লগে তাৰ নিচাও ফাটি যাব আৰু লাজতে খোৱাটোও এৰিবলৈ বাধ্য হ'ব।
— হেৰা, তুমি পুৱা-গধূলি লগৰ কেইজনীৰ স'তে ফুৰাটো বন্ধ কৰা বুজিছা?
— কিয়?
— মই এনেয়ে কোৱা নাই। কথা আছে।
— কি কথা কওক। নক'লে মই কেনেকৈ জানিম।
— তেওঁলোক আটাইকেইজনী চকুচৰহা, মুখচোকা তিৰোতা। তেওঁলোকৰ সংগ তুমি এৰা।
— তেওঁলোক যেনেকুৱাই নহওক, তাত আপোনাৰ কি হ'ল?
— মোৰনো কি হ'ব? তোমাৰ কথা ভাবিহে কথাষাৰ কৈছো। তেওঁলোকে তোমাক গছত উঠাই গুৰি কাটি যে আছে তুমি গমেই পোৱা নাই।
— ভাল কৈছে দিয়ক। গছত উঠিব নজনা মানুহজনীক কোনে কেনেকৈ গছত উঠাবহে?
— যিদিনা ওপৰৰ পৰা সৰি তোমাৰ কঁকাল ভাগিব সেইদিনাহে বুজিবা কোনে তোমাক ক'ত উঠাইছে। তুমি কাকতিৰ ছোৱালীজনীৰ কথা কাৰোবাক কিবা কৈছিলা নেকি?
— কৈছোতো। কিয় নকম? কাৰোবাক ভয় কৰি নোকোৱাকৈ থাকিম নেকি?
— তুমি কিয় এইবোৰ কৈ ফুৰা কোৱাচোন?
— মইতো মিছা কথা কোৱা নাই। সঁচা কথা ক'বলৈ মই একো কুণ্ঠাবোধ নকৰো বুজিছে?
— শুনা, সত্য হ'লেও অপ্ৰিয় কথা ক'ব নাপায়। দিনে-দিনে তুমি কাকো খাতিৰ নকৰা হৈ গৈছা। কিছুমান নক'বলগীয়া কথা কৈ সকলোৰে অপ্ৰিয় হৈ পৰিছা।
— বেয়াক ভাল বুলি কোৱা স্বভাৱ মোৰ নাই।
— হেৰা, তুমি যে ঘৰে ঘৰে কুৎসা ৰটনা কৰি ফুৰা, বৰাৰ পুতেকে যে এইবাৰ ডক্তৰেট পালে সেইটো খবৰ পাইছানে? কি বিষয়ত তেওঁ ডক্তৰেট পালে সেইটো ক'ব পাৰিবানে?
— কোনেনো এইবোৰ কথা আপোনাক লগাইছে মই কিন্তু উলিয়াইহে এৰিম। তাৰ পাছত মই দোষীক কাণতলীয়া চৰ এটা মাৰি এনেদৰে এসেকা দিম, চিৰদিন মনত ৰাখিব লাগিব। চাই থাকিব আপুনি?
— হেৰা, তোমাৰ মুখখন দিনে দিনে যিমান চোকা হৈ গৈছে, সিমানে কিন্তু হাতদুখন ভোটা হৈ গৈছে। কথাৰ দাম যেনেকৈ তুমি নোহোৱা কৰিছা, ঘৰুৱা কামো তেনেকৈ নকৰা হৈছা। এয়া কিন্তু শুভ লক্ষণ নহয়। কৈ থ'লো মই।
— হা?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

## গোৱালপাৰাৰ ইতিহাস

# টুক্ৰেশ্বৰী পাহাৰ
## য'ত বান্দৰৰ শাসন চলে

**শৈলেন দাস**

**ইতিহাস** প্ৰসিদ্ধ বান্দৰৰ ৰাজ্য টুক্ৰেশ্বৰী পাহাৰ। এই পাহাৰখনৰ বিষয়ে কিছু অৱগত কৰিব খুজিছোঁ। এই পাহাৰখন গোৱালপাৰা চহৰৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ মান দক্ষিণ পূৱত অৱস্থিত।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে Roonwal, Mohnot, Rathore এখেত সকলৰ সংকলিত গ্ৰন্থ "Current Primate Researches" ত Department of Zoology. Dacca University, Dacca (Bangladesh) M.A.R. Khanৰ লেখনি "Ecology and Conservation of Common Langur, Presbyties entellus in Bangladesh" (Page-33) ত উল্লেখ কৰা আছে Bangladesh ($88^0$01 to $92^0$ E and $20^0$34' to $26^0$38'N) with an area about 1,42,776 Km.ৰ ভিতৰত m. Assamensis (Assamese Macaque) অৰ্থাৎ হলৌ প্ৰজাতি বান্দৰ আছে. সেই অনুপাতে অসমতো যথেষ্ট পৰিমাণৰ হলৌ প্ৰজাতিৰ বান্দৰ আছে। টুক্ৰেশ্বৰী পাহাৰখনতো এই প্ৰজাতি হলৌ বান্দৰ জমিদাৰী প্ৰথাৰ আগৰ পৰাই আছিল আৰু বৰ্তমানো আছে। কিন্তু বিভিন্ন কাৰণত অৰ্থাৎ খোৱা খাদ্যৰ অভাৱত অতীতৰ তুলনাত বৰ্তমান অৱস্থাত পাহাৰখনৰ হলৌ বান্দৰৰ সংখ্যা কমি গৈছে। স্বাস্থ্যৰো যথেষ্ট অৱনতি ঘটিছে। খাদ্য তথা স্বাস্থ্যৰ সম্পৰ্কত চিন্তা চৰ্চ্চাৰ প্ৰয়োজন হৈছে। পাহাৰখনত যিহেতু খাদ্যৰ সংকট। সেয়ে বান্দৰবোৰ ৰৈ থাকে ভক্ত সকলে অনা প্ৰসাদ আদি লৈ।

এইখিনিতেই উনুকিয়াব খুজিছো-প্ৰবাদ মতে অতীজৰেই পৰা বান্দৰবোৰৰ মাজত ৰজা বান্দৰ এটা আছিল। ৰজা বান্দৰটোৱে প্ৰথমতে খালেহে বাকী বান্দৰবোৰে খাইছিল। এই পৰম্পৰাটো বৰ্তমানলৈকেও বাহাল আছে। এই টুক্ৰেশ্বৰী পাহাৰখনৰ বান্দৰবোৰৰ স্বভাৱ চৰিত্ৰ আন আন ঠাইৰ বান্দৰবোৰৰ স্বভাৱ চৰিত্ৰৰ লগত যথেষ্ট ব্যতিক্ৰম। যদিওৱা দেখাত একেই হলৌ বান্দৰ। এই বান্দৰবোৰৰ খাদ্যৰ সংকট যিমানেই নহওঁক কিয়-টুক্ৰেশ্বৰী পাহাৰখনৰ পৰা অইন ঠাইলৈ খাদ্য বিচাৰি মুঠেই নাযায়। বান্দৰবোৰে টুক্ৰেশ্বৰী পাহাৰখনত যিখিনি ফলমূল পায় সেইখিনি খোৱাৰ উপৰিও ভক্তসকলে অনা প্ৰসাদো খায়। আনকি ৰক্ত, মাংস আদিও খায়। কিছুদিন আগত আমেৰিকান পৰ্যটকে আহি এই অঞ্চলত থাকি টুক্ৰেশ্বৰী পাহাৰৰ বান্দৰবোৰৰ ওপৰত পৰীক্ষা-নীৰিক্ষা চলায়। অৱশ্যে ফলাফল এতিয়ালৈও জানিবলৈ পোৱা হোৱা নাই।

টুক্ৰেশ্বৰী পাহাৰখনত থকা বান্দৰবোৰৰ মাজত অতীতৰ পৰা বৰ্তমানলৈ ৰজা কেনেকৈ নিৰ্বাচন হৈ আহিছিল বা বৰ্তমানো কৰি থকা হৈছে সেই সম্পৰ্কত কিছু অৱগত কৰিব খোজা হৈছে। বান্দৰবোৰৰ মাজত ৰজা নিৰ্বাচন কৰিছিল বা বৰ্তমান অৱস্থাত কৰি থকা হৈছে এনে ধৰণে। প্ৰবাদমতে, সতীৰ উৰুদেহৰ কিছু অংশ পাহাৰখনৰ ওপৰত থকা প্ৰকাণ্ড চোতালখনৰ দৰে সমান শিলটোৰ উত্তৰ পিনৰ ঠাইখিনিত পৰিছিল। তাকেই কেন্দ্ৰ কৰি ধৰ্মপৰায়ণ মানুহৰ মাজত ই এক দেৱালয়ত পৰিণত হয়। উৰুদেহৰ অংশ পৰা ঠাইখিনিত মন্দিৰ ঘৰ এটা নিৰ্মাণ কৰা হৈছে। এই ঘৰটোৰ ভিতৰত থকা সতীৰ উৰুদেহৰ সন্মুখত পুৰোহিতৰ দ্বাৰা দৈনিক পূজা-পাতল কৰা হয়। দৈনিক যথেষ্ট ভক্তৰ সমাগমো হয়। পূজা-পাতল হোৱাৰ পিছত পুৰোহিতে ৰূপৰ বাতিত প্ৰসাদ আনি প্ৰকাণ্ড শিলটোৰ মাজত থৈ দিয়ে। ৰজা বান্দৰটোৱে যেতিয়ালৈকে আহি ৰূপৰ বাতিত দিয়া প্ৰসাদখিনি নেখায় তেতিয়ালৈকে বাকী বান্দৰবোৰে শিলটোৰ চাৰিও পিনে ঘেৰি বহি থাকে বা কিছু আঁতৰত ৰৈ থাকে। ৰজা বান্দৰটোৱে প্ৰসাদখিনি খাই গুচি যোৱাৰ পিছতহে ৰৈ থকা বাকী বান্দৰবোৰে আহি শিলটোত দিয়া প্ৰসাদবোৰ খায়। এই পৰম্পৰাটো অতীতৰ পৰা বৰ্তমানলৈ চলি আছে।

ৰজা বান্দৰ নিৰ্বাচনৰ পদ্ধতিটোও প্ৰায় একেটা ধৰণৰ। অৰ্থাৎ পুৰোহিতে ৰূপৰ বাতিত প্ৰসাদ আনি প্ৰকাণ্ড শিলটোৰ মাজত ৰাখি থব। বান্দৰবোৰে শিলটোৰ চাৰিও পিনে বহি থাকিব বা কিছু আঁতৰত ৰৈ থাকিব। পুৰোহিতে প্ৰসাদ খোৱাৰ কাৰণে মাতিব। কিছুপৰ মাতি থকাৰ পিছত যেতিয়া কোনোৱা এটা বান্দৰ ৰৈ থকা বান্দৰবোৰৰ মাজৰ পৰা আহি ৰূপৰ বাতিত দিয়া প্ৰসাদখিনি গ্ৰহণ কৰে বা খায় তেতিয়া সেই বান্দৰটোক ৰজা বান্দৰ বুলি বাকীবোৰ বান্দৰে মানি লয়। সেই পদ্ধতি অনুসৰি টুক্ৰেশ্বৰী পাহাৰখনৰ বান্দৰবোৰৰ মাজত ৰজা বান্দৰ নিৰ্বাচন কৰি থকা হৈ আছে।

এইখিনিতে উনুকিয়াব খুজিছো যে, চুপ্ৰিম্‌কোৰ্টৰ ৰায় অনুসৰি জমিদাৰী প্ৰথা খাৰিজ হোৱাৰ বাতৰি প্ৰকাশ পোৱাৰ দিনাই হেনো মনৰ দুঃখতে ৰাতিৰ ভিতৰতেই জমিদাৰী আমোলত নিৰ্বাচিত হোৱা ৰজা বান্দৰটোৱে তাৰ কিছু লগ সঙ্গীলৈ টুক্ৰেশ্বৰী পাহাৰখনৰ পৰা অন্তৰ্ধান হয়। জমিদাৰী আমোলৰ ৰজা বান্দৰটো অন্তৰ্ধান হোৱাৰ পিছত চৰকাৰৰ আমোলত উল্লিখিত ধৰণে বান্দৰবোৰৰ মাজৰ পৰা পুনৰ আন এজনক ৰজা বান্দৰ নিৰ্বাচন কৰি লয়। অৱশ্যে ৰজা বান্দৰটোৰ মৃত্যু হ'লে উল্লিখিত পদ্ধতি অনুসৰি পুনৰ ৰজা বান্দৰ নিৰ্বাচন কৰা হয়। এই পৰম্পৰা অনুসৰি টুক্ৰেশ্বৰী পাহাৰখনত বান্দৰবোৰৰ



মাজত ৰজা বান্দৰ নিৰ্বাচন কৰি আহিছে।পাহাৰখনত পঞ্চ-পাণ্ডৱৰ নামত পাঁচটা শিল আছে। পুৰোহিতে তাতো পূজা পাতল কৰে। পাহাৰখনত উঠাৰ আগমূহুৰ্ত্তত জয়-বিজয় নামৰ দুটা শিল আছে। শিল দুটাক দুৱাৰী শিল বুলিও কোৱা হয়। তাতো পুৰোহিতে পূজা পাতল কৰে।

পাহাৰখনত আটক-ধুনীয়াকৈ মন্দিৰ এটা নিৰ্মাণ কৰি উলিওৱা হৈছে পুৰণিটো ভাঙি। মন্দিৰটোৰ ভিতৰত এজোৰ কাঠৰ "খৰম" ৰাখি থোৱা আছে। খৰমজোৰক "পাৰ্ব্বতী"ৰ খৰম বুলি ক'ব খোজে। বাস্তৱত কিমান সত্য কোৱা টান। খৰমজোৰোকো পুৰোহিতে পূজা কৰে। কাষৰ পশ্চিমৰ বেৰ নথকা দুই চালিয়া পকী প্ৰকাণ্ড ঘৰটোত বান্দৰবোৰক ভক্তসকলে অনা, পাহাৰখনৰ ওপৰত থকা মূল মন্দিৰটোলৈ যোৱাৰ আগমূহুৰ্ত্তত পুৰোহিতে কিছু প্ৰসাদ খাবলৈ দিয়ে। তাৰ পিছতহে পুৰোহিতৰ নেতৃত্বত ভক্তসকলে পাহাৰখনৰ ওপৰত থকা মূল মন্দিৰটোলৈ যায়। বান্দৰবোৰে তলত ৰৈ নাথাকে। খোৱা শেষ কৰি বান্দৰবোৰো মূল মন্দিৰটোলৈ যায়। উল্লিখিত ঘৰটোত প্ৰসাদ খোৱাৰ ক্ষেত্ৰত ৰজা বুলি নহয়, যিয়ে সুযোগ পায় সিয়েই আগতে খায়। কিন্তু, পাহাৰখনৰ ওপৰত থকা মূল মন্দিৰটোতহে ব্যতিক্ৰম অৰ্থাৎ পুৰোহিতে পূজা কৰাৰ পিছত যেতিয়া ৰূপৰ বাতিত প্ৰসাদ আনি প্ৰকাণ্ড শিলটোৰ মাজত থব, তেতিয়া ৰজা বান্দৰটোৱে প্ৰথমতে আহি খাব। তাৰ পিছতহে



বাকী থকা বান্দৰবোৰে প্ৰসাদ খাব। এই হ'ল টুক্ৰেশ্বৰী পাহাৰখনৰ বান্দৰবোৰৰ প্ৰসাদ খোৱা পৰম্পৰাগত নিয়ম। পাহাৰখনৰ ওপৰলৈ উঠা-নমা কৰা বহুকেইখন লোহাৰ জখলা বনাই দিয়া হৈছে। যাতে ভক্ত তথা পৰ্যটক সকলে ওপৰলৈ উঠা-নমা কৰাত অসুবিধা অনুভৱ নকৰে।

**দদান মন্দিৰ**

ৰংছাইৰ দদান মন্দিৰ। অৰ্থাৎ ৰাভা সকলৰ আদি বীৰ পুৰুষ আছিল দদান। অৱশ্যে লিখিত তেনে কোনো সমল পোৱা নাযায় যদিও প্ৰচলিত জনশ্ৰুতি, লোক কথা আৰু কিম্বদন্তী অনুসৰি দদান-মাৰুক্ষেত্ৰীৰ জীৱন যুদ্ধৰ অবিস্মৰণীয় কাহিনী এনেধৰণৰ ঃ

শোণিতপুৰৰ ৰজা বানৰ সেনাপতি আছিল দদান। বান ৰজাৰ কন্যা ঊষা আছিল ৰূপে-গুণে অতুলনীয়। ঊষাৰ ৰূপ-গুণত ভোলগৈ দ্বাৰকাধিপতি শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধই মন্ত্ৰী কন্যা চিত্ৰলেখাৰ সহযোগত গন্ধৰ্ব প্ৰথামতে বিবাহ কৰোৱাত বান ৰজাই খঙত জ্বলি-পকি উঠে আৰু অনিৰুদ্ধক বন্দী কৰি ৰাখে। ইয়াৰ বাবেই বান আৰু শ্ৰীকৃষ্ণৰ মাজত যুদ্ধ হয়। বান ৰজা আছিল শিৱ ভক্ত। সেয়ে ভক্তক সহায়ৰ কাৰণে শিৱো বান ৰজাৰ হৈ শ্ৰীকৃষ্ণৰ বিৰুদ্ধে যুদ্ধ কৰে। ফলত শ্ৰীকৃষ্ণ আৰু শিৱৰ মাজত তয়াময়া যুদ্ধ হয়। এই যুদ্ধত বান ৰজা পৰাজয় ঘটে। ফলস্বৰূপে সেনাপতি দদানে এই হৰি-হৰৰ যুদ্ধত পৰাজয় বৰণ কৰি শোণিতপুৰ ত্যাগ কৰিবলগীয়াত হয়। দাদানে শোণিতপুৰৰ পৰা দক্ষিণে ধাপা নদী (ব্ৰহ্মপুত্ৰ নদী) পাৰহৈ দক্ষিণ-পশ্চিমে আগবাঢ়ে। দদানৰ সৈন্য সামন্ত লগত আহিছিল। তেখেত সকলে কলগছৰ ভুৰাৰে ধাপা নদী (ব্ৰহ্মপুত্ৰ) পাৰহৈ আহি পোনতে ধাপা নদীৰ পাৰৰ এখন ঠাইত থিতাপি লয়। ঠাইডোখৰৰ নাম আছিল মায়াং। মায়াঙত থাকোতে দদানৰ লগত অহা সৈন্য সকলৰ কিছুমানে নানা বেমাৰ আজাৰত ভূগিবলগীয়া হৈছিল। বেমাৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে দদানে উপযুক্ত ঠাই বিচাৰি আগুৱাবলৈ আৰাম্ভ কৰে। অৱশেষত আহি বৰ্তমান কামৰূপ জিলাৰ সোণাপুৰত থিতাপি লয়। এই ঠাইখিনিত থাকোতে দদানৰ মানুহবোৰে আটকধুনীয়া অচিনাকি এটি ল'ৰা পায়। ল'ৰাটোৰ বংশ পৰিচয় নজনাত তেখেত সকলে ল'ৰাটিৰ নাম ৰাখিছিল "মাৰু"। মাৰুৰ অৰ্থ মাউৰীয়া। দদানে ল'ৰাজনৰ সকলো প্ৰকাৰৰ ৰাজোচিত গুণ দেখিবলৈ পাই ৰাণী (পত্নী) নদায়ৰ লগত আলোচনা কৰি শেষত নিজৰ বিধৱা ভনীয়েক চাম্পাইমাৰী জিমাৰিৰ কন্যা ভাগিনীয়েক "তবৌ"ৰ লগত বিয়া দিয়ে আৰু তাক প্ৰধান সেনাপতি পাতি ৰাজকাৰ্য পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব তাৰ ওপৰত অৰ্পণ কৰে। দদানে তাৰ নামকৰণ কৰে "মাৰুক্ষেত্ৰী"। 'ক্ষেত্ৰী'ৰ অৰ্থ শক্তিবান আৰু বীৰত্বশালীক বুজায়। অৰ্থাৎ দদানে তাক মাৰুক্ষেত্ৰী অৰ্থাৎ মাউৰীয়া বীৰ বুলিও কৈছিল। দদানে সোণাপুৰৰ ওচৰ চুবুৰীয়া ৰজা সকলৰ অত্যাচাৰ সহিব নোৱাৰি তাৰ পৰা পলাই আহিবলৈ বাধ্য হয়। অৱশেষত ৰাংগিৰা পাহাৰৰ পৰা নামনিলৈ আহি জিঞ্জিৰা / জিঞ্জিৰাম নদীৰ পাৰে পাৰে উজাবলৈ ধৰে আৰু বৰ্তমান "বাইদা"ৰ ওচৰত থকা হাতীশিলা পাহাৰৰ নামনিত বসবাস কৰিবলৈ লয়। কিন্তু ওচৰতে থকা "নিদানপুৰ" অঞ্চলত "বিষণদৈ" নামৰ অইন জাতিৰ ৰজাৰ ৰাজধানী থকা গম পাই আক্ৰমণৰ ভয়ত দদানে হাতীশিলাৰ পৰা কিছুদূৰ আঁতৰত থকা "ছিৰ্পুদামাং" আৰু ছলেংহাছুত (পাহাৰত) থিতাপি লয়। দদানৰ ৰাজ্য বিস্তাৰৰ কথা জানিব পাৰি ওচৰৰ ৰাজ্যৰ ৰজা ব্ৰেক, মেৰমেৰ, চিক্ৰাং, চামক্ৰোং, বাং ক্ৰোং ৰজাসকলে একাদিক্ৰমে দদানৰ ৰাজ্য আক্ৰমণ কৰে যদিও দদানৰ প্ৰধান সেনাপতি বীৰ মাৰুক্ষেত্ৰীৰ হাতত পৰাজিত আৰু নিহত হয়। কিছুদিন সুখ-শান্তিৰে আছিল যদিও দদান ৰজাৰ সা-সম্পত্তিৰ বিষয়ে জানিব পাৰি নিকটবৰ্ত্তী ৰজা "কাশী" (খাচী) য়ে ৰামপোৱাৰি আৰু পাছৰি নামৰ দুজন দূতক দদানৰ ওচৰলৈ যুদ্ধ ঘোষণাৰ প্ৰস্তাৱ পঠায়। সময়ত বামুণদাংগাৰ "চেপন শিলা" পাহাৰত তুমুল যুদ্ধ হয়। কাশী ৰজাই পেচনশিলা পাহাৰৰ শিলৰ চেপাত লুকায়। বীৰ মাৰুক্ষেত্ৰীয়ে কাড়বিদ্ধ কৰি তাক বধ কৰে।

মাৰুক্ষেত্ৰীৰে মৃত্যুৰ বাতৰি পোৱাত দদান মৰ্মাহত হয় যদিও শত্ৰুসেনাক ভেটা দিবৰ বাবে যুদ্ধ কৰি কৰি আগুৱাই যায়। কিন্তু শত্ৰুসেনাবোৰে জয়োল্লাসে আগুৱাই আহি "দদান"ক বাটতে আগুচি ধৰে। দুয়ো পক্ষৰ মাজত তুমুল যুদ্ধ হয়। দদান কাড়বিদ্ধহৈ মাটিত বাগৰি পৰে আৰু মৃত্যু বৰণ কৰে। কথিত মতে দদান যি ঠাই ডোখৰত বাগৰি পৰিছিল, সেই ঠাই ডোখৰ কালক্ৰমত হাত-ভৰি মেলি শুই থকাৰ আকাৰত এখন বিলৰ সৃষ্টি হয়। সেই বিলটোক এতিয়াও "দদান বিল" নামে নামকৰণ হৈ জনপ্ৰিয় হৈ আছে। দদানৰ জীৱন কাহিনী বৰ সংঘাটপূৰ্ণ আৰু দীঘলীয়া আছিল। দদান ৰজাই বাধা-বিঘিনীৰ মাজেৰে তেখেতে তেখেতৰ ভৱিষ্যত বংশধৰ সকলৰ বাবে যি আদৰ্শ দেখুৱাই থৈ গ'ল সি অবিস্মৰণীয়। তেখেত অকল ৰাভা জাতিৰে নাছিল সকলো সম্প্ৰদায়ৰ বাবেই এক আদৰ্শ। সেয়ে বায়দা, ৰংছাই অঞ্চলৰ ৰাভা সকলে এই মহান সিংহ পুৰুষ জনৰ স্মৃতি ৰক্ষাৰ্থে গোৱালপাৰা-লক্ষীপুৰলৈ অহা-যোৱা কৰা ৰাষ্ট্ৰীয় পথৰ ৰংছাইৰ ওচৰত "দদান মন্দিৰ" স্থাপন কৰে আৰু প্ৰতি বছৰে "মুখচন্দ্ৰ ফাগুনৰ উদিত চন্দ্ৰ শুক্লাষ্টমী-নৱমী তিথি"ত দদান ৰজাৰ নামত পূজা উৎসৱ আৰু মেলাৰ আয়োজন কৰে। এয়া আছিল দদান ৰজাৰ থুলমূল ইতিহাস।

*ফোন ঃ ৯৪৩৫৭৫৬৭১৮*

---

# তাহানিৰ জোনাকী পৰুৱা

**এলি আহমেদ**

**মাজনিশা** হঠাতে জোনাকী পৰুৱা এটিয়ে চকুৰ আগত ধৰা দিলে। ওপৰ মহলাৰ পৰা চোতালৰ ঘাঁহনি ডৰাত মাজত তিৰবিৰাই থকা জোনাকী পৰুৱাটো দেখি সৰুতে জোনাকী পৰুৱাৰ পাছে পাছে ঘূৰি ফুৰা মনটো সামৰিব পৰা নাছিলো। তাহানিৰ গাঁওবোৰ চকুত ভাঁহি পৰিছিল। কি নাছিল তাহানিৰ গাঁৱত? ভগৱানৰ সৃষ্টিৰ বিনন্দীয়া ৰূপ। গছ-গছনি, নদ-নদী, পাহাৰ-পৰ্বতকে ধৰি জীৱ-জন্তু, কীট-পতংগৰে ভৰা গাঁওবোৰ আছিল যেন একোখন স্বৰ্গপুৰী। স্বৰ্গ আমি দেখা নাই সঁচা, কল্পনা কৰিও পাৰ নাপাওঁ। সেয়েহে ভাবো ৰম্যপুৰী গাঁওবোৰ আজি ক'লৈ গ'ল বাৰু? প্ৰগতিৰ ৰূপান্তৰে গাঁওবোৰক নতুন ৰূপত সজালে। তাহানিৰ গাঁৱৰ চৰাই-চিৰিকটিবোৰ নোহোৱা হ'ল। আনকি পুৱা-গধূলি ৰুণ দিয়া পাৰ চৰাইকেইটাও নোহোৱা হ'ল। কুলি, কেতেকী, কপৌ চৰাইৰ মাত ব'হাগত নুশুনা হ'লো। আইতাই গোৱা শিয়ালীয়ে নাহিবি ৰাতি, তোৰে কাণে কাটি লগামে বাতি'— গীতো নুশুনা হ'লো। শিয়ালীও হাবিত নথকা হ'ল। ক'লৈ গ'ল। প্ৰশ্ন হয়, সন্ধিয়াৰ লগে লগে আন্ধাৰে আৱৰা তাহানিৰ গাঁৱত অ'ত ত'ত জ্বলি থকা এগছি-দুগছি চাকিৰ পোহৰ। আন্ধাৰ নিশা হাতিব জোৰ লৈ মাছ মাৰিবলৈ যোৱা পুৰুষৰ গলগলীয়া মাতৰ বিভিন্ন গীত, নামৰ কণ্ঠস্বৰ। মাজে মাজে উৰি ফুৰা জোনাকী পৰুৱাৰ উলহ-মালহ। আজি সেই জোনাকী পৰুৱা ক'লৈ গ'ল। ক'লৈ গ'ল শিয়ালৰ মাত। ক'লৈ গ'ল হুদুৰ চিঞৰ। ফেঁচাৰ নিউ নিউ কণ্ঠস্বৰ। বাদুলী উৰা ঢপঢপনিৰ শব্দ, জিলি, জিঞাৰ গীত, ভেকুলীৰ টোৰটোৰণি, মৌমাখিৰ গুণগুণনি, গৰু-গাইৰ হেম্বেলনী, হাঁহৰ টেপটেপনি, কুকুৰাৰ কুটকুটনা ক'লৈ গ'ল, নিশা ডেকাহঁতে বিহু গীত গায় গাঁও ফুৰা দিন।

গাঁৱৰ আন্ধাৰ নিশাৰো সৌন্দৰ্য আছে। জোনাক নিশাতো সৌন্দৰ্য আছে। এই সৌন্দৰ্য আছে। এই সৌন্দৰ্য উপভোগ কৰা সকলো আজি নোহোৱা হ'ল। পুলি-পোখা বাঢ়ি আহি চহৰত থিতাপি লোৱা হ'লো। গাঁওবোৰো চহৰ হৈ পৰিল। এচাম চহৰীয়াই কিন্তু গাঁও এৰিব পৰা নাই। য'তে আছে, তাতে মজি গৈ গ্ৰাম্য জীৱনৰ তৃপ্তিত আজিও টপালি পাৰি জীৱন জিনি আছে।

আমাৰ ঘৰ চহৰৰ মাজ মজিয়াত। হ'লেও মই আইতাৰ অঙহী-বঙহীৰ ঘৰলৈ গৈছিলো। আইতাই গাঁৱলৈ গৈ ভাল পাইছিল। আমাৰ ঘৰত তেতিয়া 'চেভৰ্লেট' গাড়ী আছিল। আইতাই কিন্তু গৰুৰ গাড়ীয়েহে গাঁও ফুৰিবলৈ গৈছিল। বাঃ কি যে মজা লাগে চৈ দিয়া গৰু-গাড়ীত উঠি গাঁৱলৈ যাবলৈ। জোনাক নিশা আৰু মজা। গাড়ীৰ গাড়োৱানে মুখেৰে ঘোৰ ঘোৰ, যা-যা ইত্যাদি শব্দেৰে গৰু হালৰ পিঠিত হাত বুলাই থাকে। গাড়ী গৈ থাকে। আকাশত জোনটোৱেও আমাৰ লগে লগে গৈ থাকে। গাড়ীৰ তলত নাচি নাচি জ্বলি থকা লেম্পটোৱে চকা পোহৰাই থাকে। আইতাই মোক তৰা লিখিবলৈ কয়। শিয়ালে হোৱা দিলে মই আইতাক সাৰটি ধৰো। আইতাই শিয়ালৰ সাধু কয়। কুকুৰবোৰো ইফালে সিফালে ঘূৰি ফুৰি থাকে। জোনাক নিশা গছৰ ছাঁ পৰি মাজে মাজে বাটবোৰ আন্ধাৰমুৱা হয়। গছৰ ছাঁত মই দেও-ভূতৰ ছবি দেখো। আইতাক সাৰটি ধৰো। আন্ধাৰ নিশা গৰু-গাড়ীৰে অহা-যোৱা কৰিবলৈ আইতাই ভাল নাপায়, ময়ো আইতাই বাটত বাটত খাবলৈ পিঠা-পনা লৈ যায়, খুন্দা তামোলো লৈ যায়। মই আইতাক খুন্দা তামোল অকণ খাই বৰ সোৱাদ পাওঁ। ওঁঠযুৰি তামোলাৰ ৰঙেৰে ভৰি পৰে। আইতাই কয় মুখত তামোলাৰ ৰং উঠিলে ছোৱালীৰ ভৱিষ্যৎ ভাল বোলে। দুপতীয়া কাণে এনেকুৱা বহু কথা আইতাহঁতে আমাক কৈছিল। আইতাই কোৱা কথাতে মোৰ মন আজিও ভৰপূৰ। আইতাই ছোৱালী ছোৱালী বুলি মোক বহুত কাম কৰিবলৈ দিছিল। আৰু বহুত কাম কৰিবলৈ দিয়াও নাছিল। গছৰ ছাঁ গছকিবলৈ নিদিছিল। গাঁৱত নিশা বাহিৰলৈ ওলালে হাতত চাকি এটা লৈ ওলাইছিল। পোহৰত দেও-ভূত আঁতৰে বোলে। অথচ তাহানিৰ গাঁওবোৰ নিশা একেবাৰে আন্ধাৰ আছিল। জোনাক নিশাও গছৰগছনিয়ে বাট-পথ, ঘৰ-দুৱাৰ আৱৰি ৰাখিছিল। মাজে মাজে জোনাকী পৰুৱাই নাচি-বাগি ফুৰিছিল। আন্ধাৰ নিশা জোনাকী পৰুৱাৰ অকণি অকণি পোহৰক আকাশৰ এটি এটি তৰাৰ দৰে লাগিছিল। আন্ধাৰ নিশা কেতিয়াবা গৰু-গাড়ীৰে গৈ থাকোতে দুই-এটা জোনাকী পৰুৱা গাড়ীৰ ভিতৰত সোমাই পৰিছিল। মই থাপ মাৰি ধৰিব খোজোতে আইতাই সেই একে এষাৰ কথা কৈছিল— নধৰিবি নধৰিবি— শৌচ কৰিব লাগিব। জোনাকী পৰুৱা ধৰিলে শৌচ কৰিব লাগিব কথাষাৰ গাঁৱৰ আইতাসকলৰ মুখে মুখে। নহ'লে তেতিয়াৰ আমাৰ দৰে সমনীয়াহঁতে জোনাকী পৰুৱা ধৰিবলৈ নিশা খেদি খেদি কোনোবাখিনি পালেগৈহেঁতেন।

গাঁৱৰ সমাজৰ নিয়ম শৌচ কৰিলে মানে গা ধুবই লাগিব। দিন শীত-তাপৰ কথা নাই। সকলোৱে জানে। চহৰতহে কোনেও গম নাপায়। আইতাই মোক এনে কিছু প্ৰয়োজনীয় নীতি-নিয়মেৰে গঢ় দি তুলিছিছল। সেইবাবে আজিও মই বহু নীতি-নিয়মেই মানি চলো। এই নীতি-নিয়মবোৰ কোনো ধৰ্মীয় কথা নহয়। বিজ্ঞানসন্মত কথা মাজনিশা মোৰ কোঠাৰ ওপৰ মহলাৰ পৰা মই দেখি থকা জোনাকী পৰুৱাটোলৈ চাই চাই চাই মোৰ বহুত কথাই মনত পৰি গ'ল। ভাবিলো বেচেৰা দুৰ্ভগীয়াটো কৰপৰানো উৰি আহি মোৰ চকুত ধৰা দিলেহি। আকাশৰ জোনটোক তেতিয়া এচপৰা ডাৱৰে মোৰ চকুৰ আঁৰ কৰি দিছিল। চৰকাৰী বিজুলি চাকিৰ পোহৰে চহৰৰ দীপাৱলী পাতি আছিল। আঁউসী-অমাৱস্যা, জোনাক-পূৰ্ণিমাৰ সৌন্দৰ্য পোহৰ হেৰুৱাই আমি মানুহ চামে ৰূপান্তৰত দৌৰিছো, জোনাকী পৰুৱাৰ কথা কাৰবাৰু মনত পৰে? চহৰৰ কাৰ ঘৰত শিশুহঁতে বাৰু এতিয়া জোনাকী পৰুৱা চিনি পায়, জোনাকী পৰুৱাৰ পাছে পাছে দৌৰি ফুৰে? এই প্ৰশ্নবোৰৰ অবাক উত্তৰে মোৰ মনটো বাৰে বাৰে খুলি খায়, এতিয়াও মোৰ মন যায় শিশুহঁতৰ স'তে জোনাকী খেদিবলৈ, হাঁহ-কুকুৰাৰ পোৱালীৰ লগত ওমলিবলৈ, কুক্ ভা খেলিবলৈ, এই মনটোৰ বাবে আজিও মই তাহানিৰ মই মই হৈয়েই আছো। আজিও এই নিশা ওপৰ মহলাৰ পৰা নামি গৈ জোনাকী পৰুৱাক চুই চাবৰ মন। অকলশৰীয়া জোনাকী পৰুৱাটো লৈ আনি মোৰ লগত ৰাখিবৰ মন। ওচৰে-পাঁজৰে থকা মইনাহঁতক জোনাকী পৰুৱাটোৰ হতুৱাই চিনাকি কৰাই দিবৰ মন। মইনাহঁতে কিতাপত পঢ়িবলৈ পোৱা 'ফিচ' (মাছ) বোৰ পানীত কেনেকৈ নাচি-বাগি থাকে তাক দেখুৱাবৰ মন। সময় নাই, সুযোগ নাই। মোক এতিয়াও বহুত সময়



লাগে বহুত সুযোগ লাগে, নাপাওঁ। সেয়েহে মনটো মেলি দিও বাতৰি কাকতৰ পাততে। পঢ়া লোক আছে। স্মৃতিয়ে মনটো সকলোকে আনন্দ দিয়ে। তাহানিৰ গাঁৱৰ সম্পৰ্ক আমাৰ বাবে এখন খোলা কিতাপ।

মই লাহে লাহে বিছনাৰ পৰা নামি দুৱাখন খুলি তললৈ নামিবলৈ খট্‌খটিত ভৰি দিলো। তিনি মহলীয়া খট্‌খটী। অকলশৰীয়া মই। মেখেলাখন কিছু তুলি ল'লো। চাদৰখন কঁকালত খুছি ল'লো টানকৈ। হাতত এখন বগা ডাঠ কাজ। জোনাকী পৰুৱাতো আলাসতে তুলি আনি আনিবলৈ। খোপাটোত চুলি কোচাৰে কে'বা পাকো দি খোপাটো বান্ধি ল'লো, মই তললৈ নামি গ'লো। নিজান-নিস্তব্ধ পৰিৱেশ। বৰ বৰ ঘৰৰ নামী-দামী কুকুৰকেইটাই নিঃপালি দিলে, লেৰেলা-চেপেতা ভটুৰা কুকুৰকেইটামান আহি চোতালতে মোক ঘেৰি ধৰিলে, চালে নুভুকিলে।



সুঙি মই আগুৱাই গৈ থাকিলো, জোনাকী পৰুৱাটোৰ ফালে। এচাতি বতাহ বলে। জোনাকী পৰুৱাটো এৰি গ'ল কিছু আগলৈ। মই ইফালে-সিফালে চালো! এটা নিশা এই বুঢ়ীজনীয়ে ক'লৈ যায়? নে এইটো তেওঁৰ বেমাৰ হৈছে? আনে সোধা প্ৰশ্নটো নিজৰ মনতে ভাবিলো। বতাহজাক এইবাৰ জোৰকৈ বলে। জোনাকী পৰুৱাটো আৰু দূৰণিলৈ উৰি গ'ল। মই নৰ'লো। ভৰিৰ বেগ বঢ়াই হাত মেলি থাপ মাৰি জোনাকী পৰুৱাটো মুঠি মাৰি ধৰি হাতত নিয়া বগা কাগজতে আলাসতে তুলি ধৰিলো। মই যিমান পাৰো সিমান সোনকালে ঘৰলৈ আগুৱাই আনিলো। এখন হাতৰ মুঠিত জোনাকী পৰুৱাটো, আনখন হাতেৰে মেখেলা-চাদৰযোৰ সামৰি খপলা বগালো। চেঙেলজোৰৰ এপাতৰ ফিটা চিঙিল। য'তে চিঙিল, তাতে এৰিলো, দুয়ো পাত। উকা ভৰিৰ তলুৱাত খিছখিছিয়া পৰিৱেশ। তিনি মহলীয়া খপলা। মাজ নিশা। নিজান-নিস্তব্ধ পৰিৱেশ। এনেতে চৰকাৰী বিজুলী বাতিয়ে চকু মুদিলে। আন্ধাৰতে অভ্যাসত আগুৱালো। বয়সীয়া মন। কঁকালৰ ছাবিটো লৈ দুৱাৰৰ তলা খুলিলো আন্দাজতে। ভাল লাগিল ভাবি। কাষৰ চকীখনতে আন্ধাৰে-মুন্ধাৰে বহি আন্ধাৰতে জোনাকী পৰুৱাটো বগা কাগজখনৰ ওপৰত আলফুলকৈ মেলি দিলো। আন্ধাৰত জোনাকী পৰুৱাটো চিক্‌মিকাই উঠিল। এতেনে হঠাতে চৰকাৰী বিজুলী বাতিৰ পোহৰে মোৰ কোঠা, বাৰান্দা পোহৰাই তুলিলে। অতি সযতনে বুটলি অনা জোনাকী পৰুৱাটো নিমিষতে উপহাৰ বন্ধা চিক্‌মিকাই থকা ৰঙীন কাগজৰ টুকুৰালৈ ৰূপান্তৰ হ'ল। মই চকু মুদি দিয়াৰ বাহিৰে আন একো উপায় নাছিল।

এই বয়সতো এটা জোনাকী পৰুৱাৰ পোহৰত ওমলি থকা মনটোলৈ মোৰ বৰকৈ মৰম লাগি গ'ল।

ফোন ঃ ৯৪৩৫১৩৪৮৮৪

---

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

## জাতীয় ইতিহাস-যোৰহাট কলেজ-মায়ামৰা সাংস্কৃতিক সমাজৰ যৌথ উদ্যোগ

## মহান মোৱামৰীয়া মহাবিদ্ৰোহৰ বৌদ্ধিক নেতা

# পতিত বৰুৱাৰ পৱিত্ৰ মৈদাম চিনাক্তকৰণ

**দ° দেৱব্ৰত শৰ্মা**

এক **প্ৰতিটো** বিদ্ৰোহ তথা বিপ্লৱৰ যেনেকৈ শাৰীৰিকযসামৰিক বল-শক্তি থাকে, তেনেকৈ থাকে তাৰ বৌদ্ধিক বলো। পৃথিৱীৰ ইতিহাসৰ দীৰ্ঘতম কৃষক বিদ্ৰোহ বুলি খ্যাত মহান মোৱামৰীয়া মহাবিদ্ৰোহৰ বিশালতা আৰু তাৰ দীৰ্ঘায়ত ৰূপৰ আঁৰত নিশ্চয় সেই সময়ৰ কেতবোৰ শ্ৰেষ্ঠ মগজুও জড়িত আছিল। আমি চিনাক্ত কৰা তেনে এজন ব্যক্তি হ'ল যোৰহাটৰ ওচৰৰ দহোটীয়া বৰআহোম গাঁৱত এসময়ত বাস কৰা পণ্ডিত পতিত বৰুৱা। যোৱা ১৫য৫য২২ তাৰিখে আমি তেখেতৰ মৈদামৰ স্থান টুকুৰা চিনাক্ত কৰোঁ। সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ সভাপতি, অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাঃ প্ৰাধ্যাপক তথা Dean দ° লক্ষ্মীকান্ত হাজৰিকাৰ নেতৃত্বত উক্ত বৰআহোম গাঁৱত থকা মৈদামৰ ঠাই চিনাক্তকৰণৰ পাচত তাতেই এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক, তথা যোৰহাট জিলা মটক সন্মিলনৰ প্ৰাঃসভাপতি আলোক চেতিয়াই আঁত ধৰা সভাখনত সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ যোৰহাট জিলা সম্পাদক দ° সূৰ্য্যেন্দ্ৰ বৰুৱা, যোৰহাট কলেজৰ সমাজতত্ব বিভাগৰ মুৰব্বি দ° দিগন্ত কুমাৰ ফুকন, পতিত বৰুৱাৰ পৰিনাতি হিৰণ্য বৰুৱা আৰু হৰিচন্দ্ৰ বৰুৱা, সীতাৰাম বৰুৱা, ঠগীৰাম গগৈ, হৰেন বৰচেতিয়া সৰুহুজ গাঁৱৰ মহেন্দ্ৰ হাজৰিকা, আদৰ-হেঁপাহ পূজৰ শৰ্মাকে ধৰি ভালেসংখ্যক ৰাইজ উপস্থিত থাকে। সভাপতি দ° হাজৰিকাইসৰুহুজ-বৰহুজ-বৰআহোম গাঁও আৰু মেলেঙীয়ালৰ প্ৰতিস্থাপক বুলি পতিত বৰুৱাক আখ্যা দিয়ে আৰু তেখেতক মোৱামৰীয়া মহা-বিদ্ৰোহৰ মহাধিবক্তা আখ্যা দিয়ে। মই পতিত বৰুৱাক মোৱামৰীয়া বিদ্ৰোহৰ মহান বৌদ্ধিক নেতা আখ্যা দিওঁ আৰু তেওঁৰ সাহসী আৰু যুক্তিপূৰ্ণ বক্তব্যত ৰজাঘৰ তথা ৰজাঘৰীয়া সত্ৰসমূহে ৰাজসভাতে পৰাজয় বৰণ কৰাৰ কথা সোঁৱৰো। মই লগতে পণ্ডিতজনৰ স্মৃতি যুগমীয়া কৰাৰ বাবেও উপস্থিত সকলোকে আহ্বান জনাওঁ। উপস্থিতসকলৰ মাজৰ পৰা দ° সূৰ্য্যেন্দ্ৰ বৰুৱাই বৰআহোম গাঁৱৰ পুৰণি বাসিন্দা হিচাপে ল'ৰালিৰ পৰা পতিত বৰুৱা সম্পৰ্কে শুনি অহা কথা প্ৰকাশ কৰে আৰু এই মহান পণ্ডিত জনৰ স্মৃতি চিৰস্থায়ী কৰাৰ আহ্বান জনায়।

কিন্তু প্ৰশ্ন হ'ল আজি প্ৰায় ২৫০ বছৰৰ পাচত পণ্ডিত পতিত বৰুৱা হঠাতে ইমান প্ৰাসংগিক হৈ উঠিল কেনেকৈ? তেখেতৰ সম্পৰ্কে মই মোৰ এখন গৱেষণা গ্ৰন্থত এনেকৈ লিখিছিলোঁ ঃ

**"ৰাজঘৰীয়া বনাম মোৱামৰীয়াৰ নিষ্ঠুৰতা বিতৰ্ক**

মোৱামৰীয়া বিদ্ৰোহ পৰৱৰ্তী সময়ছোৱাত বিদ্ৰোহী সকলৰ নিষ্ঠুৰতা সম্পৰ্কে ব্যাপক প্ৰচাৰ চলে। ৰজাঘৰ তথা বৰ্ণবাদী বুদ্ধিজীৱীৰ ভূমিকাই ইয়াত বেছি আছিল। কোন নিষ্ঠুৰ, ৰজাঘৰ নে বিদ্ৰোহী, এই বিষয়ত এক অতি আকৰ্ষণীয় বিতৰ্ক মধ্যযুগতে অনুষ্ঠিত হৈছিল। সেই বিতৰ্কৰ একাংশ তলত তুলি ধৰিলো ঃ এই তুমুল বিতৰ্কৰ লিখিত ৰিবৰনি পঢ়িলে বুজা যায় যে চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ আগত মোৱামৰীয়া বিদ্ৰোহীয়ে আবাল বৃদ্ধ বনিতা (শিশু-বৃদ্ধ আৰু নাৰী) হত্যা, ব্ৰাহ্মণহত্যা আৰু ৰাজদ্ৰোহ এই পঞ্চপাতক বা পাঁচ মহাপাপ কৰা বুলি ৰজাঘৰীয়া চাৰিসত্ৰই গোচৰ দিছিল। তাৰ বাবে মোৱামৰীয়াযমায়ামৰা মহন্তই প্ৰায়শ্চিত্ত কৰিব লাগে বুলি বুঢ়াগোহাঁই আৰু চাৰি ৰাজ সত্ৰই দাবি কৰিলে। কিন্তু তাৰ মোক্ষম জবাব দিলে মোৱামৰীয়া পক্ষৰ পতিত বৰুৱাই। তেওঁ ক'লে 'পাঁচ মহাপাপতো ৰজাঘৰে কৰিছে, তাৰ প্ৰায়শ্চিত্তনো তেওঁলোকে ক'ত কৰিলে? আমি এবাৰ সমুখ সমৰত মাৰিছো হয়, কিন্তু যুদ্ধক্ষেত্ৰৰ মাজত গুৰু নে ব্ৰাহ্মণ কেনেকৈ চিনি পাম? কিন্তু তোমালোকে এবাৰ দুবাৰ নহয় তিনিবাৰকৈ কি ন্যায় বিচাৰ কৰি গুৰু, ব্ৰাহ্মণ, ৰজা, নাৰী, শিশু, বৃদ্ধ নিৰ্বিশেষে সকলোকে মাৰিছিলা? জাঁজী গাঁৱত আমাৰ সমৰ্থক ছ কুৰি ঘৰ ব্ৰাহ্মণ যে আছিল, আৰু আন ঠাইতো যি ব্ৰাহ্মণ সজ্জন সকল আছিল সেইসকলক কিয় হত্যা কৰিলা?' পতিত বৰুৱাই বহু তথ্য তথা যুক্তি সহকাৰে এইখিনি কথা উত্থাপন কৰাত বুঢ়াগোহাঁই আৰু ৰাজসত্ৰ চাৰিখনৰ সন্তসকল নিৰৱ হৈ পৰিল আৰু চন্দ্ৰকান্ত সিংহয়ো পতিত বৰুৱাই ঠিকেই কৈছে, উভই পক্ষই সমানে প্ৰায়শ্চিত্ত কৰিব লাগিব বুলি ৰায় দিলে। **শ্ৰী শ্ৰী অনিৰুদ্ধদেৱৰ চৰিত আৰু মায়ামৰা সত্ৰৰ গোসাঁইসকলৰ বংশাৱলী, পৃ. ১২২-২৩ ৰ পৰা তলত তুলি দিলোঁ ঃ**

'এহি মতে ৰজা যেবে কৈলা  
মহামাৰ।  
পুৰণি ভক্তৰ মহা মিলিল নিকাৰ।।  
নুৰুচয় অন্নজল অনিদ্ৰা শয্যাত।  
দিনে ৰাতি চক্ষুৰ লোতক হোৱে  
পাত।। ৭৮০  
হা হৰি আমাসাৰ অভাগ্য কপাল।  
গুৰুহীন হুয়া থাকিবোহো কতকাল।।  
চন্দ্ৰহীন ৰাতি ৰবিহীন দিন নয়।  
গুৰুহীন হুয়া লোক সিমত বঞ্চয়।।  
৭৮১  
এহি মতে শোকে দুখে বহুকাল গৈল।  
গুৰু সেৱা কৰিবাক মনে বিচাৰিল।।  
পুৰণি পামত আছে গুৰুবংশীগণ।  
তাত গৈয়া আমি সৱে কৰোহো  
বন্দন।। ৭৮২  
**কতো বোলে সিটো কথা হৈবে**  
**নপাৰয়।**  
**এহি বুলি অন্যো অন্যে ভক্ত**  
**বিচক্ষণ।**  
**পতিত বৰুৱা আছে কৰে ভক্তিচয়।।**  
**যাৰ নামে পতিত হুজ গ্ৰাম**  
**বিদ্যমান।। ৭৮৩**  
**হেনয় বৰুৱা পাশে সৱে চলি গৈলা।**  
**তাসম্বাৰ মনোগত ভাব প্ৰকাশিলা।।**  
**পতিত বৰুৱা বোলে শুনা সৰ্ব্বজন।**  
সিটো বংশঘাতী মহা হিংসুক  
দুৰ্জ্জন।। ৭৮৪  
প্ৰাণান্তেও পুৰণি পামে নলৈবো  
আশ্ৰয়।  
আৰ দশ বৰ্ষমান থাকিবো নিশ্চয়।।  
নিজ গুৰুবংশ যদি বিচাৰিও নাপাও।  
যাইবো তেবে আমি চাৰিসত্ৰীয়াৰ  
ঠাও।। ৭৮৫  
অষ্টভূজে পীতাম্বৰক ধৰ্ম্ম থাপিলন্ত।  
জানো কোনো থানে তাৰা গুপুতে  
আছন্ত।।  
যদি আমাসাৰ ভাগ্য হোৱে সুপ্ৰসন্ন।  
অবিলম্বে পাইবো জানা গুৰু দৰশন।।  
৭৮৬  
**পতিত বৰুৱা যেবে হেন কথা**  
**কৈলা।**  
**প্ৰশংসা কৰিয়া পাছে সৰ্বজন ৰৈলা।।**  
কতোকাল যেবে বহি গৈল এহি  
মতে।  
আত পৰে যিবা ভৈল শুনিও  
সাম্প্ৰতে।। ৭৮৭'

এইজন বৌদ্ধিক নেতাৰ বিষয়ে অনিৰুদ্ধদেৱৰ চৰিত পুথিখনত এনেকৈ পোৱা যায় ঃ

**দুলড়ী**

'ভক্তানন্দ দেৱ ভকতৰ সেৱ  
লভিয়া সেহি সত্ৰত।  
দুই বৰ্ষ মান যান্তে বিদ্যামান  
শুনা কথা যেন মত।।  
**চাৰি সত্ৰ আদি সন্ত সৱ মিলি**  
**গৈয়া পূৰ্ণানন্দ আগে।**  
**গোচৰ দিলন্ত পঞ্চ পাতকৰ**  
**বিচাৰ কৰিয়া**  
**লাগে।। ৯১২**  
মায়ামৰা সত্ৰ যত  
শিষ্য সৱে  
সন্মুখ সমৰে ধৰি।  
বাল্য বৃদ্ধ তিৰী ব্ৰাহ্মণ সৱক  
আছে প্ৰাণ বধ কৰি।।  
ৰাজ দেৰোহ সমে পঞ্চ পাতকৰ  
যদি নোহে প্ৰায়শ্চিত্ত।  
তাসম্বাৰ সঙ্গে আমাসাৰ মিল  
নহৈবেক কদাচিত।। ৯১৩  
**হেন বাণী শুনি পূৰ্ণানন্দ মন্ত্ৰী**  
**মায়ামৰা মহন্তক।**  
**নিমন্ত্ৰিয়া আনি প্ৰায়শ্চিত্ত হেতু**  
**কৈলা কথা সমস্তক।।**  
**শুনিয়া পতিত বৰুৱা তহিত**  
**ধীৰে ধীৰে কৈবে লৈলা।**  
**পঞ্চ পাতকৰ যিটো প্ৰায়শ্চিত্ত**  
**তেসম্বেনো কৈত কৈলা।। ৯১৪**  
**আমি একবাৰ সন্মুখ সমৰ**  
**মধ্যত মাৰিছো ধৰি।**  
**গুৰু বা ব্ৰাহ্মণ যিহোক সিহোক**  
**জানিবোহো কেন কৰি।।**  
**তেসম্বে কি ন্যায় বিচাৰ কৰিয়া**  
**তিনিবাৰ প্ৰজাগণ।**  
**গুৰু ব্ৰহ্ম ৰাজ তিৰী বাল্য বৃদ্ধ**  
**কৰিয়া আছে নিধন।। ৯১৫**  
**জাঁজী যে গাঁৱত আছিল আমাৰ**  
**ছকুৰি ঘৰ ব্ৰাহ্মণ।**  
**আৰ অন্য স্থানে যৈত যি আছিল**  
**ব্ৰাহ্মণ সজ্জনগণ।।**  
**নিষ্ঠুৰ স্বৰূপে বুকে শিশু বান্ধি**  
**শাল দিয়া নাৰীগণে।**  
**সমস্তকে ধৰি পেলাইল সংহৰি**  
**শিঙৰী ঘৰ দহনে।। ৯১৬**  
**পতিত বৰুৱা আৰ নানা যুক্তি**  
**কহিলন্ত সমজ্যাত।**  
**তাৰ প্ৰত্যুত্তৰ দিবাক নপাৰি**  
**সৱেও ভৈলা নিমাত।।**  
**চন্দ্ৰকান্ত সিংহ ৰাজ্য বুলিলন্ত**  
**পতিতে স্বৰূপ কৈলা।**  
**বিচাৰত জানা উভয় পক্ষৰ**  
**প্ৰায়শ্চিত্ত সম ভৈলা।। ৯১৭**  
**সাত দিন অন্তে ৰাজ মুখ হন্তে**  
**মেলৰ সিদ্ধান্ত শুনি।**  
**পতিত বৰুৱা দুনাই সমজ্যাক**  
**চাই বুলিলন্ত ৰাণী।।**  
**তুমি সৱে আগে যেন বিধি লাগে**  
**হোৱা সৱে প্ৰায়শ্চিত্ত।**  
**আমি সৱে পাছে হৈবো প্ৰায়শ্চিত্ত**  
**জানিবা আক নিশ্চিত।। ৯১৮**  
এহি বুলি সৱে সমাজ ভাঙ্গিয়া  
আপোনাৰ থানে গৈল।  
দুই পক্ষ মিলি প্ৰায়শ্চিত্ত নহে  
ভাগে ভাগে হুয়া ৰৈল।।  
এহিসে কাৰণে জান সৰ্ব্বজনে  
পুৰণি ভক্ত সহিত।  
ভিন্ন ভিন্ন বাৰে আছন্ত সমস্তে  
জানা অদ্য পৰিমিত।। ৯১৯  
**যিজন পতিত বৰুৱা জানিবা**  
**পৰম পণ্ডিত আতি।**  
**যাৰ নাম ধৰি পতিত হুজ বুলি**  
**গ্ৰামৰ ৰৈল খিয়াতি।।'**

**(শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ চৰিত আৰু মায়ামৰা গোসাঁইসকলৰ বংশাৱলী ঃ শ্ৰীশ্ৰীচিদানন্দ দেৱ গোস্বামী, প্ৰথম প্ৰকাশ ১৯৩২)**

ইয়াৰ পৰা আমি তলৰ সিদ্ধান্ত সমূহত উপনীত হ'ব পাৰোঁ ঃ

১য পাতিত বৰুৱা আছিল মোৱামৰীয়া বিদ্ৰোহীসকলৰ এজন শ্ৰদ্ধেয় নেতা। অনিৰুদ্ধদেৱৰ চৰিতত তেখেতক 'বিচক্ষণ ভক্ত' আখ্যা দিয়া হৈছে।

২য এসময়ত ৰজাঘৰে সকলো মোৱামৰীয়া গুৰুক হত্যা কৰাৰ পাচত গুৰু বিচৰাৰ দায়িত্ব পতিত বৰুৱাৰ ওপৰত ন্যস্ত কৰা হৈছিল।

৩য এইসম্পৰ্কত পতিত বৰুৱাই দিয়া সিদ্ধান্ত সমূহ মোৱামৰীয়া বিদ্ৰোহীয়ে মানি লৈছিল।

৪য ৰজাঘৰীয়া চাৰিসত্ৰই মোৱামৰীয়া বিদ্ৰোহীয়ে পঞ্চ পাতক বা পাঁচটা গুৰুতৰ পাপ কৰিছে বুলি পূৰ্ণানন্দ বুঢ়াগোহাঞিক গোচৰ দিছিল।

৫য বুঢ়াগোহাঞিয়ে সেই অভিযোগ গ্ৰহণ কৰি (আৰু নিজেও সমৰ্থন কৰি) মায়ামৰা মহন্তক চন্দ্ৰকান্ত সিংহৰ ৰাজসভাত হাজিৰ কৰাইছিল।

৬য মায়ামৰা মহন্তৰ হৈ পতিত বৰুৱাই প্ৰবল যুক্তি আগবঢ়াইছিল। তেওঁ পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ সমুখতে বুঢ়াগোহাঞিৰ নেতৃত্বাধীন ৰজাঘৰীয়া বাহিনীক ভয়ংকৰ নিষ্ঠুৰতাৰ বাবে দায়ী কৰিছিল।

৭য পণ্ডিত পতিত বৰুৱাৰ অকাট্য যুক্তিৰ উত্তৰ দিব নোৱাৰি ৰজাঘৰ, বুঢ়াগোহাঞি আৰু চাৰিসত্ৰৰ প্ৰতিনিধি সকল, নিমাতে নিতালে ৰৈছিল।

৮য পতিত বৰুৱাৰ কথাত পতিয়ন গৈ স্বয়ং চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে কৈ উঠিছিল, "পতিতে স্বৰূপ কৈলা", অৰ্থাৎ পতিতে সঠিক কথা ক'লা। ৰজাই দুয়োপক্ষৰে সমান প্ৰায়শ্চিত্তৰ বিধান দিবলৈ বাধ্য হৈছিল।

৯য কিন্তু ৰজাৰ এই ৰায়কো পতিত বৰুৱাই নিৰৰ্থক কৰি তুলিবলৈ সক্ষম হৈছিল। তেওঁ চৰ্ত দিছিল- প্ৰথমতে ৰজাঘৰীয়া-সত্ৰীয়া সকলেহে প্ৰায়শ্চিত্ত কৰিব। তাৰ পাচতহে, যদি কৰিব লাগে, মোৱামৰীয়া পক্ষই কৰিব।

১০য এইজন পতিত বৰুৱাকে সেইবাবে অনিৰুদ্ধদেৱৰ চৰিতত সঠিক কাৰণতে "পৰম পণ্ডিত আতি" আখ্যা দিয়া হৈছে আৰু তেখেতৰ নামেৰেই পতিতহুজ গাঁও(সৰুহুজয বৰহুজ) হোৱা বুলি কোৱা হৈছে।

স্বাভাৱিকতেই এনে এজন বৌদ্ধিক নেতাৰ স্মৃতি যুগমীয়া কৰাৰ বাবে আমি জাতীয় ইতিহাসৰ তৰফৰ পৰা উপস্থিত ৰাইজক আহ্বান জনাওঁ। ৰাইজে লগে লগে দ° লক্ষ্মাকান্ত হাজৰিকাক মুখ্য উপদেষ্টা দ° দেৱব্ৰত শৰ্মা, দ° সূৰ্য্যেন্দ্ৰ বৰুৱা, দ° দিগন্তকুমাৰ ফুকনক উপদেষ্টা, আলোক চেতিয়াক মুখ্য আহ্বায়ক হিৰণ্য বৰুৱা...........

আহ্বায়ক হিচাপে লৈ মোৱামৰীয়া বিদ্ৰোহৰ বৌদ্ধিক নেতা পতিত বৰুৱাৰ স্মৃতি স্তম্ভ নিৰ্মাণ সমিতি গঠন কৰে। আশা কৰা হৈছে ছমাহৰ ভিতৰত আমি সেই পৱিত্ৰ মৈদামৰ ঠাইতে স্মৃতিস্তম্ভ স্থাপন কৰিব পাৰিম, মুকলি কৰিব পাৰিম আমাৰ ইতিহাসৰ এক মৈদামস্থ (সমাধিস্থ) অধ্যায়।

*লেখক অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ, মুখ্য সম্পাদক, ফোন ঃ [illegible]*

বেতনভোগী কৰ্মচাৰীয়ে তেওঁলোকৰ সন্তানৰ টিউচন মাচুলত কৰ ৰেহাইৰ সুবিধা ল'বলৈ ১২বিবি প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। আনহাতে, স্বনিয়োজিত কৰ্মচাৰীৰ বাবে আয়কৰ ৰিটাৰ্ণৰ ছয় নম্বৰ ধাৰাৰ অধীনত এই সুবিধা প্ৰদান কৰা হৈছে।

# টিউচন মাচুল আৰু শিক্ষা মাচুলত কৰ ৰেহাইৰ সুবিধা



**আয়কৰ** আইনৰ ধাৰা ৮০চি অনুসৰি সন্তানৰ টিউচন বা শিক্ষা মাচুল প্ৰদান কৰা অভিভাৱকসকলৰ ক্ষেত্ৰত কৰ ৰেহাইৰ ব্যৱস্থা আছে। প্ৰতিজন কৰদাতাই ধাৰা ৮০চিৰ অধীনত ১.৫ লাখ টকা পৰ্যন্ত কৰ ৰেহাইৰ সুবিধা ল'ব পাৰে। কৰদাতাসকলে তেওঁলোকৰ দুটা সন্তানৰ বাবে এই সুবিধা দাবী কৰিব পাৰে। এই ধৰণৰ কৰ ৰেহাইৰ সুবিধাৰ আওতাত এজন অভিভাৱকৰ দুই সন্তানৰ স্নাতক পৰ্যায়তকৈ তলৰ যিকোনো পাঠ্যক্ৰম, পঞ্জীয়নৰ মাচুল, টিউচন মাচুল, পৰীক্ষা আৰু তত্ত্বাৱধান আদিৰ খৰচ সামৰি লোৱা হয়। আয়কৰ ৰিটাৰ্ণত ৰেহাই দিয়া টিউচন মাচুলে অধ্যয়নৰ সঁজুলি, লেপটপৰ সুবিধা, পুথিভঁৰালৰ সদস্যপদ আদিৰ বাবেও বিত্তীয় সাহায্য প্ৰদান কৰে।

বেতনভোগী কৰ্মচাৰীয়ে তেওঁলোকৰ সন্তানৰ টিউচন মাচুলত কৰ ৰেহাইৰ সুবিধা ল'বলৈ ১২বিবি প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। আনহাতে, স্বনিয়োজিত কৰ্মচাৰীৰ বাবে আয়কৰ ৰিটাৰ্ণৰ ছয় নম্বৰ ধাৰাৰ অধীনত এই সুবিধা প্ৰদান কৰা হৈছে। যদি আপোনাৰ হাতত গোটেই বছৰটোৰ বাবে পৰিশোধ কৰা টিউচন মাচুলৰ প্ৰমাণ আছে, তেন্তে আপুনি সহজেই কৰ কৰ্তনৰ দাবী কৰিব পাৰে। মনত ৰাখিব, ধাৰা ৮০চিৰ অধীনত টিউচন মাচুল কৰ্তনে হোষ্টেলৰ খৰচ, থকাৰ ব্যৱস্থা, পৰিবহণ চাৰ্জ, ব্যক্তিগত কোচিং আদিৰ দৰে অতিৰিক্ত খৰচৰ ওপৰত কৰ ৰেহাইৰ সুবিধাৰ অনুমতি নিদিয়ে। এই প্ৰতিবেদনত আমি ধাৰা ৮০চিৰ অধীনত শিক্ষা আৰু টিউচন মাচুলৰ ক্ষেত্ৰত আয়কৰ ৰেহাইৰ বিধানসমূহৰ বিষয়ে বিতংভাৱে জানিব পাৰিম।




আয়কৰ আইনৰ ৮০চি ধাৰাৰ অধীনত টিউচন মাচুলত কৰ কৰ্তন কৰাটো ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থাক উৎসাহিত কৰাৰ বাবে গ্ৰহণ কৰা এক ব্যৱস্থা। উচ্চ শিক্ষাৰ মাচুল বৃদ্ধি পোৱাৰ লগে লগে সন্তানক উত্তম শিক্ষা প্ৰদান কৰাৰ বাবে অভিভাৱকসকলৰ হাতত পৰ্যাপ্ত ধন থকাটো জৰুৰী হৈ পৰিছে। সেয়ে বিত্তীয় বাধাসমূহ ন্যূনতম কৰি ৰাখিবলৈ টিউচন মাচুলক কৰ কৰ্তনৰ সুবিধাৰ অধীনলৈ অনা হৈছে। আয়কৰ আইন অনুসৰি, এজন কৰদাতাই সৰ্বাধিক দুটা সন্তানৰ বাবে এই ধৰণৰ কৰ কৰ্তনৰ সুবিধা দাবী কৰিব পাৰে। কিন্তু যদি এহাল দম্পতীৰ চাৰিটা সন্তান থাকে তেন্তে তেওঁলোকে নিজৰ সন্তানৰ বাবে পৃথকে পৃথকে কৰ সুবিধা দাবী কৰিব পাৰে, যিহেতু দুটা সন্তানৰ বাবে ব্যক্তিগত সীমা নিৰ্ধাৰণ কৰা হৈছে। ধৰি লওক সন্তান এটাৰ পঢ়াৰ খৰচ যোগাৰ কৰাৰ বাবে আপুনি আৰু আপোনাৰ সংগী দুয়োজনে সমানে কাম কৰি আছে। আপোনাৰ সন্তানৰ টিউচন মাচুল দুই লাখ টকা। ইয়াৰে ১.৫ লাখ টকা যদি আপুনি দিয়ে আৰু আপোনাৰ সংগীয়ে আনখিনি দিয়ে তেন্তে আপুনি মুঠ পৰিশোধৰ বাবে কৰ সুবিধা পৃথকে দাবী কৰিব পাৰে।

ওপৰত উল্লেখ কৰি অহা হৈছে যে এজন অভিভাৱকে সন্তানৰ টিউচন মাচুলত কৰ ৰেহাই লাভৰ বাবে সৰ্বাধিক ১.৫ লাখ টকা দাবী কৰিব পাৰে। ভালদৰে বুজিবলৈ এটা উদাহৰণ লওঁ আহক। ধৰি লওক, শইকীয়া এজন দৰমহা পোৱা কৰ্মচাৰী আৰু তেওঁৰ দুটা সন্তান আছে। পুত্ৰৰ বাবে বছৰি টিউচন মাচুল হিচাপে ৫০,০০০ টকা আৰু কন্যাৰ বাবে ১৫ হেজাৰ টকা ব্যয় হয় তেওঁৰ। অৰ্থাৎ বছৰটোত শইকীয়াই মুঠ ৬৫,০০০ টকাৰ টিউচন মাচুল ভৰিবলগীয়া হয়। গতিকে, তেওঁ এই পৰিশোধৰ পৰিমাণত আয়কৰ ৰেহাই দাবী কৰিব পাৰে। এই ব্যৱস্থাই তেওঁক তেওঁৰ কৰ সঞ্চয় কৰাত সহায় কৰিব আৰু কৰ ৰেহাই দাবী কৰিবলৈ উৎসাহিত সহায় কৰিব। যদি শইকীয়াই ২০২২ ৰ মাৰ্চত পৰিশোধ কৰা টিউচন মাচুলৰ ওপৰত আয়কৰ ৰেহাই দাবী কৰিব বিচাৰে, তেন্তে তেওঁ ২০২২ৰ এপ্ৰিলৰ ভিতৰতে কৰ লাভালাভ দাবী কৰিব লাগিব। অৰ্থাৎ ২০২২-২০২৩ বিত্তীয় বৰ্ষৰ বাবে টিউচন মাচুলত কৰ ৰেহাই দাখিল কৰিব পাৰিব তেওঁ।

### টিউচন মাচুলত কৰ ৰেহাই পাবৰ বাবে যোগ্যতা কি কি?

প্ৰতিজন কৰদাতাৰ বাবে আয়কৰ আইনৰ ধাৰা ৮০চিৰ অধীনত টিউচন মাচুল কৰ্তনৰ বাবে যোগ্য হ'বলৈ এক নিৰ্দিষ্ট মাপকাঠি আছে। ব্যক্তিজনে ৮০চিৰ অধীনত টিউচন মাচুল দাবী কৰিবলৈ তলত দিয়া চৰ্তসমূহ সফলতাৰে পূৰণ কৰিব লাগিব...

### ৰেহাইৰ পৰিমাণৰ সীমা

কৰদাতাসকলে এটা বিত্তীয় বৰ্ষত দুটা শিশুৰ বাবে সৰ্বোচ্চ ১.৫ লাখ টকাৰ বাবে টিউচন মাচুল কৰ ৰেহাই দাবী কৰিব পাৰে। অভিভাৱক দুয়োজনেই যদি দৰমহা পোৱা কৰ্মচাৰী হয় তেন্তে চাৰিটা সন্তানৰ বাবে ৮০চি ধাৰাৰ অধীনত কৰ ৰেহাই দাবী কৰিব পাৰে।

### কেৱল শিশুৰ শিক্ষাৰ বাবেহে

কেৱল আপোনাৰ সন্তানক শিক্ষা দিয়াৰ বাবেহে ৮০চি ৰ অধীনত টিউচন মাচুলৰ ওপৰত কৰ ৰেহাইৰ সুবিধা দাবী কৰিব পাৰি। নিজৰ,পত্নীৰ বা পৰিয়ালৰ আন কোনো সদস্যৰ শিক্ষালাভৰ ক্ষেত্ৰত হোৱা যিকোনো খৰচ ৮০চিৰ অধীনত গণনা কৰা নহয়।

### অৱস্থান

কৰদাতাই ভাৰতৰ বাহিৰত অৱস্থিত কোনো শিক্ষা প্ৰতিষ্ঠানৰ বাবে কৰ কৰ্তন দাবী কৰিব নোৱাৰে।

### অকলশৰীয়া অভিভাৱক

এজন অকলশৰীয়া অভিভাৱক বা আইনী অভিভাৱকেও সন্তানৰ বাবে এই কৰ কৰ্তন দাবী কৰিব পাৰে। ধাৰা ৮০চিৰ অধীনত টিউচন মাচুল কৰ্তন আইনী অভিভাৱক অজৈৱিক অভিভাৱকৰ ক্ষেত্ৰতো প্ৰযোজ্য।

### এফিলিয়েচন

আপুনি যি শিক্ষানুষ্ঠানৰ অধীনত কৰ লাভালাভ দাবী কৰে সেই শিক্ষা প্ৰতিষ্ঠানটোত আপোনাৰ টিউচন মাচুল কৰ ৰেহাই বৈধ হ'বলৈ সকলো প্ৰয়োজনীয় এফিলিয়েচন থাকিব লাগিব।

### কোনবোৰ পৰিশোধ টিউচন মাচুল কৰ্তনৰ বাবে যোগ্য নহয়?

আপোনাৰ সন্তানৰ শিক্ষা কেৱল বিদ্যালয় বা মহাবিদ্যালয়ৰ মাচুলৰ ওপৰতে নিৰ্ভৰ নকৰে। শিক্ষাৰ স'তে কে'বাটাও উপাদান অন্তৰ্ভুক্ত থাকে। যেনে টিউচন মাচুল, কিতাপ আৰু সামগ্ৰীৰ ব্যয়, ইউনিফৰ্ম, পঞ্জীয়ন মাচুল ইত্যাদি। মনত ৰাখিব, এই ধৰণৰ অতিৰিক্ত ব্যয় আয়কৰ আইনৰ ধাৰা ৮০ চিৰ অধীনত দাবী কৰিব নোৱাৰি। কৰদাতাই যাতায়াত, বাসস্থানৰ ব্যয় বা দূৰত্ব শিক্ষণ পাঠ্যক্ৰম আদিৰ বাবেও কৰৰ লাভালাভ দাবী কৰিব নোৱাৰে। টিউচন মাচুলত কৰ ৰেহাই কেৱল প্ৰতিষ্ঠানটোক বছৰি পৰিশোধ কৰা প্ৰকৃত মাচুলৰ পৰিমাণৰ ওপৰতহে দাবী কৰিব পাৰি।




### উপসংহাৰ

শিক্ষাক যিকোনো ব্যক্তিৰ বিকাশৰ বাবে আটাইতকৈ শক্তিশালী সম্পদ বুলি কোৱা হয়। অৱশ্যে, পৰিৱৰ্তনশীল পৃথিৱীত, শিক্ষাৰ ব্যয় প্ৰতি মুহূৰ্তে মুহূৰ্তে বৃদ্ধি পোৱা বুলি ক'লেও একো ভুল কোৱা নহয়। যাৰ ফলত অভিভাৱকসকলে তেওঁলোকৰ সন্তানক সৰ্বশ্ৰেষ্ঠ শিক্ষা প্ৰদান কৰাৰ বাবে নিৰন্তৰ চাপত থাকে। অভিভাৱকসকলক এই চাপৰ পৰা মুক্ত কৰিবলৈয়ে কেন্দ্ৰীয় চৰকাৰে আয়কৰ আইনৰ ধাৰা ৮০চিৰ অধীনত টিউচন মাচুল কৰ্তন প্ৰৱৰ্তন কৰে, য'ত বেতনভোগী ব্যক্তিসকলে প্ৰ-পত্ৰ ১২বিবি পূৰণ কৰি আৰু স্বনিয়োজিত বা বেতনভোগী নোহোৱা কৰ্মচাৰীয়ে আয়কৰ ৰিটাৰ্ণৰ ধাৰা ৬ৰ অধীনত আবেদন কৰি টিউচন মাচুল কৰ ৰেহাই পাব পাৰে। গোটেই বছৰটোৰ বাবে পৰিশোধ কৰা টিউচন মাচুলৰ প্ৰমাণ থাকিলে, যিকোনো অভিভাৱকৰ বাবে এই কাম সহজ হৈ পৰে।

# এপ্ৰিলত পাইকাৰী মুদ্ৰাস্ফীতি ১৭ বছৰৰ সৰ্বোচ্চ স্তৰলৈ ঊৰ্ধ্বগামী!



**যোৱা** এপ্ৰিলত বিগত ১৭ বছৰৰ সৰ্বাধিক স্তৰলৈ বৃদ্ধি পাইছে সামগ্ৰীৰ পাইকাৰী মূল্য। ৰুছ-ইউক্ৰেইনৰ যুদ্ধ আৰু ভাৰতীয় মুদ্ৰাৰ অবিৰত মূল্য খহনীয়াৰ বাবে ইন্ধন আৰু কেঁচামালৰ মূল্য আকাশলংঘী হৈছে। ফলস্বৰূপে বস্তু বাহানিৰ আমদানি মূল্যও বাঢ়ি যোৱাত ভাৰতৰ ঔদ্যোগিক সংস্থাবোৰেও মূৰে-কপালে হাত দিবলগীয়াত পৰিছে। আনহাতে, পাইকাৰী বজাৰত বয়-বস্তুৰ মূল্য ১৭ বছৰৰ উচ্চতম স্তৰত উপনীত হোৱাৰ লগে লগে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। মুনাফা বা লাভৰ হাৰ একেই ৰাখি কেঁচামালৰ ক্ৰমবৰ্ধিত মূল্যৰ লগত খাপ খুৱাবলৈ উৎপাদিত পণ্যৰ দাম বৃদ্ধি কৰাটোও কঠিন হৈ পৰিছে বহু ব্যৱসায়ীৰ বাবে। কিয়নো, সামগ্ৰীৰ দাম বৃদ্ধি হ'লে ক্ৰেতাৰ চাহিদা কমি যাব আৰু বিক্ৰীতো প্ৰচুৰ ক্ষতি হ'ব। হিন্দুস্তান ইউনিলিভাৰ, ব্ৰিটেনিয়া আৰু প্ৰক্টাৰ এণ্ড গেম্বল আদিৰ দৰে বৃহৎ কোম্পানীয়ে সামগ্ৰীৰ মূল্যবৃদ্ধি কৰাৰ বিপৰীতে সৰু সৰু কোম্পানীসমূহে প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ বা বজাৰত নিজৰ উপস্থিতি বজাই ৰাখিবলৈ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ডাঙৰ ডাঙৰ কোম্পানীৰ দৰে পণ্যৰ মূল্যবৃদ্ধি কৰিব পৰা নাই এইসমূহ কোম্পানীয়ে। আনহাতে বৃহৎ নিগমসমূহে বৃদ্ধি পোৱা উৎপাদন ব্যয় ৰাহি কৰাৰ লগতে ক্ৰেতাকো ধৰি ৰাখিবলৈ কিছুমান সামগ্ৰীৰ মূল্যবৃদ্ধি নকৰি তাৰ সলনি পেকেটৰ ওজন হ্ৰাস কৰিছে, যিটো সৰু সৰু কোম্পানীবোৰৰ বাবে সহজ নহয়। ফলস্বৰূপে প্ৰচুৰ ক্ষতিৰ সন্মুখীন হৈছে সৰু কোম্পানীবোৰ।

ডাটা এনালাইছিছ ফাৰ্ম ৰিফিনিটিভে প্ৰদান কৰা তথ্য অনুসৰি, ২০০৫ৰ এপ্ৰিলৰ পাছত ভাৰতীয় বজাৰত পাইকাৰী মূল্যৰ এইটোৱেই হৈছে সৰ্বাধিক বৃদ্ধি। আন একাংশ অৰ্থনীতিবিদৰ মতে, মুদ্ৰাস্ফীতি গণনাৰ পূৰ্বৰ পুৰণি পদ্ধতি অনুসৰি, ১৯৯১ৰ পাছত পোনপ্ৰথমবাৰৰ বাবে সামগ্ৰীৰ পাইকাৰী মূল্য ইমান তীব্ৰভাৱে বৃদ্ধি পাইছে। কিন্তু প্ৰায় সকলোৱে এই বিষয়ত একমত যে সামগ্ৰীৰ খুচুৰা আৰু পাইকাৰী উভয় মূল্যবৃদ্ধি ৰোধ কৰিবলৈ সুতৰ হাৰ বৃদ্ধি কৰাৰ ক্ষেত্ৰত আৰু বেছি আক্ৰমণাত্মক হ'ব ভাৰতীয় ৰিজাৰ্ভ বেংক। অৰ্থনীতিবিদসকলৰ এই পূৰ্বানুমান যদি সত্য হয়, তেন্তে ঋণ ব্যয়বহুল হ'ব, মাহিলি কিস্তিৰ হাৰ বৃদ্ধি হ'ব আৰু লগতে সামগ্ৰীৰ চাহিদাও কমি যাব। যাৰ ফলত দেশৰ অৰ্থনৈতিক বিকাশ আৰু বেছি লেহেমীয়া হ'ব। মুডীজৰ ভাৰতত থকা সহযোগী প্ৰতিষ্ঠান আক্ৰাৰ মুখ্য অৰ্থনীতিবিদ অদিতি নাইৰে এই সন্দৰ্ভত পূৰ্বানুমান কৰি কয় 'পণ্যৰ পাইকাৰী মূল্যৰ এই ক্ৰমাগত বৃদ্ধিয়ে অহা জুনতো আৰবিআইৰ ঋণ নীতি ঘোষণা কৰাৰ সময়ত সুতৰ হাৰ আৰু সম্প্ৰসাৰণ কৰাৰ সম্ভাৱনা বৃদ্ধি কৰিছে। জুনত ০.৪০ শতাংশ সুতৰ হাৰ বৃদ্ধি কৰাৰ পাছত আগষ্টত সুতৰ হাৰ পুনৰ ০.৩৫ শতাংশ বৃদ্ধি কৰা হ'ব বুলি মোৰ মনে কয়।'



ইফালে, নমুৰাই আশংকা কৰিছে যে যদি ভাৰতৰ কেন্দ্ৰীয় বেংকে সামগ্ৰীৰ পাইকাৰী আৰু খুচুৰা মূল্য ৰোধ কৰিবলৈ পুনৰ্বাৰ সুতৰ হাৰ বৃদ্ধি কৰে তেন্তে অৰ্থনীতিত মন্দাৱস্থাই আঘাত হানিব পাৰে। সংস্থাটোৰ মতে, এইবাৰ ভাৰতৰ অৰ্থনৈতিক বিকাশ যোৱা বছৰ ৭.৩ শতাংশৰ পৰা ৬.৭ শতাংশলৈ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। নমুৰাৰ মতে, কঠোৰ ঋণ নীতি আৰু হ্ৰাস পোৱা চাহিদাৰ বাবে এই পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। স্মৰ্তব্য, যোৱা মাৰ্চতো ইন্ধনৰ মূল্য ৩৪.৫২ শতাংশ বৃদ্ধি পাইছিল। এপ্ৰিলত এই মূল্য আৰু বৃদ্ধি পাই বছৰি ৩৬.৬ শতাংশ হয়। আনহাতে, আলোচ্য সময়ছোৱাত ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য চাৰি শতাংশতকৈও অধিক হ্ৰাস পাইছে। ফলত আমদানি কৰা সামগ্ৰীৰ দামো যথেষ্ট বৃদ্ধি পাইছে। স্মৰ্তব্য, যোৱা ফেব্ৰুৱাৰীৰ পৰা ৰাছিয়াই ইউক্ৰেইনত নিৰন্তৰ সামৰিক অভিযান চলাই আহিছে। যাৰ ফলত বিশ্ব বজাৰত ভিন্ন সামগ্ৰী আৰু ইন্ধনৰ বৰ্ধিত মূল্য বহুগুণে বৃদ্ধি পাইছে। বিশ্বৰ নীতি নিৰ্ধাৰকসকলে ইয়াক পুনৰ স্বাভাৱিক স্তৰলৈ আনিবলৈ যথেষ্ট সংগ্ৰাম কৰি আছে যদিও একো ফল ধৰা নাই। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, যোৱা মাহত সামগ্ৰীৰ খুচুৰা মূল্য ২০২১ৰ একেছোৱা সময়ৰ তুলনাত ১৫.০৮ শতাংশ বৃদ্ধি পাইছে। বিশেষজ্ঞসকলে জনোৱা মতে, সঘনায় বৃদ্ধি পোৱা পাইকাৰী মূল্যৰ প্ৰভাৱ অনাগত দিনত সামগ্ৰীৰ খুচুৰা মূল্যতো পৰাটো নিশ্চিত।



# আৰ্থিক ক্ষতিপূৰণ ভৰাৰ পৰা বাচিবলৈ এইখন বীমা আঁচনিত বিনিয়োগ কৰক

**আপুনি** বাৰু পেছাত কি? এজন চিকিৎসক, অভিযন্তা, স্থপতিবিদ, চাৰ্টাৰ্ড একাউন্টেণ্ট নে আন কিবা? আপুনি আপোনাৰ পেছা বা চাকৰিটো সুৰক্ষিত কৰি ৰাখিবলৈ কেতিয়াবা ভুলতেও বীমা কৰোৱাৰ কথা ভাবিছেনে? যদি কৰা নাই, তেন্তে আৰু পলম নকৰিব। কাৰণ, আপোনাৰ চাকৰি বা পেছাটোক ৰক্ষণাবেক্ষণ দিয়াৰ লগতে খৰচ বা ক্ষতিপূৰণৰ আৰ্থিক দায়বদ্ধতাৰ পৰা ৰক্ষা কৰিব পৰা বীমা আঁচনিও বজাৰত উপলব্ধ। এই ধৰণৰ আঁচনিক প্ৰফেচনেল ইনডেমনিটি ইনছুৰেঞ্চ পলিচী বা পেছাদাৰী ক্ষতিপূৰণ বীমা পলিচি চমুকৈ পিআই পলিচি বুলি কোৱা হয়। ভাৰতত ১৯৯১তে পোনপ্ৰথমবাৰৰ বাবে এইধৰণৰ বীমা বজাৰত আহিছিল।




কিন্তু পৰিতাপৰ বিষয়টো হৈছে, আজি পৰ্যন্ত ইয়াৰ অস্তিত্বৰ বিষয়ে আমাৰ মাজৰ বহুতেই নাজানো। যদিও এই বীমাৰ জনপ্ৰিয়তাৰ কোনো পৰিসংখ্যা উপলব্ধ নহয়, তথাপি ক'ব পাৰি যে বিগত এটা দশকত চিকিৎসক আৰু ব্যক্তিগত চিকিৎসালয় আৰু নাৰ্ছিংহোমৰ মালিকসকলৰ মাজত এই বীমা জনপ্ৰিয় হৈ পৰিছে। ভাৰতত এই ধৰণৰ বীমাৰ জনপ্ৰিয়তাৰ কাৰণ সদ্যহতে কেৱল চিকিৎসক তথা চিকিৎসালয়ৰ মালিক পক্ষৰ মাজতে সীমাবদ্ধ হৈ থকাৰ কাৰণ বিচাৰি উলিওৱাটো বৰ কঠিন নহয়। ভুল চিকিৎসা প্ৰদানৰ অভিযোগ কৰি ন্যায়ালয়ৰ দ্বাৰস্থ হোৱা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে ভাৰতত। ক্ষতিপূৰণ লাভ কৰা লোকৰ সংখ্যাও বৃদ্ধি পাইছে। সেইবাবেই চিকিৎসক আৰু চিকিৎসা সেৱা প্ৰদানকাৰীয়ে নিজৰ সুৰক্ষাৰ বাবে সঘনাই এই বীমা ক্ৰয় কৰিবলৈ লৈছে। বিদেশত অৱশ্যে এই বীমাৰ জনপ্ৰিয়তা সুদীৰ্ঘ দিন ধৰি চলি আহিছে। বিদেশত বহু পেছাত এই বীমা অবিহনে সংশ্লিষ্ট পেছাদাৰীজনে নিজৰ কাম কৰাৰ অধিকাৰ নাপায়। কিন্তু এই নিয়ম এতিয়াও আমাৰ দেশলৈ অহা নাই।

### কি কি ক্ষেত্ৰত সুৰক্ষা পাব পাৰি এই বীমাৰ জৰিয়তে

চুক্তিত যদি কিবা ত্ৰুটি ৰৈ যায় তেন্তে তাৰ ফলত হ'ব পৰা আৰ্থিক ক্ষতিৰ সমস্ত দায়িত্ব এই বীমাই বহন কৰে।

আদালতলৈ যাবলগীয়া হ'লে প্ৰয়োজন হোৱা যাৱতীয় খৰচো এই বীমাৰ দ্বাৰা আদায় কৰিব পাৰি।

যদি আপুনি আদালতলৈ গৈ জয়ী হয়, তেন্তে তাতো এজন উকীলৰ খৰচ আছে। সেই খৰচো আপুনি উক্ত বীমা আঁচনিৰ পৰা পাব পাৰিব।

চৰ্তসাপেক্ষে আপুনি আদালতলৈ নগৈ বুজাবুজিৰ মাধ্যমেৰে বাহিৰে বাহিৰে বিবাদ নিষ্পত্তি কৰিলেও আপোনাৰ যি আৰ্থিক খৰচ হ'ব, এই বীমাৰ দ্বাৰা তাকো আদায় কৰিব পাৰি।

উল্লেখ্য যে চিকিৎসকৰ মাজত ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ কোম্পানীসমূহে এই ধৰণৰ বীমাৰ সুবিধাসমূহো পূৰ্বৰ তুলনাত বহু পৰিমাণে বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে, আইচিআইচিআই লম্বাৰ্ডে শেহতীয়াকৈ ক্ষুদ্ৰ আৰু মজলীয়া চিকিৎসা সেৱাৰ স'তে জড়িত স্বাস্থ্যকৰ্মীসকলৰ বাবে এনে এক নতুন বীমা প্ৰৱৰ্তন কৰিছে। গতিকে এজন পেছাদাৰী হিচাপে আপোনাৰ পেছাৰ সুৰক্ষাৰ স্বাৰ্থত উপদেষ্টাৰ লগত পৰামৰ্শ কৰি আপোনাৰ বাবে উপযুক্ত বীমা কিনিবলৈ কুণ্ঠাবোধ নকৰিব। প্ৰফেচনেল ইনডেমনিটি ইনছুৰেঞ্চ পলিচি বা পেছাদাৰী ক্ষতিপূৰণ বীমা পলিচি চমুকৈ পিআই পলিচি বুলি জনাজাত এই ধৰণৰ আঁচনি বাজাজ এলায়েঞ্জ, আইচিআইচিআই লম্বাৰ্ড, এইছডিএফচি এৰগো, নিউ ইণ্ডিয়া এশ্যুৰেন্স, এছবিআই জেনেৰেল আদিত উপলব্ধ।

# বাইক-স্কুটাৰ কিনাৰ কথা ভাবিছে! কোনটো বেংকে কম সুতৰ ঋণ দিছে?

**চলিত** বছৰৰ আৰম্ভণিৰে পৰা ভাৰতীয় বজাৰত গাড়ীৰ বিক্ৰী লক্ষ্যণীয় হাৰত হ্ৰাস পাইছে। তাৰ বিপৰীতে, দুচকীয়া বাহনৰ বিক্ৰী একেৰাহে বৃদ্ধি হৈ আহিছে। আপুনিও যদি দুচকীয়া বাহন এখন ক্ৰয় কৰো বুলি ভাবিছে আৰু বাহনখন ক্ৰয় কৰাৰ বাবে কোনো এক বেংকৰ পৰা ঋণ লোৱাৰ পৰিকল্পনা কৰিছে তেন্তে তাৰ আগতে দুচকীয়া বাহন ক্ৰয়ৰ বাবে বিভিন্ন বেংকে গ্ৰাহকক আগবঢ়োৱা ঋণৰ সুতৰ হাৰ সম্পৰ্কে জানি থোৱা ভাল। সাধাৰণতে আমাৰ দেশৰ বিভিন্ন বেংকে আগবঢ়োৱা এই ধৰণৰ আঁচনিসমূহত তিনি বছৰৰ ম্যাদ থকা এক লাখ টকাৰ ভিতৰৰ দুচকীয়া বাহনৰ ঋণৰ সুতৰ হাৰ বছৰি ৬.৮৫ শতাংশৰ পৰা আৰম্ভ হয়। কোনটো বেংকৰ পৰা ঋণ ল'লে কম সুত ভৰিলে হ'ব সেই বিষয়ে জানো আহক—



### বেংক অৱ ইণ্ডিয়া

সাম্প্ৰতিক সময়ত ৬.৮৫ শতাংশ সুতৰ হাৰ প্ৰদান কৰি দুচকীয়া ঋণৰ ক্ষেত্ৰত চৰকাৰী বেংকিং প্ৰতিষ্ঠান বেংক অৱ ইণ্ডিয়া হৈছে সবাতোকৈ সস্তা ঋণদাতা। এই সুতৰ হাৰত তিনি বছৰৰ পৰিশোধৰ সময়সীমা থকা এক লাখ টকাৰ ঋণৰ ইএমআই হ'ব মাত্ৰ ৩,০৮১ টকা।

### চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়া

বেংক অৱ ইণ্ডিয়াৰ পাছতে এই তালিকাত আছে ভাৰত চৰকাৰৰ মালিকানাধীন চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়া নামৰ বেংকিং প্ৰতিষ্ঠানটো। চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ এই ধৰণৰ দুচকীয়া বাহনৰ ঋণৰ সুতৰ হাৰ বছৰি ৭.২৫ শতাংশ। অৰ্থাৎ, এক লাখ টকাৰ দুচকীয়া ঋণৰ ক্ষেত্ৰত ইএমআইৰ পৰিমাণ হ'ব মাত্ৰ ৩,০৯৯ টকা।

### পঞ্জাৱ নেচনেল বেংক

আন বেছিভাগ ঋণ প্ৰদান খণ্ডৰ দৰেই দুচকীয়া বাহনৰ ক্ষেত্ৰতো সস্তা ঋণদাতাৰ তালিকাত ৰাজহুৱা খণ্ডৰ বেংকসমূহে আধিপত্য বিস্তাৰ কৰিছে। পঞ্জাৱ নেচনেল বেংকে এক লাখ টকা মূল্যৰ দুচকীয়া বাহনৰ ঋণৰ বাবে বছৰি ৮.৬৫ শতাংশ সুতৰ হাৰ আগবঢ়াইছে।

### এক্সিছ বেংক

দুচকীয়া বাহনৰ ঋণ লোৱা গ্ৰাহকৰ বাবে সৰ্বনিম্ন সুতৰ হাৰত ঋণদাতাৰ তালিকাত প্ৰথমটো ব্যক্তিগত বেংক হৈছে এক্সিছ বেংক। এই বেংকে বছৰি ৯ শতাংশ সুতৰ হাৰত এনে ঋণ আগবঢ়ায়।

### কানাৰা বেংক

চৰকাৰী মালিকানাধীন কানাৰা বেংকে এক লাখটকীয়া বাইক লোনৰ বাবে বছৰি ন শতাংশ সুতৰ হাৰ আৰু তিনি বছৰৰ পৰিশোধৰ সময়সীমা প্ৰদান কৰে। অৰ্থাৎ, ইএমআইৰ পৰিমাণ ৩,১৮০ টকা।

### পঞ্জাৱ এণ্ড সিন্দ বেংক

পঞ্জাৱ এণ্ড সিন্দ বেংকেও সস্তা সুতৰ হাৰত দুচকীয়া বাহনৰ ঋণ আগবঢ়ায়। এই বেংকে বছৰি ৮.৮ শতাংশ সুতৰ হাৰত দুচকীয়া ঋণ আগবঢ়ায়। এক লাখ টকাৰ ঋণৰ ক্ষেত্ৰত এই বেংকৰ ইএমআইৰ পৰিমাণ হ'ল ৩,১৭১ টকা।

# ডিজিটেল হৰ্ডিংছৰ ব্যৱসায় কৰি মাহে এক কোটি টকাৰ উপাৰ্জন!

**শিক্ষিত নিবনুৱাক সংস্থাপনৰ বাট দেখুৱাইছে এইগৰাকী উদ্যমী মহিলাই**




**অত্যাৱশ্যকীয়** সামগ্ৰীৰ মূল্যবৃদ্ধি, অনিয়ন্ত্ৰিত ইন্ধনৰ দামকে ধৰি দৈনন্দিন জীৱনৰ অপৰিহাৰ্য পণ্যসমূহৰ খৰচ নিতৌ বাঢ়িয়েই আছে। মধ্যবিত্ত পৰিয়াল এটাৰ আয় যিমান, তাৰে সংসাৰৰ বাজেট মিলাওতে প্ৰায় গোটেইখিনিয়েই খৰচ হোৱাৰ নিচিনা হয়। জমা কৰিবলৈ একো এটা বাকীয়ে নৰয়গৈ কেতিয়াবা। এনেস্থলত নিজৰ লগতে পৰিয়ালৰ ভৱিষ্যতৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰাটো বহুতৰে বাবে দুৰূহ কাম যেন হৈ পৰিছে। স্বাভাৱিকতে এনে পৰিস্থিতিত সকলোৱে নিজৰ চাকৰি বা ব্যৱসায়ৰ সমান্তৰালভাৱে ঘৰতে কিবাকৈ অতিৰিক্ত উপাৰ্জনৰ দিহা উলিয়াব পাৰি নে তাৰ উপায় চিন্তিছে।

আপুনি যদি ঘৰতে বহি আপোনাৰ নিজৰ এক ব্যৱসায় আৰম্ভ কৰিব বিচাৰে তেন্তে মাত্ৰ ৫০ হেজাৰ টকাৰে আৰম্ভ কৰিব পৰা লাভজনক ব্যৱসায় এটাৰ বিষয়ে জনাবলৈ ওলাইছো আজিৰ এই প্ৰতিবেদনত। ব্যৱসায়টো হৈছে অনলাইন হৰ্ডিঙৰ। এই ডিজিটেল যুগত, অনলাইন হৰ্ডিঙৰ ব্যৱসায় আপোনাৰ বাবে এক লাভজনক চুক্তি হ'ব পাৰে, যাৰ দ্বাৰা আপুনি কোটি টকা উপাৰ্জন কৰিব পাৰে।

বিজ্ঞাপন ষ্টাৰ্ট আপ সংস্থা গ' হৰ্ডিংছ ডটকমৰ প্ৰতিষ্ঠাপক দীপ্তি অৱস্থী শৰ্মা হৈছে এই ব্যৱসায় কৰি সুপ্ৰতিষ্ঠিত হোৱা এনে এগৰাকী উদ্যমী মহিলা যিয়ে এই ব্যৱসায়ৰ পৰা প্ৰতি মাহে এক কোটি টকাতকৈও অধিক উপাৰ্জন কৰি আছে বৰ্তমানে। ভাৰতত হৰ্ডিঙৰ ব্যৱসায় কেনেদৰে আৰম্ভ কৰিব লাগে আৰু ইয়াত আনুমানিক কিমান টকা মাহৰ মূৰত উপাৰ্জন কৰিব পাৰি সেই সম্বন্ধে জানিবলৈ আমি দীপ্তিৰ কাহিনীটো পঢ়িলেই সকলো ধাৰণা স্পষ্ট কৰিব পাৰিম।



দীপ্তি অৱস্থী শৰ্মাৰ বয়স তেতিয়া মাত্ৰ ২৭ বছৰ আছিল, যেতিয়া তেওঁ ২০১৬ত পোনপ্ৰথমবাৰৰ বাবে অনলাইন হৰ্ডিঙৰ ব্যৱসায় আৰম্ভ কৰিছিল। আন বহু যুৱ ব্যৱসায়ীৰ দৰে দীপ্তিৰো নাছিল ব্যৱসায়ত খটুৱাব পৰাকৈ প্ৰচুৰ মূলধন। ধনৰ অভাৱৰ বাবেই, দীপ্তিয়ে মাত্ৰ ৫০ হেজাৰ টকাৰ প্ৰাৰম্ভিক মূলধনৰ বিনিয়োগেৰে অনলাইন হৰ্ডিঙৰ ব্যৱসায়টো পৰীক্ষামূলকভাৱে আৰম্ভ কৰিছিল। কিন্তু পৰৱৰ্তী মাত্ৰ এবছৰৰ ভিতৰতেই দীপ্তিয়ে ইয়াৰ দ্বাৰা ইমান বেছি আয় কৰে যে সেয়া কোনো চমৎকাৰতকৈ কম নাছিল। প্ৰথম বছৰতে ১২ কোটি টকা উপাৰ্জন কৰি দীপ্তি উল্লাসিত হৈ পৰিছিল। সমান্তৰালভাৱে বিপণন আৰু বিজ্ঞাপন জগতখনতো দীপ্তিৰ এক ভাৱমূৰ্তি প্ৰতিষ্ঠা হৈছিল। তাৰ আৰু এবছৰ পাছত দীপ্তিৰ কোম্পানীৰ টাৰ্ণঅ'ভাৰে ২০ কোটি টকা অতিক্ৰম কৰিছিল।

দীপ্তিয়ে জানিবলৈ দিয়া মতে এই কামটো বিপণন আৰু প্ৰযুক্তিৰ সহায়ত আৰম্ভ কৰিব পাৰি। ইয়াৰ বাবে, এই ব্যৱসায়ৰ বাবে ইচ্ছুক ব্যক্তিজনে কেৱল নিজৰ ডমেইন নামৰ স'তে এটা ৱেবছাইট সৃষ্টি কৰিব লাগিব আৰু ইয়াত নিজৰ ব্যৱসায়টোৰ বিষয়ে বহুল প্ৰচাৰ কৰিব লাগিব। ব্যৱসায়ৰ কাম আৰম্ভ কৰিবলৈ, প্ৰথমে বিজ্ঞাপন দিবলৈ স্থান বিচাৰিব লাগিব আৰু বিজ্ঞাপনদাতাৰ স'তে যোগাযোগ কৰি স্থান চূড়ান্ত কৰিব লাগিব। কৰ'না পৰিস্থিতিৰ বাবে আজিৰ তাৰিখত এই ব্যৱসায় দ্ৰুতগতিত বৃদ্ধি পাইছে। কাৰণ প্ৰতিদিনে মানুহে নিজৰ ঘৰৰ পৰাই ফোন কৰি বিজ্ঞাপন দিব বিচাৰে। উল্লেখ্য যে এমাহৰ বাবে এনে একোখন হৰ্ডিং স্থাপন কৰিবলৈ প্ৰায় এক লাখ টকা লোৱা হয় বিজ্ঞাপনদাতাৰ পৰা।

দিল্লী, মুম্বাইৰ দৰে ঠাইত মাহে ১০ খন হৰ্ডিঙৰ অৰ্ডাৰ পালে ১০ লাখ টকালৈকে উপাৰ্জন কৰিব পাৰে। আনবোৰ চহৰত এই মূল্য সাতৰ পৰা আঠ লাখ টকাৰ ভিতৰত। অৰ্থাৎ ব্যৱসায়ী এজনে যদি মাহটোত অতি কমেও ১০খন হৰ্ডিঙৰ অৰ্ডাৰ ল'ব পাৰে, তেন্তে বছৰেকত এক কোটি টকালৈকে উপাৰ্জন কৰিব পাৰে। কোনেবাটো মাহত যদি অৰ্ডাৰ নাপায়ো, উৎসৱৰ বতৰত হৰ্ডিঙৰ অৰ্ডাৰ প্ৰচুৰ পৰিমাণে আহে। ফলস্বৰূপে, এই ব্যৱসায় অতি লাভজনক হ'ব পাৰে।

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ মে’, ২০২২ দেওবাৰ পৃষ্ঠা ৭

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী কৰ্মচাৰীসকলক নিষ্ঠা সহকাৰে কাম কৰিবলৈ বাৰম্বাৰ আহ্বান জনাইছে। চৰকাৰী চাকৰি বুলিলে বহুতেই দায়িত্ব পালন সুচাৰুৰূপে নকৰি চাকৰি জীৱন কটাই দিয়ে বুলি সাধাৰণ মানুহৰ মাজত চৰ্চা আছে। কৰ্মচাৰীসকলে নিজ দায়িত্ব পালন কৰেনে?
এই বিষয়ক লৈ আজিৰ *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ।*
*সহযোগিতাত— হেমেন কুমাৰ দাস, নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা, আব্দুল মজিদ, নৰেন শৰ্মা, কংকনা বড়ো।*

# চৰকাৰী কৰ্মচাৰীৰ দায়বদ্ধতা

## এফালে নিবনুৱা সমস্যাৰ ভয়াৱহ ৰূপ আনফালে ধোঁৱাচাঙত চৰকাৰী কৰ্ম সংস্কৃতি

■ **ৰাজেন বৈশ্য,** শিক্ষক



**ৰাজ্যত** দিনক দিনে কল্পনাতীতভাৱে বৃদ্ধি পাইছে নিবনুৱা সমস্যাৰ। নিবনুৱা সমস্যা সমাধান চৰকাৰী চাকৰিৰ দ্বাৰা যে সমাধান নহয় এই কথা সকলোৱে মানি লৈছে। তেনেহ’লে ভয়াৱহ সমস্যা সমাধানৰ বিকল্প কি হ’ব পাৰে ? চাকৰি নহয় কৰ্মসংস্থাপনহে ইয়াৰ বিকল্প হ’ব পাৰে। কৰ্মসংস্থাপন মানে কি এই কথাও হয়তো বহুতে ভালকৈ নাজানে। এই কথা এই কাৰণে ক’ব লগা হৈছে যে ৰাজ্যখনত লাখ লাখ নিবনুৱা থকা সত্বেও এখন দোকাৰ চেলচ মেন; টেইলৰিং এখনৰ চিলাইৰ কাম কৰা যুৱকৰ আৱশ্যক বুলি বিজ্ঞাপন দিয়াৰ পাছতো প্ৰয়োজনীয় কৰ্মচাৰী নোপোৱাটো কম চিন্তনীয় বিষয় নহয়নে? এফালে নিবনুৱাসকলে অধিক অংশই; সকলো নহয় কৰ্মসংস্থাপন নহয় চৰকাৰী চাকৰিহে পছন্দ কৰে। এই প্ৰৱণতা কিয় গা কৰি উঠিলে? এনে এইচাম নিবনুৱাই চৰকাৰী চাকৰি কৰি নিজক আৰু পৰিয়ালটোক নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰি নিজৰ কৰ্তব্যক ফাকি দি অন্য কামত ঘূৰি ফুৰিব; দুৰ্নীতিৰে উপৰুৱাকৈ ধন ঘটিবলৈ আগ্ৰহী হয়। এই প্ৰৱণতা গঢ়ি উঠাত তেওঁলোকক কোনে অৰিহণা যোগাইছে? সমাজখনত এনে কিছুমান চৰকাৰী চাকৰিয়াল আছে যিয়ে সদায় নিজৰ কামত ফাকি দিয়ে আৰু অন্য যোগ্যতাৰ বলত নিজৰ ওপৰৱালা বিষয়াৰ লগত সুসম্পৰ্ক গঢ়ি তোলে আৰু দুৰ্নীতি কৰি বাহিৰা উপাৰ্জন কৰি বিলাসী জীৱন যাপন কৰে। সমাজ এখনৰ যেতিয়া অধিক সংখ্যক চৰকাৰী; দুৰ্নীতি কৰি নিৰ্বিঘ্নে; নিৰাপদে জীৱন চলাই নিব পৰা সমাজ ব্যৱস্থাত নিবনুৱাই গেবাৰী খাটি পৰিশ্ৰম কৰা কৰ্মসংস্থাপনৰ প্ৰতি আগ্ৰহী নোহোৱাটোৱে স্বাভাৱিক। এইখিনিতে সমাজখনত কৰ্তব্য নিষ্ঠা থকা আৰু নিজৰ কৰ্মস্থলীক ভগৱান ঈশ্বৰৰ সেৱাৰ থলী বুলি জ্ঞান কৰি নিজৰ শাৰীৰিক-মানসিক এনে কি নিজৰ গাঁঠিৰ ধন ভাঙিও কৰ্মস্থলীক সুন্দৰকৈ ৰখা কৰ্মচাৰীয়ো নথকা নহয় এই অসমত। উদাহৰণ স্বৰূপে নলবাৰীত এগৰাকী মহিলা চক্ৰ বিষয়াই নিশা ১১ বজাত প্ৰতিকূল বতৰকো নেওচি নিজৰ কেচুৱাক কোলাত লৈ বানপীড়িতৰ ওচৰত থিয় দিয়াৰ দৰে বিষয়া নোহোৱা নহয়। মূলতঃ কৰ্মস্পৃহা থকা যুৱক-যুৱতীৰ বাবে আজিও কৰ্মসংস্থাপনৰ অভাৱ হোৱা নাই বুলি মই অনুভৱ কৰো।

## চৰকাৰৰ কাম-কাজ সুচাৰুৰূপে পালন কৰাটো সকলো কৰ্মচাৰীৰে কৰ্তব্য

■ **গৌতম গোস্বামী,** কনিষ্ঠ অভিযন্তা



**চৰকাৰে** কৰ্মচাৰীসকলক কামৰ বিনিময়ত দৰমহা দিয়ে। কাম আৰু পদ অনুসৰি এনে দৰমহা দিয়ে বাবে ইয়াত কাৰো আপত্তি কৰিবলগীয়া নাথাকে। প্ৰতিগৰাকী কৰ্মচাৰীয়ে নিজৰ নিজৰ কৰ্ম সুচাৰুৰূপে পালন কৰিলে নিশ্চয় চৰকাৰে কাম-কাজ আগুৱাই নিয়াত সহায় হয়। সমান্তৰালভাৱে ৰাইজৰো উপকাৰ হয়। মই কনিষ্ঠ অভিযন্তা কাৰ্যনিৰ্বাহ কৰি আছো। অসম কৃষি বিশ্ববিদ্যালয়ৰ খানাপাৰা চৌহদত থকা কাৰ্যবাহী অভিযন্তা, ফিজিকেল প্লাণ্টৰ অধীনত কাৰ্যনিৰ্বাহ কৰি আছো। কৃষি বিশ্ববিদ্যালয়ৰ অধীনত থকা শিক্ষানুষ্ঠানসমূহৰ উন্নয়নমূলক কামত নিয়োগ হৈ আছো। আমাৰ অধীনত শিক্ষানুষ্ঠানসমূহৰ নতুন গৃহ নিৰ্মাণৰ লগতে ৰাস্তা-ঘাট নিৰ্মাণৰ উপৰি পশু চিকিৎসা মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম-কাজত আমি জড়িত হৈ থাকিব লাগে। গতিকে আমি চৰকাৰৰ পৰা লাভ কৰা সা-সুবিধাৰ বাবে সেৱা আগবঢ়াব পাৰিছো। সেইবাবে আমি সুখী অনুভৱ কৰা বুলিয়ে ক’ব লাগিব। সকলো চৰকাৰী কৰ্মচাৰীয়ে নিজৰ নিজৰ পদবী অনুসৰি কৰ্তব্য সম্পাদন কৰা উচিত।

## মোৰ কাৰ্যালয়ত মই কাকো পাল মাৰি কাম কৰা আজিলৈ দেখা নাই

■ **কনক চন্দ্ৰ বড়ো.** কাৰ্যবাহী অভিযন্তা, লোকনিৰ্মাণ বিভাগ



**মই** মোৰ নিজৰ কাৰ্যালয়টোৰ কথা ক’বলৈ গ’লে মোৰ যিসকল কৰ্মচাৰী আছে তেওঁলোকক কাকো মই যিটো অভিযোগ পাল মৰা দেখা নাই। সকলোকে যিখিনি দায়িত্ব দিয়া হৈছে সেই মতে কৰি আছে। গতিকে মই এই অভিযোগটোৰ সত্যতা নাই বুলিয়ে কম। কাৰণ মোৰ যিখিনি দায়িত্ব মই নিয়াৰিকৈ কৰি আছো আৰু সন্ধিয়া তাৰ ৰিপ’ৰ্ট চৰকাৰলৈ প্ৰেৰণ কৰি আছো। আজিলৈকে কোনো জনসাধাৰণে আমাৰ কাৰ্যালয়টোৰ ওপৰত আপত্তি কৰা নাই যে মোৰ কোনো কাম সময়মতে কৰি দিয়া নাই কাৰ্যালয়ৰ পৰা। গতিকে মই ক’ব বিচাৰিম যে জনসাধাৰণ আমাৰ কামৰ পৰা সন্তুষ্ট হৈছে। মোৰ সহকৰ্মীসকলে তেওঁলোকৰ যিখিনি দায়িত্ব সেইখিনি নিয়াৰিকৈ কৰি মোলৈ আগবঢ়াই দিয়ে। সেয়ে চৰকাৰৰ ওচৰত মোৰ কোনো ধৰণৰ অমীমাংসিত কাম নাই। সহকৰ্মীসকলৰ বাবেই সকলোখিনি কাম যথাৰ্থভাৱে কৰা সম্ভৱ হৈছে। গতিকে মোৰ কাৰ্যালয়টোৰ ওপৰত ৰাইজৰ কাম নকৰে বুলি কোনো ধৰণৰ অভিযোগ আছে বুলি মই নাভাবো ।

## প্ৰাপ্তিৰ সমান্তৰালভাৱে সৰ্বসাধাৰণক কি দিছে সেই কথা আত্মবিশ্লেষণ কৰিব লাগিব

■ **দেবব্ৰত শৰ্মা,** চৰকাৰী কৰ্মচাৰী



**নক’লেও** হয় যে সমাজ বা চৰকাৰৰ মূল চালিকা শক্তি হৈছে চৰকাৰী কৰ্মচাৰীসকল। একোখন চৰকাৰৰ আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত চৰকাৰী কৰ্মচাৰীসকলৰ অধিক কৰণীয় আছে। সংপৃক্ত হৈ থকা মহলেই হৈছে ৰাজ্যখনৰ এক বৃহৎ আৰু গুৰুত্বপূৰ্ণ অংশ এই চৰকাৰী কৰ্মচাৰীসকল । আজি যদি আমাৰ অসম ৰাজ্যখন সকলো দিশতে আৰু অধিক প্ৰগতিৰ ক্ষেত্ৰত ত্বৰান্বিত কৰিব লগা হয় তেনেহ’লে চৰকাৰী কৰ্মচাৰীসকলে নিজকে আত্ম সমালোচনা কৰি কৰ্মৰ এক পৰিৱেশ তৈয়াৰ কৰি নিজে আৰু অধিক আন্তৰিকতাৰে দুৰ্নীতিৰ উৰ্ধ্বত গৈ ৰাইজৰ হকে কাম কৰিব লাগিব। বহু সময়ত সকলো কৰ্মচাৰীয়ে নহ’লেও বহুলাংশই এই ক্ষেত্ৰত অতি আন্তৰিকতাৰে কিমান কাম কৰে সেই সন্দৰ্ভত কিন্তু সন্দেহ নথকা নহয়। এই ক্ষেত্ৰত চৰকাৰ আৰু সমাজৰ সচেতন মহল ৰাজহুৱা স্বাৰ্থত সজাগ হোৱা উচিত। কাৰণ, কৰ্মচাৰীসকলৰ কামৰ লগত সমগ্ৰ ৰাজহুৱা স্বাৰ্থৰ উপৰি গণতান্ত্ৰিক প্ৰমূল্যবোধ সুৰক্ষাৰ স্বাৰ্থ জড়িত হৈ আছে। এই ক্ষেত্ৰত চৰকাৰ, সংবাদকৰ্মী, জনগণ আৰু সবাতোকৈ এই প্ৰশ্নত অসম চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ সুবিধাৰ অৰ্থে বহু সময়ত বিত্তীয় প্ৰতিষ্ঠানৰ পৰা কম সুতত বিভিন্ন ঋণ আদি প্ৰদান কৰি আহিছে। ইয়াৰ ফলত তেওঁলোক লাভান্বিত হৈছে । বহু কৰ্মচাৰীয়ে এই ধাৰ পৰিশোধ কৰিছে। বহু লোকে সেয়া সময়ত পৰিশোধ নকৰাও পৰিলক্ষিত হয়। চৰকাৰৰ সদিচ্ছাক চৰকাৰী কৰ্মচাৰীয়ে পূৰণ কৰাৰ যি গধুৰ দায়িত্ব তাক সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তেওঁলোক আত্মনিৰ্ভৰ হৈ আগুৱাব লাগিব। সমাজৰ তেহে হিত হ’ব। তদুপৰি নিজা প্ৰাপ্তিৰ সমান্তৰালভাৱে তেওঁলোকে সৰ্বসাধাৰণক সেৱাৰ জৰিয়তে কি দিছে বা দিব পাৰিছে সেই দিশটোও নিজেই বিশ্লেষণ কৰিব লাগিব আৰু সেই ক্ষেত্ৰত আগবাঢ়িব লাগিব। এয়া কৰ্মচাৰীসকলৰ দায়িত্ব আৰু সামাজিক দায়বদ্ধতা। সেয়ে কৰ্মচাৰীসকলে সমাজৰ বাবে, ৰাইজৰ বাবে কাম কৰাৰ মংগলদায়ক চিন্তাইহে অসমক আগুৱাই লৈ যাব। এই ক্ষেত্ৰত অৱশ্যেই বহুসংখ্যক কৰ্মচাৰীয়ে পূৰ্বৰ পৰাই সামাজিক উন্নয়নত আত্মোৎসৰ্গ কৰি আহিছে।

## সমাজে তোমাৰ পৰা কি পালে, সমাজক তুমি কি দিলা সেইটোহে আচল কথা

■ **নৰেন শৰ্মা,** সাংবাদিক



**এজন** চৰকাৰী চাকৰিয়ালে চৰকাৰৰ দৰমহা পায়। তেওঁৰ পৰিয়ালটো সুচাৰুৰূপে চলিবলৈ চৰকাৰে সকলো সা-সুবিধাই তেওঁক চৰকাৰৰ ফালৰ পৰা দিয়া হয়। তাৰ পাছতো আমি দেখিবলৈ পাওঁ একাংশ চাকৰিয়ালে ঘোচ খাবলৈ লয়। টকা নহ’লে জনসাধাৰণৰ লগত কথা ক’বই নিবিচাৰে। আনহাতে, এনে বহু চাকৰিয়ালকো দেখিছো যিয়ে নিজৰ দৰমহাৰ এটা অংশ দুখীয়া দৰিদ্ৰৰ বাবে খৰচ কৰে। তেনেদৰে খৰচ কৰি আনন্দ পায়। অৱশ্যে এনে লোকৰ সংখ্যা তাকৰ। এজন চৰকাৰী চাকৰিয়াল লোকে চৰকাৰৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰ্তব্য শেষ কৰি যথেষ্ট সময় পায়। সেইখিনি সময় সামাজিক কামত ব্যৱহাৰ কৰিব পাৰে। বহুতে সেইটো নকৰি নিজক লৈ ব্যস্ত হৈ পৰে। গাঁৱৰ অনুষ্ঠানটোৰ কথাটো বাদে আনকি ওচৰৰ পৰিয়ালটোৰ লগতো সম্পৰ্ক নাৰাখে। চৰকাৰী চাকৰি কৰি তুমি যিমানে ডাঙৰ বুলি নাভাবা বা টকা-পইচাকলৈ গৌৰৱ নকৰা সমাজে এদিন বিচাৰ কৰিব তুমি সমাজখনক কি দিলা। চৰকাৰী চাকৰি এটা কৰি টকা-পইচা কৰি, ঘৰ-দুৱাৰ সাজি নিজৰ সতি-সন্ততিৰ লগত সুখে-সন্তোষে জীৱন অতিবাহিত কৰাটোৱে জীৱন নহয়। সমাজে তোমাৰ পৰা কি পালে, সমাজখনক তুমি কি দিলা সেইটোহে আচল কথা। এজন চাকৰিয়াল লোকে যিটো বিভাগত কাম কৰে সেই বিভাগটোত তেওঁ এজন আদৰ্শবান কৰ্মী হিচাপে জনসাধাৰণৰ দৃষ্টিত ধৰা দিব লাগে। আমি প্ৰায়ে দেখো তেওঁৰ নিজৰ বিভাগ বা কামটোৰ প্ৰতি পিঠি দি অন্য এটা দিশত উঠি-পৰি লাগি নিজক জাহিৰ কৰিব বিচাৰে। সেইটো কৰাতকৈ তুমি যি কাম কৰি পেটৰ ভাত মোকলাইছা সেই কামটোতহে তুমি ৰাইজৰ আস্থাভাজন হোৱা উচিত। এনে কিছুমান কৰ্মচাৰী আছে যিয়ে সোঁৱে-বাঁৱে ১৪ পুৰুষলৈ ধন ঘটি শেষত শকত ধন আগবঢ়াই একো একোজন বিশিষ্ট সমাজকৰ্মী হৈ পৰে অথচ তেওঁৰ সমাজৰ প্ৰতি একো অৰিহণাই নাই। মানুহ তথা সমাজৰ প্ৰতি দায়বদ্ধতা কোনোৱে জোৰ কৰি দিব নোৱাৰে চৰকাৰী কৰ্মচাৰীয়ে হওক বা ব্যক্তিগত খণ্ডৰ কৰ্মচাৰীয়ে হওক ই নিজৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰে।

## চৰকাৰী বিষয়া-কৰ্মচাৰী দুৰ্নীতি মুক্ত হোৱাটো সকলোৱে কাম্য

■ **ভৱজ্যোতি ডেকা,** ছাত্ৰনেতা



**এখন** ৰাজ্যৰ উন্নয়নৰ দিশটো নিৰ্ভৰ কৰে সেই ৰাজ্যখনৰ প্ৰশাসনিক যন্ত্ৰটোৰ ওপৰত। ৰাজ্যখনৰ আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য প্ৰতিটো ক্ষেত্ৰতে প্ৰশাসনিক বিষয়া, আমোলা সকলকে ধৰি তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীজনলৈ নিৰ্ভৰ কৰে ৰাজ্যখনৰ ভৱিষ্যৎ। কিন্তু আটাইতকৈ দুখৰ বিষয় যে বিভিন্ন ধৰণৰ চৰকাৰী সুবিধা দিয়াৰ পাছত একাংশ বিষয়া কেনেকৈ সাধাৰণ জনসাধাৰণৰ পৰা সাধাৰণ কাম এটাৰ বাবদত মোটামোটা অংকৰ ধন লোৱাৰ অভিযোগ প্ৰায়েই দেখা পোৱা যায়। ইয়াত এটা কথা উল্লেখ কৰিবই লাগিব যে আজিও আমাৰ মাজত এনেকুৱা বিষয়া আছে যি সৎ আৰু নিকা ভাবমূৰ্তিৰে নিজৰ দায়িত্ব সুকলমে পালন কৰি আছে। যদিও এনে বিষয়াৰ সংখ্যা নগণ্য তথাপি সেইসকল বিষয়াৰ বাবে হয়তো আজি সমাজখনত নৈতিকতা শব্দটো ক’ৰবাত নহয় ক’ৰবাত জীয়াই আছে। এনে কিছু সংখ্যক বিষয়া আছে যি লোভত পাহৰি যায় নিজৰ শিক্ষাগুৰুজনৰ কথাও যিজন শিক্ষাগুৰুৱে শিক্ষাদান কৰি সেই বিষয়াৰ আসনখনত বহুওৱাৰ যোগ্য কৰি তুলিছিল। জীৱনৰ আধা সময় সমাজখন পোহৰ কৰাৰ স্বাৰ্থত নিয়োজিত হৈ থাকে সেই সকল শিক্ষাগুৰুৰ পেঞ্চনৰ টকাখিনিৰ ক্ষেত্ৰত একাংশ বিষয়াৰ দৰ-দাম চলে। ৰাজ্যখনৰ একাংশ বিভাগতে এনেকুৱা বহু বিষয়া আছে যেন টকা ঘটাহে তেওঁলোকৰ মূল উদ্দেশ্য। যি সময়ত চৰকাৰখনে শূন্যসহনশীলতাৰ কথা কৈ আছে দুৰ্নীতিত লিপ্ত বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে তথাপি কিন্তু একাংশ বিষয়াই বিভিন্ন ছলৰে অসৎ পন্থা অৱলম্বন কৰিয়ে আছে। একাংশ বিষয়াৰ সামাজিক জীৱনৰ জ্ঞান শূন্য যাৰ ফলত সাধাৰণ এজন বয়োজ্যেষ্ঠ ব্যক্তি এজনক কেনেকুৱা ধৰণে ব্যৱহাৰ কৰিব লাগে সামন্যতম জ্ঞানকণৰো অভাৱ হোৱা যেন পৰিলক্ষিত হয়। সাধাৰণ মানুহজনে এটা বিশেষ সমস্যাৰ কাৰণে যদি বিষয়াজনৰ ওচৰত যায় এশবাৰ চিন্তা কৰিবলগীয়া হয়। এখনিতে এটা নেতিবাচক কথাৰ মাজতে এটা ইতিবাচক দিশ আমাৰ চকুৰ সন্মুখত পৰিলক্ষিত হৈছে। যোৱা সপ্তাহত কনিষ্টবলৰ নিযুক্তিত যি ধৰণৰ নিযুক্তি প্ৰদান কৰা হ’ল এয়া বিৰল। যিমানে মুখ্যমন্ত্ৰীয়ে নিকা নিযুক্তিৰ কথা নকওক কিয় যদি বিষয়াসকলে এশ শতাংশ সততাৰে কাম নকৰিলে হয়তো সম্ভৱ হৈ নুঠিল হয় নিকা নিযুক্তি প্ৰক্ৰিয়াটো। ৰাজ্যখন উন্নয়নৰ ক্ষেত্ৰত বিষয়াসকলে লওক বিশেষ ভূমিকা।

## গঞাৰ প্ৰতি এচাম কৰ্মচাৰীৰ সুযোগসন্ধানী মনোভাব থাকে

■ **চিৰাজ খান,** অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, লেখক



**নিয়ম,** নিষ্ঠা আৰু সততাৰে যিসকলে নিজৰ কৰ্তব্য পালন কৰি ৰাইজৰ প্ৰতি সেৱা আগবঢ়ায়, তেওঁলোকক আমি সাধাৰণতে সমাজ কৰ্মী, সমাজ সেৱক হিচাপে চিহ্নিত কৰোঁ। তেনেদৰে যিসকলে যোগ্যতা আৰু পাৰদৰ্শিতাৰে চৰকাৰৰ অধীনস্থ বিভাগবোৰত চৰকাৰী কামৰ বিধিগত আচাৰ আচৰণ মানি চলি কৰ্তব্য পালন কৰি যায়, তেওঁলোকক সাধাৰণতে কৰ্মচাৰী বুলি অভিহিত কৰা হয়। চৰকাৰী কৰ্মচাৰীসকলে বিভাগীয় সেৱা বিধিমতে উপযুক্ত পৰিমাণৰ দা-দৰমহা ভোগ কৰি কাৰ্যকাল অতিবাহিত কৰে। বিশেষকৈ চৰকাৰী কৰ্মচাৰীসকলৰ বাবে প্ৰতিদিনৰ এক সময় সীমা নিৰ্দিষ্ট কৰা থাকে। সেই নিৰ্দিষ্ট সময়ত কাম থাকক বা নাথাকক, তেওঁ কাৰ্যালয়ত উপস্থিত থকাটো বাঞ্চনীয়। অৱশ্যে ব্যতিক্ৰম নোহোৱাকৈ নাথাকে। উল্লেখ্য যে যি বিভাগেই নহওঁক কিয়, ৰাইজৰ লগত সম্পৰ্ক থাকেই। গতিকে ৰাইজ আৰু কৰ্মচাৰীসকলৰ মাজত এটা ভাল বুজা পৰামৰ্শ আৰু সদ্ভাৱ নাথাকিলে বিকাশ ত্বৰান্বিত হ’ব নোৱাৰে। আমি জানো যে বিভিন্ন চৰকাৰী বিভাগৰ কাৰ্যালয়বোৰত ব্যক্তিগত বা ৰাজহুৱা তাগিদা লৈ ৰাইজ যাবলগীয়া হয়। সেই মুহূৰ্তত কৰ্মচাৰী কিম্বা বিষয়াই হওঁক, ৰাইজৰ যোৱাৰ পাছতো যদি ম’বাইল বা কম্পিউটাৰৰ স্ক্ৰীণত ব্যস্ততাৰ নাটকেৰে ৰাইজৰ উপস্থিতিৰ কোনো কাৰণেই জানিব নিবিচাৰে, তেনে শ্ৰেণীৰ কৰ্মচাৰী বা বিষয়াৰ দ্বাৰা সঠিক মতে কৰ্মসংস্কৃতি সাধন হোৱা বুলি ক’ব নোৱাৰি। সচৰাচৰ এয়া অবাস্তৱ নহয়। অৱশ্যে, এয়াও ঠিক যে, বিশেষকৈ গঞাৰ প্ৰতি কৰ্মচাৰী এচামৰ সুযোগ সন্ধানী মনোভাৱ এটা থাকে। যেনে, কামটো বৰ জটিল, আগতে আহিব লাগিছিল। বৰ চাহাবে চহী নকৰিব। খৰচ অলপ কৰিব লাগিব। এসপ্তাহৰ পাছত আহক। এনেধৰণৰ কথা কোৱা হয়। লগতে বৰবাবুৰ কথাও শুনাই দিয়ে। এনে ধৰণৰ কথা-বতৰাৰ দ্বাৰা অতিৰিক্ত আয়ৰ পথ উলিয়াই লয়। আইন আছে যদিও সকলো কৌশল সামৰি ল’ব নোৱাৰে। আইনৰ চকুত ধুলি মাৰি হ’লেও ‘মাজৰ’ মানুহক লগাই হ’লেও অতিৰিক্ত আয় চুছি লয়। ইয়াৰোপৰি, স্বজন স্বগোষ্ঠী প্ৰীতি থাকেই। উল্লেখ্য যে এনে বহুসংখ্যক কৰ্মচাৰী আছে, নিজৰ প্ৰাপ্য দা-দৰমহাৰে ঘৰ সংসাৰ নিয়াৰিকৈ চলাই, চৰকাৰী কামত ফাঁকি নিদিয়াকৈ বিভিন্ন সামাজিক কাম কাজৰ লগত জড়িত হৈ সেৱা আগবঢ়াই আছে। ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। অতিৰিক্ত আয়ৰ চিন্তা নকৰাকৈয়ে আৰ্জিত ধনৰ পৰাই দুস্থজনক মানবীয় অনুভূতিৰে সহায় সাহায্য আগবঢ়াই গৈছে। আনহাতে, তেওঁৰ বিভাগত যোৱা ৰাইজক উপযুক্ত সেৱা আগবঢ়াইছে। নহয়তো সুপৰামৰ্শ প্ৰদান কৰিছে। ইয়াৰ দ্বাৰা কৰ্মচাৰীজনৰ মান মৰ্যদা লাঘৱ হোৱা নাই। বৰঞ্চ মান মৰ্যদা বৃদ্ধি হোৱাৰ বাট মুকলি কৰিছে। এই খিনিতে কৈ থোৱা ভাল হ’ব যে কৰ্মচাৰীসকল অন্য গ্ৰহৰ প্ৰাণী নহয়। আমাৰ সমাজৰে একোজন সদস্য। গতিকে কৰ্মচাৰীসকল মনে প্ৰাণে সামাজিক হ’লে, দায়বদ্ধতাৰে কৰ্তব্য সমাধা কৰিলে ব্যক্তি, পৰিয়ালৰ লগতে সমাজ তথা দেশৰ প্ৰগতি আশা কৰিব পাৰি। কেৱল আইনে সকলো সিজাই দিব বুলি ক’ব নোৱাৰি। কিয়নো আইনৰ সুৰুঙা থাকেই।

## এচাম ধুৰন্ধৰ, লোভী, কৰ্মোদ্যমহীনৰ বাবে আমি লজ্জিত আৰু বদনামী হ’বলগীয়া হৈছে

■ **ভাস্কৰ বেজবৰুৱা,** লেব’ৰেটৰী টেকনিচিয়ান



**চাকৰি**....চা..কৰি.... । মানে কৰি চাব দিছে। কেন্দ্ৰীয়য়েই হওক কিম্বা ৰাজ্যিকেই হওক সৰু-বৰ প্ৰতিজন চৰকাৰী কৰ্ম কৰা ব্যক্তিয়েই চৰকাৰী চাকৰিয়াল।

কাৰো মুখৰ পিনে নোচোৱাকৈ চৰকাৰে প্ৰতিগৰাকী চাকৰিয়ালকে সম মৰ্যাদা-সম সুবিধা প্ৰদান কৰিছে। মাহিলি দৰমহা, পূজা-বিহুত বোনাছ, অন্যান্য ভাট্টা, লোনৰ সুবিধা ইত্যাদি পাবলগীয়া সকলো সা-সুবিধা আদায় কৰাৰ পাছতো একাংশ প্ৰায় ৯০ শতাংশ কৰ্মচাৰীৰ নিজ কৰ্মৰ প্ৰতি সম্পূৰ্ণ অৱহেলা দেখা যায়। প্ৰায় ১০ শতাংশ কৰ্মচাৰীয়েহে হয়তো নিজ কৰ্মৰ প্ৰতি নিষ্ঠা সহকাৰে কৰ্তব্য পালন কৰি চাকৰিটোক সন্মান জনাই আহিছে। আজিৰ দিনত বহুত চৰকাৰী চাকৰিয়ালে নিজৰ চাকৰিটোক এডাল বাৰমহীয়া বেঙেনা গছ দৃষ্টিৰে চাই নিজৰ মুখ্য কৰ্তব্যটোক অৱহেলা কৰি বিভিন্ন ঠিকা-ঠুকুলি বা অন্যান্য ব্যক্তিগত খণ্ডৰ কৰ্মত ব্যস্ত থকা দেখিবলৈ পোৱা যায়।

যত শিক্ষিত নিবনুৱাৰে ভৰি থকা ৰাজ্যখনত এটা সৰু পদৰ বাবে হেজাৰ হেজাৰ নিবনুৱাৰ আজি হাহাকাৰ অৱস্থা তাত নিজৰ চৰকাৰী চাকৰিটোক গৌণ কৰি ঠিকা-ঠুকুলিকে আদি কৰি অন্যান্য ব্যক্তিগত খণ্ডৰ কামসমূহক মুখ্য কৰি চলি অহা সেই চাম কৰ্মচাৰীক নিজৰ চাকৰিটোতে ব্যস্ত ৰাখি উচ্চ শিক্ষিত নিবনুৱাসমূহক সেই ঠিকা-ঠুকুলি বা ব্যক্তিগত খণ্ডৰ কৰ্মত নিয়োজিত কৰি নিবনুৱা সমস্যা অকণমান হ’লেও হ্ৰাস কৰাৰ লগতে চৰকাৰী কৰ্মচাৰীজনৰ অলপ হ’লেও কৰ্মস্পৃহা বৃদ্ধি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা অপৰিসীম। এচাম নিষ্ঠাবান চৰকাৰী কৰ্মচাৰীয়ে তেজক পানী, হাড়ক মাটি, দিনক ৰাতি, ৰাতিক দিন কৰি নিজৰ চৰকাৰী চাকৰিটোক, নিজৰ টেবুলখনক নিজ সন্তানৰ দৰে মৰম কৰি সন্মান সহকাৰে পৰিচালিত কৰি অহাৰ পাছতো এনে এচাম ধুৰন্ধৰ, লোভী, কৰ্মোদ্যমহীন চাকৰিয়ালৰ বাবে আজি আমি সমগ্ৰ চৰকাৰী চাকৰিয়াল জাতিটো লজ্জিত আৰু বদনামী হ’বলগীয়া হৈছে। সকলোকে অনুৰোধ-মানসিকতাৰ উত্তৰণ ঘটাওক, মানসিকতাৰ পৰিৱৰ্তন ঘটাওক। চৰকাৰী কৰ্মচাৰীৰ উপৰোক্ত বদনামবোৰ আঁতৰোৱাৰ ক্ষেত্ৰত চৰকাৰ কৰ্তৃপক্ষৰ ভূমিকা গ্ৰহণযোগ্য।

## প্ৰতিজন চৰকাৰী কৰ্মচাৰীৰ কামৰ মূল্যায়ন হ’ব লাগে

■ **তৰুণ বৰা,** ব্যৱসায়ী



**চৰকাৰী** কৰ্মচাৰীসকলে তেওঁলোকৰ কামৰ বাবে দৰমহা লাভ কৰে। যিটো তেনেই সামান্য নহয়। তদুপৰি তেওঁলোকে বিভিন্ন আৰ্থিক সা-সুবিধাৰ উপৰি ভৱিষ্যৎ সুৰক্ষিত হোৱাকৈ অৱসৰকালীন সুবিধাও লাভ কৰে। এই সকলো সা-সুবিধা তেওঁলোকে লাভ কৰে সৰ্বসাধাৰণৰ পৰা সংগৃহীত বিভিন্ন কৰৰ মাধ্যমৰে। আনকি নিবনুৱা, দৰিদ্ৰ সকলোৰেই ইয়াত অৰিহণা থাকে। প্ৰতিটো চৰকাৰী বিভাগৰ উদ্দেশ্য হৈছে দেশ, ৰাজ্য আৰু মানুহৰ কল্যাণকামিতা। যিহেতু চৰকাৰী প্ৰতিজন কৰ্মচাৰীয়ে তেওঁলোকৰ কৰ্মৰ বাবে নিৰ্ধাৰিত পৰিমাণত বেতনৰ উপৰি বিভিন্ন সা-সুবিধা লাভ কৰি আহিছে তেনেক্ষেত্ৰত তেওঁলোকে সুচাৰুৰূপে কাম কৰাটোৱেই প্ৰধান আৰু একমাত্ৰ কৰ্তব্য হ’ব লাগে। ইয়াৰ বিপৰীতে যোৱাটোৱেই অস্বাভাৱিকতা আৰু এইক্ষেত্ৰতে তেওঁলোকৰ বিৰুদ্ধে আঙুলি উঠাটো স্বাভাৱিক কথা। মূল্যবৃদ্ধিকে ধৰি বিভিন্ন ক্ষেত্ৰত চৰকাৰী কৰ্মচাৰীয়ে তেওঁলোকৰ দৰমহা বৃদ্ধিৰ বাবে আন্দোলনৰ জৰিয়তেই হওঁক নাইবা চৰকাৰী সদিচ্ছাৰেই হওঁক তেওঁলোকৰ আয় বৃদ্ধি পায়। তদুপৰি গৃহ নিৰ্মাণ, চিকিৎসা, যানবাহন ক্ৰয়ৰ ক্ষেত্ৰতো চৰকাৰী কৰ্মচাৰীসকলেই বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সুবিধা লাভত অগ্ৰাধিকাৰ পায়। কিন্তু এই সকলো সা-সুবিধাৰ বিপৰীতে চৰকাৰী কিমান শতাংশ কৰ্মচাৰীয়ে ৰাইজক সুচাৰুৰূপে সেৱা আগবঢ়াই সেয়া কিন্তু এক প্ৰশ্নৰ বিষয়। নিৰ্দিষ্ট পৰিমাণৰ আয়ৰ পাছতো তেওঁলোকৰ বহুজনেই অবৈধ আয়ৰ সন্ধান কৰে। এই কথা এতিয়া মুকলি ব্যৱস্থাত পৰিণত হৈছে আৰু সেই বাবেই চৰকাৰে দুৰ্নীতি বিৰোধী অভিযান চলাবলগীয়া ঘটনা ঘটিছে। তদুপৰি, যিসকল ৰাইজৰ বাবে চৰকাৰে কৰ্মচাৰী নিয়োগ কৰে সেইসকল লোককে বহু সময়ত কৰ্মচাৰীয়ে দুৰ্ব্যৱহাৰো কৰে। এঘন্টাৰ ভিতৰত কৰি দিব পৰা একোটা কামৰ বাবে একোজন লোকক কিমানদিন একেটা কাৰ্যালয়লৈ আহিবলৈ বাধ্য কৰাই তাৰ কোনো হিচাপ নাথাকে। এতিয়া উৎকোচ লৈ হাতে-লোটে ধৰা পৰা কৰ্মচাৰী-বিষয়াৰ তালিকা দীঘল হৈ গৈ আছে। শিক্ষাৰ পৰা স্বাস্থ্যলৈকে সকলোতে একেই অৱস্থা। চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱা সত্বেও এতিয়াও বহু বিষয়া কৰ্মচাৰী এনে চৰিত্ৰেৰেই আছে। এইক্ষেত্ৰত চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ কৰ্মজীৱনৰ এক গোপনে তদন্ত চলোৱাৰ ব্যৱস্থা থাকিব লাগে যাতে এনেবোৰ বিষয়াই পদোন্নতিৰে পাছত একোটা ব্যৱস্থাক বিসংগতিপূৰ্ণ কৰিব নোৱাৰে। তেওঁলোকৰ কৃতকৰ্মৰ বাবেই তেওঁলোকৰ পদোন্নতিৰ পথ যাতে হেঙাৰ হোৱাৰ এক ব্যৱস্থা থাকিব লাগে। আনহাতে বহু সময়ত একোটা কাৰ্যালয়ত এনে বহু কৰ্মচাৰী দেখা যায় যে তেওঁলোকে অতিৰিক্ত কামৰ বোজা কঢ়িয়াব লাগে। কাম অধিক কৰা কৰ্মচাৰীৰ ওপৰত আনেও বোজা জাপি দিয়ে। মুঠতে কৰ্মচাৰীয়ে লাভ কৰা সুবিধাৰ বিপৰীতে তেওঁলোকৰ কামৰো মূল্যায়ন হ’ব লাগে আৰু নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ নহ’লে ইয়াৰ প্ৰমাণ সাপেক্ষে বিহিত ব্যৱস্থাও গ্ৰহণ হ’ব লাগে।

## একাংশ কৰ্মচাৰীয়ে নানা অজুহাত দেখুৱাই কাম নকৰি বহি থাকে

■ **ফজলুল হক মণ্ডল,** অধ্যক্ষ, উদমাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়



**একাগ্ৰতা,** সততা আৰু দায়বদ্ধতাৰে ৰাইজৰ স্বাৰ্থৰ হকে কাম কৰিলেহে ৰাইজক প্ৰকৃত সেৱা আগবঢ়োৱা হয়। যাৰ দ্বাৰা সমাজৰ উন্নতি সম্ভৱ কৰি তুলিব পৰা যাব। চৰকাৰে কামৰ বিনিময়ত উপযুক্ত দৰমহা, বানচ বা অন্যান্য সা-সুবিধা প্ৰদান কৰে। চৰকাৰে বৰ্তমান সময়ত কিছুমান শিক্ষক তথা বিষয়া-কৰ্মচাৰীক পৰ্যাপ্ত সা-সুবিধা দিছে। বিশেষকৈ শিক্ষকসকলক এক মোটা অংকৰ দৰমহা দিয়ে। ইয়াৰ বিপৰীতে শিক্ষকসকলে যি পৰিমাণৰ সময় আৰু ছাত্ৰ-ছাত্ৰীৰ গুণগত উন্নয়নৰ বাবে প্ৰচেষ্টা চলাব লাগে সেই ধৰণৰ প্ৰচেষ্টা চলোৱা দেখা নাযায়। বহু বিষয়া-কৰ্মচাৰীয়ে নিয়মীয়াকৈ কৰিবলগীয়া কামখিনিও কৰিব নিবিচাৰে। ফাকি ফুকা আৰু নানা অজুহাত দেখুৱাই দিনটো পাৰ কৰিব বিচাৰে। নিজৰ দায়িত্ব আৰু কৰ্তব্য পালনতকৈ নিজৰ পৰিয়াল, সতি-সন্ততি আৰু ব্যক্তিগত সম্পত্তি আহৰণত অধিক গুৰুত্ব দিয়া দেখা যায়। চৰকাৰী চাকৰি মানে কাম নকৰাকৈ মাহে মাহে নিয়মীয়াকৈ দৰমহা লাভ কৰা এটা ব্যৱস্থা বুলি গণ্য কৰা দেখা যায়। একাংশ শিক্ষক কৰ্মচাৰীয়ে দৰমহাৰ উপৰঞ্চি ধন অৰ্জনত মনোনিৱেশ কৰে। ফলত প্ৰাইভেট টিউছন, ঠিকা-ঠুকলি, জীৱন বীমা আৰু কিছুমানে কামৰ বিনিময়ত এক মোটা অংকৰ ধনো দাবী কৰে। এনে মানসিকতাৰে কৰ্মসংস্কৃতি গঢ়ি উঠিব কেনেকৈ? দেশ, জাতি আৰু সমাজৰ উন্নতিৰ চিন্তা নকৰা বিষয়া-কৰ্মচাৰীসকলৰ সংখ্যা কমাবই লাগিব।

## সমস্যা হৈছে চৰকাৰী বিষয়া-কৰ্মচাৰী সকলৰ কামৰ প্ৰতি অৱহেলা

■ **বিকাশ হাজৰিকা**



**চৰকাৰী** বিষয়া-কৰ্মচাৰী সকলে সঠিকভাৱে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিছে নে নাই সেইটো বিচাৰ্যৰ বিষয়। বৰ্তমান সমাজ ব্যৱস্থাত বহুতেই এই কথা বিশ্লেষণ কৰিব বিচৰা নাই যদিও মই মোৰ দৃষ্টিভংগীৰে ইয়াক এটা জটিল সমস্যা বুলিয়েই আখ্যা দিব বিচাৰিছো। সমস্যাটো হ’ল সমাজৰ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ কামৰ প্ৰতি থকা অৱহেলা আৰু তাৰ ফলশ্ৰুতিত চৰকাৰী প্ৰতিষ্ঠানসমূহৰ অচলাৱস্থা। চৰকাৰে বৰ্তমান সময়ত চৰকাৰী কৰ্মচাৰীসকলক প্ৰকৃত সেৱা আগবঢ়াই যাবৰ বাবে যথেষ্ট পৰিমাণৰ দৰমহা নিৰ্ধাৰণ কৰি দিয়ে, তথাপি এচাম কৰ্মচাৰীৰ যি কৰ্তব্যৰ প্ৰতি শূন্য দায়বদ্ধতা, তাক আমি সকলোৱে দেখি আহিছো। উপযুক্ত জ্ঞান অবিহনেও কিছুমান ব্যক্তিয়ে কিছুমান উচ্চপদস্থ কৰ্মচাৰী হিচাপে স্থান পাইছে যদিও প্ৰকৃত সেৱা আগবঢ়াই যোৱা নাই। ফলত আমাৰ সমাজখনত এটা খোৱা- কামোৱা নীতি প্ৰযোজ্য হৈছে। যাৰ পৰিণতিত আমি এক ভয়ংকৰ ভৱিষ্যতৰ দিশে গতি কৰিছো। কিছুমান চৰকাৰী কৰ্মচাৰীৰ যোগ্যতা নথকা সত্বেও চাকৰি লাভ কৰি কেৱল নিজৰ চাহিদাসমূহ পূৰ্ণ কৰাৰ বাদে সমাজৰ হকে কোনো গঠনমূলক কাম কৰা দেখা নাযায়। ফলত তেওঁলোকৰ ভুলৰ পৰিণাম সমগ্ৰ ৰাইজে ভুগিব লগা হৈছে। তাৰে মাজতে দুই-এজন নিষ্ঠাবান কৰ্মী থাকিলেও সেয়া এপাচি শাকত এটা জালুকৰ লেখীয়া। মুঠতে চৰকাৰী কৰ্মচাৰীসকলৰ এই দায়িত্ব জ্ঞান নথকা কথাটোৱে মানুহক পথভ্ৰষ্ট কৰিছে। ৰাইজ মুঠেও তেওঁলোকৰ কৰ্মত সুখী নহয়। আজিকালি চৰকাৰে দৰমহাৰ উপৰি যথেষ্ট পৰিমাণৰ সুবিধা চৰকাৰী চাকৰিয়ালসকলক দিছে যদিও তেওঁলোকৰ কামৰ প্ৰতি হেমাহি দিনক দিনে বৃদ্ধিহে হৈছে। এই সকলো সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ হ’লে প্ৰথমে আমি সকলোৱে নিজৰ মানসিকতা সলনি কৰিব লাগিব , যাতে সমাজত আমাৰ কৰ্মই কোনো ধৰণৰ ব্যাঘাত সৃষ্টি নকৰে। কাৰণ চৰকাৰে এই কৰ্মচাৰীসকলক দুৰ্নীতিৰ দিশে ধাৱমান নহ’বৰ কাৰণেই যথেষ্ট সা-সুবিধা দিছে। কেৱল তেওঁলোকৰ পৰা কৰ্তব্য নিষ্ঠা বিচাৰিছে। সেইটো প্ৰতিজন চৰকাৰী কৰ্মচাৰীয়ে নিজেই অনুধাৱন কৰিব লাগে। তেতিয়া সমাজো সুন্দৰ হ’ব, আৰু বিভাগীয় উন্নয়ন অটুট থাকিব।




# বৰপেটাত জেহাদীৰ ঘৰত এন আই এৰ অভিযান

*এক পৃষ্ঠাৰ পৰা* এন আই এয়ে সদৰী কৰা মতে, এই কিতাপ আৰু নথিপত্ৰৰ একাংশ জেহাদৰ প্ৰতি মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। আন একাংশ কিতাপ আৰু নথিপত্ৰ জেহাদৰ প্ৰশিক্ষণত ব্যৱহাৰ কৰা হয় বুলি এন আই এয়ে জনায়। উল্লেখ্য যে এজন বাংলাদেশী নাগৰিকসহ এ বি টিৰ কমেও ১৬ জন জেহাদী এই পৰ্যন্ত জালত পৰিছে। বৰপেটা আৰু বঙাইগাঁও জিলাৰ আৰক্ষীয়ে সেইসকলক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ ভিতৰত বৰপেটাতে ১০ জনতকৈ অধিক জেহাদী এন আই এ আৰু আৰক্ষীৰ জালত পৰিছে। লক্ষ্যণীয়ভাৱে সেই ১৬ জনৰ পাছত আৰু কোনো লোককে ধৰিবলৈ সক্ষম হোৱা নাই। অথচ বিশেষকৈ বৰপেটা জিলাত এ বি টিৰ হৈ বহু লোকে কাম কৰি থকাৰ তথ্য ধৃত জেহাদীসকলৰ পৰা উদ্ধাৰ হৈছে। সেই তথ্যৰ ভিত্তিত বহু সন্দেহজনক লোকৰ ওপৰত দৃষ্টি ৰখা হৈছে যদিও ধৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে ইয়াৰ পূৰ্বে অসমত সংগঠন বিস্তাৰ কৰিবলৈ হুজি, জে এম বি আদিকে ধৰি যিকেইটা জেহাদী সংগঠনে প্ৰচেষ্টা চলাইছিল তাক আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে আৰম্ভণিতেই মষিমূৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ ফলত এ বি টিয়ে অতি সূক্ষ্ম আৰু গভীৰভাৱে কাম কৰি থকা বুলি চোৱাংচোৱাই তথ্য উদ্ধাৰ কৰিছে। উল্লেখযোগ্য যে যোৱা এপ্ৰিলত বৰপেটাত সুমন নামৰ এজন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰা হয়। ধৃত লোকজনে এ বি টিৰ হৈ বৰপেটাৰ লগতে অসমৰ বিভিন্ন স্থানত সংগঠন বিস্তাৰৰ কাম প্ৰায় এবছৰ ধৰি কৰি আহিছিল। সুমনৰ তথ্যৰ ভিত্তিতে এ বি টিৰ হৈ কাম কৰি থকা আন লোকসকলক গ্ৰেপ্তাৰ কৰা হয়।

# প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য

*এক পৃষ্ঠাৰ পৰা* কয়। তেওঁ জনোৱা মতে, কেন্দ্ৰীয় আবকাৰী কৰ পেট্ৰ'লৰ ওপৰত প্ৰতি লিটাৰত আঠ টকা আৰু ডিজেলৰ ওপৰত ছটকাকৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত চৰকাৰে এক লাখ কোটি টকাৰ ৰাজহ হেৰুৱাব। তদুপৰি কেন্দ্ৰীয় চৰকাৰে এবছৰত ১২টা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বাবে হিতাধিকাৰীসকলক প্ৰতিটো চিলিণ্ডাৰৰ বিনিময়ত দুশ টকাকৈ ৰাজসাহায্য দিব। সীতাৰমণে টুইটাৰত কয় যে ইয়াৰ দ্বাৰা মাতৃ আৰু ভগ্নীসকল উপকৃত হ'ব। তেওঁ কয় যে গেছৰ ৰাজসাহায্যৰ ফলত ৰাজহ ঘাটি হ'ব ৬১০০ কোটি।

# বিধানসভাৰ গৃহ মেৰামতিৰ সিদ্ধান্তৰ

*এক পৃষ্ঠাৰ পৰা* ভাঙিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াকে লৈ কেৱল বিৰোধীয়ে নহয় শাসক পক্ষৰ বিধায়কৰ মাজতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিৰোধীয়ে ৰাজহুৱাভাৱে এই বিষয়ত মাত মাতিলেও দলীয় কাৰণত শাসকীয় বিধায়কসকলে আনুষ্ঠানিকভাৱে মুখ খুলিবলৈ সাহস কৰিব পৰা নাই। ফলত সেইসকলে নিজৰ মাজতে গুজৰি গুমৰি থাকিবলৈ বাধ্য হৈছে। ইয়াৰ বিপৰীতে বিধানসভা সচিবালয়ৰ সিদ্ধান্তৰ বিৰোধিতা কৰি মুখ্যমন্ত্ৰীৰ কাষ চাপিছে কটেজত বাস কৰা বিৰোধী বিধায়কসকলে। তেওঁলোকে আনুষ্ঠানিকভাৱে বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰিছে। বিধানসভাৰ মুৰব্বী হিচাপে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকো আপত্তি দৰ্শাইছে বুলি জনায় কটেজত বাস কৰা কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন ছিকদাৰে। এই সন্দৰ্ভত বিধায়কজনে কয়, 'আমি আমাৰ আপত্তি মুখ্যমন্ত্ৰী আৰু অধ্যক্ষক আনুষ্ঠানিকভাৱে জনাইছো। তেওঁলোকে আমাক এই মুহূৰ্তত কোনো উত্তৰ দিয়া নাই। আমি তেওঁলোকৰ পৰা সদুত্তৰ পাম বুলি আশা কৰিছো।' ছিকদাৰে লগতে কয় যে যদি ঘৰবোৰ ভঙাৰ পৰিকল্পনা আছিলেই, তেন্তে বিধায়কসকলক আগতীয়াকৈ জনাব লাগিছিল। নতুন বিধায়ক সোমোৱাৰ পূৰ্বে বিধানসভা সচিবালয়ে ঘৰবোৰ মেৰামতি কৰে। এইবাৰো কৰিছিল। তদুপৰি একাংশ বিধায়কে নিজৰ পছন্দ অনুসৰিও আবাস মেৰামতি কৰি লয়। এইবাৰো তাৰ ব্যতিক্ৰম হোৱা নাছিল। ভঙাৰ পৰিকল্পনা যদি আছিলেই সেইবোৰ কৰাৰ নিশ্চয় প্ৰয়োজন নাছিল বুলি বিধায়কজনে মন্তব্য কৰে। এয়া ৰাজহুৱা ধনৰ অপচয় বুলিও মন্তব্য কৰা ছিকদাৰে এনেদৰে ঘৰ ভঙাৰ সিদ্ধান্তক লৈ বিধায়কসকল অসন্তুষ্ট বুলি জনায়। প্ৰসংগক্ৰমে উল্লেখ্য যে এইবাৰো বিধানসভা সচিবালয়ে কটেজবোৰ মেৰামতি কৰে। এবছৰো নোহোৱা এই মেৰামতিৰ বাবদ কে'বা লাখ টকা ব্যয় হয়। তদুপৰি বেছিভাগ বিধায়কে নিজৰ আবাসবোৰ পছন্দ অনুসৰি সজাই লৈছে। তাৰ ফলত ভাঙিবলৈ সাজু কৰা কে'বাটাও আবাসত মাত্ৰ দুই-তিনিমাহ পূৰ্বেহে একাংশ বিধায়কে প্ৰৱেশ কৰিছে। ইয়াৰ বাবদো লাখ লাখ টকা ব্যয় হয়। এই মেৰামতি আৰু পুনৰ নিৰ্মাণ বিধানসভা সচিবালয়ৰ চকুৰ আগতে হয়। তেতিয়াও সচিবালয়ৰ পৰা ঘৰবোৰ ভাঙিব বুলি কোনো বিধায়ককে ইংগিত পৰ্যন্ত দিয়া হোৱা নাছিল বুলি জনায় শাসকীয় পক্ষৰ বিধায়কৰ সূত্ৰই।

ঘৰ ভঙাৰ ফলত তাত বাস কৰা বিধায়কসকলক ভাড়া ঘৰত থকাৰ পৰামৰ্শ অধ্যক্ষৰ নিৰ্দেশমৰ্মে বিধানসভা সচিবালয়ে আনুষ্ঠানিকভাৱে দিছে। ভাড়াৰ বাবদ প্ৰতিমাহে ৫০ হেজাৰ টকাকৈ দিয়াৰ ঘোষণাও কৰা হৈছে। কিন্তু ধন দিলেও চিপাহী-চন্তৰী, সমৰ্থক, সমষ্টিৰ পৰা অহা মানুহৰে পৰিবেষ্টিত হৈ থাকিব পৰাকৈ ভাড়া ঘৰ পোৱাটো বেছিভাগ বিধায়কৰ বাবে সম্ভৱ নহয়। জাৰি কৰা নিৰ্দেশ অনুসৰি ঘৰ খালী কৰিবলৈ বিধায়কসকলৰ হাতত দুমাহ আছে। কিন্তু কোনেও ৰাজহুৱা ধনৰ অপচয় ৰোধৰ বাবে ঘৰ এৰাৰ পক্ষত নাই। সেয়েহে ভাড়া ঘৰ বিচৰাৰ প্ৰক্ৰিয়াও আৰম্ভ কৰা নাই বুলি বিধায়কৰ সূত্ৰই জানিবলৈ দিয়ে।

# টে'টত মেধা বনাম গ্ৰেচ নম্বৰৰ প্ৰাৰ্থীৰ

*এক পৃষ্ঠাৰ পৰা* যোগ্যতা আহৰণৰ পৰীক্ষাত গ্ৰেচ নম্বৰ বিষয় আহিবই নোৱাৰে বুলি তাৰ পাছতে কে'বাটাও গোচৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰুজু হয়। সেই গোচৰবোৰৰ শুনানিৰ তদন্তত যোৱা ১৮ মে'ত ন্যায়াধীশ কল্যাণ ৰাই ছুৰানাৰ আদালতে গ্ৰেচ নম্বৰ প্ৰদান প্ৰক্ৰিয়াটো দুমাহৰ ভিতৰত পৰীক্ষা কৰি চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি চৰকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত বিষয়টো পৰীক্ষা কৰিব বুলি শিক্ষামন্ত্ৰীয়ে আজি জনায়। একেটা নিৰ্দেশত ন্যায়ালয়ে মন্তব্য কৰে যে মাধ্যমিক টে'টৰ দুখন প্ৰশ্নকাকতত গড় হিচাপত সাধাৰণ বৰ্গৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত ৬০ শতাংশ আৰু সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত ৫৫ শতাংশ নম্বৰ প্ৰাপ্তজনক টে'ট উত্তীৰ্ণ হিচাপে গণ্য কৰিব লাগে। লগতে ন্যায়ালয়ে ৰায়টোত উল্লেখ কৰে যে ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি যিসকলে সকাহ লাভ কৰিব তেওঁলোকৰ কথা বিবেচনা নকৰাকৈ কোনো চূড়ান্ত নিযুক্তি দিব নোৱাৰিব।

যোৱা ১১ মে'ত মাধ্যমিক শিক্ষা সঞ্চালকালয়ে স্নাতক শিক্ষক নিযুক্তিৰ বাবে মেধাৰ ভিত্তিত যি তালিকা চূড়ান্ত কৰে তাত ১,৩৮১ গৰাকী গ্ৰেচ নম্বৰ প্ৰাপ্ত প্ৰাৰ্থীৰ নামো অন্তৰ্ভুক্ত হৈছে। অৱশ্যে আজি শিক্ষামন্ত্ৰীয়ে দাবী কৰা ধৰণে এইসকলক উইথ-হল্ড কৰি ৰখা হৈছে। উল্লেখ্য যে উক্ত তালিকাৰ ভিত্তিত যোৱা ১৪ মে'ত ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে ২,২২১ গৰাকী স্নাতক শিক্ষকক এক লাখ নিযুক্তিৰ অংশ হিচাপে নিযুক্তিপত্ৰ প্ৰদান কৰিছিল। যদিহে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ চৰকাৰে মানিবলৈ বাধ্য হয় তেন্তে গ্ৰেচ নম্বৰ প্ৰাপ্তসকলৰ নাম নিযুক্তি তালিকাৰ পৰা কৰ্তন হোৱাটো নিশ্চিত। উল্লেখযোগ্য যে হাইস্কুলসমূহত শিক্ষক নিযুক্তিৰ অংশ হিচাপে শিক্ষা বিভাগে অনুষ্ঠিত কৰা মাধ্যমিক টে'টৰ ফলাফল ২০২০ৰ চাৰি মাৰ্চত ঘোষণা কৰা হৈছিল। এই পৰীক্ষাত ৭,৪১৭ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। ফলাফল ঘোষণাৰ পাছত শিক্ষা বিভাগে সেই ফলাফলৰ পুনৰ মূল্যায়ন কৰে। সেই সময়ত বিভাগটোৱে পাঁচকৈ গ্ৰেচ নম্বৰ দিয়াত সিদ্ধান্ত লয়। তাৰফলত অতিৰিক্তভাৱে ৪,৬১৫ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হয়। ফলত টে'ট উত্তীৰ্ণ মুঠ প্ৰাৰ্থীৰ সংখ্যা ১১,৩২২ গৰাকীলৈ বৃদ্ধি হয়। ইয়াৰ পৰৱৰ্তী সময়ত 'এনছাৰ কী'ত বিসংগতি ধৰা পৰে। তেতিয়া পুনৰ এক নম্বৰকৈ গ্ৰেচ নম্বৰ প্ৰদানৰ সিদ্ধান্ত লোৱা হয়। তাৰ ফলত পুনৰ ৭১০ গৰাকী প্ৰাৰ্থীৰ নাম উত্তীৰ্ণৰ তালিকাত সংযোজিত হয়। ফলত মুঠ উত্তীৰ্ণ প্ৰাৰ্থীৰ সংখ্যা ১২,০৩২ গৰাকীলৈ বৃদ্ধি হয়। এই উত্তীৰ্ণসকলক লৈ মুঠ ৫,৭৪৬ টা স্নাতক শিক্ষকৰ পদ পূৰণ প্ৰক্ৰিয়া শিক্ষা বিভাগে আৰম্ভ কৰে। কিন্তু নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে গ্ৰেচ নম্বৰ দিয়া ব্যৱস্থাক প্ৰত্যাহ্বান জনাই স্বাভাৱিকভাৱে উত্তীৰ্ণ হোৱা একাংশ প্ৰাৰ্থী ন্যায়ালয়ৰ দ্বাৰস্থ হয়। তেওঁলোকে ন্যায়ালয়ক আবেদন জনায় যে নিযুক্তি প্ৰক্ৰিয়াত গ্ৰেচ নম্বৰ লাভ কৰা সকলতকৈ মেধাৰ যোগ্যতাৰে উত্তীৰ্ণসকলক অগ্ৰাধিকাৰ দিব লাগে।

এই আবেদনবোৰৰ শুনানি প্ৰক্ৰিয়াত ন্যায়ালয়ে নিযুক্তি প্ৰক্ৰিয়া আগবঢ়োৱাৰ অনুমতি দিলেও নিযুক্তিৰ বিষয়টো লেখ আবেদনসমূহৰ চূড়ান্ত নিষ্পত্তিৰ ওপৰতে নিৰ্ভৰ কৰিব বুলি বিগত বৰ্ষৰ চাৰি ফেব্ৰুৱাৰীত দিয়া এক অন্তৰ্বৰ্তীকালীন নিৰ্দেশত উল্লেখ কৰে। তদুপৰি এই কথাও স্পষ্ট কৰি দিয়ে যে যদি গ্ৰেচ নম্বৰ লাভ নকৰাকৈ উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ সপক্ষে ন্যায়ালয়ে ৰায় দিয়ে, তেন্তে গ্ৰেচ নম্বৰপ্ৰাপ্তসকলে নিজৰ পদ এৰি দিব লাগিব। সেই অন্তৰ্বৰ্তীকালীন ৰায়টোৰ পাছত শেহতীয়াকৈ দিয়া নিৰ্দেশনাটোত অহা দুমাহৰ ভিতৰত গ্ৰেচ নম্বৰ প্ৰদান প্ৰক্ৰিয়াটোক পুনৰীক্ষণ কৰিবলৈ ন্যায়ালয়ে শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। এনে কাৰণতে যোৱা ১৪ মে'ত নিযুক্তিপত্ৰ লাভ কৰা শিক্ষকসকলৰ যোগদান পৰ্ব স্থগিত ৰখা হৈছে।

**সৰৱ ছাত্ৰ সংগঠন**

ইপিনে, চৰকাৰৰ ভুল নীতিয়ে হেজাৰ হেজাৰ শিক্ষিত যুৱক-যুৱতীক জটিল পৰিস্থিতিৰ মাজলৈ ঠেলি দিছে বুলি আজি বিষয়টোক লৈ মন্তব্য কৰে এছ এফ আই আৰু ডি ৱাই এফ আয়ে। ইয়াত এক সংবাদমেলত এছ এফ আইৰ অসমৰ ৰাজ্যিক সম্পাদক নিৰংকুশ নাথে কয়, 'উচ্চ মাধ্যমিক শিক্ষা বিভাগৰ অধীনত টে'ট এম্পাৱাৰ কমিটিয়ে টে'ট অনুষ্ঠিত হোৱাৰ সময়ত বিজ্ঞাপনত প্ৰকাশ কৰিছিল যে উত্তীৰ্ণ হ'বলৈ প্ৰাৰ্থীয়ে দুয়োখন প্ৰশ্নকাকতৰ প্ৰতিখনত ৬০ শতাংশকৈ নম্বৰ পাব লাগিব। সেই নিয়ম পৰৱৰ্তী সময়ত উলংঘা কৰি গ্ৰেচ নম্বৰ দিও প্ৰাৰ্থীক উত্তীৰ্ণ কৰাই দিয়ে। ইয়াৰ ফলত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ মাজতে দুটা গোটৰ সৃষ্টি হয়। এই গ্ৰেচ নম্বৰ দিয়া প্ৰক্ৰিয়াটো আইন বহিৰ্ভূত বুলি ন্যায়ালয়ে বাতিল কৰিছিল। আদালতৰ এই ৰায়ৰ পাছত গ্ৰেচ নম্বৰপ্ৰাপ্ত প্ৰাৰ্থীসকলৰ মাজত অনিশ্চয়তাৰ পৰিৱেশ সৃষ্টি হৈছে। বহু শিক্ষক চাকৰিৰ পৰা বাদ পৰাৰ সম্ভাৱনা বাঢ়িছে। এন চি ই টিৰ নিয়ম উলংঘা কৰি শিক্ষা বিভাগে গ্ৰহণ কৰা সিদ্ধান্তই একাংশ প্ৰাৰ্থীৰ জীৱনলৈ দুৰ্যোগ নমাই আনিছে। ইয়াৰ বিৰূপ প্ৰভাৱ শিক্ষাৰ্থীৰ জীৱনতো পৰিব। চৰকাৰে আন্তৰিকতাৰে বিষয়টোত আগবঢ়াহেঁতেন পৰিস্থিতি অৰাজক অৱস্থাৰ ফালে গতি নকৰিলেহেঁতেন। এই ঘটনা প্ৰৱাহে চৰকাৰে সমগ্ৰ নিযুক্তিক কিমান গুৰুত্ব দিছে সেয়াই প্ৰমাণ কৰিছে। অসম চৰকাৰৰ অহেতুক হস্তক্ষেপ, স্বজন-তোষণ আৰু টে'ট এম্পাৱাৰ কমিটীৰ দায়িত্বহীনতাৰ বাবেই মাধ্যমিক টে'টৰ ফলাফলত গুৰুতৰ অনিয়ম সংঘটিত হৈছে। এয়া অসম চৰকাৰৰ এক বৃহৎ শৈক্ষিক কেলেংকাৰি।' সংগঠন দুটাই টে'ট পৰীক্ষাৰ পৰা আৰম্ভ কৰি নিযুক্তি প্ৰক্ৰিয়ালৈকে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগে স্বচ্ছতা বজাই ৰখাৰ দাবী জনাইছে।'

# লকআপত মূৰ ফাটিল আঠখেলীয়াৰ হত্যাৰ অভিযুক্তৰ

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ২১ মে' ঃ** আৰক্ষী থানাৰ লকআপৰ ভিতৰতে মূৰ ফাটিল গোলাঘাটৰ আঠখেলীয়াৰ বেবেজীয়াত সংঘটিত নৃশংস হত্যাকাণ্ডত অভিযুক্ত নাজিদুল ইছলামৰ। যাৰ ফলত অভিযুক্তজন সম্প্ৰতি চিকিৎসাধীন হৈছে। আৰক্ষীয়ে জনোৱা মতে, গোলাঘাট আৰক্ষী থানাৰ লকআপৰ ভিতৰতে আকস্মিকভাৱে পৰি গুৰুতৰভাৱে আজি আহত হয়। আৰক্ষীয়ে তেওঁক ততাতৈয়াকৈ গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসালয় কৰ্তৃপক্ষই যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। আৰক্ষীয়ে জনাইছে যে হত্যাত অভিযুক্ত নাজিদুলক আজি আৰক্ষীয়ে গোলাঘাট আদালতলৈ নিয়াৰ বাবে যোজা চলোৱাৰ সময়তে সংঘটিত হয় এই ঘটনা। এই সন্দৰ্ভত আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি, নাজিদুলৰ শৰীৰ দুৰ্বল হোৱাৰ বাবে পৰি যোৱাৰ ফলত লকআপৰ লোৰ মাৰিত লাগি মূৰত আঘাতপ্ৰাপ্ত হয়। উল্লেখ্য যে গোলাঘাটৰ আঠখেলীয়া বেবেজীয়া অঞ্চলত যোৱা ২০ মে'ৰ পুৱতি নিশা সংঘটিত নৃশংস ঘটনাই সমগ্ৰ ৰাজ্যখনেই জোঁকাৰি গৈছিল। পুৱতি নিশা প্ৰায় দুই বজাত একেখন গাঁৱৰে দিব্যজ্যোতি দাস ওৰফে দ্বীপেনৰ ঘৰৰ দুৱাৰ ভাঙি প্ৰৱেশ কৰি সামগ্ৰী লুট কৰি নাজিদুলে পলাবলৈ চেষ্টা কৰোঁতেই গৃহস্থই সাৰ পোৱাত আক্ৰমণ সংঘটিত কৰে। হাতত থকা দাৰে নাজিদুলে উপৰ্যুপৰি ঘপিওৱাত দিব্যজ্যোতি থিতাতে নিহত হয়। আনকি ঘাতক নাজিদুলৰ নিৰ্মম আক্ৰমণৰ পৰা দিব্যজ্যোতিৰ পত্নী আৰু কণমানি পুত্ৰয়ো পৰিত্ৰাণ নাপালে। নাজিদুলে দিব্যজ্যোতিক দাৰে ঘপিয়াই হত্যা কৰাৰ লগতে তেওঁৰ পত্নী চুম্পী দাস আৰু সাত বছৰীয়া পুত্ৰ প্ৰিয়ম দাসক দাৰে ঘপিয়াই গুৰুতৰভাৱে আহত কৰে। সাত বছৰীয়া পুত্ৰৰ শৰীৰত দাৰ তিনিটা ঘাপ লগাত সম্প্ৰতি গুৱাহাটী জিএনআৰচিৰ আইচিইউত শিশুটিয়ে মৃত্যুৰ স'তে যুঁজ দি আছে। আনহাতে, দিব্যজ্যোতিৰ পত্নী চুম্পীও গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনাময় পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে ঘটনাৰ পাছতে হাতে-হাতে লাঠি-জোং লৈ উত্তেজিত জনতাই অভিযুক্ত নাজিদুলৰ ঘৰ ঘেৰাও কৰে। হত্যাকাৰীক শাস্তিৰ দাবীত উত্তাল পৰিৱেশ সৃষ্টি কৰি গাঁওবাসীয়ে অভিযুক্ত নাজিদুলৰ বাসগৃহৰ লগতে ব্ৰয়লাৰ ফাৰ্মত অগ্নি সংযোগ কৰি ভস্মীভূত কৰে।

# চুবুৰীয়া ৰাজ্যৰ সীমা সমস্যা

*এক পৃষ্ঠাৰ পৰা* সোণালী জয়ন্তীবৰ্ষত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰে। তেওঁ দিনৰ ১২.২০ বজাত দেউমালিৰ অস্থায়ী হেলিপেডত অৱতৰণৰ পাছত ৰামকৃষ্ণ মিছনৰ চৌহদত থকা স্বামী বিবেকানন্দ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে একেটা চৌহদতে থকা গোশালাত গো-দান অনুষ্ঠান সম্পন্ন কৰে। গৃহমন্ত্ৰী শ্বাহে সোণালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰি উলিওৱা এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। ভাষণত উত্তৰ-পূৰ্বাঞ্চলক এখন উগ্ৰবাদ মুক্ত, বিবাদ মুক্ত ঠাই হিচাপে গঢ়ি তোলাৰ আশ্বাস প্ৰদান কৰি ভাৰতবৰ্ষৰ এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ আশ্বাস দিয়ে গৃহমন্ত্ৰী শ্বাহে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতাৰ ৭৫ বছৰ পাছত নতুন শিক্ষানীতিৰ আমূল পৰিৱৰ্তন সাধন কৰিছে। ভাষণত শ্বাহে চুবুৰীয়া ৰাজ্যসমূহৰ মাজত থকা সীমা সমস্যাৰ কথা উল্লেখ কৰি ইতিমধ্যে ৬৫ শতাংশৰ কাম সম্পূৰ্ণ হোৱা বুলি কয়। অসম আৰু অৰুণাচলৰ মাজত থকা সীমা সমস্যাও ২০২৩ৰ ভিতৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰে সমাধান কৰিব বুলি গৃহমন্ত্ৰী শ্বাহে প্ৰতিশ্ৰুতি দিয়ে। আনহাতে, প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বতে আঠ হেজাৰৰো অধিক সুঠাম যুৱক-যুৱতীয়ে নিষিদ্ধ ঘোষিত বিভিন্ন সংগঠনৰ পৰা মূলসুঁতিলৈ ঘূৰি অহাৰ কথা উল্লেখ কৰি অনাগত দিনত অৰুণাচল প্ৰদেশক এখন সুন্দৰ ৰাজ্যৰূপে গঢ়ি তোলাৰো প্ৰতিশ্ৰুতি দিয়ে গৃহমন্ত্ৰী শ্বাহে। উল্লেখ্য যে বিগত অনুষ্ঠানত কেন্দ্ৰীয় আইনমন্ত্ৰী কিৰেণ ৰিজেজু, অৰুণাচলৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডুৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অসমত কৰ্মসংস্কৃতিৰ অভাৱ

*এক পৃষ্ঠাৰ পৰা* অতিথিপৰায়ণ, সহজ-সৰল আৰু স্পষ্টবাদী; কিন্তু কৰ্ম-সংস্কৃতিৰ অভাৱ। আমি যদি কৰ্ম-সংস্কৃতিৰ পৰিৱেশ উন্নত বা গঢ়ি তুলিব নোৱাৰো, অসমখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰে।' অগপৰ ছাত্ৰ সংগঠন অসম ছাত্ৰ পৰিষদৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত উপস্থিত কে'বা শতাধিক শিক্ষাৰ্থীক উদ্দেশ্যি আজি এইদৰে মন্তব্য কৰে দলটোৰ সভাপতি তথা জ্যেষ্ঠ মন্ত্ৰী অতুল বৰাই। উল্লেখ্য যে ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকলক দেশৰ লগতে ৰাজ্যখনত অনুষ্ঠিত হৈ অহা প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত সফলতা লাভ কৰিব পৰাকৈ দক্ষ কৰি তোলাৰ উদ্দেশ্যে বিগত বৰ্ষত ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱাৰ উদ্যোগত ৰূপায়ণ কৰি অহা 'মিছন-১০০০ চিভিল ছাৰ্ভেণ্ট' শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰি দিয়া ভাষণত অগপ সভাপতি বৰাই কয় যে এটা ৰাজনৈতিক দলৰ ভ্ৰাতৃ সংগঠনে এনেধৰণৰ মহৎ কাম কৰাৰ দৃশ্য সচৰাচৰ দেখিবলৈ পোৱা নাযায়। ছাত্ৰ পৰিষদৰ এই কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যৰ বহু যুৱক-যুৱতীয়ে সাম্প্ৰতিক প্ৰতিযোগিতামূলক সময়ৰ লগত খাপ খুৱাই আগবাঢ়ি যাবলৈ এক পথৰ নিৰ্দেশন লাভ কৰিবলৈ সক্ষম হ'ব বুলি সভাপতি বৰাই উপস্থিত শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয়, 'দেশৰ পাঁচখন শ্ৰেষ্ঠ উন্নয়নশীল ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্যখনে যাতে স্থান লাভ কৰিব পাৰে, এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰখনে কাম অব্যাহত ৰাখিছে। এই স্থান দখল কৰিবলৈ হ'লে আমি সকলো দিশতে আগুৱাই যাব লাগিব আৰু এই যাত্ৰাত সকলোৱে একেখন নাৱৰে সহযাত্ৰী হ'ব লাগিব। চেষ্টাৰ অসাধ্য যে একো নাই, সেয়া আমি প্ৰতিজনে উপলব্ধি কৰো। এসময়ত ৰাজ্যখনত কৰ্ম-সংস্কৃতিৰ অভাৱ আছিল আৰু শেহতীয়াকৈ ৰাজ্যখনত কৰ্ম-সংস্কৃতিৰ এক পৰিৱেশ গঢ় লৈ উঠিছে।' মন্ত্ৰী বৰাই লগতে কয় যে এটা সময় আছিল চৰকাৰী চাকৰি বুলি ক'লে সকলোৱে ঘৰৰ কাষৰ বিদ্যালয়খনতে শিক্ষকৰূপে পালে বা জিলাখনৰ ভিতৰতে চাকৰি পালে ভাল পাইছিল। আমি বাহিৰৰ জগতখনৰ কথা চিন্তাই কৰিব পৰা নাছিলো আৰু এতিয়া সেই যুগ সলনি হ'ল বুলি উল্লেখ কৰি কয়, 'এতিয়া এনে এটা যুগত আমি আছো, ঘৰতে বহি সমগ্ৰ বিশ্বখনক ঢুকি পাওঁ বা যোগাযোগ কৰিব পাৰো। তথ্য প্ৰযুক্তিৰ জোৰত ঠাইতে থাকি বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠান নাইবা চাকৰিৰ আবেদন কৰিব পাৰো। ফলত এই যুগৰ লগত খাপ খাব পৰাকৈ আমাৰ যুৱক-যুৱতীসকলক দক্ষ কৰি আগুৱাই নিব লাগিব আৰু ছাত্ৰ পৰিষদে এই ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ অতি প্ৰশংসনীয়।' যুগৰ পৰিৱৰ্তনৰ প্ৰসংগত মন্ত্ৰী বৰাই ৰাজ্য চৰকাৰে শেহতীয়াকৈ প্ৰদান কৰা নিকা-স্বচ্ছ নিযুক্তিৰ দাবী কৰি কয় যে আগতে যোগ্যতা থাকিলেও চাকৰি এটা পাবলৈ ধন দিবলগীয়া হৈছিল। এতিয়া সেই পৰিৱেশ সলনি হৈ মেধাৰ ভিত্তিত যোগ্যজনে ধন নিদিয়াকৈ স্বচ্ছ আৰু নিকা ব্যৱস্থাৰে চাকৰি পাবলৈ সক্ষম হৈছে। ছাত্ৰ পৰিষদে গ্ৰহণ কৰা কাৰ্যসূচী প্ৰশংসা কৰি তেওঁ কয়, 'অসমীয়া যুৱক-যুৱতীসকলৰ অন্য ৰাজ্যৰ যুৱক-যুৱতীৰ তুলনাত ফলাফল অধিক ভাল অৰ্থাৎ নম্বৰ অধিক লাভ কৰে যদিও সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সেই ৰাজ্যসমূহৰ তুলনাত আমাৰ ৰাজ্যৰ যুৱক-যুৱতীসকল পাছ পৰি আছে। এই দিশটোৰ ওপৰত আমি গুৰুত্ব দিব লাগিব। যুগৰ লগত খাপ খুৱাই চলিবলৈ আমি সকলোৱে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।' আনহাতে, ছাত্ৰ পৰিষদৰ দ্বাৰা আয়োজিত এই অনুষ্ঠানত অগপৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তইও শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ দিয়ে। উল্লেখ্য যে ছাত্ৰ পৰিষদে বিগত বৰ্ষত আয়োজন কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা ১০জনকৈ যুৱক-যুৱতীয়ে এইবাৰ অসম লোকসেৱা পৰীক্ষাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে আৰু তেওঁলোকক আজিৰ এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

# দেশত আয়ৰ বৈষম্যৰ ভয়াৱহ তথ্য

*এক পৃষ্ঠাৰ পৰা* লাভ কৰে। আনহাতে, শ্ৰমিক জনসংখ্যাৰ প্ৰায় ১৫ শতাংশই মাহিলি পাঁচ হেজাৰতকৈ কম টকা আয় কৰে। মাহিলি ২৫ হেজাৰ টকা উপাৰ্জন কৰাসকলক ১০ শতাংশৰ ভিতৰত অন্তৰ্ভুক্ত হৈছে। এয়া হৈছে দেশৰ মুঠ আয়ৰ ৩০ৰ পৰা ৩৫ শতাংশ।

দেশত অসমতাৰ অধিক চাঞ্চল্যকৰ তথ্য অনুসৰি শীৰ্ষৰ এক শতাংশৰ উপাৰ্জনৰ শ্ৰীবৃদ্ধিৰ উৰ্ধ্বমুখী প্ৰৱণতাৰ বিপৰীতে তলৰ ১০ শতাংশৰ উপাৰ্জন সংকুচিত হৈ আহিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য পৰিয়াল আৰু স্বাস্থ্য জৰীপ ২০১৫-১৬ বৰ্ষৰ তথ্য অনুসৰি ভাৰতত গ্ৰাম্য আৰু নগৰীয়া অঞ্চলৰ বাসিন্দাৰ মাজত সম্পদৰ বৃহৎ ব্যৱধান আছে। লক্ষ্যণীয়ভাৱে ৫০ শতাংশতকৈ অধিক পৰিয়ালৰ সম্পদৰ অধিক পৰিয়াল ঘনীভূত সম্পদৰ একেবাৰে তলৰ শাৰীত অৱস্থান কৰে। এই পৰিসংখ্যা হ'ব ৫৪.৯ শতাংশ। এই পৰিসংখ্যাই ভাৰতৰ অসমতাৰ এক অন্ধকাৰময় ছবি দাঙি ধৰিছে। এই বৈষম্য গ্ৰামাঞ্চলত অতি শোচনীয়। মনকৰিবলগীয়া যে দেশৰ গ্ৰামাঞ্চলত নগৰীয়া অঞ্চলতকৈ অধিক জনসংখ্যাই বসবাস কৰে। অসমতা আৰু দৰিদ্ৰতা এটা মুদ্ৰাৰে ইপিঠি-সিপিঠি যি আৰ্থ-সামাজিক বৈষম্যৰ ৰূপত বিয়পি পৰে।

বিশ্ব বেংকৰ শেহতীয়া এক অধ্যয়নত এনে অস্থিৰতাৰ ছবি দাঙি ধৰা হৈছিল। ভাৰতত বিগত দশকত দৰিদ্ৰতা হ্ৰাস পাইছে যদিও পূৰ্বতে ভবাৰ দৰে সিমান নহয় শীৰ্ষক এই প্ৰতিবেদন প্ৰস্তুত কৰে আৰু ভেন ডাৰ ৱেইডেই। এই মৰ্মে ভাৰতত শোচনীয় দৰিদ্ৰতাৰ হাৰ ২০১১ৰ পৰা ২০১৯লৈ ১২.৩ শতাংশ বিন্দু হ্ৰাস পায় যদিও ২০০৪ আৰু ২০১১ৰ হাৰতকৈ এই হাৰ মন্থৰ। এই প্ৰতিবেদনৰ তথ্যই উদঙাইছে যে দেশত বৃহৎ সংখ্যক জনসংখ্যাক দ্ৰুতগতিত দাৰিদ্ৰৰ পৰা মুক্ত কৰিবলৈ লক্ষ্য স্থিৰ কৰা নীতিসমূহ অধিক গতিশীল হোৱাৰ প্ৰয়োজন আছে।

ভাৰতে মুঠ ঘৰুৱা উৎপাদনৰ পদ্ধতিৰে পাঁচ ট্ৰিলিয়নৰ অৰ্থনীতি নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে যদিও এই দৰিদ্ৰৰ সংখ্যা এখন দেশে কিমান দূৰ পৰ্যন্ত ইয়াৰ সামাজিক উন্নয়ন আৰু বিকাশৰ লক্ষ্য আয়ত্ত কৰিবলৈ সক্ষম হৈছে তাৰ প্ৰতীক স্বৰূপ। অসমতা আৰু দাৰিদ্ৰৰ প্ৰতিদিনৰ অভিজ্ঞতাত প্ৰতিফলিত হয় দেশৰ জনসংখ্যা জীৱন-যাপনৰ মান আৰু সেয়েহে প্ৰতিটো পৰিয়ালৰ অৱস্থাৰ জৰীপ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। পৰিয়ালসমূহৰ জীৱন ধাৰণৰ অৱস্থাৰ জৰীপে বৈষম্যৰ প্ৰাবল্য আৰু ইয়াৰ আৰ্থ-সামাজিক দিশবোৰ নিৰ্ণয় কৰিব। এইসমূহ উদ্বেগৰ নিৰাময়ৰ পথ হিচাপে প্ৰতিবেদনে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োজন নিশ্চিত আইন ২০০৫ (এমজি এনৰেগা)ৰ নীতিসমূহৰ চহৰাঞ্চলত ৰূপায়ণ কৰিব লাগে বুলি পৰামৰ্শ দাঙি ধৰিছে আৰু সাৰ্বজনীন মূল আয় (ইউবিআই)ৰ নীতি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে। সাৰ্বজনীন মূল আয় হৈছে এনে এক নীতি প্ৰস্তাৱ য'ত কোনো নাগৰিকে চৰকাৰৰ পৰা নিয়মিতভাৱে সমৰূপত নিৰ্দিষ্ট কৰা বিত্তীয় হস্তান্তৰ অনুদান লাভ কৰিব। এই মূল আয় ৰাষ্ট্ৰজুৰি, আঞ্চলিকভাৱে অথবা স্থানীয়ভাৱে ৰূপায়ণ কৰিব পাৰি আৰু আয়ৰ পৰীক্ষণ নকৰাকৈ ইয়াক বলবৎ কৰিব পাৰি।

# আৰক্ষীৰ সন্মুখতে ভস্মীভূত বটদ্ৰৱা থানা

*এক পৃষ্ঠাৰ পৰা* পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও বিনষ্ট হয়। উন্মত্ত লোকৰ দলে কেৱল আৰক্ষী থানাত অগ্নি সংযোগ কৰাতে ক্ষান্ত নেথাকি থানাৰ আৰক্ষীৰ ওপৰতো ভয়ংকৰ আক্ৰমণ চলায়। এই আক্ৰমণত আৰক্ষীৰ দুজন কনিষ্টবল গুৰুতৰভাৱে আহত হয়। আক্ৰমণকাৰীৰ ৰুদ্ৰৰূপ দেখি ফৰিং ছিটিকা দিয়ে স্বয়ং আৰক্ষীয়ে। আৰক্ষীৰ জিম্মাত এজন লোকৰ মৃত্যুক কেন্দ্ৰ কৰিয়ে এই আক্ৰমণৰ ঘটনা ঘটে। আৰক্ষী থানাখনত অগ্নি সংযোগ কৰাত আগভাগ লৈছিল দুগৰাকী মহিলাই। এই মহিলা দুগৰাকীয়ে পেট্ৰ'ল ঢালি অগ্নি সংযোগ কৰা দৃশ্য বন্দী হয় কেমেৰাত।

প্ৰাপ্ত তথ্য অনুসৰি, যোৱা নিশা প্ৰায় ১০ বজাত বটদ্ৰৱা আৰক্ষী থানাৰ আৰক্ষীয়ে ধিং আৰক্ষী থানাৰ অন্তৰ্গত ছালনাবড়িৰ ছফিকুল ইছলাম নামৰ মাছৰ পোনা ব্যৱসায়ী এজনক আটক কৰিছিল। আৰক্ষী সূত্ৰই জনোৱা মতে, আটক কৰাৰ সময়ত মাছৰ পোনাৰ ব্যৱসায়ীজন কিছু পৰিমাণে নিচাসক্ত অৱস্থাত আছিল। অতি ৰহস্যজনকভাৱে আৰক্ষীৰ জিম্মাতেই আজি ধৃত লোকজনৰ মৃত্যু হয়। ইয়াৰ পাছত আৰক্ষীয়ে মৃত লোকজনৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কোনো উৎসৰ জৰিয়তে আৰক্ষীৰ জিম্মাত থকা অৱস্থাতে ছফিকুলৰ মৃত্যু হোৱা বুলি জানিব পাৰি তেওঁৰ আত্মীয় আৰু আন একাংশ লোকে বটদ্ৰৱা আৰক্ষী থানালৈ আহি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। দলটোৱে প্ৰথমে আৰক্ষীৰে বাকযুদ্ধত লিপ্ত হয় আৰু পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হোৱাত তেওঁলোকে আৰক্ষীক ভয়াৱহ আক্ৰমণ কৰে। এই দুৰ্বৃত্তৰ দলটোত সহস্ৰাধিক লোকৰ লগতে একাধিক মহিলা আৰু কে'বাজনো কিশোৰো আছিল। উন্মত্ত লোকসকলে থানাৰ আচবাব ভাঙি লণ্ডভণ্ড কৰাৰ লগতে থানাখনতেই অগ্নি সংযোগ কৰে। দুগৰাকী মহিলাই থানাখনৰ বাৰাণ্ডাত থকা মটৰ চাইকেলসমূহত পেট্ৰ'ল ঢালি অগ্নি সংযোগ কৰে। পাছত উন্মত্ত দলটোৱে আৰক্ষী থানাখনৰ নথিসমূহ আৰু অস্ত্ৰ-শস্ত্ৰ মজুত ৰখা মালখানাটোৰেই জ্বলাই দিয়ে। ফলত মালখানাত থকা ১০-১২টা এছএলআৰসহ বিপুল পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ জ্বলি ছাৰখাৰ হৈ পৰে। দুৰ্বৃত্তই আৰক্ষী থানাৰ কনিষ্টবলসকলকো প্ৰহাৰ কৰে। তাৎপৰ্যপূৰ্ণভাৱে উন্মত্ত লোকৰ দলটোৱে তাণ্ডৱ চলাই থকা সত্ত্বেও বটদ্ৰৱা আৰক্ষী থানাখনত থকা আৰক্ষীয়ে কোনো ধৰণৰ প্ৰতিৰোধেই গঢ়ি তুলিব নোৱাৰিলে। আক্ৰমণকাৰী নিয়ন্ত্ৰণ কৰিবলৈ আনকি আৰক্ষীয়ে লাঠিচালনাও কৰা নাছিল। বিয়লি প্ৰায় ৩-১৫ বজালৈকে জুইৰ লেলিহান শিখাই আগুৰি আছিল আৰক্ষী থানাখন। তেতিয়ালৈকে থানা চৌহদত উপস্থিত হোৱা নাছিল এখনো অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী। আনহাতে, দুৰ্বৃত্তৰ দলটোৱে প্ৰায় দুঘণ্টা সময় তাণ্ডৱ চলাই থানা চৌহদৰ পৰা আঁতৰি যোৱাৰ পাছতহে বিয়লি প্ৰায় ৩-৩০ বজাত ঘটনাস্থলীত উপস্থিত হয় জিলাখনৰ উচ্চপদস্থ আৰক্ষী বিষয়া আৰু অৰ্ধসামৰিক বাহিনীৰ লোক। এই ঘটনাক কেন্দ্ৰ কৰি সম্প্ৰতি সমগ্ৰ বটদ্ৰৱা অঞ্চলত উত্তেজনা অব্যাহত আছে আৰু অতিৰিক্ত আৰক্ষী-চিআৰপিএফ জোৱান নিয়োজিত কৰা হৈছে। আৰক্ষীয়ে থানাৰ অগ্নিসংযোগ কৰা ঘটনাত জড়িতক বিচাৰি অভিযান অব্যাহত ৰাখিছে। এই পৰ্যন্ত আৰক্ষীয়ে তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে যদিও নাম সদৰী কৰা নাই।

ইপিনে, মৃত ছফিকুলৰ পৰিয়ালে অভিযোগ কৰিছে যে আৰক্ষীয়ে মাছৰ ব্যৱসায়ীজনক মুকলি কৰি দিয়াৰ বিনিময়ত নগদ ১০ হেজাৰ টকাৰ লগতে এটা হাঁহ উৎকোচ বিচাৰিছিল। অৱশ্যে পৰিয়ালৰ এই অভিযোগ নস্যাৎ কৰি বটদ্ৰৱা আৰক্ষীৰ এক সূত্ৰই জনোৱা মতে, নথি-পত্ৰবিহীন মটৰ চাইকেলৰ জৰিমনাৰ বাবেহে আৰক্ষীয়ে পৰিয়ালক ১০ হেজাৰ টকা আদায় দিবলৈ দিছিল।

ইপিনে, মৃত মাছৰ পোনাৰ ব্যৱসায়ীজনৰ পৰিয়ালৰ লোকে অভিযোগ কৰে যে ধিং ছালনাবড়িৰ নিবাসী ছফিকুলে ব্যৱসায়িক সংক্ৰান্তত শিৱসাগৰলৈ যোৱাৰ বাবে বাছত উঠিবলৈ ঘৰৰ পৰা চাইকেলেৰে সন্ধিয়া ঘৰৰ পৰা ওলাই আহিছিল। তেওঁৰ লগত আছিল ম'বাইল ফোন আৰু মাছৰ পোনা নিয়া ডেক্সী। তেতিয়াই বটদ্ৰৱা আৰক্ষী থানাৰ সন্মুখতে বটদ্ৰৱা আৰক্ষীয়ে চলোৱা নিয়মীয়া তালাচীৰ সময়ত আটক কৰি ছফিকুলক থানালৈ লৈ আহে। পৰিয়ালৰ লোকৰ অভিযোগ মতে, পাছত ছফিকুলৰ পৰা বটদ্ৰৱা আৰক্ষীয়ে ম'বাইল নম্বৰ লৈ তেওঁৰ ভ্ৰাতৃলৈ ফোন কৰি মৎস্য ব্যৱসায়ীজনক আটক কৰাৰ কথা জনায়। লগতে ছফিকুলক মোকলাই দিবলৈ হ'লে নগদ ১০ হেজাৰ টকাৰ লগতে এটা হাঁহ দাবী কৰা বুলি অভিযোগ কৰে মৃত ব্যৱসায়ীজনৰ আত্মীয়ই। সেই মৰ্মে ছফিকুলৰ পত্নীয়ে আজি পুৱাই এটা হাঁহ লৈ বটদ্ৰৱা আৰক্ষী থানাত উপস্থিত হৈ আৰক্ষীক লগ ধৰি স্বামীক মোকলাই দিয়াৰ বাবে অনুৰোধ কৰে। আনকি স্বামীক কি কাৰণে আটক কৰিলে, সেই সন্দৰ্ভতো আৰক্ষীৰ পৰা পত্নীয়ে কোনো সদুত্তৰ নাপালে। পৰিয়ালৰ লোকে অভিযোগ কৰে যে কঁকাল আৰু হাতকে ধৰি তিনি ঠাইত বন্ধা ছফিকুলক পত্নীৰ সন্মুখতে আৰক্ষীয়ে গোৰ আৰু লাঠিৰে বেয়াকৈ প্ৰহাৰ কৰে। আৰক্ষীয়ে ছফিকুলৰ ওপৰত চলোৱা এনে নিৰ্যাতন সহ্য কৰিব নোৱাৰি তেওঁৰ পত্নীয়ে আৰক্ষীয়ে দাবী কৰা ধন নিবৰ বাবে ঘৰলৈ আহে। পৰৱৰ্তী সময়ত কোনোমতে ছফিকুলৰ পত্নীয়ে ১০ হেজাৰ যোগাৰ কৰি আত্মীয় ছাইদুল আৰু জহিৰুলৰ হাত আৰক্ষীক দিবলৈ প্ৰেৰণ কৰে। অৱশ্যে তেওঁলোকে বটদ্ৰৱা আৰক্ষী থানালৈ আহি আৰক্ষীক লগ ধৰাত আৰক্ষীয়ে ছফিকুলক চিকিৎসাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা বুলি জনায়। আৰক্ষীৰ পৰা এনে অনাকাংক্ষিত খবৰ লাভ কৰি তেওঁলোক হতভম্ব হৈ পৰে। শিৱসাগৰলৈ ব্যৱসায়ৰ বাবে ঘৰৰ পৰা ৰাওনা হোৱা ছফিকুলক কি পৰিস্থিতিত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা হ'ল, সেই বিষয়ে তেওঁলোকে আৰক্ষীৰ পৰা একো তথ্য লাভ নকৰিলে। পাছত ততাতৈয়াকৈ পৰিয়ালৰ লোকে নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ ছফিকুলক মৃত অৱস্থাত পায় শোকত ভাঙি পৰে। এই খবৰ অঞ্চলটোত বিয়পি পৰাত ক্ষুব্ধ হৈ পৰে স্থানীয় লোকসকল। পৰৱৰ্তী সময়ত আৰক্ষী থানাৰ সন্মুখত ছফিকুলৰ মৃতদেহ ৰাখি শ শ জনতাই ন্যায় বিচাৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পৰিস্থিতি ক্ৰমাৎ উত্তপ্ত হৈ পৰাত আৰক্ষী আৰু উন্মত্ত জনতাৰ মাজত হতাহতিৰ সৃষ্টি হয়। ইয়াৰ পাছতে উন্মত্ত লোকসকলে থানা চৌহদত অস্থায়ীভাৱে ব্যৱহাৰ কৰি থকা আৰক্ষী থানাখন। উল্লেখ্য যে বটদ্ৰৱা আৰক্ষী থানাখন সম্প্ৰতি নিৰ্মীয়মান অৱস্থাত আছে। নিৰ্মীয়মান আৰক্ষী থানাখনত অৱশ্যে কোনো ধৰণৰ ক্ষতিসাধন হোৱা নাই।

ইফালে, এই ঘটনাৰ পাছতে বটদ্ৰৱাত উপস্থিত হৈ ঘটনাৰ বুজ লয় নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলে। ঘটনাস্থলীত উপস্থিত সংবাদ মাধ্যমৰ আগত আৰক্ষী অধীক্ষকগৰাকীয়ে কয় যে এই সমগ্ৰ ঘটনাক লৈ তদন্ত হ'ব। আৰক্ষী থানা জ্বলাই দিয়া তিনি দুৰ্বৃত্তক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে সদৰী কৰি তেওঁ লগতে কয় যে ভিডিঅ' ফুটেজ চাই ইতিমধ্যে আৰু একাংশ অভিযুক্তক চিনাক্ত কৰা হৈছে। তেওঁলোকৰ বিৰুদ্ধেও আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। আৰক্ষী অধীক্ষকগৰাকীয়ে লগতে কয় যে যদি আৰক্ষীও জগৰীয়া হয়, তেনেহ'লে আৰক্ষীৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বৰ্তমানে পৰিস্থিতি কিছু শাম কাটিছে যদিও সমগ্ৰ অঞ্চলটোতে অৰ্ধসামৰিক বাহিনীৰ জোৱান নিয়োজিত কৰি ৰখা হৈছে। আনহাতে, আজি সন্ধিয়া ঘটনাৰ বুজ লোৱাৰ বাবে বটদ্ৰৱাত উপস্থিত হয় মধ্য অসমৰ আৰক্ষী উপ-মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকা। তেওঁ বটদ্ৰৱা আৰক্ষী থানাতে গাঁৱৰ আৰক্ষী অধীক্ষক তথা জিলাখনৰ অন্যান্য শীৰ্ষস্থানীয় আৰক্ষী বিষয়াৰে এক বৈঠকত মিলিত হৈ প্ৰয়োজনীয় নিৰ্দেশাৱলী দিয়ে। শেহতীয়া তথ্য অনুসৰি, ঘটনাৰ সন্দৰ্ভত বটদ্ৰৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কুমুদ গগৈক আৰক্ষীয়ে নিলম্বন কৰিছে। ইতিমধ্যে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক নিলম্বিত কৰা হৈছে।

আনহাতে, আজি নগাঁৱত বান পৰিস্থিতিৰ বুজ ল'বলৈ আহি জলসম্পদ আৰু জনসংযোগ তথা নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই ঘটনাৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ আগত মন্ত্ৰী হাজৰিকাই কয়, 'কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়াৰ বাবে আৰক্ষী অধীক্ষকক নিৰ্দেশ দিয়া হৈছে। আৰক্ষীৰ জিন্মাত যদি আচামীৰ মৃত্যু হয় সেইটো তদন্ত কৰা হ'ব; কিন্তু কোনোবাই থানা জ্বলাই দিয়াটো সহ্য কৰা নহ'ব।'

# পৰিকল্পিত আৰু শীতল মস্তিষ্কৰে হত্যা

*এক পৃষ্ঠাৰ পৰা* মহানগৰীৰ জাপৰিগোগৰ বিক্ৰমপুৰৰ জনসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত উচ্চ বৰ্গৰ সহায়ক হেমধৰ বচাবৰুৱা (৭৮)ক হত্যা কৰা বুলি আত্মসমৰ্পনৰ দ্বিতীয় দিনাও অভিযুক্ত ভাড়াতীয়া ধৃত ধৰণী ডেকা(৫৪)ই স্বীকাৰোক্তি দিছে। কালি বচাবৰুৱাক হত্যাৰ সময়ত ব্যৱহৃত চোকা অস্ত্ৰ(দা) জমা দি দিছপুৰ আৰক্ষী থানাত ডেকা আৰু তেওঁ পত্নী ৰিমি ডেকাই আত্মসমৰ্পন কৰাৰ পাছতে ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধি ১২০(বি) আৰু ৩০২ ধাৰাত ১১২৪/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰে আৰু আদালতে অভিযুক্ত ডেকা দম্পতীক দুদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে বুলি দিছপুৰ আৰক্ষীৰ সহকাৰী আয়ুক্ত হিমাংশু দাসে সদৰী কৰিছে। উল্লেখ্য যে ধৃত ডেকাই ভাড়াঘৰটোৰ মালিক মৃত বচাবৰুৱাই পত্নীক যোৱা তিনি-চাৰি মাহ ধৰি অশ্লীল ইংগিত দি অহা আৰু কালি পত্নীৰ গাত হাত দিয়াৰ বাবেই হত্যা কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি প্ৰদান তথা সংবাদ মাধ্যমৰ আগত দাবী কৰি আহিলেও সমগ্ৰ ঘটনা সম্প্ৰতি গভীৰ ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে। বিশেষকৈ মৃত বচাবৰুৱাৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ সম্পূৰ্ণৰূপে পৰিয়াল তথা প্ৰতিবেশীয়ে নস্যাৎ কৰি এই হত্যাকাণ্ড ধৃত ডেকাৰ বৰপুত্ৰ তথা উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰজনে সংঘটিত কৰা বুলি অভিযোগ কৰিছে। ড্ৰাগছ আসক্ত পুত্ৰক বচাবলৈ ধৃত দম্পতীয়ে এই অপৰাধ মূৰ পাতি লৈছে বুলি স্থানীয় লোকে অভিযোগ উত্থাপন কৰিছে যদিও আজি আদালতলৈ নিয়াৰ সময়ত সংবাদ মাধ্যমৰ আগত ডেকাই কয়, 'যদি মোৰ ল'ৰাই ড্ৰাগছ খাই বা বেয়া তাকো মই খটম কৰি দিম। ল'ৰাই মৰা নাই, মই মাৰিছো। আঠ মাহ তাতে ভাড়া আছো। তিনি-চাৰি মাহৰ পৰা মানুহজনীক বেয়া ইংগিত দি আছে। তাই মোক কৈছে। মই ধৰাই দিবলৈ কৈছিলো, যদি ধৰাই নিদিয় তোৰ দোষ আছে বুলি কৈছিলো। কালি মানুহজনীয়ে ইংগিত দিলে আৰু মই মাৰিলো।' উল্লেখ্য যে ঘটনাৰ সংক্ৰান্তত তদন্তকাৰী আৰক্ষী বিষয়াই দুয়োপক্ষৰ অভিযোগ-প্ৰতি অভিযোগ মৰণোত্তৰ প্ৰতিবেদন অহাৰ পাছতে স্পষ্ট হৈ পৰিব বুলি সদৰী কৰি তদন্ত প্ৰক্ৰিয়াত বৰ্তমানলৈ ধৃত স্বীকাৰ কৰা অভিযোগেই সত্য ৰূপত পোৱা গৈছে বুলি মন্তব্য কৰিছে।

**বচাবৰুৱাৰ ক্ষত-বিক্ষত মৃতদেহ ৪৫ মিনিটৰ পাছত উদ্ধাৰ কৰিছিল পত্নীয়ে**

হত্যাকাণ্ডৰ পূৰ্বে পৰিয়ালটোৰ স'তে হোৱা বাৰ্তালাপ সন্দৰ্ভত পত্নী তথা উত্তৰ-গুৱাহাটী হিন্দী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত লাইবেৰিয়ান লক্ষ্মী চাংকাকতিয়ে কয়, 'পুৱা আমি পৰিয়ালটোৰ লগত সুখ-দুখৰ কথা পাতিছিলো। মই যেতিয়া মানুহজনীৰ লগত কথা পাতি আছিলো, সেই সময়তে মানুহজনে গা ধুই গৈছে। মই কালি কাৰ্যালয়লৈ যোৱা নাই, গা ভাল পাইছে নাই বুলি সোধাত ভাল পাইছো বুলি কৈ খৰধৰকৈ ভিতৰলৈ সোমাই গ'ল। প্ৰায় আধাঘণ্টা কথা পাতিছো আৰু তাৰ পাছত দুয়োজনী ভাত বনাবলৈ পাকঘৰত সোমাইছো। মই পাকঘৰত সোমাই থাকোতে আমাৰ এওঁ গা ধুবলৈ গৈছে। মোৰ ভাত হোৱাত খাবলৈ বুলি ইফালে-সিফালে চোৱাত মানুহজনক ক'তো দেখা নাপালো। ভাত বনাবলৈ সোমাৰাৰ প্ৰায় ৪৫ মিনিট পাছত মই ক'তো দেখা নাপায় ওপৰলৈ গ'লো আৰু ছাদলৈ প্ৰৱেশ কৰা দুৱাৰখন খুলি দেখা নাপালো। যেতিয়া মই উভতি চাও তেতিয়া মানুহজন তেজেৰে লুতুৰি-পুতৰি হৈ পৰি থকা দেখো। লগে লগে ওচৰ-চুবুৰীয়াক মাতো আৰু মই অচেতন হৈ পৰি যাওঁ। অলপ পাছত ওচৰ-চুবুৰীয়াই মানুহজনৰ মূৰত কাটিছে বুলি নিশ্চিত হয় আৰু আৰক্ষীক খবৰ দিয়ে।' উল্লেখ্য যে মৃত বচাবৰুৱাই অভিযুক্তৰ পৰিয়ালটোক বহুত মৰম কৰিছিল আৰু তৃতীয় শ্ৰেণীত অধ্যয়নৰত তেওঁলোকৰ সৰু পুত্ৰক অতি মৰম কৰিছিল বুলি পত্নীয়ে সংবাদ মাধ্যমৰ আগত সদৰী কৰি পুনৰ কয়, 'তেওঁলোকে কেতিয়াবা কাজিয়া লাগে, তেতিয়া কওঁ—আমি শান্তিপ্ৰিয় মানুহ, এনেকুৱা পৰিৱেশ ভাল নালাগে। বেছি কাজিয়া লাগিলে ঘৰ এৰিব লাগিব। তাৰ বাহিৰে আজিলৈকে তেওঁলোকক একো বেয়াকৈ কোৱা নাই। তেওঁলোক ইয়ালৈ অহাৰ পাছত স্থানীয় লোকে মানুহঘৰ ভাল নহয় বুলি কৈছিল। আমাৰ তেওঁ তেতিয়া কয়—সৰু ল'ৰা দুটা আছে ভাল হ'ব। যোৱা মাহত মহিলাগৰাকীয়ে ভাড়া দিবলৈ আহিছে। মানুহজনীৰ অসুস্থ হৈ থকাৰ বাবে ভাড়া নালাগে, প্ৰথমে চিকিৎসা কৰিবলৈ তেওঁ কৈছিল। তাৰ পাছত মানুহজনীয়ে পাছৰ মাহত একেলগে দিবলৈ অসুবিধা হ'ব বুলি কোৱাত তিনি হেজাৰ লৈ দুহেজাৰ টকা চিকিৎসা কৰিবলৈ বুলি দিছিল। সেই দিনা আমাক তেওঁলোকে বনোৱা শাকো দিছে। সৰু ল'ৰটোক স্কুলৰ পৰা হাতৰ কাম দিছিল। ককা বুলি মাতি সি এই কথা কোৱাত দুয়োটাই এটা পইচা ভৰোৱা চুঙা কাগজৰ পৰা বনাই স্কুলত দিলে। এনেকুৱা হ'ব বুলি ভৰা নাছিলো। মানুহটোক এইদৰে মাৰি পেলাব নালাগিছিল।'

**ড্ৰাগছ আসক্ত পুত্ৰই নিয়াৰ অভিযোগ সমন্ধীয়ৰ**

মৃত বচাবৰুৱাৰ ঘৰৰ পৰা মাজে-সময়ে দুশ-পাঁচশ টকা হৰলুকি হৈছিল বুলি আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে সমন্ধীয় ভাগিনিয়েকে। ভাগিনিয়েকে অভিযোগ কৰা অনুসৰি, পুত্ৰ বাংগালুৰুত থকা বাবে প্ৰথম মহলাত অকলশৰে বসবাস কৰিছিল বচাবৰুৱা দম্পতীয়ে। ভাড়াতীয়া দম্পতীহালৰ ঘৰত প্ৰৱেশ কৰা কোনো বাধা নাছিল বুলি ভাগিনিয়েক অপৰাজিতা চাংকাকতিয়ে সদৰী কৰি কয়, 'তেওঁলোকৰ ডাঙৰ ল'ৰাটো ড্ৰাগছ আসক্ত। তেওঁলোকে পুত্ৰৰ অপৰাধ ঢাকিবৰ কাৰণে নিজৰ গাত পাতি লোৱা বুলি সন্দেহ হৈছে। কিয়নো আজি তিনিদিন আগতে লগৰ ল'ৰা আনিছিল, হুলস্থুল কৰি বমি কৰিছিল। মামাই এনেকৈ হুলস্থুল কৰি থাকিলে ঘৰ খালি কৰিব লাগিব বুলি কৈছিল। সেই খঙতে হয়তো এই কৰ্ম কৰিলো। ইয়াৰ উপৰি মামা-মামীয়ে পইচা য'ত-ত'ত থৈ দিয়ে। কেতিয়াবা মই আহিলেও পইচা এনেকৈ কিয় পেলাই থৈছা বুলি কওঁ। মাজে মাজে ইয়াৰ পৰা দুশ-তিনিশ টকা নাইকিয়া হয় বুলিও কয়; কিন্তু কাকো একো কোৱা নাছিল।' যদি অশ্লীল ইংগিত দিছিলেই তেওঁ নাইবা পত্নীয়ে আৰক্ষীৰ ওচৰত কিয় কাষ নাচাপিলে বুলি প্ৰশ্ন কৰি একমাত্ৰ হত্যাকাৰী পুত্ৰ বচাবলৈ এই অপৰাধ ডেকা দম্পতীয়ে মূৰ পাতি লৈছে বুলি কয়। ইফালে, আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছতে বচাবৰুৱাৰ মৃতদেহ পৰিয়ালক চমজাই দিয়া হয়। বাংগালুৰুত থকা একমাত্ৰ পুত্ৰ প্ৰশান্ত কুমাৰ বৰুৱা আজি উপস্থিত হোৱাৰ পাছতে অনেক গুণমুগ্ধৰ উপস্থিত বচাবৰুৱাৰ সৎকাৰ সম্পন্ন কৰা হয়। সমান্তৰালভাৱে ঘটনাৰ সন্দৰ্ভত পুত্ৰই দিছপুৰ আৰক্ষী থানাত লিখিত অভিযোগ দাখিল কৰি সমগ্ৰ ঘটনা উচিত তদন্ত কৰি পৰিয়ালটোক ন্যায় দিবলৈ তেওঁ আৰক্ষীক আহ্বান জনায়। লগতে পিতৃৰ বিৰুদ্ধে অভিযুক্তই উত্থাপন কৰা অভিযোগ নস্যাৎ কৰি আৰক্ষীৰ তদন্তত সকলো দিশ পোহৰলৈ আহিব বুলি কয়।

**হত্যা কৰি আত্মসমৰ্পণৰ পূৰ্বে দিছপুৰ থানাৰ কেন্টিনত ভাত খালে অভিযুক্তই**

আজি অভিযুক্ত ডেকাই কয় যে বচাবৰুৱাক হত্যা কৰি পত্নীসহ তেওঁ স্কুটিৰে গণেশগুৰিলৈ আহিছিল। উক্ত স্থানতে বৰপুত্ৰক স্কুটিখন গতাই দি তৃতীয় শ্ৰেণীত অধ্যয়নৰত ভ্ৰাতৃক লৈ ৰূপনগৰস্থিত মাহীয়েকৰ ঘৰলৈ যাবলৈ বুলি কৈছিল। হত্যাকাণ্ডত ব্যৱহাৰ কৰা 'দা'খন কাপোৰেৰে মেৰিয়াই পেণ্টৰ পাছফালে লৈ গণেশগুৰিৰ এটা এটিএমৰ পৰা দুহেজাৰ টকা উলিয়াইছিল। ইয়াৰ পাছতে এখন অট' ভাড়াত লৈ ধৃত দম্পতী দিছপুৰ থানাত উপস্থিত হৈছিল। উল্লেখ্য যে দিছপুৰ থানা চৌহদত উপস্থিত হৈয়ে ধৃত দম্পতীয়ে থানাৰ চৌহদত থকা কেন্টিনত ভাত খাই বাহিৰলৈ ওলাই আহি আইচ ক্ৰীম খাব বিচাৰিছিল। কোনোদিনে আইচক্ৰীম নোখোৱা ধৃত ডেকাই আইচক্ৰীম কিনিবলৈ লোৱা দেখি ধৃত পত্নীয়েও প্ৰশ্ন উত্থাপন কৰিছিল। তাৰ পাছতে তেওঁ কৰ্মৰত কাৰ্যালয়লৈ ফোন কৰি এজনক শেষ কৰি আহিছো আৰু থানাত আত্মসমৰ্পণ কৰিবলৈ গৈ আছো বুলি কৈ সংযোগ কাটি দিছিল। ইয়াৰ পাছতে তেওঁ থানাৰ ভিতৰত প্ৰৱেশ কৰি পেণ্টৰ পাছফালৰ পৰা কাপোৰে মেৰিয়াই থোৱা 'দা'খন টেবুলৰ ওপৰত ৰাখি এজনক মাৰি আহিছো বুলি কৈ আত্মসমৰ্পণ কৰিছিল বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২২ মে', দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# শৰীৰম্ আদ্যম্

## বানৰ সময়ত হ'ব পৰা ৰোগ

বানপনী আৰু ইয়াৰ পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ ৰোগে গা কৰি উঠে। এই ৰোগসমূহৰ মূল কাৰণ হ'ল দূষিত পানী। বানৰ সময়ত দমকলৰ পৰা আৰম্ভ কৰি কুঁৱা, টেংকি আদি পানীৰে উপচি পৰে। সকলোবোৰ একাকাৰ হৈ যায় বাবে বিভিন্ন ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। পানীৰ মাজতে যিবোৰ ৰোগ হয় তাতকৈ বেছি ৰোগে গা কৰি উঠে পানী শুকাবলৈ ধৰাৰ সময়ত। এই সময়ত সাধাৰণতে পেটৰ অসুখৰ লগতে চৰ্ম ৰোগ আদিয়েও গা কৰি উঠে। সেইবাবে এই সময়ছোৱাত সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। সাধাৰণতে এই সময়ত যিবোৰ ৰোগে গা কৰি উঠে সেইবোৰ হ'ল—

### কলেৰা

কিছু বছৰ আগলৈকে কলেৰাত আক্ৰান্ত হৈ একোটা অঞ্চল উচ্ছন্ন হৈ গৈছিল। আজিকালি ইয়াৰ প্ৰকোপ হ্ৰাস পাইছে যদিও ই একেবাৰে নোহোৱা হৈ যোৱা নাই। ৰোগবিধৰ বিষয়ে উল্লেখ কৰাৰ পূৰ্বে ইয়াৰ ইতিহাস সম্পৰ্কে ব্যাখ্যা কৰিব লাগিব। কলেৰা শব্দটো গ্ৰীক শব্দ 'ক'লে'ৰ পৰা আহিছে। গ্ৰীক ভাষাত ক'লেৰ অৰ্থ পিত্তৰ অসুখ। অৱশ্যে ১৪শ শতিকাত ফ্ৰান্সৰ এই শব্দটো বহুলভাৱে প্ৰচাৰ হয়। ফৰাচী ভাষাত ইয়াক প্ৰথমে 'ক'লেৰ' বুলি ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত ইংলণ্ডত 'ক'লেৰ' বুলি ব্যৱহাৰ হ'বলৈ ধৰে। এনেদৰে বিভিন্ন ঠাইত ৰোগবিধ সম্পৰ্কে চৰ্চা হ'বলৈ ধৰে। ১৭শ শতিকাত প্ৰথমবাৰৰ বাবে 'কলেৰা' শব্দটো ব্যৱহাৰ হ'বলৈ ধৰে। ইংলণ্ডৰ চিকিৎসা বিজ্ঞানৰ ইতিহাস মেলি চালে দেখা যায় ১৬শ শতিকাত দেশখনত কলেৰাই মহামাৰী ৰূপ ধাৰণ কৰিছিল। ১৮৫৪ত ডাঃ জন স্নো নামৰ চিকিৎসকজনে প্ৰথমবাৰৰ বাবে এই ৰোগৰ উৎস সম্পৰ্কে কিছু তথ্য লাভ কৰিবলৈ সক্ষম হয়। ১৮৫৪ত ফিলিপ' পেছিনিয়ে কলেৰা সম্পৰ্কে কিছু নতুন আভাস দিবলৈ সক্ষম হয়। অৱশ্যে ৩০ বছৰ পাছত ৰ'বাৰ্ট কখ নামৰ বিখ্যাত বিজ্ঞানীজনে ডায়েৰীয়াৰ কাৰণ সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। পৰৱৰ্তী সময়ত ৰোগবিধৰ কাৰণ নিৰ্ণয় হোৱাত চিকিৎসা সম্ভৱ হৈ পৰিল।

### এই ৰোগৰ উৎস

এই ৰোগৰ বাবে দায়ী বেক্‌টেৰিয়াবিধ হ'ল ভিব্ৰিঅ' কলেৰী। এই বেক্‌টেৰিয়াবিধে শৰীৰত প্ৰৱেশ কৰাৰ লগে লগে ৰোগৰ সৃষ্টি নহয়। যেতিয়া পানী অথবা খাদ্যৰ মাধ্যমত বেক্‌টেৰিয়াবিধে শৰীৰত প্ৰৱেশ কৰে তেতিয়া ই পেটত খোপনি পুতিবলৈ সক্ষম হয়। লাহে লাহে ইয়াৰ বাবে আৰম্ভ হয় ডায়েৰীয়া সদৃশ ৰোগ।

### ৰোগৰ লক্ষণমূহ

এই ৰোগত আক্ৰান্ত হ'লে কিছুমান বিশেষ লক্ষণ ফুটি উঠে। কেনেধৰণৰ লক্ষণ ফুটি উঠে—

- কলেৰাত আক্ৰান্ত হ'লে পনীয়া শৌচ হ'বলৈ ধৰে। চাউল ধোৱা পানীৰ দৰে শৌচ হ'বলৈ ধৰে।
- এনে ৰোগীৰ শৌচৰ সমান্তৰালভাৱে বমি হ'বলৈ ধৰে।
- আক্ৰান্ত লোকজনৰ ছালৰ স্থিতিস্থাপকতা নোহোৱা হ'বলৈ ধৰে। শুষ্কভাৱ হোৱা দেখা যায়।
- ৰক্তচাপ কম-বেছি হোৱাৰ আশংকা থাকে। অৱশ্যে এনে অৱস্থাত নিম্ন ৰক্তচাপত ভোগাৰ শংকাই অধিক।
- সঘনাই পানী পিয়াহ লগাটো এই ৰোগৰ অন্যতম কাৰণ বুলি কোৱা হয়।
- এনে ৰোগীৰ পেশী টানি ধৰিবলৈ ধৰে। অৱশ্যে আন কাৰণতো এনে সমস্যাই গা কৰি উঠিব পাৰে যদিও ডায়েৰীয়াৰ সময়ত পেশী অধিক জঁঠৰ হৈ পৰে।
- শিশুসকলৰ যেতিয়া ডায়েৰীয়া হ'লে খিংখিঙীয়া স্বভাৱৰ হ'বলৈ ধৰে।
- হৃদস্পন্দন বৃদ্ধি হোৱাটো ডায়েৰীয়াৰ আন এক উল্লেখযোগ্য লক্ষণ।

### এই ৰোগ কেনেদৰে বিয়পে

এই ৰোগৰ বীজাণু এজন লোকৰ পৰা আন এজনলৈ প্ৰত্যক্ষভাৱে নিবিয়পে। এই ৰোগত আক্ৰান্ত লোকে মুকলি ঠাইত শৌচ কৰিলে তাত থকা বীজাণু পানীত মিহলি হ'লে সেই পানী সেৱন কৰাৰ ফলতেই কলেৰা আৰম্ভ হয়। দৰাচলতে গ্ৰামাঞ্চলতে হওক বা আন কোনো পিছপৰা অঞ্চলৰ ৰাইজে একোটা উৎসৰ পৰাই খোৱা পানী ব্যৱহাৰ কৰে। সেইবাবে কোনো এটা অঞ্চলত এজন লোক ৰোগাক্ৰান্ত হ'লে অঞ্চলটোৰ আন লোকলৈ বিয়পাৰ শংকা অধিক। তদুপৰি দূষিত পানী বিশেষকৈ ভিব্ৰিঅ' ৱেক্‌টেৰিয়া নামৰ বেক্‌টেৰীয়াবিধ মিহলি হৈ থকা পানীৰে ফল-মূল বা আন কোনো খাদ্য ধুই খালেও ৰোগৰ বীজাণুৱে শৰীৰত খোপনি পুতিবলৈ সুযোগ লাভ কৰে।

### কেনেধৰণৰ সাৱধানতা অৱলম্বন কৰিব

- এই ৰোগত আক্ৰান্ত লোকসকলৰ লগতে পৰিয়ালৰ লোকেও সাৱধানতা অৱলম্বন কৰা উচিত। এনে ৰোগীৰ মলমূত্ৰ য'তে-ত'তে পেলাব নালাগে। এনে কৰাৰ পৰিৱৰ্তে ঘৰৰ পৰা কিছু আঁতৰত গাঁত খান্দি পুতি থ'ব লাগে। কিয়নো এনে কৰিলে সহজে পানীৰ দ্বাৰা বিয়পিব নোৱাৰে। সাধাৰণতে অঞ্চল বিশেষে যেতিয়া এই ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰে তাৰ ইতিহাস বিশ্লেষণ কৰিলে দেখা যায় যে ৰোগীৰ মলমূত্ৰ খোৱা পানীৰ উৎসৰ ওচৰত পেলাই দিয়াৰ বাবে এনে হয়।
- কোনো এটা অঞ্চলত এই ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিলে শীঘ্ৰে বিষয়টো চিকিৎসকক অৱগত কৰা উচিত। তদুপৰি সংশ্লিষ্ট বিভাগত এই সম্পৰ্কে অৱগত কৰিব লাগে। কাৰণ এনে ৰোগৰ উৎসৰ বিষয়ে জানিলে স্বাস্থ্যকৰ্মী আদিয়ে পানী বিশুদ্ধ কৰাৰ বিষয়ে ৰাইজক অৱগত কৰিব পাৰে।
- ৰোগীৰ কাপোৰ-কানি ব্যৱহাৰ কৰিব নালাগে। কিয়নো এনে কাপোৰ-কানি ব্যৱহাৰ কৰাৰ ফলতো ৰোগবিধ আনলৈ বিয়পাৰ শংকা থাকে।
- এনে ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিলে অঞ্চলটোৰ পুখুৰী, কুঁৱা, খাল আদিত বিভিন্ন উপায় অৱলম্বন কৰি পানী বিশুদ্ধ কৰিব লাগে।
- এনে ৰোগত আক্ৰান্ত ৰোগী প্ৰচুৰ পৰিমাণে নিমখ-চেনি মিহলি পানী খাব লাগে। কাৰণ এনে কৰিলে শৰীৰত পানীৰ ভাৰসাম্য ৰক্ষা হয়। দৰাচলতে কলেৰাৰ সময়ত পনীয়া শৌচ-বমি হোৱাৰ বাবে শৰীৰৰ পৰা প্ৰয়োজনীয় খনিজ পদাৰ্থ ওলাই যায়। এইবোৰৰ অভাৱ দূৰ কৰিবলৈ প্ৰচুৰ পৰিমাণে বিশুদ্ধ পানী নিমখ-চেনি মিহলাই খালে সুফল পোৱা যায়। অৱশ্যে যিমান মন যায় সিমান নিমখ-চেনি খালে নহ'ব। ইয়াৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাই নিৰ্দিষ্ট পৰিমাণ বান্ধি দিছে। এগিলাছ উতলাই ঠাণ্ডা কৰা পানীত সামান্য পৰিমাণে নিমখ আৰু চেনি মিহলাই ভালদৰে মিশ্ৰণ কৰিলেই প্ৰস্তুত হ'ব অ' আৰ এছ।
- য'তে-ত'তে পানী সেৱন কৰা অনুচিত। বিশেষকৈ ঘৰৰ পৰা বাহিৰলৈ ওলাই গ'লে লগত পানীৰ বটল নিব লাগে।
- কেতিয়াও ৰাস্তাই-ঘাটে মুকলিকৈ ৰখা ফল-মূল বা ফলৰ ৰস খাব নালাগে। বিভিন্ন ধৰণৰ শীতল পানীয় আদি খোৱাৰ সময়তো সতৰ্কতা অৱলম্বন কৰা উচিত।

### কেনেধৰণৰ জটিলতাৰ সৃষ্টি হ'ব পাৰে

যদিহে কলেৰীয়া আৰম্ভ হোৱাৰ লগে লগে উপযুক্ত চিকিৎসা কৰা নহয় তেতিয়াহ'লে পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে বিশেষকৈ ডিহাইড্ৰেছন হোৱাৰ পাছত যদি উপযুক্ত পৰিমাণে পানী আদি শৰীৰক যোগান ধৰা নহয় তেতিয়া হ'লে আক্ৰান্তজন অচেতন হ'ব পাৰে। আনকি মৃত্যু পৰ্যন্ত হোৱাৰ শংকাও নুই কৰিব নোৱাৰি। সাধাৰণতে ৰোগ আৰম্ভ হোৱাৰ চাৰিৰ পৰা আঠ ঘণ্টাৰ ভিতৰত যেতিয়া প্ৰথমবাৰ পনীয়া শৌচ হয় তেতিয়াই ডিহাইড্ৰেছন বা শৰীৰত পানীৰ অভাৱ হ'বলৈ আৰম্ভ কৰে। যদিহে শীঘ্ৰে চিকিৎসা কৰা নহয় তেতিয়া হ'লে ৰোগীৰ অৱস্থা জটিল হৈ পৰে। সাধাৰণতে যিবোৰ দেশত এই ৰোগত আক্ৰান্ত হোৱাৰ পাছত সাৱধানতা অৱলম্বন কৰা দেখা নাযায় সেইবোৰৰ ভিতৰত ৫০ৰ পৰা ৬০ শতাংশ মৃত্যুৰ শংকা বৃদ্ধি পায়।

### জণ্ডিচ হ'ব পাৰে

বাৰিষাকালত পানী দূষিত হোৱাৰ মাত্ৰা বৃদ্ধি হোৱাৰ মূলতে হ'ল বানপানী। চাৰিওফালে যেতিয়া পানীৰে ভৰি পৰে তেতিয়া য'তে-ত'তে পানী খোৱাৰ ফলত জণ্ডিচ হোৱাৰ আশংকা বৃদ্ধি পায়। দূষিত পানী, খাদ্য আৰু অস্বাস্থ্যকৰ পৰিৱেশত বাস কৰাৰ ফলত হেপাটাইটিছ 'এ' ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি হোৱাটো স্বাভাৱিক। সাধাৰণতে হেপাটাইটিছ 'এ' ভাইৰাছে আক্ৰমণ কৰাৰ সাতদিনমানৰ ভিতৰত জণ্ডিচৰ লক্ষণ প্ৰকাশ পায়। জিৰণি ল'লে আৰু উপযুক্ত পথ্য খালে ছয় সপ্তাহ মানৰ ভিতৰতে আৰোগ্য হয়। হেপাটাইটিছ 'ই' হোৱাৰ অন্যতম কাৰণ হ'ল দূষিত পানী। এনে ৰোগীয়ে প্ৰচুৰ পৰিমাণে বিশুদ্ধ পানী খোৱাৰ উপৰি ৰাস্তা-ঘাটে কটা ফল-মূল আদি খাব নালাগে। চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো নিতান্ত জৰুৰী বিষয়। জণ্ডিচ হ'লেই যে চকু হালধীয়া হ'ব তেনে কোনো কথা নাই। চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ ঔষধ খোৱাটো আশংকাৰ কাৰণ।

ডায়েৰীয়া হ'ব পাৰে।

### খাদ্যৰ বিষক্ৰিয়া ঘটিব পাৰে

বানপানীৰ সময়তে হওক অথবা পৰৱৰ্তী সময়তে হওক য'তে-ত'তে খাদ্যৰ বিষক্ৰিয়া হোৱা প্ৰায়ে শুনা যায়। শৰীৰত জীৱাণু প্ৰৱেশ কৰাৰ পাঁচদিনৰ ভিতৰত ইয়াৰ প্ৰতিক্ৰিয়া আৰম্ভ হয়। পানীত ডুব যোৱা শাক-পাচলিৰ লগতে ফল-মূল আদিত দূষিত পদাৰ্থ মিহলি হোৱাৰ আশংকা অধিক। শস্য আদিত ব্যৱহাৰ কৰা কীটনাশক দ্ৰব্য আদি পানীত মিহলি হ'লে তেনে পানীত খাদ্য ধুলে বা ৰান্ধিলেও বিষক্ৰিয়া হোৱাৰ আশংকা নাথাকে বুলি ক'ব নোৱাৰি। বিশেষকৈ কেঁচাই খোৱা খাদ্যত এনে হোৱাৰ পূৰামাত্ৰে আশংকা থাকে। খাদ্যত বিষক্ৰিয়া হ'লে বমি হয়, পেট বিষায়, মূৰটো আচন্দ্ৰোৱা যেন হয়। এনেধৰণৰ লক্ষণে দেখা দিলে অতিশীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

## শৰীৰত গাখীৰৰ প্ৰয়োজনীয়তা



**শিশু অৱস্থাৰ পৰাই দৈনিক নিৰ্দিষ্ট পৰিমাণে গাখীৰ খোৱাৰ ওপৰত গুৰুত্ব দিয়া উচিত। বয়স বৃদ্ধি হোৱাৰ লগে লগে হাড়ৰ শক্তি দুৰ্বল হ'বলৈ ধৰে। যদিহে প্ৰতিদিনে গাখীৰ খোৱা হয় তেতিয়াহ'লে গাখীৰত থকা কেলছিয়ামে হাড় মজবুত কৰি ৰখাত সহায় কৰে।**

গাখীৰ স্বাস্থ্যৰ পক্ষে উপকাৰী। গাখীৰ হ'ল সুষম খাদ্য। গাখীৰত উপযুক্ত পৰিমাণে প্ৰ'টিন পোৱা যায়। সৰুৰে পৰা আমি সকলোৱে গাখীৰ খাইছো। প্ৰথমে মাতৃদুগ্ধ আৰু বয়স বৃদ্ধিৰ লগে গৰু, ম'হ, ছাগলীৰ গাখীৰ খাওঁ। পাহাৰীয়া অঞ্চলসমূহত বহুতে ভেড়াৰ গাখীৰো খায়। অৱশ্যে গাখীৰ বুলি ক'লে সাধাৰণতে মাতৃদুগ্ধ আৰু গৰুৰ গাখীৰকে বুজি পাওঁ। এশ গ্ৰাম গাখীৰত বা ১০০০ মিলিলিটাৰ গাখীৰত থকা বিভিন্ন ধৰণৰ উপাদানৰ পৰিমাণ হ'ল পানী ৮৭.৫ গ্ৰাম, প্ৰ'টিন ৩.২ গ্ৰাম, চৰ্বি ৪.১ গ্ৰাম, কাৰ্ব'হাইড্ৰেট ৪.৪ গ্ৰাম, মিনাৰেল ৮.০ গ্ৰাম, এনাৰ্জী ৬৭ কেলৰি, কেলছিয়াম ১২০ মিলিগ্ৰাম, ফছফৰাছ ৯০ মিলিগ্ৰাম আৰু আইৰণ ০.২ মিলিগ্ৰাম। শৰীৰ সুস্থ ৰখাৰ বাবে প্ৰয়োজনীয় আটাইবোৰ উপাদানে পোৱা যায়। বাঢ়ি অহা শিশুটিক যিদৰে গাখীৰৰ প্ৰয়োজন, বয়স্ক লোক এজনৰো সিমানেই দৰকাৰ। মাতৃদুগ্ধত থকা বিভিন্ন পৰিমাণ হ'ল পানী ৮৮ গ্ৰাম, প্ৰ'টিন ১.১ গ্ৰাম, চৰ্বি ৩.৪ গ্ৰাম, মিনাৰেল ০.১, কেলছিয়াম ২৮ মিলিগ্ৰাম, ফছফৰাছ ১১ মিলিগ্ৰাম। অৱশ্যে মাতৃদুগ্ধত আইৰণৰ পৰিমাণ কম থাকে। আনহাতে, কাৰ্ব'হাইড্ৰেট থাকে ৭.৪ গ্ৰাম। ই গৰুৰ গাখীৰত থকা পৰিমাণৰ দুগুণ বেছি। মাকৰ গাখীৰ খাবলৈ এৰাৰ পাছৰ পৰা ল'ৰা-ছোৱালীয়ে দৈনিক ২০০ মিলিলিটাৰ গাখীৰ খোৱা উচিত। ৫০০ মিলিলিটাৰ পৰ্যন্ত খাব পাৰে, যদিহে শৰীৰে অতি সহজে গ্ৰহণ কৰিব পাৰে। কিশোৰ-কিশোৰী আৰু প্ৰাপ্তবয়স্ক লোকে নিতৌ ৫০০ মিলিলিটাৰৰ পৰা ৮০০ মিলিলিটাৰ খোৱা উচিত। আনহাতে, যিসকলে মাছ-মাংস নাখায় তেওঁলোকে দিনে ১.৫ লিটাৰ গাখীৰ খোৱা উচিত; কিন্তু কথা হ'ল বহুতে গাখীৰ খাবলৈ ইচ্ছা কৰা দেখা নাযায়। কিছুমানে খাব খুজিলেও খাব নোৱাৰে বিভিন্ন কাৰণত। বেছিভাগৰ ক্ষেত্ৰতে দেখা যায় বেছিকৈ গাখীৰ খালে পেট ফুলি উঠে। কিছুমানৰ পেটত গেছ জমা হয়। এনেবোৰ কাৰণতে বহুতে গাখীৰ খাবলৈ ইচ্ছা প্ৰকাশ নকৰে। চাহৰ



লগত গাখীৰ খোৱাটো তেনেই সাধাৰণ কথা। যিসকলে চাহৰ লগত গাখীৰ নাখায় তেওঁলোকে কৰ্ণফ্লেক্স জাতীয় খাদ্যৰ লগত গাখীৰ খোৱাটো নিতান্ত প্ৰয়োজনীয়। কিছুমান লোকৰ এনে কিছুমান ৰোগ থাকে যিবোৰৰ বাবে গাখীৰ খোৱা বন্ধ কৰিবলগীয়া হয়। গাখীৰত থাকে লেকট'জ। লেকট'জ বহুতে হজম কৰিব নোৱাৰে। দৰাচলতে লেকট'জ হজম হোৱাৰ বাবে ক্ষুদ্ৰান্ত্ৰত যি লেকট'জ উৎসেচকৰ উৎপন্ন হয় সেয়া জন্মতেই বহু পৰিমাণে কম থাকে। সেয়েহে এনে লোকে অতি সহজে গাখীৰ হজম কৰিব নোৱাৰে। অৱশ্যে আজিকালি বজাৰত লেকট'জ ফ্ৰী গাখীৰ পোৱা যায়। তদুপৰি যিসকলৰ শৰীৰত লেকট'জ এনজাইম কম থাকে তেওঁলোকক সাধাৰণতে বাহিৰৰ পৰা যোগান ধৰা হয়। যিসকল ব্যক্তিয়ে আলছাৰাইটিক কোলাইটিছত ভুগি থাকে তেওঁলোকে গাখীৰ নোখোৱাটোৱেই মংগলজনক।

**ইয়াত থকা উপাদান**

প্ৰতি ১০০ গ্ৰাম গৰুৰ গাখীৰত থাকে ৬৫ মিলিগ্ৰাম কেলৰি, ৩ ইউনিট প্ৰ'টিন, ৪ মিলিগ্ৰাম চৰ্বি, ৪ মিলিগ্ৰাম কাৰ্ব'হাইড্ৰেট, ১২০ মিলিগ্ৰাম কেলছিয়াম, ০.২ মিলিগ্ৰাম আইৰণ, ০.৫ মিলিগ্ৰাম বি ভিটামিন, ০.১ মিলিগ্ৰাম বি২ ভিটামিন, ০.১ মিলিগ্ৰাম বি৩ ভিটামিন, ২ মিলিগ্ৰাম ভিটামিন চি, ১৪০ মিলিগ্ৰাম বিটা কেৰ'টিন। আনহাতে, ম'হৰ ১০০ গ্ৰাম গাখীৰত ১২০ মিলিগ্ৰাম কেলৰি, ৪ ইউনিট প্ৰ'টিন, ৮ মিঃগ্ৰাঃ চৰ্বি, ৭ মিঃগ্ৰাঃ কাৰ্ব'হাইড্ৰেট, ২১০ মিলিগ্ৰাম কেলছিয়াম, ০.২ মিলিগ্ৰাম আইৰণ, ০.৫ মিলিগ্ৰাম বি ভিটামিন, ০.১ মিগ্ৰা বি ভিটামিন ০.১ মিঃগ্ৰাঃ বি৩ ভিটামিন, ৭০ মিলিগ্ৰাম কেলৰি, ৩ মিলিগ্ৰাম প্ৰ'টিন, ৪ মিলিগ্ৰাম চৰ্বি, ৪ মিলিগ্ৰাম কাৰ্ব'হাইড্ৰেট, ১৭০ মিলিগ্ৰাম কেলছিয়াম, ০.৩ মিলিগ্ৰাম আইৰণ, ০.০৫ মিলিগ্ৰাম বি ভিটামিন, ০.৪ মিলিগ্ৰাম বি ভিটামিন, ০.১ মিলিগ্ৰাম বি৩ ভিটামিন, ১ মিলিগ্ৰাম ভিটামিন চি, ১৮০ মিলিগ্ৰাম বিটা কেৰ'টিন।

**কিছু জানিবলগীয়া তথ্য**

কোনবোৰ ৰোগত গাখীৰ খাব নালাগে সেয়া জনাটো নিতান্ত প্ৰয়োজনীয় বিষয়—

- যদিহে এলাৰ্জিৰ সমস্যা থাকে, তেতিয়া গাখীৰ নোখোৱাটোৱেই ভাল।
- ভাইৰেল হেপাটাইটিছত কেতিয়াও গাখীৰ খাব নালাগে। অৱশ্যে ইয়াৰ মাজতে মাখন পৃথক কৰা গাখীৰ খোৱাত বাধা নাই।
- একিউট পেংক্ৰিয়েটাইটিছত গাখীৰ খাব নালাগে।
- ক্ৰ'নিক ৰেনাল ফেইলিউৰ বা ইউৰিনিয়া অৰ্থাৎ কিডনী অসুখৰ বাবে প্ৰস্ৰাৱত হোৱা কষ্ট (গুৰুতৰ অৱস্থাত) গাখীৰ খোৱাটো বিপদৰ কাৰণ।
- পেপটিক আলচাৰ হাইপাৰ এচিডিটিৰ বাবে হয়। গাখীৰ খালে এচিডিটি বৃদ্ধি পায় আৰু পেটত ঘা হোৱাৰ আংশকা থাকে। গাখীৰ খালে প্ৰথমতে বিষ নোহোৱা যেন হয় যদিও পাছত এচিডিটি বৃদ্ধিহে পায়।
- হাৰ্টৰ সমস্যা থাকিলে মাখন পৃথক নকৰা গাখীৰ খোৱাটো নিৰাপদ নহয়।

**অস্থিঅ'পৰোছিছ প্ৰতিৰোধ**

গাখীৰত থকা কেলছিয়ামে অস্থিঅ'পৰোছিছ প্ৰতিৰোধ কৰে। সেয়েহে শিশু অৱস্থাৰ পৰাই দৈনিক নিৰ্দিষ্ট পৰিমাণে গাখীৰ খোৱাৰ ওপৰত গুৰুত্ব দিয়া উচিত। বয়স বৃদ্ধি হোৱাৰ লগে লগে হাড়ৰ শক্তি দুৰ্বল হ'বলৈ ধৰে। যদিহে প্ৰতিদিনে গাখীৰ খোৱা হয় তেতিয়াহ'লে গাখীৰত থকা কেলছিয়ামে হাড় মজবুত কৰি ৰখাত সহায় কৰে।

**লেকট'জ ইনটলাৰেন্স কি**

যদিও আমি সকলোৱে গাখীৰ খাওঁ, তথাপি তাৰ মাজতে কিছুমানৰ গাখীৰ খালেই বমি হয়। সুস্থ ব্যক্তি এগৰাকীয়ে যেতিয়া গাখীৰ খাব নোৱাৰে তেতিয়া তাক চিকিৎসা বিজ্ঞানৰ পৰিভাষাত কোৱা হয় লেকট'জ ইনটলাৰেন্স। শৰীৰত অন্ত্ৰৰ পৰা লেকট'জ নামৰ এনজাইম এবিধ উৎপন্ন হয়। বেক্টেৰীয়া বা অন্য কোনো জীৱাণুৰ আক্ৰমণত এই এইবোৰ মিহলাই খালে লেকট'জৰ বাবে শৰীৰত যি অস্বস্তি হয় সেয়া হোৱাৰ সম্ভাৱনা নাথাকে। আনহাতে, শিশুৰ ক্ষেত্ৰত যদি এনে সমস্যাই দেখা দিয়ে তেন্তে লেকট'জ কিনি আনি গাখীৰৰ লগত মিহলাই খুৱাব লাগে। অৱশ্যে এই ক্ষেত্ৰত এগৰাকী চিকিৎসকৰ



লেকট'জ নিঃসৰণ যদি বন্ধ হৈ যায় তেতিয়াহ'লে সেইজন ব্যক্তিয়ে গাখীৰ খোৱাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰে। কিছুমান ব্যক্তিৰ জন্মৰ সময়তে এই ইনটলাৰেন্সৰ সমস্যাই দেখা দিয়ে। এনে ব্যক্তিয়ে কেতিয়াও গাখীৰ খাব নোৱাৰে। এনে এনজাইমৰ অভাৱত কোনো ব্যক্তিয়ে যিকোনো সময়তে পেটৰ বিষত আক্ৰান্ত হ'ব পাৰে। পেটত গেছ জমা হয়। অনবৰতে পেটটো গধুৰ হৈ থাকে। আনকি ডায়েৰীয়া আদিও হোৱাৰ আশংকা থাকে। অৱশ্যে গাখীৰ খাব নোৱাৰে বুলি যে ছানা বা পনিৰ অথবা দৈ খাব নোৱাৰে তেনে কোনো কথা নাই। এইবোৰ খাদ্য খোৱাৰ ইচ্ছা থাকে তেতিয়াহ'লে ইনটলাৰেন্সৰ সমস্যা থাকিলেও তেওঁক মাখন পৃথক কৰা গাখীৰ খাব দিব পাৰি। অৱশ্যে শুদা গাখীৰ নহয়, ইয়াৰ লগত চিৰা, মুৰি অথবা কৰ্ণফ্লেক্স আদি মিহলাইহে খাব লাগিব।

পৰামৰ্শ গ্ৰহণ কৰাটো উচিত। যিসকলৰ লেকট'জ নিঃসৰণ নহয়, তেওঁলোকে ঔষধ অথবা বেজীৰ দ্বাৰা এনে সমস্যাৰ সমাধান কৰিব নোৱাৰে।

**গাখীৰতো থাকে স্তনৰ কৰ্কট ৰোগৰ উৎস**

গৰুৰ গাখীৰত কৰ্কট ৰোগৰ উৎস থাকিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে বিজ্ঞানীসকলে। সম্প্ৰতি উৰুগুৱে আৰু পেৰাগুৱেত চলোৱা সমীক্ষাত এই বুলি উল্লেখ কৰা হৈছে যে গৰুৰ গাখীৰত থকা TGF-1 হৰমনবিধ কৰ্কট ৰোগীৰ দেহতো প্ৰত্যক্ষ কৰিছে গৱেষকসকলে। উৰুগুৱেত বিশ্বৰ তৃতীয় সৰ্বাধিক গাখীৰ উৎপন্ন হয়। আনহাতে, এইখন দেশতে বিশ্বৰ সৰ্বাধিক স্তন কৰ্কটত আক্ৰান্ত ৰোগী আছে। গাখীৰৰ আন এক উপাদান গেলেকটোৱে অ'ভেৰিয়ান কেন্সাৰ বা জৰায়ুৰ কৰ্কট ৰোগ সৃষ্টি কৰে বুলি সন্দেহ প্ৰকাশ কৰিছে।

## মেলেৰিয়া



প্লাজম'ডিয়াম ভাইভেক্স, প্লাজম'ডিয়াম ফেলছিফেৰাম, প্লাজম'ডিয়াম মেলেৰি আৰু প্লাজম'ডিয়াম অ'ভেলি নামৰ চাৰি ধৰণৰ প্ৰজাতিৰ পৰজীৱীৰ বাবে সাধাৰণতে চাৰি ধৰণৰ মেলেৰিয়া ৰোগ হয়। প্লাজম'ডিয়াম পৰজীৱীয়ে মানুহ আৰু মহৰ শৰীৰত ভিন্ন ধৰণে বিস্তাৰ লাভ কৰে। মাইকী এন'ফিলিছ মহে মানুহক কামোৰাৰ লগে লগে সেইবোৰৰ লালটিগ্ৰন্থিত জমা হৈ থকা স্প'ৰ'জাইটবোৰ তেজৰ সোঁতত মিহলি হ'বলৈ এৰি দিয়ে। এই স্প'ৰ'জাইটবোৰ যকৃতলৈ গৈ যকৃতৰ কোষত 'ছিজণ্ট'ৰ ৰূপ লয়। এই পৰিস্থিতিত অযৌন প্ৰক্ৰিয়াৰে বংশবৃদ্ধি ঘটে। একো একোটা ছিজণ্টৰ পৰা হেজাৰ হেজাৰ শিশু মেৰ'জাইটৰ সৃষ্টি হয়। সেইবাবে যকৃতৰ কোষবোৰ ফুলি উঠে আৰু এসময়ত ফাটি যায়। আনহাতে, এই অসংখ্য মেৰ'জাইট তেজৰ সোঁতত মিহলি হৈ থাকে। প্লাজম'ডিয়াম ভাইভেক্স আৰু প্লাজম'ডিয়াম অ'ভেৰিৰ ক্ষেত্ৰত যকৃতৰ কোষত থকা আটাইবোৰ স্প'ৰজাইটৰ একেলগে বিভাজন নহয়। ই বহু দিনলৈ তেনে অৱস্থাতে থাকিব পাৰে। মাহ বা বছৰ পৰ্যন্ত বিস্তৃত হোৱাৰ সম্ভাৱনীয়তা নোহোৱা নহয়। তেজৰ সোঁতত মিহলি হোৱাৰ পাছত মেৰ'জাইটবোৰ লোহিত ৰক্তকণিকাবোৰ ধ্বংস কৰিবলৈ আৰম্ভ কৰে। লোহিত ৰক্তকণিকাবোৰৰ আৱৰণত থকা কিছুমান গ্ৰাহক কণিকাই এই কাৰ্যত সহায় কৰে। কিছুমান মেৰ'জাইটৰ আকৌ পুং আৰু স্ত্ৰী জনন কোষৰ সৃষ্টি হয়। মহৰ গাত যৌন প্ৰক্ৰিয়াৰে পৰজীৱীসমূহৰ বংশ বৃদ্ধি হ'বলৈ ধৰে। মাইকী এন'ফিলিছ মহে কামোৰি তেজ শুহি লোৱাৰ সময়ত জনন কোষবোৰ সিহঁতৰ দেহত প্ৰৱেশ কৰে। মহৰ অন্ত্ৰত পুং আৰু স্ত্ৰীজনন কোষ লগ লাগি 'জাইগোট' গঠন কৰে। এই জাইগোটবোৰে পূৰ্ণতা লাভ কৰি একোটা উকাইনেটৰ সৃষ্টি কৰে। এইবোৰে আকৌ মহৰ অন্ত্ৰৰ বেৰত ফুটা কৰি তাত লুকাই উচ্ছিষ্ট গঠন কৰে। পাছত এই উচ্ছিষ্টসমূহ ফাটি স্প'ৰ'জাইটবোৰ ওলাই আহে আৰু মহৰ ৰক্তনলীকাতন্ত্ৰৰ মাজেদি আহি লালটিগ্ৰন্থিত জমা হয়। যেতিয়া এনে মহে এগৰাকী সুস্থ মানুহক কামোৰে তেতিয়া ইহঁতে পৰজীৱীবোৰ উলিয়াই দিয়ে।

**মেলিগনেণ্ট মেলেৰিয়া**

মেলিগনেণ্ট মেলেৰিয়া বুলি ক'লে সাধাৰণ লোকে বুজি পোৱাটো কঠিন। সাধাৰণতে ভয়ংকৰ সংক্ৰমণক চিকিৎসা বিজ্ঞানত মেলিগনেণ্ট মেলেৰিয়া বুলি কোৱা হয়। মেলিগনেণ্ট টিউমাৰ বা কেন্সাৰগ্ৰস্ত টিউমাৰ যিদৰে গোটেই শৰীৰটোতে বিয়পি পৰে তেনেদৰে মেলিগনেণ্ট মেলেৰিয়া হ'লেও তেজ, লিভাৰ, মগজু, কিডনীৰ লগতে অন্যান্য



অংশ লৈ দ্ৰুতগতিত বিয়পি পৰে। প্লাজম'ডিয়াম ফেলছিফেৰাম নামৰ এবিধ প্ৰজাতিৰ দ্বাৰা এই ৰোগ বিয়পায়। মেলেৰিয়াত আক্ৰান্ত কোনো ব্যক্তিৰ শৰীৰৰ পৰা তেজ শুহি লোৱাৰ লগে লগে প্লাজম'ডিয়াম ইহঁতৰ শৰীৰত প্ৰৱেশ কৰে। অৱশ্যে তেজ পৰীক্ষাত কেতিয়াবা কেতিয়াবা মেলিগনেণ্ট মেলেৰিয়া ধৰা নপৰিবও পাৰে।

**ৰোগৰ লক্ষণসমূহ**

- সাধাৰণতে মেলেৰিয়া হ'লে শৰীৰতো ঠাণ্ডা লাগে। কিছু সময় পাছত কঁপি কঁপি জ্বৰ উঠে। ঠাণ্ডা লগাৰ পাছতেই কঁপনি উঠিলে সেয়া মেলেৰিয়াৰ লক্ষণ বুলিয়ে ভাবিব লাগে।
- শিশুৰ ক্ষেত্ৰত সামান্য বেলেগ লক্ষণে দেখা দিব পাৰে। সচৰাচৰ শিশুৰ এই জ্বৰ উঠিলে জ্বৰৰ লগতে পেটৰ অসুখ আৰু শ্বাসজনিত অসুখ-বিসুখো হ'ব পাৰে।
- ফেলছিফেৰাম মেলেৰিয়া হ'লে ৰোগীয়ে প্ৰচণ্ড বিষ অনুভৱ কৰিব পাৰে।
- যদিহে ভাইভেক্স মেলেৰিয়াত আক্ৰান্ত হয় তেতিয়া হ'লে এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত কঁপনি জ্বৰ উঠে।

**চেৰিব্ৰেল মেলেৰিয়া**

প্লাজম'ডিয়াম ফেলছিফেৰামৰ বাবে হোৱা মেলেৰিয়াই জটিল সমস্যাৰ সৃষ্টি কৰে। এইবিধ পৰজীৱীৰ বাবে চেৰিব্ৰেল মেলেৰিয়াই গা কৰি উঠে। চেৰিব্ৰেল মেলেৰিয়াৰ লক্ষণসমূহ—

- এই ৰোগত আক্ৰান্ত হ'লে ৰোগীগৰাকী হঠাৎ সংজ্ঞাহীন হৈ পৰে।
- লোহিত ৰক্তকণিকা বেছি পৰিমাণে ধ্বংস হয় বাবে ৰক্তহীনতাত ভুগিবলগীয়া হয়।
- জণ্ডিছ হোৱাৰ সম্ভাৱনা অধিক।
- তেজত শৰ্কৰাৰ পৰিমাণ হ্ৰাস পায়।
- বৃক্ক নষ্ট হ'বলৈ ধৰে। অৰ্থাৎ বৃক্কই স্বাভাৱিক প্ৰক্ৰিয়াৰে কাৰ্য সাধন কৰিবলৈ অপাৰগতা প্ৰকাশ কৰে।
- দীৰ্ঘ সময় ধৰি এই ৰোগ হৈ থাকিলে মস্তিষ্কও আক্ৰান্ত হয়।

**মেলেৰিয়া হোৱা বুলি জানিব পাৰিলে**

- বেলেগ বেলেগ মেলেৰিয়াত ভিন্ন প্ৰকৃতিৰ জ্বৰ হয়। সাধাৰণতে আমাৰ দেশত ফেলছিফেৰাম আৰু ভাইভেক্স মেলেৰিয়েল পেৰাছাইট দুবিধহে দেখিবলৈ পোৱা যায়। ইয়াৰ ভিতৰত ফেলছিফেৰাম মেলেৰিয়া অতি ভয়ংকৰ। জ্বৰ উঠাৰ পাছত ৰোগীজন অজ্ঞান হৈ পৰিলে বুজিব লাগিব ই ফেলছিফেৰামৰ লক্ষণ।
- পানী খাবলৈ ৰোগীয়ে অনিচ্ছা প্ৰকাশ কৰে।
- খোৱা-লোৱাৰ প্ৰতিও অনীহা প্ৰকাশ কৰে। পেটত ভোক থাকিলেও খাবলৈ মন নাযায়।
- মেলেৰিয়াত আক্ৰান্ত ৰোগীয়ে সঘনাই বমি কৰে।
- এই ৰোগত আক্ৰান্ত ব্যক্তিয়ে খোজ কাঢ়িবলৈ শক্তি নাইকিয়া হৈ পৰে। আনকি বহি থাকিবলৈও শক্তি নাপায়। ভৰি দুখন খোজ কাঢ়িলেই অৱশ হৈ যায়।

**প্ৰতিৰোধী ঔষধ ব্যৱহাৰ**

চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে বিভিন্ন ধৰণৰ উন্নত মেলেৰিয়া প্ৰতিৰোধী ঔষধো বজাৰত ওলাইছে। যিবোৰ অঞ্চলত সঘনাই এই ৰোগে আক্ৰমণ কৰে সেইবোৰ ঠাইৰ লোকে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি মেলেৰিয়া প্ৰতিৰোধী ঔষধ ব্যৱহাৰ কৰিব পাৰে। মনত ৰখা উচিত যে মেলেৰিয়াৰ চিকিৎসাতকৈ প্ৰতিৰোধেই উত্তম ব্যৱস্থা।

**কেনে ধৰণৰ সাৱধানতা অৱলম্বন কৰা উচিত**

মেলেৰিয়াই সংহাৰী ৰূপ ধাৰণ কৰাৰ পূৰ্বে এই ৰোগ প্ৰতিৰোধ কৰিবলৈ সাৱধানতা অৱলম্বন কৰা উচিত। কিয়নো মেলেৰিয়াৰ চিকিৎসাতকৈ প্ৰতিৰোধেই হ'ল নিৰ্মূল কৰাৰ সৰ্বোত্তম উপায়। কেনে ধৰণৰ সাৱধানতা অৱলম্বন কৰিব—

- মেলেৰিয়াত আক্ৰান্ত অঞ্চলটোৰ প্ৰতিগৰাকী মানুহে তেজ পৰীক্ষা কৰিব লাগে। তেজ পৰীক্ষাৰ দ্বাৰা এই ৰোগ নিৰ্ণয় কৰাটো সম্ভৱ। আমাৰ সৰ্বসাধাৰণ মানুহৰ মনত এনে এটা ভাবে বাহ লৈ আছে যে মেলেৰিয়া হোৱাৰ পাছতহে তেজ পৰীক্ষা কৰিব লাগে। দৰাচলতে তেনে ধাৰণা ভ্ৰান্ত তথা অমূলক। তেজ পৰীক্ষাৰ বাবে বিশেষ কষ্ট কৰিব নালাগে আৰু ই ব্যয়বহুলো নহয়। মাত্ৰ এটোপাল তেজ দিলেই ওচৰৰ চিকিৎসালয়ত ৰোগ হোৱা-নোহোৱা সম্পৰ্কে নিশ্চিত হ'ব পৰা যায়।
- ঘৰৰ ওচৰতে হওক অথবা অলপ দূৰতে হওক পানী জমা হৈ থাকিব পৰা গাঁত আদিত যাতে মহে কণী পাৰিব নোৱাৰে তাৰ বাবে সেইবোৰ স্থানত পানী জমা হ'বলৈ দিব নালাগে।
- প্ৰায়ভাগ মানুহে গাড়ী-মটৰ, চাইকেল আদিৰ পুৰণা টায়াৰ, টিউব আদি ঘৰৰ চালৰ ওপৰত ৰাখে। নতুবা ঘৰৰ বেৰৰ ওচৰত পেলাই থৈ দিয়ে। ফলত এইবোৰ স্থানত বৰষুণৰ পানী আদি জমা হয় আৰু মহে কণী পাৰে। সেয়েহে যিমান সম্ভৱ সিমানে এইবোৰ নিৰ্দিষ্ট দূৰত্বত ৰাখিব লাগে অথবা দূৰৈত পুৰি পেলাব পাৰে।
- ঘৰৰ বেৰ, চাল, মজিয়া, চুক-কোণ আদিত ডি ডি টি জাতীয় কীটনাশক ছটিয়াব লাগে। আনকি ঘৰৰ ওচৰত থকা জংঘল আদিতো এনে কীটনাশক জাতীয় ঔষধ ছটিওৱা উচিত। অৱশ্যে কীটনাশক জাতীয় দ্ৰব্য ছটিয়াওতে চাব লাগে যাতে খোৱা খাদ্য বা শোৱা বিছনা আৰু পিন্ধা কাপোৰ আদিত নপৰে।
- শোৱতে সদায় আঁঠুৱা ব্যৱহাৰ কৰা উচিত। আঁঠুৱা ব্যৱহাৰ কৰিলে মহে অতি সহজে আক্ৰমণ কৰিব নোৱাৰে। যদিহে সম্ভৱ হয় ঘৰৰ দুৱাৰ-খিৰিকী আদিত নেট লগোৱাৰ ব্যৱস্থা কৰিব লাগে।
- মহ খেদিবলৈ পুৱা-গধূলি সময়ত ধোঁৱা দিয়াটো ভাল। সাধাৰণতে ধোঁৱা আদিত মহে তাৰ সহনশীলতা গুণ হেৰুৱাই পেলায়। কোনো অৰ্থৰ খৰচ নকৰাকৈ ধোঁৱা দিব পাৰি বাবে সকলোৱে তেনে কৰা উচিত।
- চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ আখৰে আখৰে পালন কৰিলেহে মেলেৰিয়াৰ পৰা অতি সোনকালে আৰোগ্য লাভ কৰিব পাৰি।
- জ্বৰ উঠিলেই তেজ পৰীক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ যিকোনো ঔষধ খোৱাটো একেবাৰে বদস্বভাৱ। বহুতে তেজ পৰীক্ষা নকৰাকৈ আন্দাজমতে ঔষধ খায়। কেতিয়াবা কেতিয়াবা বেমাৰ ভাল হোৱা দূৰৰ কথা, হিতে বিপৰীতহে হয়।
- ঘৰৰ ওচৰত থকা খাল আদিত বিশেষ ধৰণৰ মাছৰ পোনা মেলি দি মহ নিৰ্মূল কৰিব পাৰে। অৱশ্যে এনে মাছৰ পোনা মেলি দিবলৈ হ'লে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সহায় ল'ব লাগিব।
- ঘৰৰে হওক অথবা ওচৰ চুবুৰীয়াৰে হওক, মেলেৰিয়া হ'লে



নিজেই সতৰ্ক হোৱা উচিত।

- জ্বৰ উঠিলে ৰোগীয়ে যদি প্ৰলাপ বকিবলৈ ধৰে বা অজ্ঞান হৈ পৰে তেতিয়া হ'লে খন্তেক সময়ো নষ্ট নকৰি ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰাব লাগে।
- মেলেৰিয়াত আক্ৰান্ত হ'লে অতিকৈ দুৰ্বল হয়। তথাপি বহুতে খাবলৈ ইচ্ছা নকৰে। খোৱা-বোৱা বন্ধ কৰাৰ কোনো কাৰণ নাই, বৰঞ্চ শৰীৰে সহ্য কৰিব পৰাকৈ পুষ্টিকৰ আহাৰহে গ্ৰহণ কৰা উচিত।
- পৰাপক্ষত মেলেৰিয়া আক্ৰান্ত অঞ্চলত ফুৰিবলৈ যাব নালাগে। যদি অত্যন্ত জৰুৰী কামত এনে অঞ্চললৈ যাবলগীয়া হ'লে উভতি অহাৰ পাছতে তেজ পৰীক্ষা কৰিবলৈ অৱহেলা কৰিব নালাগে।
- জ্বৰ হ'লেই আতংকিত হোৱাটো অনুচিত। অৱশ্যে সতৰ্ক হ'ব লাগিব।

# মানাহৰ খহনীয়া প্ৰতিৰোধত দুৰ্নীতিৰ অভিযোগ

## ■ কলগাছিয়াৰ বৰতাৰীত মানাহ নদীৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন আমছুৰ সঁজাতী দলৰ



**কলগাছিয়া, ২১ মে' ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ এটা সঁজাতী দলে কলগাছিয়াৰ বৰতাৰীত মানাহ নদীৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। পাৰ্কুপাইনেৰে চলি থকা খহনীয়া প্ৰতিৰোধৰ কামত ব্যাপক দুৰ্নীতি হোৱাৰ অভিযোগ উত্থাপন কৰিছে আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে। উল্লেখ্য যে খহনীয়া প্ৰতিৰোধৰ বাবে এছঅ'পিডি আঁচনিৰ জৰিয়তে তিনি কোটি ৩১ লাখ ৯২ হেজাৰ টকা আবণ্টন দিয়া হৈছে। তাৰে মাত্ৰ ২৫ৰ পৰা ৩০ লাখ টকাৰ কাম কৰি সমুদায় টকা ঠিকাদাৰ অখিল ৰয়ে আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰে আমছুৰ সভাপতিজনে। এই ক্ষেত্ৰত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আৰু জনীয়াৰ বিধায়কে ঠিকাদাৰৰ দুৰ্নীতি নীৰৱে চাই থকা বুলি কটাক্ষ কৰে সভাপতিজনে। ঠিকাদাৰ ৰয়ৰ লগতে এই দুৰ্নীতিৰ লগত জড়িত আমোলা-বিষয়াৰ বিৰুদ্ধে সাংসদ আৰু বিধায়কক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি তেওঁ জেললৈ পঠোৱাৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। অন্যথা এই দুৰ্নীতিৰ স'তে বৰপেটাৰ সাংসদ আৰু জনীয়া সমষ্টিৰ বিধায়ক জড়িত থকা বুলি গণ্য কৰি দুয়োজন জনপ্ৰতিনিধিৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে আমছুৱে। উল্লেখ্য যে উক্ত ধনৰাশিৰে সঠিকভাৱে কাম নকৰিলে ৰাজ্যিক ঘাইপথ, মানাহ নদীৰ ওপৰত থকা দলং আৰু কে'বা শতাধিক পৰিয়ালৰ ঘৰ এই বাৰিষাত উছন হ'ব।

# অসম দৰ্শন আঁচনিৰ অধীনত নিৰ্মিত বৰুৱাগাঁও নামঘৰৰ তোৰণ উন্মোচন

## ■ হৰিনামৰ মংগলময় ধ্বনিৰে মুখৰিত বৰুৱাগাঁও

**খুমটাই, ২১ মে' ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বৰুৱাগাঁৱত 'অসম দৰ্শন আঁচনিৰ অধীনত নিৰ্মিত বৰুৱাগাঁও নামঘৰ তোৰণ আজি উন্মোচন কৰা হয়। হৰিনামৰ মংগলময় ধ্বনিৰ মাজেৰে শিক্ষক মৃদুল শইকীয়াই আঁত ধৰা তোৰণ উন্মোচন অনুষ্ঠানত বৰুৱাগাঁও নামঘৰ পৰিচালনা সমিতিৰ সভাপতি ধীৰেন গগৈ আৰু সম্পাদক প্ৰবীণ তামুলীয়ে বন্তি প্ৰজ্বলনৰ পাছতেই খুমটাই জিলা পৰিষদৰ সদস্য মুনিন্দ্ৰ মোহন গগৈয়ে বৰুৱাগাঁও নামঘৰৰ তোৰণ ভাগি উন্মোচন কৰে। নামঘৰ তোৰণ ভাগি সংলগ্ন কৰি স্থাপন কৰা ভকতৰ প্ৰতিমূৰ্তি খুমটাই ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তনবীৰ ইউছুফ আহমেদে উন্মোচন কৰে। ইফালে, বৰুৱাগাঁও নামঘৰ তোৰণ ভাগি অসম দৰ্শন আঁচনি আৰু বৰুৱাগাঁও ৰাইজৰ আন্তৰিক প্ৰচেষ্টাত আটকধুনীয়াকৈ নিৰ্মাণ কৰা বাবে বৰুৱাগাঁওবাসীক ধন্যবাদ জনায় চক্ৰ বিষয়া তনবীৰ ইউছুফ আহেমেদে। অনুষ্ঠানত খুমটাই ৰাজহ চক্ৰ বিষয়া তনবীৰ ইউছুফ আহমেদ, কনিষ্ঠ সহায়ক বিতুল হাজৰিকা, কাননগো সঞ্জীৱ হাজৰিকা, খুমটাই জিলা পৰিষদ সদস্য মুনিন্দ্ৰ মোহন গগৈ, কচুপথাৰ গাঁও পঞ্চায়তৰ সভাপতি পুষ্পকান্ত কুৰ্মী, অভিযন্তা কমল বুঢ়াগোহাঁই, তোৰণ নিৰ্মাতা জিতুজান গগৈ আৰু সাংবাদিক চন্দন বৰাক বিশেষভাৱে সম্বৰ্ধনা জনায় বৰুৱাগাঁও নামঘৰ পৰিচালনা সমিতিয়ে।

# শংকৰদেৱ সংঘৰ লখিমপুৰ শাখাৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি মহোৎসৱ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, লখিমপুৰ জিলা শাখাৰ মহাৰজত জয়ন্তী বৰ্ষ ২০২১-২২ত ৭৫ বছৰত পদাৰ্পণ কৰা বৰ্ষটোৰ লগত সংগতি ৰাখি লখিমপুৰ জিলা শাখাই ৰঙানৈ পাৰত, বামুণ দলনী গাঁৱত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি মহোৎসৱ অনুষ্ঠিত হৈছে। চিন্তামণি প্ৰাথমিক শাখা, বামুণ দলনী গাঁৱৰ স্থানীয় ৰাইজৰ সহযোগত আৰু দীনবন্ধু আঞ্চলিক শাখাৰ আতিথ্যত অনুষ্ঠিত মহোৎসৱৰ সামৰণি অনুষ্ঠানত মহাৰজত জয়ন্তী স্মৃতিতোৰণ উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন উপ-পদাধিকাৰ প্ৰমোদ শইকীয়াই। ধৰ্মধ্বজা উত্তোলন কৰে লখিমপুৰ জিলাৰ সভাপতি চক্ৰধৰ সোণাৱালে। পাছত ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ১৩ পৃষ্ঠাত চাওক

# নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন



অগ্ৰদূত বাৰ্তা

**টিহু, ২১ মে' ঃ** 'প্ৰাচীৰ পত্ৰিকাই সাহিত্য চৰ্চাৰ প্ৰাৰম্ভিক দিশৰ প্ৰতিফলন ঘটায়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দায়বদ্ধতা বৃদ্ধি হয়।' আজি টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছনৰ সম্পাদক কুমুদ বৰ্মনে টিহু-বৰমা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ২০৭/১ নম্বৰ নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি এইদৰে কয়। লগতে তেওঁ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰচেষ্টাত প্ৰতি বছৰে প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ মানসিকতা গঢ়ি তোলাটো শুভ লক্ষণ বুলি উল্লেখ কৰে। এই উপলক্ষে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সৰজু হালৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰধান শিক্ষক মাধৱ চন্দ্ৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰে। শৈক্ষিক সভাখনত সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী চন্দনা দাস, মঞ্জু কলিতা আৰু গুণেশ্বৰ পাঠকে আগন্তুক গুণোৎসৱৰ আৰু শৈক্ষিক দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়। সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকাৰ উপৰি কে'বাগৰাকী স্থানীয় সমাজপ্ৰাণ ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# নাজিৰা মহকুমাৰ বিষয়া-কৰ্মচাৰীৰ সন্ত্ৰাসবাদ বিৰোধী সংকল্প গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**নামতি, ২১ মে' ঃ** আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস। এই উপলক্ষে অসম চৰকাৰৰ অন্যান্য কাৰ্যালয়ৰ লগতে নাজিৰা মহকুমাতো সন্ত্ৰাসবাদ বিৰোধী শপত গ্ৰহণ কৰা হয়। অতিৰিক্ত উপায়ুক্ত তথা নাজিৰাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে নাজিৰা মহকুমাৰ বিষয়া-কৰ্মচাৰীসকলক এই শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত ভাৰতীয় পৰম্পৰা অহিংসা আৰু সহিষ্ণুতাৰ প্ৰতি অটল বিশ্বাস অক্ষুণ্ণ ৰাখি সমস্ত শক্তিৰে সকলো ধৰণৰ সন্ত্ৰাস আৰু হিংসা প্ৰতিৰোধ কৰাৰ অংগীকাৰ গ্ৰহণ কৰা হয়। তদুপৰি সকলোৰে মাজত শান্তি, সামাজিক সমন্বয় আৰু বুজাবুজি ৰক্ষা কৰি মানৱ জীৱন আৰু মানৱীয় প্ৰমূল্যৰাজিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা বিভেদকামী শক্তিসমূহৰ বিৰুদ্ধে যুঁজিবৰ বাবেও সংকল্প লোৱা হয়। উল্লেখ্য যে ১৯৯১ৰ আজিৰ দিনটোতে তামিলনাডুত সন্ত্ৰাসবাদীৰ আত্মঘাতী বোমা বিস্ফোৰণৰ ফলত ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। ইয়াৰ পাছৰ পৰাই সন্ত্ৰাসবাদৰ ভয়াৱহতা আৰু বিৰূপ প্ৰভাৱৰ প্ৰতি সকলোকে সজাগ কৰাৰ অৰ্থে প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যুৰ দিনটো সন্ত্ৰাসবাদ বিৰোধী দিৱসৰূপে সমগ্ৰ ৰাষ্ট্ৰতে পালন কৰি অহা হৈছে।

# তিনিচুকীয়া মণ্ডল ৰেল বিভাগৰ মকড্ৰিল



**ডিগবৈ, ২১ মে' ঃ** ৰাষ্ট্ৰীয় দুৰ্ঘটনা পৰিচালনা পদ্ধতিৰ লগত সংগতি ৰাখি প্ৰাকৃতিক দুৰ্যোগকে আদি কৰি আকস্মিক দুৰ্ঘটনাৰ সময়ত ৰেল যাত্ৰীৰ জীৱন ৰক্ষাৰ বাবে ততাতৈয়াকৈ ল'বলগীয়া সুৰক্ষা ব্যৱস্থা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ৰেল বিভাগ তিনিচুকীয়া মণ্ডলে টিংৰাই ৰেল ষ্টেছনত এক মকড্ৰিল অনুষ্ঠিত কৰে। ৰেল বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত কৰা মকড্ৰিলত এনডিআৰএফ, এছডিআৰএফ, অসামৰিক প্ৰতিৰক্ষা বিভাগ, ৰেল আৰক্ষী, অসম আৰক্ষী, ৰেলৱে সুৰক্ষা বিভাগ, ৰেলৱে চিকিৎসক দলে অংশগ্ৰহণ কৰি জৰুৰীকালীন সময়ত গ্ৰহণ কৰিব লগা ব্যৱস্থাসমূহ প্ৰদৰ্শন কৰে। মকড্ৰিল কাৰ্যসূচীত তিনিচুকীয়া মণ্ডলৰ এডিআৰএমকে চিংচং, ছিনিয়ৰ ডিএছঅ' সুভম কুমাৰ, এডিএছঅ' শংকৰ ৰামাচন্দ্ৰন, সুৰক্ষা পৰামৰ্শদাতা নিৰঞ্জন বৰুৱা, জয়ন্ত গোহাঁই, কে চেম্প, কে দাস, অভিজিৎ দে, প্ৰণৱ কোঁৱৰৰ লগতে ৰেলৱেৰ বিভিন্ন বিভাগৰ কৰ্মচাৰী উপস্থিত থাকে।

# চেলেংহাটত বিশ্ব চাহ দিৱস উদ্‌যাপন

## ৰাইজৰ মাজত বিনামূলীয়াকৈ গ্ৰীণ টি বিতৰণ



**চেলেংহাট, ২১ মে' ঃ** বিশ্ব চাহ দিৱস উপলক্ষে মৰিয়নিৰ চেলেংহাটস্থিত পুঞ্জয় অৰ্গেনিকৰ স্বত্বাধিকাৰী, বিশিষ্ট ক্ষুদ্ৰ চাহ খেতিয়ক আৰু ভাৰতীয় ক্ষুদ্ৰ চাহ খেতিয়ক মহাসংঘৰ সম্পাদক অচ্যুত প্ৰসাদ গগৈয়ে ব্যতিক্ৰমী ধৰণে উদ্‌যাপন কৰে। গগৈয়ে বিশ্ব চাহ দিৱস উপলক্ষে পথচাৰীৰ মাজত বিনামূলীয়াকৈ লক্ষাধিক মূল্যৰ জৈৱিক গ্ৰীণ টি বিতৰণ কৰে। উল্লেখ্য যে ক্ষুদ্ৰ চাহ খেতিয়ক গগৈয়ে নিজ গৃহত পুঞ্জয় অৰ্গেনিক নামৰ ব্ৰেণ্ডত জৈৱিক গ্ৰীণ টিৰ লগতে আন কে'বা প্ৰকাৰৰ চাহ প্ৰস্তুত কৰি ১৩ পৃষ্ঠাত চাওক

# সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ গীত উন্মোচন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২১ মে' ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰত অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি, সাহিত্য কাণ্ডাৰী, গীতিকাৰ পদ্মনাথ গোহাঞি বৰুৱাৰ দ্বাৰা ৰচিত আৰু অসমৰ সংগীতৰ ক্ষেত্ৰখনৰ পুৰোধা ব্যক্তি, সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ সুৰ দিয়া এটি গীত মুকলি কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ তথা অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° জয়ন্ত কুমাৰ বৰা আৰু অসমৰ এগৰাকী প্ৰখ্যাত শাস্ত্ৰীয় সংগীতৰ শিল্পী নন্দিতা শৰ্মাই গীতটো উন্মোচন কৰি অসমীয়া সংগীতৰ ক্ষেত্ৰখনলৈ সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাই আগবঢ়াই থৈ যোৱা বিশিষ্ট অৱদানৰ কথা উল্লেখ কৰাৰ লগতে নতুন প্ৰজন্মক এক নতুন সোৱাদ প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি ব্যক্ত কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক, শাস্ত্ৰীয় সংগীতৰ শিল্পী অৰুণ হাজৰিকাই কণ্ঠদান কৰা গীতটোৱে সংগীতপ্ৰেমী ৰাইজক বিশেষভাৱে আকৰ্ষণ কৰিব বুলি উপস্থিত সংগীতপ্ৰেমী ৰাইজে ব্যক্ত কৰাৰ লগতে ভৱিষ্যতলৈও অসমৰ স্বনামধন্য শিল্পীসকলৰ আপুৰুগীয়া গীতসমূহ উলিয়াই দিয়াৰ মানসেৰে নিজৰ কৰ্ম কৰি যাবলৈ উৎসাহ প্ৰদান কৰে।

# হাজোৰ গৰমচুঙত জৈৱ সাৰ-জৈৱ গেছ উৎপাদন প্ৰশিক্ষণ শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো/বাহাৰঘাট, ২১ মে' ঃ** কামৰূপ গ্ৰাম্যৰ গৰমচুং (ডিঙাৰা) গাঁৱৰ দুলাল নাগেশ্বৰী ভৱনত আজি কেন্দ্ৰীয় কৃষি বিজ্ঞান কেন্দ্ৰ, কামৰূপ, আৰ্কাড মেডিকেল ৰিছাৰ্চ কোৱাণ্টাম হাস্পতাল, নলবাৰীৰ পৃষ্ঠপোষকতাত আৰু ড° প্ৰভাত চন্দ্ৰ কলিতাৰ উদ্যোগত জৈৱিক সাৰ (কেঁচু সাৰ ইত্যাদি) আৰু জৈৱ গেছ/গোবৰ গেছ উৎপাদনৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। প্ৰশিক্ষণ শিবিৰত অঞ্চলটোৰ প্ৰায় ৫০ গৰাকী পুৰুষ-মহিলাই যোগদান কৰে। প্ৰশিক্ষণ শিবিৰত কেন্দ্ৰীয় কৃষি বিজ্ঞান কেন্দ্ৰৰ কেঁচুসাৰৰ বিজ্ঞানী ড° ঋতুপৰ্ণ শইকীয়া, জৈৱ গেছ-গোবৰ গেছ উৎপাদনৰ বিশেষজ্ঞ তিলক বৰুৱা, মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন সহযোগী অধ্যাপক ড° শচীন্দ্ৰ চহৰীয়া, বৰমা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক গিতেশ কলিতা, বিশিষ্ট কৃষি উদ্যোগী ড° প্ৰণৱজ্যোতি শৰ্মা আৰু ফণীধৰ শইকীয়াই অংশগ্ৰহণ কৰে। ড° প্ৰভাত চন্দ্ৰ কলিতাই প্ৰশিক্ষণ শিবিৰৰ উদ্দেশ্য ব্যাখ্যা কৰে। ১৩ পৃষ্ঠাত চাওক

# মৰিগাঁও আছুৰ অভ্যৰ্থনা সমিতিৰ অস্থায়ী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২১ মে' ঃ** মৰিগাঁৱত অহা ১৯ জুনৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস উপলক্ষে কালি জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সমীপত অভ্যৰ্থনা সমিতিৰ এক অস্থায়ী কাৰ্যালয় মুকলি কৰা হয়। পুৱা সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথে আঁত ধৰা অনুষ্ঠানত জিলাখনৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰি ধৰোতা, পুৰোধা ব্যক্তি নৰেন্দ্ৰ নাথ কেওটে অস্থায়ী কাৰ্যালয় মুকলি কৰাৰ লগতে ১৩ পৃষ্ঠাত চাওক

# লখিমপুৰ মীন মহলৰ সভাকক্ষত দৰং জিলা বিহু সুৰক্ষা সমিতিৰ প্ৰীতিসভা

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ২১ মে' ঃ** দৰং জিলা বিহু সুৰক্ষা সমিতিৰ উদ্যোগত বিহু বিচাৰক আৰু বিহু দলসমূহৰ প্ৰীতিসভা এখন লখিমপুৰ আঞ্চলিক মীন মহল সমিতিৰ সভাকক্ষত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। দৰং জিলা সুৰক্ষা সমিতিৰ সম্পাদক দিপুল ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভা সঞ্চালনা কৰে বিহু সুৰক্ষা সমিতিৰ সভাপতি হৰেন্দ্ৰ ৰাজবংশীয়ে। বিশিষ্ট পেঁপুৱা ধৈৰ্যধৰ ডেকাৰ পেঁপাবাদনেৰে আৰম্ভ হোৱা সভাত লখিমপুৰ আঞ্চলিক মীন মহল সমিতিৰ সভাপতি উপেন্দ্ৰ ডেকা, সম্পাদক দীননাথ ডেকা, বিহু সুৰক্ষা সমিতিৰ উপদেষ্টা ভাৰত নাথ, অনিল বড়া, বিহু সুৰক্ষা সমিতিৰ মুখ্য প্ৰশিক্ষক জয়ন্ত ডেকা, বিহু সুৰক্ষা সমিতিৰ উপ-সভাপতি, ইকবাল ৰচিদ হাজৰিকা, জগন্নাথ শইকীয়াৰ উপৰি সাঁচিপাত ১৩ পৃষ্ঠাত চাওক

# ঘগ্ৰাপাৰত সন্ত্ৰাসবাদ বিৰোধী দিৱসৰ শপত

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২১ মে' ঃ** নলবাৰীৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষা খণ্ডত আজি সন্ত্ৰাসবাদ বিৰোধী দিৱসৰ সংকল্প গ্ৰহণ কৰে শিক্ষা খণ্ডটোৰ বিআৰপি, বিআইএমএছচি, ইডিপি আৰু চিআৰচিচিসকলে। ভাৰত চৰকাৰৰ প্ৰক্ষেপিত সন্ত্ৰাসবাদবিৰোধী দিৱস পালনৰ অৰ্থে ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী বিদ্যালয়ত এখন সভাও অনুষ্ঠিত হয়। এই সভাতে আগন্তুক গুণোৎসৱত শিক্ষকৰ দায়িত্ব, বিদ্যালয়ৰ পুষ্টি বাগিচা, জৈৱ-বৈচিত্ৰ্যৰ পঞ্জীয়ন বহী, বানে ক্ষতিগ্ৰস্ত কৰা বিদ্যালয়ৰ শেহতীয়া অৱস্থা, যাতায়াতৰ সুচলতা আদি সন্দৰ্ভতো আলোচনা চলে। সভাত শিক্ষা খণ্ডটোৰ বিষয়া ৰাজেন্দ্ৰ কলিতাই গুণোৎসৱৰ পূৰ্বৰ উন্নত ফলাফলৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সকলো পক্ষৰ প্ৰতি আহ্বান জনায়। সভাত নৱনিযুক্ত মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকলক চিনাকি কৰাই দিয়া হয়। সমল ব্যক্তি সুভাষ বৰ্মনে আঁত ধৰা সভাত আগন্তুক গুণোৎসৱৰ পৰিচালনাৰ ক্ষেত্ৰত চিআৰচিচিসকলে গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়ায়। বিআৰপি নৱ কুমাৰ দাস, প্ৰাঞ্জল ৰাজবংশীয়ে কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰাৰ লগতে ব্লক এমআইএছচি সুশান্ত মল্ল বৰুৱাই গুণোৎসৱৰ লগত জড়িত প্ৰযুক্তিগত দিশটোও আলোকপাত কৰে।

# বৰছলাৰ বছাশিমলুত বিস্তীৰ্ণ অঞ্চল বুৰ গৈছে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীত

## ■ শ শ বিঘা বৰোধান, মাকৈ-মৰাপাটৰ খেতি পানীৰ তলত



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২১ মে' ঃ** বিগত কে'বাদিন ধৰি নেৰানেপেৰাকৈ হৈ থকা বৰষুণৰ ফলত নদ-নদীবোৰ ফেনে-ফোটোকাৰে বাঢ়ি অহাত ব্ৰহ্মপুত্ৰৰ কাষৰীয়া ঠাইসমূহ বানত প্লাবিত হৈছে। ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীত বৰছলা সমষ্টিৰ বছাশিমলু অঞ্চলত বিস্তীৰ্ণ অঞ্চল বুৰ গৈছে। ইয়াত কৃষক ৰাইজৰ শ শ বিঘা মাটিৰ বৰোধানৰ খেতি পানীত বুৰ গৈছে। বৰোধানৰ খেতিৰ লগতে মাকৈ খেতি আৰু মৰাপাটৰ খেতি পানীত বুৰ গৈছে। বৰোধানৰ খেতি চপোৱাৰ আগমুহূৰ্তত ৰাজ্যৰ প্ৰথমটো বানত কৃষকৰ খেতিপথাৰ বিনষ্ট কৰিছে। ইয়াকে লৈ কৃষক-ৰাইজ উদ্বিগ্ন হৈ পৰিছে। ঋণ-ধাৰ কৰি খেতি ১৩ পৃষ্ঠাত চাওক

# এনএছইউআইৰ উৰপুতত বিনামূলীয়া চিকিৎসা শিবিৰ



অগ্ৰদূত বাৰ্তা

**আজাৰা, ২১ মে' ঃ** প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন ৰাজীৱ গান্ধীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে পলাশবাৰী সমষ্টিৰ উৰপুত পুথিভঁৰালত অসম ৰাজ্যিক এনএছইউআইৰ উদ্যোগত আৰু মাৰোৱাৰী ১৩ পৃষ্ঠাত চাওক

# দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত পাঁচদিনীয়া বিজ্ঞান বিষয়ক কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২১ মে' ঃ** মাধ্যমিক পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান বিষয়ৰ প্ৰতি আকৰ্ষিত কৰাৰ লক্ষ্যৰে আৰু ছাত্ৰ-ছাত্ৰীক বিজ্ঞানৰ প্ৰতি অধিক আকৃষ্ট কৰিব বাবে দৰঙৰ দলগাঁৱস্থ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ উদ্যোগত, অসম বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সমৰ্থত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সহযোগত এখন পাঁচদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছে। অহা ২৩-২৭ মে'ত কলেজ প্ৰাংগণতে অনুষ্ঠিত হ'ব কৰ্মশালাখন। সমগ্ৰ অসমত উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ আশানুৰূপ নহয়। মধ্য অসমৰ দৰং জিলাত এই হাৰ অতি পুতৌজনক। বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবেই অসম চৰকাৰে ২০১৭ত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় নামেৰে দৰং জিলাৰ দলগাঁৱত এখন চৰকাৰী স্নাতক মহাবিদ্যালয় স্থাপন কৰে। মহাবিদ্যালয়খনৰ চাৰি বছৰীয়া পৰিক্ৰমাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ এতিয়াও সন্তোষজনক নহয়। সমগ্ৰ বিষয়টো অধ্যয়ন কৰি দেখা গ'ল যে মাধ্যমিক পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান বিষয়ৰ প্ৰতি আকৰ্ষিত কৰিব পৰাকৈ বিশেষ কোনো পদক্ষেপ লোৱা হোৱা নাই। সেয়ে এই কৰ্মশালাত দলগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বিদ্যালয়সমূহৰ নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিজ্ঞান শিক্ষকসকলকো সামৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই কৰ্মশালাত বিশেষকৈ ছাত্ৰ-শিক্ষকৰ মাজত বৈজ্ঞানিক ধাৰণা, বিজ্ঞান মনস্কতা আৰু বৈজ্ঞানিক সৃজনশীলতাৰ গঠন আৰু উৎকৰ্ষ সমাধানৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশত আলোচনা কৰা হ'ব। বিভিন্ন বিষয়ৰ সমল ব্যক্তিৰূপে বিশেষকৈ আই আই টি গুৱাহাটী, গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, এছটেক আৰু অন্যান্য মহাবিদ্যালয়সমূহৰ পৰা আমন্ত্ৰণ কৰা হৈছে। এতিয়ালৈকে প্ৰায় ৩৫০ জন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে অংশগ্ৰহণৰ বাবে আবেদন কৰা বুলি জনাইছে উদ্যোক্তাসকলে। মহাবিদ্যালয়ৰ তৰফৰ পৰা এই বিষয়ত সচেতন মহলৰ পৰা গঠনমূলক দিহা-পৰামৰ্শ আশা কৰিছে।

# মৰিয়নি মহাবিদ্যালয়ত স্বাস্থ্য পৰীক্ষা-ৰক্তদান শিবিৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২১ মে' ঃ** মৰিয়নি মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আৰু যোৰহাটৰ সত্যম হাস্পতাল এণ্ড ৰিচাৰ্ছ চেন্টাৰৰ সহযোগত অহা ২৩ মে'ত এদিনীয়া কাৰ্যসূচীৰে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। এই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত বিভিন্ন ৰোগত কে'বাগৰাকীও বিশেষজ্ঞ চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে সমিধান আগবঢ়াব। তাৰ উপৰি এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি ১৩ পৃষ্ঠাত চাওক

# ঢেকিয়াজুলিৰ অৰবিন্দ বিদ্যা নিকেতন উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ সংসদৰ নিৰ্বাচন

অগ্ৰদূত বাৰ্তা

**ঠেলামাৰা, ২১ মে' ঃ** আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। ছাত্ৰ-ছাত্ৰীৰ মাজত গণতান্ত্ৰিক ব্যৱস্থাক চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে এখন বিদ্যালয়ে প্ৰতি বছৰে ছাত্ৰ সংসদৰ নিৰ্বাচন অনুষ্ঠিত কৰি আহিছে। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ শিক্ষাখণ্ডৰ অন্তৰ্গত লুলুকাইস্থিত অৰবিন্দ বিদ্যা নিকেতন উচ্চ মাধ্যমিক বিদ্যালয়ত আজি ছাত্ৰ সংসদৰ নিৰ্বাচন অনুষ্ঠিত হয়। ইয়াকে লৈ বিদ্যালয়খনত পুৱাৰে পৰা এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বঙালী মাধ্যমৰ শিক্ষানুষ্ঠানখনত এই পৰিৱেশৰ মাজতে ছাত্ৰ সংসদৰ নিৰ্বাচন সম্পন্ন হয়। সাধাৰণ সম্পাদক পদত চাৰিজন ছাত্ৰ-ছাত্ৰী ক্ৰমে প্ৰভাকৰ মৈত্ৰী, গীতাঞ্জলি সৰকাৰ, পিনা ৰাণী সেন আৰু বিট্টু বিশ্বাসে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। সহকাৰী সাধাৰণ সম্পাদক পদত তিনিজন ছাত্ৰ-ছাত্ৰী ক্ৰমে অন্যান্য ৰায়, সুমন সিংহ আৰু তন্ময় বিশ্বাসে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। প্ৰধান শিক্ষক ৰাখাল চাকলাদৰে সদৰী কৰা মতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ স'তে পৰিচয় কৰোৱাই দিয়াৰ উদ্দেশ্যৰে আজিৰ নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। নিৰ্বাচনত ভোটদান কৰি অহা ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ দেখি শিক্ষক-শিক্ষয়িত্ৰীসকল আপ্লুত হৈছে। লগতে তেওঁ সদৰী কৰা মতে, ছাত্ৰ সংসদৰ নিৰ্বাচন সুচাৰু ৰূপে পৰিচালনা কৰাৰ দায়িত্ব অৰ্পণ কৰিছিল বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বিনয় কুমাৰ সৰকাৰ, শিক্ষক ধনঞ্জয় সৰকাৰ আৰু শিক্ষক ৰবীন্দ্ৰ নাথ পালক। এই সন্দৰ্ভত বিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ শিক্ষক অনন্ত বড়োয়ে কয় যে আজিৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত হয়। ইফালে, নিৰ্বাচনৰ ফলাফল অনুসৰি, সাধাৰণ সম্পাদিকা পদত নিৰ্বাচিত হয় পিনাৰাণী সেন, সহকাৰী সাধাৰণ সম্পাদকৰ পদত সুমন সিংহ। একেদৰে ছাত্ৰ সংসদৰ অন্যান্য বিষয়ববীয়াসমূহ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়।



নায়কৰূপে দুৰ্দান্ত সফলতা অৰ্জন কৰিব নোৱাৰিলেও তেওঁৰ অভিনয় প্ৰতিভাক কোনেও নুই কৰিব নোৱাৰে। কে'বাখনো সফল ছবিত তেওঁ অভিনয় কৰিছে। এইজন মাধৱনেই স্পষ্ট কৰিলে যে বলিউদখন যিমানেই গ্লেমাৰৰ চাদৰেৰে আবৰা, সিমানেই ইয়াৰ অন্তৰালত লুকাই আছে অন্ধকাৰ। খ্যাতনামা অভিনেতাকো কেতিয়াবা উপাৰ্জনৰ অনিশ্চয়তাই হেঁচা মাৰি ধৰিব পাৰে। এটা সময়ৰ ব্যস্ত অভিনেতাজনে এই বিষয়তে নিজৰ দুৰ্দশাৰ কথা স্বীকাৰ কৰিছে।

# চাৰিটা বছৰে উপাৰ্জন নাছিল মাধৱনৰ

## এটকাৰ কাৰণে হাহাকাৰ কৰিছিল দক্ষিণৰ তাৰকাই




**বলিউদত** থিতাপি লোৱা দক্ষিণৰ অভিনেতাসকলৰ ভিতৰত অন্যতম আৰ মাধৱন। নায়কৰূপে দুৰ্দান্ত সফলতা অৰ্জন কৰিব নোৱাৰিলেও তেওঁৰ অভিনয় প্ৰতিভাক কোনেও নুই কৰিব নোৱাৰে। কে'বাখনো সফল ছবিত তেওঁ অভিনয় কৰিছে। এইজন মাধৱনেই স্পষ্ট কৰিলে যে বলিউদখন যিমানেই গ্লেমাৰৰ চাদৰেৰে আবৰা, সিমানেই ইয়াৰ অন্তৰালত লুকাই আছে অন্ধকাৰ। খ্যাতনামা অভিনেতাকো কেতিয়াবা উপাৰ্জনৰ অনিশ্চয়তাই হেঁচা মাৰি ধৰিব পাৰে। এটা সময়ৰ ব্যস্ত অভিনেতাজনে এই বিষয়তে নিজৰ দুৰ্দশাৰ কথা স্বীকাৰ কৰিছে।

বিগত চাৰিটা বছৰে হেনো মাধৱনৰ কোনো উপাৰ্জন নাছিল। সম্প্ৰতি সেই কঠিন দিনবোৰৰ কথাই সদৰী কৰিছে মাধৱনে। উল্লেখ্য যে অভিনয়ৰ সমান্তৰালকৈ মাধৱনে ইতিমধ্যে পৰিচালনাতো হাত দিছে। সম্প্ৰতি তেওঁৰ পৰিচালিত 'ৰকেট্ৰি ঃ দ্য নাম্বি এফেক্ট' নামৰ ছবিখনে চলিত কাঁ চলচ্চিত্ৰ মহোৎসৱত মুক্তি পাইছে। সেই উপলক্ষেই এক সাক্ষাৎকাৰত মাধৱনে নিজৰ দুৰ্দশাৰ কথা সদৰী কৰিছে। অথচ কিয় এনে দুৰ্যোগৰ মুখত পৰিবলগীয়া হ'ল বলিউদ কঁপোৱা দক্ষিণৰ তাৰকাজনে?

মাধৱনে জনায় যে ক'ভিড অতিমাৰীৰ পূৰ্বৰ দুবছৰ তেওঁ ছবি পৰিচালনাৰ কামত সম্পূৰ্ণৰূপে ব্যস্ত আছিল। ফলত এটা টকাও তেওঁ উপাৰ্জন কৰা নাছিল। ইয়াৰ পাছতে আহিল ক'ভিড। আকৌ দুটা বছৰ অতিবাহিত হ'ল তলাবন্ধ আৰু ক'ভিড বিধি-নিষেধ আদিত। ফলত কামৰ সুযোগ পোৱা নাছিল পৰিচালক-অভিনেতাজনে। যাৰ বাবে কেতিয়াবা এটা টকাৰ বাবেও তেওঁ হাহাকাৰ কৰিবলগীয়া অৱস্থা হৈছিল। অৱশ্যে ক'ভিড পৰিস্থিতি কিছু নিয়ন্ত্ৰণলৈ অহাত পুনৰ অলপকৈ তেওঁ স্বাভাৱিক অৱস্থালৈ আহিবলৈ সক্ষম হয়। চাৰিটা বছৰৰ সেই সংগ্ৰামৰ অন্তত মাধৱনক দেখা গৈছে ৰেব ছিৰিজ 'ডি-কাপলড্'ত। সেই কথা নিজেই জনাইছে 'তনু ৱেড্‌ছ মনু' ছবিৰ নায়কে। অৱশ্যে মাধৱনে জনায় যে উপাৰ্জনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অনিশ্চয়তাৰ পৰা তেওঁ এতিয়াও সম্পূৰ্ণৰূপে মুক্ত হোৱা নাই।

চৰবৃত্তিৰ অভিযোগত কেলেংকাৰিৰ জালত আবদ্ধ হৈ পৰা ইছৰ'ৰ প্ৰাক্তন বিজ্ঞানী নাম্বি নাৰায়ণনৰ জীৱনক কেন্দ্ৰ কৰি মাধৱনে নিৰ্মাণ কৰিছে 'ৰকেট্ৰি ঃ দ্য নাম্বি এফেক্ট'। পহিলা জুলাইত ছবিখনে বহুতো চিত্ৰগৃহত হিন্দী, ইংৰাজী আৰু একাধিক দক্ষিণী ভাষাত মুক্তি পাব। মাধৱনৰ এই ছবিত অতিথি শিল্পীৰূপে অভিনয় কৰিছে শ্বাহৰুখ খানেও।

# ভয়ে ভয়ে হলিউদলৈ গৈছে আলিয়া



**এইবাৰ** হলিউদৰ ছবিত অভিনয়ৰ সুযোগ পাইছে আলিয়া ভাটে। এই ছবিত আলিয়াৰ সহশিল্পী হ'ব 'ৱণ্ডাৰ অ'মেন' খ্যাত গেল গেডট আৰু 'ফিফটি শ্বেড্‌ছ' খ্যাত জেমী ডৰনান। এই নামী দুই অভিনয় শিল্পীৰ কাষত অভিনয় কৰিব লাগিব বুলিয়েই যেন কিছু ভয় খাইছে সম্প্ৰতি বলিউদৰ অন্যতম শীৰ্ষ অভিনেত্ৰী আলিয়াই?

হলিউদত প্ৰথমবাৰলৈ কাম কৰিব আলিয়াই। নেটফ্লিক্সৰ ছবি 'হাৰ্ট অৱ ষ্টোন'ৰ চিত্ৰগ্ৰহণৰ বাবে ৰণবীৰ কাপুৰৰ নৱ পৰিণীতাই ইতিমধ্যে হলিউদলৈ ৰাওনা হৈছে। টম হাৰ্পাৰ পৰিচালিত ছবিখন হ'ব গুপ্তচৰ ঘৰাণাৰ। আলিয়াই নিজেই জনাইছে যে তেওঁ সম্প্ৰতি ভয়-চিন্তাত একাকাৰ হৈ পৰিছে। হলিউদ যাত্ৰাৰ পূৰ্বে আলিয়াই নিজৰ এখন ছবি ইনষ্টাগ্ৰামত প'ষ্ট কৰিছে। ফটোত দেখা গৈছে 'গংগুবাঈ' এখন গাড়ীত বহি আছে। খোলা চুলি, ক'লা-বগা পোছাক। উচ্ছ্বসিত অভিনেত্ৰীগৰাকীয়ে লিখিছে, 'নিজৰ প্ৰথম হলিউদ ছবিৰ চিত্ৰগ্ৰহণৰ বাবে ওলালো। মনত এনে লাগিছে যেন প্ৰথমবাৰলৈ অভিনয় কৰিবলৈ ওলাইছো। অত্যধিক 'নাৰ্ভাছ' লাগিছে। আপোনালোকৰ শুভেচ্ছা বিচাৰিছো।' অনুৰাগীৰ সমান্তৰালকৈ বলিউদৰ সতীৰ্থ সকলেও তেওঁক হতাশ কৰা নাই। সকলোৱে হিয়া উজাৰি আলিয়াক শুভেচ্ছা জনাইছে। হাঁহি হাঁহিয়েই অভিনেত্ৰীৰ উদ্দেশ্যে অৰ্জুন কাপুৰৰ মন্তব্য 'ইন্টাৰনেছনেল খিলাড়ী'। আলিয়াৰ জ্যেষ্ঠা ভগ্নী পূজা ভাটে লিখিছে, 'যি হ'বলগীয়া আছিল, সেয়াই এতিয়া তোমাৰ জীৱনৰ বাবে সম্ভৱ হৈ উঠিছে। সমগ্ৰ বিশ্বখনেই এতিয়া তোমাৰ। তুমি আৰু উজ্জ্বল হৈ উঠিবা। মই অত্যন্ত গৰ্বিত।' উল্লেখ্য যে মহেশ ভাটৰ কনিষ্ঠা কন্যা আলিয়া সম্প্ৰতি বলিউদৰ অন্যতম ব্যস্ত নায়িকা। অলপতে মুক্তি পোৱা 'গংগুবাঈ কাঠিয়াৱাড়ি'ত তেওঁৰ অভিনয়ে বিশেষ প্ৰশংসা পাইছে। দক্ষিণৰ ছুপাৰহিট ছবি 'আৰআৰআৰ'তো তেওঁ অভিনয় কৰিছে। শীঘ্ৰে মুক্তি পাবলগীয়া ছবি 'ৰকি ঔৰ ৰাণী কি প্ৰেম কাহানী' আৰু 'জি লে জৰা' ছবিতো তেওঁক দেখা যাব।



# দেউতা কিয় ঘৰতে থাকে?

## দুই পুত্ৰৰ বাবেই পুনৰ অভিনয় ববী দেউলৰ

**ছবি** জগতৰ তাৰকাসকলে সমগ্ৰ জীৱনটো নিজৰ কাম আৰু সাফল্যতে বিভোৰ হৈ থাকে। সন্তানক সংগ দিয়াৰ তেওঁলোকে সময় বেছি নাপায়। সেই বাবেই এজন ব্যতিক্ৰমী পিতৃ-হ'বলৈ বিচাৰিছিল ববী দেউলে। অথচ সন্তানৰ বাবেই ধৰ্মেন্দ্ৰৰ কনিষ্ঠ পুত্ৰৰ সেই ইচ্ছা পূৰণ নহ'ল।

১৯৯৫ত 'বৰছাত' ছবিৰ যোগেদি বলিউদত অভিষেক ঘটে ববী দেউলৰ। ইয়াৰ পাছত সৰু সৰু বিৰতিত তেওঁ কে'বাখনো ছবিত অভিনয় কৰিছিল। যদিও ২০১৮ত মুক্তিপ্ৰাপ্ত 'ৰেচৰ'ৰ পাছত ববী দীৰ্ঘদিনলৈ পৰ্দাৰ পৰা আঁতৰি আছিল। ইয়াৰ কাৰণ দৰ্শাই ববীয়ে কয় যে তেওঁ এজন সংসাৰী মানুহ। পৰিয়ালৰ স'তে সময় কটাবলৈ ভাল পায়। ইয়াৰ উপৰি সন্তানকো এটা সময়ত পিতৃ-মাতৃক কাষত প্ৰয়োজন হয়। সেয়ে কামৰ পৰা নিজকে কিছু আঁতৰাই ৰাখিছিল অভিনেতাজনে। সম্প্ৰতি এক সাক্ষাৎকাৰত জীৱনৰ উত্থান-পতন সম্পৰ্কে মুখ খুলিছে ৱেব ছিৰিজ 'আশ্ৰম'ত নায়কজনে।

ববী আৰু পত্নী তানিয়াৰ প্ৰথম পুত্ৰ আৰ্যমানৰ ২০০১ত আৰু দ্বিতীয় পুত্ৰৰ ধৰমৰ ২০০৪ত জন্ম হয়। দুই পুত্ৰ ধৰমৰ ২০০৪ত জন্ম হয়। দুই পুত্ৰৰ মৰমত আকুল ববীয়ে সিদ্ধান্ত লৈছিল যে তেওঁ সন্তানক সময় দিব। সিহঁতক ডাঙৰ কৰিবলৈ গৈ নিজেও কিছু অভিজ্ঞ হ'ব। দুই পুত্ৰৰ দৃষ্টিত শ্ৰেষ্ঠ পিতৃ হ'বলৈ বিচাৰিছিল ববীয়ে। অৱশ্যে ববীয়ে আক্ষেপ কৰি কয় যে ইয়াৰ দ্বাৰা তেওঁ নিজৰ পেছাদাৰী জীৱনটোত কিমান ক্ষতি কৰিলে সেই কথা বুজিবই পৰা নাছিল। নিজৰ দুই পুত্ৰইহে তেওঁক সেই উপলব্ধি কৰালে। অভিনেতাজনক অবাক কৰি দুই পুত্ৰই কৈছিল, 'দেউতাই কাম নকৰে নেকি? সকলো সময়তে ঘৰতে কিয় থাকে? সেই কথা শুনিয়ে ববী সতৰ্ক হয়। ববীয়ে কয় যে যিয়েই নহওক, তেওঁ আৰু সন্তানৰ দৃষ্টিত বেয়া উদাহৰণ হ'ব নুখুজিলে।

ববীয়ে জনায় যে দুই পুত্ৰ আৰ্যমান আৰু ধৰমেই তেওঁক পুনৰ জোৰ কৰিয়েই কাম কৰিবলৈ পঠাইছিল। সম্প্ৰতি তেওঁ ইখনৰ পাছত সিখন ৱেব ছিৰিজত অভিনয় কৰিছে। 'আশ্ৰম'ৰ তিনিটা শৃংখলাত ববীৰ অভিনয়ে যথেষ্ট



প্ৰশংসা পাইছে। সম্প্ৰতি তেওঁ অভিনয় কৰিছে 'এনিমেল' নামৰ এখন ছবিত। ১১ আগষ্টত মুক্তি পাবলগীয়া ছবিখনত ববীৰ উপৰি অভিনয় কৰিছে ৰণবীৰ কাপুৰ, ৰশ্মিদা মন্ধানা আৰু অনিল কাপুৰে।

# বলিউদত কংগনাৰ কাৰো বন্ধু হোৱাৰ যোগ্যতা নাই



## তাৰকা সন্তানকো তাচ্ছিল্য বিতৰ্কৰ ৰাণীৰ

**বলিউদৰ** 'কুইন' নামেৰে পৰিচিত কংগনা ৰণৌট। 'কুইন' ছবিৰ বাবে কংগনাক এই আখ্যা দিয়া হ'লেও আচলতে বহুতে তেওঁক 'বিতৰ্কণ ৰাণী' বুলিহে ক'ব খোজে। কিয়নো কংগনা আৰু বিতৰ্ক এতিয়া টকাটোৰ ইপিঠি-সিপিঠি হৈ পৰিছে। তেওঁ যেতিয়াই মুখ খোলে তেতিয়াই এক বিতৰ্কৰ সূচনা হয়। নিজৰ কামৰ সমান্তৰালকৈ মুখখনৰ বাবেও অভিনেত্ৰীগৰাকী সততে চৰ্চাত থাকে। বলিউদকো তেওঁ বিভিন্ন সময়ত নিন্দা কৰি আহিছে। অতি কম তাৰকাইহে তেওঁৰ সমালোচনাৰ পৰা ৰেহাই পাইছে। অৱশ্যে সম্প্ৰতি কংগনাই যি মন্তব্য কৰিলে, তাৰ ফলত বলিউদৰ সৰু-বৰ সকলোৱেই বিদ্ধ হোৱাটো নিশ্চিত। সম্প্ৰতি এক সাক্ষাৎকাৰত কংগনাই দাবী কৰিছে যে তেওঁৰ ঘৰৰ আতিথ্য পোৱাৰ বাবে বলিউদৰ কোনো তাৰকাৰে যোগ্যতা নাই।

সম্প্ৰতি এক ইউটিউব চেনেলত প্ৰশ্ন কৰা হৈছিল যে যদিহে কংগনাই সপ্তাহৰ ছুটীৰ দিনত নিজৰ ঘৰলৈ কাৰোবাক আমন্ত্ৰণ জনাব বিচাৰে, তেনেহ'লে বলিউদৰ কোন তিনিজন তাৰকাক আমন্ত্ৰণ জনাব? এই প্ৰশ্নৰ উত্তৰতে কংগনাই কয়, 'মই নাভাবো যে আমন্ত্ৰণ কৰিবলগীয়া বলিউদত কোনোবা আছে। ঘৰলৈতো কাকো নামাতোৱেই। বাহিৰত দেখা হ'লে বাৰু ঠিক আছে, কিন্তু ঘৰলৈ নামাতো।' বলিউদত কংগনাৰ কোনোবা বন্ধু আছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত অভিনেত্ৰীগৰাকীয়ে কয়, 'নাই নাই, একেবাৰে নাই। মোৰ বন্ধু হোৱাৰ বাবে এইসকলৰ কোনো যোগ্যতা নাই। ইয়াৰ বাবে যোগ্যতা থকা প্ৰয়োজন। উদ্যোগটোৰ কাৰোৰ মাজত সেই যোগ্যতা নাই।'

ইফালে, সম্প্ৰতি বলিউদৰ দুৰ্দশাৰ বাবে তাৰকা সন্তানসকলক দোষ দিলে কংগনাই। প্ৰায় কটাক্ষ কৰি কংগনাই কয়, 'আমাৰ ইয়াৰ তাৰকা সন্তানসকলে বিদেশলৈ গৈ পঢ়া-শুনা কৰে। ইংৰাজীত কথা কয়। কেৱল হলিউদৰ ছবি চায়। কাটা চামুচেৰে খায়। অন্যধৰণে কথা কয়। দেখিবলৈও তেওঁলোক অদ্ভুত। তেওঁলোকক দেখিলে সিদ্ধ কণী যেন লাগে। আচলতে তেওঁলোকৰ 'লুক' সলনি হৈ পৰিছে। সেয়ে দৰ্শকে কোনোপধ্যেই তেওঁলোকৰ স'তে যুক্ত হ'ব নোৱাৰে।'

# সমকামী চৰিত্ৰত মাধুৰী!

**বলিউদৰ** প্ৰথম শাৰীৰ নায়িকা। বলিউদৰ সৰ্বকালৰ অন্যতম জনপ্ৰিয় নায়িকাৰূপে তেওঁৰ নাম উচ্চাৰণ হয়। ৮০ৰ দশকৰ অন্তিম ভাগৰ পৰা নতুন শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত তেওঁ বলিউদত ৰাজত্ব কৰিছিল। সেই সময়ত অৱশ্যে নিৰ্দিষ্ট সীমাৰ পৰা ওলাই অহাটো বৰ সহজ নাছিল। যিসকলে সেই সীমা চেৰাইছিল, তেওঁলোক নিন্দিত হৈছিল। অৱশ্যে এতিয়া একবিংশ শতিকা। আগৰ তুলনাত নিৰ্দিষ্ট সীমা চেৰাই যোৱাটো সহজ। সেই বাবেই নিৰ্দিষ্ট গণ্ডিৰ পৰা বাহিৰ ওলাল মাধুৰী দীক্ষিত। পূৰ্বেও অৱশ্যে অনিল কাপুৰ, বিনোদ খান্না আদিৰ স'তে ছবিত অন্তৰংগ দৃশ্যত অভিনয় কৰিছে। যদিও সেয়া এক নিৰ্দিষ্ট গণ্ডিৰ ভিতৰতে আছিল। এইবাৰ অৱশ্যে তাৰকা অভিনেত্ৰীগৰাকীয়ে অতি সাহসী হোৱাৰ চেষ্টা কৰিছে। এক সমকামী চৰিত্ৰত অভিনয় কৰিব দৰ্শকৰ হৃদয়ৰ মণি মাধুৰীয়ে। ছবিখন হৈছে আনন্দ তিৱাৰীয়ে পৰিচালনা কৰিবলগীয়া 'মাজা মা'।

অৱশ্যে নিৰ্মাতাৰ তৰফৰ পৰা মাধুৰীৰ চৰিত্ৰটোৰ সম্পৰ্কে বিশেষ তথ্য সদৰী কৰা নাই। কেৱল ছবিখনৰ প'ষ্টাৰ শ্বেয়াৰ কৰিছে কলা-কুশলীসকলে। এমেজন প্ৰাইমত এই ছবিখনে মুক্তিলাভ কৰিব। সূত্ৰই জনোৱা মতে, পুত্ৰৰ বিয়াৰ সময়ত মাধুৰীৰ চৰিত্ৰটোৰ যৌন পৰিচয়, উন্মাদনাই কাহিনীৰ গতি সলনি কৰিব ।ইয়াত সমকামিতাক অত্যন্ত সংবেদনশীলৰূপে দেখুওৱা হৈছে। 'মাজা মা'ত মাধুৰীৰ চৰিত্ৰটোক অত্যন্ত সূক্ষ্মভাৱে লেখা হৈছে। সেই বাবেই হেনো মাধুৰীৰ দৰে এগৰাকী তাৰকাই এইদৰে নিজস্ব গণ্ডিৰ পৰা ওলাই অহা চৰিত্ৰত অভিনয় কৰিবলৈ মান্তি হৈছে। ছবিখনত মাধুৰীৰ উপৰি অভিনয় কৰিছে গজৰাজ ৰাও, ঋত্বিক ভৌমিক, বৰখা সিং, সৃষ্টি শ্ৰীবাস্তৱ, মালহৰ ঠাকুৰ, শিবা চাড্ডা আদিয়ে।



# মূকাভিনয় কৰ্মশালাৰ সফল সামৰণি



**মূকাভিনয়** বহুতেই চাই ভাল পায়। কিন্তু মূকাভিনয়ৰ বহু তাত্ত্বিক কাৰিকৰী দিশ কেৱল মূকাভিনয় প্ৰশিক্ষণৰ জৰিয়তেহে বুজি পাব পাৰি। এই কথাটোকেই পুনৰবাৰ অনুভৱ কৰা হ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এক মূকাভিনয় কৰ্মশালাৰ যোগেদি।

গুৱাহাটীৰ মাইম একাডেমী চিত্তাকৰ্ষক পৰিৱেশ্য কলা মূকাভিনয় প্ৰশিক্ষণৰ বাবে এক উল্লেখনীয় প্ৰতিষ্ঠান। বিশিষ্ট শিল্পী তথা এই মাইম একাডেমীৰ অধ্যক্ষ মইনুল হকে ইতিমধ্যে বহু শিক্ষাৰ্থীক মূকাভিনয়ৰ প্ৰশিক্ষণ প্ৰদান কৰি অহাৰ লগতে মইনুল হকে নিজেও নিৰৱছিন্নভাৱে মূকাভিনয় পৰিৱেশন কৰিও আহিছে। মাইম একাডেমীয়ে আয়োজন কৰি আহিছে 'ৰাষ্ট্ৰীয় মূকাভিনয় মহোৎসৱো' য'ত ভাৰতৰ বিভিন্ন ৰাজ্যৰ বহুকেইগৰাকী স্বনামপ্ৰসিদ্ধ মূকাভিনয় শিল্পীয়ে মূকাভিনয় পৰিৱেশন কৰে। কিছুদিনৰ পূৰ্বে মাইম একাডেমীৰ সহযোগত প্ৰথমবাৰৰ বাবে নতুন দিল্লীৰ সংগীত নাটক একাডেমীৰ পৃষ্ঠপোষকতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত ১২দিনীয়া এটি বিদ্যায়তনিক মূকাভিনয় কৰ্মশালাৰ আয়োজন কৰা হৈছিল। এই কৰ্মশালাত বিশিষ্ট মূকাভিনয় শিল্পীজনে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি মূকাভিনয়ৰ কিছু তাত্ত্বিক, কাৰিকৰী দিশৰ কথা উল্লেখ কৰি ব্যৱহাৰিক প্ৰদৰ্শন আগবঢ়ায়। এই ক্ষেত্ৰত কৰ্মশালাখনৰ সহ প্ৰশিক্ষক বিজিত কুমাৰ দাসৰ স'তে মইনুল হকে কে'বাটাও যৌথ আৰু একক মূকাভিনয়ৰ প্ৰদৰ্শন আগবঢ়াই উপস্থিত সকলোকে আপ্লুত কৰে।

শাস্ত্ৰীয় সংগীত, সত্ৰীয়া নৃত্য আৰু নাট্যকলাৰ তিনিবছৰীয়া স্নাতক আৰু ছবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সুবিধা থকা উত্তৰ-পূবৰ প্ৰথমটো উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এই কেন্দ্ৰৰ বৰ্তমানৰ অধ্যক্ষ ড° জয়ন্ত কুমাৰ বৰাৰ তত্বাৱধানত আয়োজিত এই মূকাভিনয় কৰ্মশালাত মুখ্য সমল ব্যক্তিৰূপে উপস্থিত থাকি সংগীত নাটক একাডেমী, মূকাভিনয় সম্ৰাট, ভৰতমুনি সন্মান আদি বিভিন্ন বঁটা আৰু সন্মানৰে বিভূষিত মূকাভিনয় কলাৰ অক্লান্ত সাধক মইনুল হকে যি প্ৰশিক্ষণ আগবঢ়ালে সেয়া মূকাভিনয়ৰ প্ৰতি আগ্ৰহী সকলোৱেই আদৰি ল'লে।

উল্লেখ্য যে মইনুল হকৰ তত্বাৱধানত স্নাতকোত্তৰ নাট্যকলা বিভাগৰ মুঠ ৩০ গৰাকী শিক্ষাৰ্থীক উক্ত মূকাভিনয় কৰ্মশালাৰ বাবে বিশেষভাৱে নিৰ্বাচিত কৰা হৈছিল।

নাট্যকলা বিভাগৰ সহকাৰী অধ্যাপক তথা মূকাভিনয় কৰ্মশালাৰ সমন্বয়ক গৌতম শৰ্মাই জনোৱা মতে, কৰ্মশালাৰ সফল সমাপ্তিত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা মূকাভিনয় অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। এই বিশেষ বিদ্যায়তনিক মূকাভিনয় কৰ্মশালা তথা বিশিষ্ট মূকাভিনয় শিল্পী মইনুল হকৰ অংশগ্ৰহণে নাট্যকলা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰিলে।

# বৃদ্ধাশ্ৰমক লৈ গীত উন্মোচন



শাৰীৰিকভাৱে অসুস্থ হৈও কেৱল আনৰ কাৰণে কাম কৰি গৈ থকা শিল্পী গিৰিমল্লিকাই এইবাৰ সৃষ্টি কৰিলে বৃদ্ধাশ্ৰমৰ গান । বিভিন্ন ঠাইৰ পৰা আহি দুখেৰে জৰ্জৰিত হৈ পৰা ককা-আইতাসকলক মনত অকণমান আনন্দ যোগাবৰ বাবে গিৰিমল্লিকাই বৃদ্ধাশ্ৰমত থকা ককা-আইতাসকলক লৈ গীত ৰচনা আৰু সুৰ কৰি তাক বাণীবদ্ধ আৰু চিত্ৰৰূপ দিলে ।আইতা আইতা-ককা ককা-- বৃদ্ধাশ্ৰমক লৈ বনোৱা এটা সুন্দৰ গান । বৰ্তমান টি ভি চেনেল আৰু ছ'চিয়েল মিডিয়াত সম্প্ৰচাৰ হৈ থকা বৃদ্ধাশ্ৰমৰ ককা- আইতাসকলক লৈ বনোৱা এই গানটোৰ কথা, সুৰ আৰু পৰিচালনা গিৰিমল্লিকা দাসৰ । কণ্ঠ দেৱাংগী দাস। গীতটোত অভিনয় কৰিছে দেৱাংগী, তন্ময়, ৰাজ, কৌস্তভৰ লগতে প্ৰমোদ তালুকদাৰ সোঁৱৰণী বৃদ্ধা আৱাসৰ ককা-আইতাসকল। যোৱা আঠ মে'ত মাতৃদিৱসত উক্ত গানটো শুভ উন্মোচন কৰে বিশিষ্ট সংগীত শিল্পী মনীষা হাজৰিকা, তপন কুমাৰ লহকৰ লগতে বহুত স্বনামধন্য শিল্পীয়ে ।

# ফৰকাটিঙত পদ্মনাভ শিল্পী সমাজৰ ভাওনা প্ৰদৰ্শন



**মহাপুৰুষ** শ্ৰীশ্ৰীশংকৰদেৱ গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা ।এই ভাওনাৰ জৰিয়তে গুৰুজনাই সমাজ সংস্কাৰ কৰি জনমানসত ভক্তি ভাৱৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। এনে মহান আদৰ্শৰে ফৰকাটিং ৰূপকলীয়াৰ উলুতলি গাঁৱৰ সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ পুৰস্কাৰপ্ৰাপ্ত শিল্পী সমাজ পদ্মনাভ শিল্পী সমাজৰ দ্বাৰা যোৱা ১৬ মে'ত স্থানীয় শ্ৰীশ্ৰীমাধৱদেৱ নামঘৰত সাবিত্ৰী সত্যৱান ভাওনা প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে ভাওনাৰ পূৰ্বে পুৱা বন্তি প্ৰজ্বলন, ভাগৱত পাঠৰ পাছত পালনাম কাৰ্যসূচী ৰূপায়িত কৰা হয়। ভাওনা ভাগ শুভ উদ্বোধন আৰু পৰিচালনা কৰে বলিষ্ঠ অভিনেতা বিদ্যুৎ মহন্তই।

# 'এক্‌টিং পাঠশালা'ৰ বৰ্ষপূৰ্তিত মঞ্জু বৰা

## অভিনয় জানিবলৈ ব্যাকৰণৰো প্ৰয়োজন আছে

'অভিনয় এনে এক কলা, ই মানুহৰ জন্মগত প্ৰতিভা বুলি কোৱা হয়। কিন্তু ইয়াৰো কিছু ব্যাকৰণ থাকে। প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে জন্মগত প্ৰতিভা হ'লেও বিজ্ঞানসন্মত অধ্যয়নৰ জৰিয়তে অভিনয়ক বিশেষ মাত্ৰা প্ৰদান কৰিব পাৰি।' ১৬ মে'ত গুৱাহাটীৰ 'এক্‌টিং পাঠশালা'ৰ বৰ্ষপূৰ্তি আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণপত্ৰ প্ৰদানৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি যশস্বী চলচ্চিত্ৰ পৰিচালক মঞ্জু বৰাই এনেদৰে মন্তব্য কৰে। গুৱাহাটীৰ টাউন ক্লাবত অনুষ্ঠিত হোৱা এক বৰ্ণাঢ্য অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লয় মঞ্জু বৰাই। এই অনুষ্ঠানতে মঞ্জু বৰাক 'এক্‌টিং পাঠশালা'ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলক চলচ্চিত্ৰৰ মাধ্যমেৰে পৃথিৱীবাসীক পৰিচয় কৰি দিয়া তথা ন টাকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰে সন্মানিত চলচ্চিত্ৰ পৰিচালকগৰাকীয়ে কয় যে 'এক্‌টিং পাঠশালা' অসমৰ নতুন প্ৰজন্মৰ বাবে অভিনয় আৰু নৃত্য শিক্ষা গ্ৰহণৰ এক গুণগত মানৰ প্ৰতিষ্ঠানৰূপে গঢ় লৈ উঠিছে। ইয়াৰ স'তে জড়িত ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতৰ দিনবোৰত চলচ্চিত্ৰ আৰু অভিনয়ক এক সাধনা আৰু তপস্যা হিচাপে গ্ৰহণ কৰি আগবাঢ়ি যাওক। পৰিচালক বৰাই লগতে কয় যে সিদ্ধি লাভ কৰিবলৈ হ'লে সাধনাৰ প্ৰয়োজন।

এই অনুষ্ঠানত প্ৰবীণ অভিনেতা সাধন হাজৰিকা, বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী ৰঞ্জুমণি শইকীয়া, জনপ্ৰিয় অভিনেতা কমল লোচন দাস, জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়ংকা বৰাকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত দুগৰাকী বিশিষ্ট পৰিচালক নাৰায়ণ শীল আৰু প্ৰদ্যুৎ কুমাৰ ডেকাও সম্বৰ্ধিত হয়। এই অনুষ্ঠানত অসমৰ সংবাদ আৰু সাংস্কৃতিক জগতৰ কে'বাগৰাকী ব্যক্তি উপস্থিত থাকে। 'এক্‌টিং পাঠশাল'ৰ গুৰি ধৰোঁতা তথা চলচ্চিত্ৰ প্ৰযোজক-পৰিচালক ৰ'জি বৰাই বিশিষ্ট লোকসকলক গামোচা, ফুলৰ তোৰাৰে আদৰণি জনোৱাৰ লগতে 'এক্‌টিং পাঠশালা'ৰ ছাত্ৰ-ছাত্ৰীসকলে অভিনয় কৰা আৰু ৰ'জি বৰাই পৰিচালনা কৰা চুটি ছবি 'এনাজৰী' অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত উৎপল দত্ত, নম্ৰতা দত্ত, প্ৰাগ ডিজিটেলৰ সম্পাদক জিতুমণি বৰা, অভিনেতা তথা পৰিচালক হিমাংশু প্ৰসাদ দাস আদিয়েও অংশগ্ৰহণ কৰে।



# আই পি এলত জাডেজা-ৰোহিতৰ অভিলেখ ভংগ কৰিলে ৰিয়ানে



**মুম্বাই,২১ মে' ঃ** বেটিং অথবা বলিঙেৰে নহয়, ফিল্ডিঙৰে আই পি এলত অভিলেখ গঢ়িছে ৰাজস্থান ৰয়েলছৰ হৈ খেলা অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগে। উল্লেখ্য যে ৰবীন্দ্ৰ জাডেজা, ৰোহিত শৰ্মাৰ দৰে ভাৰতীয় তাৰকা খেলুৱৈক অতিক্ৰম কৰি ৰিয়ান গঢ়িছে এই অনন্য অভিলেখ। কেতিয়াবা খেল পথাৰত বিহু নৃত্য কৰি, কেতিয়াবা আকৌ ছেলফি উঠাৰ ভংগীৰে বিজয় উদযাপন কৰি চৰ্চাৰ শীৰ্ষত থকা ৰিয়ানে মাটিত বল লগাৰ পিছতো আউট হোৱাৰ আপীল কৰিও শেহতীয়াকৈ বিতৰ্কৰ মাজলৈ আহিছে। বহুতেই এইবোৰ কাৰণতে ৰিয়ানক চোকা সমালোচনাও কৰিছে। কিন্তু বিতৰ্কৰ মাজতেই ৰিয়ানে নিজস্ব অৱদানেৰে ৰাজস্থান ৰয়েলছৰ প্ৰতিখন মেচতেই চৰ্চিত হৈ আহিছে। বেটিং অথবা বলিঙত ব্যৰ্থ হলেও ৰিয়ান খেল পথাৰত সদায়েই সপ্ৰতিভ। ফিল্ডিঙত সুদক্ষ ৰিয়ান। আনে এই কথা স্বীকাৰ নকিৰিলেও পৰিসংখ্যাই সেই কথাকে প্ৰমাণ কৰিলে। বিশ্ব ক্ৰিকেটতে এগৰাকী সুদক্ষ ফিল্ডাৰ হিচাপে পৰিচিতি লাভ কৰা ভাৰতীয় অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাকো অতিক্ৰম কৰিলে ৰিয়ানে। যোৱানিশা চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে ছিজনৰ ৬৮ সংখ্যক মেচত ৰাজস্থান ৰয়েলছ পাঁচ উইকেটত বিজয়ী হয়। ইয়াৰ লগে লগে ৰাজস্থানে পইণ্ট তালিকাৰ দ্বিতীয় স্থান সুৰক্ষিত কৰিছে। আনহাতে ৰাজস্থান প্লে' অফৰ টিকট লাভ কৰা তৃতীয় দল হৈ পৰিছে। ৰিয়ান পৰাগে এই মেচখনত মইন আলী আৰু এন জগদীচানৰ দুটাকৈ কেচ ধৰিবলৈ সক্ষম হয়। ইয়াৰ লগে লগেই সৃষ্টি হৈছে এক নতুন ৰেকৰ্ড। ৰিয়ান পৰাগ হৈ পৰিল এটা ছিজনত সৰ্বাধিক কেচ সংগ্ৰহকাৰী ভাৰতীয় খেলুৱৈ। ৰিয়ানে এই ক্ষেত্ৰত ৰবীন্দ্ৰ জাদেজা আৰু ৰোহিত শৰ্মাক অতিক্ৰম কৰিছে। উল্লেখ্য যে ৰবীন্দ্ৰ জাদেজাই ২০১৫ আৰু ২০২১ ত চেন্নাইৰ হৈ খেলি দুয়োটা ছিজনতে ১৩ টাকৈ কেচ সংগ্ৰহ কৰিছিল। আনহাতে, ৰোহিত শৰ্মাই ২০১২ ত মুম্বাই ইণ্ডিয়ানছৰ হৈ ১৩ টা কেচ সংগ্ৰহ কৰিছিল। ৰিয়ান পৰাগে দুয়োজনকে অতিক্ৰম কৰি চলিত ছিজনত মুঠ ১৫ টা কেচ সংগ্ৰহ কৰিছে। এগৰাকী সুদক্ষ ফিল্ডাৰ হিচাপে ৰিয়ানে নিজকে ইতিমধ্যে প্ৰমাণ কৰিছে। বহুকেইগৰাকী মহান ক্ৰিকেটাৰে ৰিয়ানৰ সক্ষমতা সম্পৰ্কে ইতিমধ্যে মন্তব্য কৰিছে।



ব্ৰাজিলত অনুষ্ঠিত হোৱা বধিৰ অলিম্পিকত অংশ লৈ দেশত উপস্থিত হোৱা ভাৰতীয় দলক সাক্ষাৎ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ।




### কম্পাউণ্ড শাখাত ফ্ৰান্সক পৰাস্ত কৰি দেশক পুনৰ গৌৰৱ দিলে অমন, অভিষেক, ৰজতে

# বিশ্ব আৰ্চাৰীত ভাৰতৰ সোণ

**নতুন দিল্লী, ২১ মে' ঃ** বিশ্ব আৰ্চাৰী চেম্পিয়নশ্বিপত স্বৰ্ণ পদক অৰ্জন কৰিছে ভাৰতীয় কম্পাউণ্ড দলটোৱে। উল্লেখ্য যে ফ্ৰান্সৰ বিৰুদ্ধে খেলা ফাইনেলত ভাৰতীয় দলে ২৩২-২৩০ ব্যৱধানত জয়লাভ কৰি বিশ্বজয়ৰ সফলতা অৰ্জন কৰে । স্বৰ্ণ পদক লাভ কৰা ভাৰতীয় কম্পাউণ্ড দলটোৰ সদস্যসকল হ'ল- অমন চৌনী, অভিষেক বাৰ্মা আৰু ৰজত চৌহান। উল্লেখ্য যে এই তিনিওজন আৰ্চাৰে এইবাৰ দ্বিতীয়বাৰলৈ স্বৰ্ণ পদক লাভ কৰিলে। ইয়াৰপূৰ্বে এই দলটোৱে প্ৰথম ষ্টেজতো স্বৰ্ণ পদক জয় কৰিছিল । একেৰাহে এইদৰে স্বৰ্ণ পদক আহৰণ কৰি ভাৰতীয় দলটোৱে বিশ্ব আৰ্চাৰীলৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বিশ্ব ৰেংকিঙৰ চতুৰ্থ বাচনিৰ ভাৰতীয় দলটোৱে ষষ্ঠ বাচনিৰ ফ্ৰান্সৰ বিৰুদ্ধে চূড়ান্ত খেলখনত প্ৰথমে পিছপৰি আছিল । প্ৰথম দুটা ৰাউণ্ড ভাৰতীয় দল পিছপৰি আছিল ।ইয়াৰ পিছত পৰৱৰ্তী তৃতীয় ৰাউণ্ডত ভাৰতীয় আৰ্চাৰৰ নিৰ্ভুল নিক্ষেপৰ সন্মুখত হাৰ মানিবলৈ বাধ্য হ'ল ফ্ৰান্স বাহিনী। উল্লেখ্য যে চলিত বিশ্বকাপ আৰ্চাৰীৰ দ্বিতীয় পৰ্যায়ত ভাৰতীয় মহিলা দলে ইয়াৰপূৰ্বে ৰিকাৰ্ভ শাখাত দলীয় ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় পুৰুষ দলে ৰিকাৰ্ভ শাখাত নিম্ন ৰেংকিঙৰ দল ফ্ৰান্সৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ অভিযান সামৰে যদিও দেশৰ পদকৰ সংখ্যা তিনিটালৈ বৃদ্ধি কৰে ভাৰতীয় মহিলা দলে। ভাৰতীয় মহিলা দলৰ সদস্যা ৰিধি ফ'ৰ, কোমালিকা বাৰী আৰু অংকিতা ভকতে ব্ৰঞ্জৰ পদকৰ প্লে অফৰ মেচত চীনা টাইপেইক ৬-২ ৰ পৰাস্ত কৰি খিতাপ দখল কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতীয় মহিলা দলে ছেমিফাইনেলত ঘৰুৱা ফেভাৰিট কোৰিয়াৰ হাতত ৫৩-৫৫, ৫৭-৫৫, ৫১-৫৩, ৪৩-৫৩প্ন পইণ্টৰ ব্যৱধানত পৰাস্ত হৈছিল। ফলত ভাৰতীয় মহিলা দলটোৱে ব্ৰঞ্জৰ বাবে যুঁজিবলগীয়া হয় আৰু পদক লাভ কৰাত এইবাৰ সফলতা অৰ্জন কৰে। কিন্তু অভিজ্ঞ তৰুণীপ ৰায় আৰু জয়ন্ত তালুকদাৰৰ লগতে নৱাগত নীৰজ চৌহানৰ দ্বাৰা গঠিত ভাৰতৰ পুৰুষ দলে ৰিকাৰ্ভ শাখাত নিম্ন ৰেংকিঙৰ দল ফ্ৰান্সৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ অভিযান সামৰিছিল। ফ্ৰান্সৰ হাতত ৬-২ ব্যৱধানত পৰাস্ত হয় তৰুণীপ ৰায়, জয়ন্ত তালুকদাৰ, নীৰজ চৌহান দ্বাৰা গঠিত ভাৰতীয় দল। কিন্তু ভাৰতৰ কম্পাউণ্ড পুৰুষ দলে ফাইনেলত প্ৰৱেশ কৰি দেশবাসীৰ আশা সজীৱ ৰাখিছিল আৰু আজি সোণ নিশ্চিত কৰে। উল্লেখ্য যে ভাৰতৰ কম্পাউণ্ড মহিলা দলেও ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়।



# এভাৰেষ্ট জয়ী হেদায়েতক সম্বৰ্ধনা

**গুৱাহাটী, ২১ মে' ঃ** অসম জননীৰ অষ্টমজন সন্তানৰূপে যোৱা ১২ মে'ত পৃথিৱীৰ উচ্চতম শিখৰ মাউন্ট এভাৰেষ্ট আৰোহন কৰা হেদায়েৎ আলীক দু:সাহসিক সংগঠন এক্সপ্ল'ৰাৰে আয়োজন কৰা এক সম্বৰ্ধনা অনুষ্ঠানত বিভিন্ন জনে সম্ভাষণ জনায়। উল্লেখ্য যে এভাৰেষ্টৰ পৰা আহি পোনে পোনে গুৱাহাটীত উপস্থিত হয় হেদায়েৎ আলী । হাজোৰ পৰা গৈ বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ বাসিন্দা হোৱা হেদায়েৎ আলীয়ে এভাৰেষ্ট আৰোহণৰ বাবে প্ৰায় আঠ বছৰ অনুশীলন কৰিছিল বুলি ব্যক্ত কৰে। এই অভিযান সম্পূৰ্ণ কৰি তুলিবৰ বাবে কেইবাবছৰ জুৰি শাৰীৰিক আৰু মানসিক ভাৱে প্ৰস্তুতি অব্যাহত ৰাখিছিল তেওঁ। লগতে অধ্যয়ন কৰিছিল গ্ৰন্থও। গ্ৰন্থৰ মাজত বিচাৰি ফুৰিছিল জীৱনৰ প্ৰকৃত ৰহস্য। মনৰ পৰা আঁতৰাই পেলাইছিল ভয় বা সংশয়। উল্লেখ্য যে এভাৰেষ্ট আৰোহণ অতিকৈ ভয়ানক । সাধাৰণতে এপ্ৰিল-মে'ত এভাৰেষ্ট শৃংগ আৰোহণ কৰিবলৈ অনুমতি প্ৰদান কৰা হয় । এই বৰ্ষত প্ৰায় ৮০ খন দেশৰ পৰ্বতাৰোহীয়ে এই অভিযান চলাইছে । হেদায়েতে কোৱা অনুসৰি এভাৰেষ্টত এতিয়া পৰ্বতাৰোহী সংখা অসংখ্য। যাৰবাবে ঘটিছে অঘটন। ২০১৯ বৰ্ষত সাত জন লোকৰ মৃত্যু হৈছিল । তেওঁৰ এগৰাকী বন্ধুও এই ঘটনাতে মৃত্যু হৈছিল। এভাৰেষ্ট আৰোহণত মৃত্যু হোৱা বন্ধু জনৰ মৃতদেহ আজিও পৰি আছে সেই শিখৰত। এনে এক মৃতদেহৰ দমৰ মাজেদি এইগৰাকী অসম সন্তানে আৰোহণ কৰিলে এভাৰেষ্ট। উল্লেখ্য যে, হেদায়েৎ আলীৰ দলটো আছিল মাউন্ট এভাৰেষ্টলৈ যোৱা এই ছিজনৰ প্ৰথমটো অভিযাত্ৰীৰ দল । মাউন্ট এভাৰেষ্টৰ এই যাত্ৰাত আছিল ১১ জনীয়া এটি আন্তঃৰাষ্ট্ৰীয় দল। হেদায়েৎ হৈছে মাউন্ট এভাৰেষ্টৰ বুকুত খোজ থোৱা অসমৰ অষ্টম গৰাকী পৰ্বতাৰোহী।



এভাৰেষ্টৰ সৰ্বোচ্চ শিখৰত যেতিয়া হেদায়েৎ উপনীত হৈছিল, তেতিয়া তেওঁ নিজকে বিশ্বাস কৰিব পৰা নাছিল । ১০ -১৫ মিনিট থকাৰ পাছত আকৌ উভতনি যাত্ৰাৰ চিন্তা কৰিছিল । বেছ কেম্প পোৱাৰ পাছতহে তেওঁৰ উপলব্ধি হৈছিল এভাৰেষ্ট অভিযান সফল হোৱাৰ। উল্লেখ্য যে অসমীয়াৰ স্বাভিমান গামোচাৰ চিহ্ন তেওঁৰ পৰ্বতাৰোহণৰ পোচাকত বিদ্যমান । ধৰ্মপত্নীয়ে মৰমেৰে পোচাকত সংযোজন কৰিছে গামোচা । সেই গামোচা সংযুক্ত পোচাকেৰেই বিশ্বৰ সৰ্বোচ্চ শিখৰত ভৰি দিলে অসম সন্তানে।

# ছেমিফাইনেলত পৰাস্ত হৈ অভিযান সামৰিলে সিন্ধুৱে

**বেংকক,২১ মে' ঃ** ভাৰতৰ পি ভি সিন্ধু চলিত থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ অভিযান সামৰিছে। আজি ছেমিফাইনেলত সিন্ধু চীনৰ অলিম্পিক চেম্পিয়ন চেন ইউ ফেইৰ বিৰুদ্ধে খেলে আৰু ২১-১৭, ২১-১৬ ৰ পোনপটীয়া ব্যৱধানত পৰাজয়বৰণ কৰে। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক পদক বিজয়ী সিন্ধুৱে প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত জাপানৰ বিশ্বৰ এক নম্বৰ খেলুৱৈ আকানে ইয়ামাগুচিৰ বিৰুদ্ধে তিনিখন খেলৰ অন্তত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ষষ্ঠ বাচনিৰ ভাৰতীয় খেলুৱৈগৰাকীয়ে ৫১ মিনিটত প্ৰতিযোগিতাৰ দ্বিতীয় বাছনিৰ জাপানীজ শ্বাটলাৰগৰাকীক ২১-১৫, ২০-২২, ২১-১৩ ত পৰাস্ত কৰিছিল। উল্লেখ্য যে ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদক বিজয়ী সিন্ধুৰ এই সফলতাৰ ফলতেই প্ৰতিযোগিতাখনত একমাত্ৰ ভাৰতীয় শ্বাটলাৰ হিচাপে পদকৰ আশা সজীৱ হৈ আছিল যি আজি সমাপ্ত হয়। প্ৰতিযোগিতাখনত ষষ্ঠ স্থানৰ বাছনি লাভ কৰা তথা বিশ্বৰ সাত নং স্থানত থকা সিন্ধুৱে ইয়াৰপূৰ্বে দ্বিতীয় ৰাউণ্ডৰ এখন মেচত কোৰিয়াৰ উবেৰ কাপ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ছিম ইউ জিনক ২১-১৬ ২১-১৩ ত পৰাস্ত কৰিবলৈ সক্ষম হয়। মেচ জয়ৰ বাবে মাত্ৰ ৩৭ মিনিট সময় লৈছিল সিন্ধুৱে। আনহাতে, প্ৰথম ৰাউণ্ডত আমেৰিকাৰ লৰেন লামক পৰাস্ত কৰা সিন্ধুৱে আজি ক'ৰ্টত আত্মসমৰ্পন কৰে।



### আইটা চেম্পিয়নশ্বিপ টেনিছ

# অসমৰ অভিনাংশু বৰঠাকুৰৰ দ্বিতীয়টো খিতাপ



**গুৱাহাটী, ২১ মে' ঃ** অসমৰ অভিনাংশু বৰঠাকুৰে পুৰুষ ছিংগলছ টেনিছত ক্ৰমাগত দ্বিতীয়তো আইটা চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে হাৰিয়ানাৰ ফৰিদাবাদত চেম্পিয়নৰ সন্মান লাভ কৰা অভিনাংশুৱে এইবাৰ দ্বিতীয়তো খিতাপ দখল কৰে লক্ষ্ণৌত। ফাইনেলত তেওঁ গুজৰাটৰ ধ্ৰুৱ হীৰপাৰাক ৬-৩, ৬-২ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে । একেখন টুৰ্ণামেণ্টতে পুৰুষ ডাবলছত মহম্মদ ফাৰ্ডিনৰ সৈতে যুটি বান্ধি অভিনাংশু ফাইনেলত পৰাস্ত হয় । ফাইনেলত অভিনাংশু আৰু ফাৰ্ডিন যুটিক ৬-৪, ৭-৫ ব্যৱধানত পৰাস্ত কৰে গুজৰাটৰ যুটি ধ্ৰুৱ হীৰপাৰা আৰু শৌৰয্য মানিকে। সৰুৰেপৰা টেনিছৰ প্ৰতি আগ্ৰহী অভিনাংশুৱে নিজৰ যমজ ভাতৃ অৰুণাংশুৰ লগত টেনিছ খেলিবলৈ আৰম্ভ কৰিছিল। অভিনাংশুৱে জীৱনৰ প্ৰথমখন টুৰ্ণামেণ্ট খেলিছিল নগাঁৱত। পৰৱৰ্তী সময়ত চণ্ডীগড় লন টেনিছ এছ'চিয়েছনৰ মুখ্য প্ৰশিক্ষক ৰমেন সিঙৰ তত্বাৱধানত প্ৰশিক্ষণ আৰম্ভ কৰে ।অসমৰ প্ৰিয়ানুজ লহকৰৰ তত্বাৱধানতো তেওঁ প্ৰশিক্ষণ গ্ৰহণ কৰিছে । তাৰ পিছত অসম চাৰ্কিটত খেলি গোলাঘাট লন টেনিছ এছচিয়েছনৰ দ্বাৰা আয়োজিত নৰ্থ ইষ্ট টেনিছত ১২ বছৰ অনূৰ্ধ্ব শাখাত সুশান্ত মহান্তিক হৰুৱাই চেম্পিয়নৰ খিতাপ দখল কৰে । সেই জয়যাত্ৰা অব্যাহত ৰাখি সমগ্ৰ অসম চাৰ্কিটতেই ফাইনেল খেলি আহিছে দুই যমজ ভাতৃ অভিনাংশু আৰু অৰুনাংশুৱে । এনেদৰেই দুই ভাতৃয়ে কেতিয়াবা খেলিছে যোৰহাট অ'পেন আৰু কেতিয়াবা দুলীয়াজান অ'পেন খেলি কেতিয়াবা যদি জয়ী হৈছে অভিনাংশু আৰু কেতিয়াবা হৈছে অৰুনাংশু । তেওঁলোকে ২০০৬ ৰ পৰা সৰ্বভাৰতীয় পৰ্যায়ত খেলিবলৈ লয়।

### সদৌ অসম বিদ্যালয় কিক বক্সিং চেম্পিয়নশ্বিপ

# কস্তুৰবা গান্ধী বালিকাৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ মে' ঃ** অ'ল আসাম ষ্টেট লেভেল ইণ্টাৰ স্কুল কিক বক্সিং চেম্পিয়নশ্বিপত গোৱালপাৰা জিলাৰ মাটিয়া কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ পাঁচ গৰাকীকৈ ছাত্ৰীয়ে পদক লাভ কৰিবলৈ সক্ষম হৈছে । গুৱাহাটী কমাৰ্চ কলেজৰ ডাঃ বি চি লহকৰ প্ৰেক্ষাগৃহত অসম কিক বক্সিং সন্থাই গুৱাহাটী কমাৰ্চ কলেজৰ সহযোগত যোৱা ১৪ মেৰ পৰা তিনিদিনীয়াকৈ আয়োজন কৰা প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰি মাটিয়া কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ ছাত্ৰী ক্ৰমে ধনমনি বড়োয়ে প্ৰথম ,জয়শ্ৰী ৰায়, আনছুমৈ দৈমাৰী আৰু দীপান্বিতা দাসে দ্বিতীয় স্থান দখলৰ লগতে জয়াছমিতা ৰাভাই তৃতীয় স্থান লাভ কৰি পদক বুটলিবলৈ সক্ষম হয় ।পাচঁ গৰাকীকৈ ছাত্ৰীৰ সাফল্যত উৎফুল্লিত হৈ পৰিছে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে জিলাবাসী ৰাইজ।



### ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ কায়াকিং এণ্ড কেনয়িং প্ৰতিযোগিতা

# এটা স্বৰ্ণসহ অসমৰ তিনিটা পদক

**গুৱাহাটী, ২১ মে' ঃ** অসমৰ কায়াকিং এণ্ড কেনয়িং ক্ষেত্ৰখনৰ বাবে সু-খবৰ । মধ্য প্ৰদেশৰ ৰাজধানী চহৰ ভূপালৰ পৰা অসমৰ উদীয়মান নৌচালকে কঢ়িয়ালে মুঠ তিনিটা পদক ।উল্লেখ্য যে ভূপালত অনুষ্ঠিত হৈছিল ৩২ সংখ্যক ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ কায়াকিং এণ্ড কেনয়িং চেম্পিয়নশ্বিপ ।এই ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত অসম দলৰ খেলুৱৈয়ে এটা স্বৰ্ণ আৰু দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে । পুৰুষৰ ৫০০ মিটাৰ কে-ফ'ৰত অসমৰ খেলুৱৈয়ে স্বৰ্ণ পদক লাভ কৰে । চাৰি জনীয়া দলটোৰ সদস্যসকল হ'ল— দৰ্শন বৰদলৈ, বিক্ৰম কোঁৱৰ, ৰবিনাশ পাটৰ আৰু মিঠু পাটৰ । ইফালে কে-টু ৫০০ মিটাৰ আৰু কে-টু ২০০ মিটাৰত অসমে ব্ৰঞ্জৰ পদক পায় । দুয়ো প্ৰতিযোগিতাতে অসমক প্ৰতিনিধিত্ব কৰে দৰ্শন বৰদলৈ আৰু বিক্ৰম কোঁৱৰে । মৰিগাঁও জিলাৰ চাৰণবিল প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক অনন্ত বৰঠাকুৰৰ নেতৃত্বত গৈছিল ৰাজ্যিক দলটো । মুঠ আঠজনীয়া অসম দলৰ খেলুৱৈসকলে চাৰণবিলতে নিয়মীয়া অনুশীলন কৰি আহিছে।



### ৰাজ্যৰ ক্ৰিকেট উত্তৰণৰ বাবে অসম ক্ৰিকেট সন্থাৰ অনন্য পদক্ষেপ

# একাডেমীত অন্তৰ্ভুক্ত ৰাজ্যৰ ৩১ যুৱ ক্ৰিকেটাৰ

**গুৱাহাটী, ২১ মে' ঃ** অসমৰ ক্ৰিকেটৰ ইতিহাসত আজিৰ দিনটো এক স্মৰণীয় হিচাপে থাকি যাব। উল্লেখ্য যে আজি অসম ক্ৰিকেট সন্থাই ৰাজ্যিক ক্ৰিকেট একাডেমীত অন্তৰ্ভুক্ত কৰিছে ৩১ জন যুৱ ক্ৰিকেটাৰক। এছ চি এ অতি অভিলাষী আৰু ফলাফলমুখী আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা এই ৩১ জন যুৱ ক্ৰিকেটাৰক ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ২০২২ ৰ এপ্ৰিলত এছ চি এ চলোৱা মুকলি পৰীক্ষাৰ জৰিয়তে নিৰ্বাচন কৰা হৈছিল। ১৩-১৫ বছৰ বয়সৰ এই ক্ৰিকেটাৰসকলক এতিয়া এ চি এ ৰাজ্যিক ক্ৰিকেট একাডেমীত প্ৰশিক্ষণ দিব। লগতে যুৱ খেলুৱৈসকলক লালন-পালন কৰা আৰু আগন্তুক বছৰবোৰত অসমৰ মূল্যৱান সম্পদ হিচাপে গঢ়ি তোলা হ'ব। তদুপৰি খেলুৱৈসকলৰ প্ৰশিক্ষণ, থকাৰ ব্যৱস্থা, শিক্ষাকে ধৰি সকলো খৰচ ১৮ বছৰ বয়স নোহোৱালৈকে এছ চি এই বহন কৰিব। আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামৰ কনফাৰেন্স হলত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত উপস্থিত থাকে অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়া, একাডেমীৰ অধ্যক্ষ ৰাজিন্দৰ সিং আৰু এছ চি এৰ কাৰিকৰী সঞ্চালক গণেশ দত্ত। অনুষ্ঠানত ভাষণ দি অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই কয় যে এছ চি এৰ আৱাসিক কাৰ্যসূচীটো এটা ঐতিহাসিক পদক্ষেপ ৰাজ্যৰ ক্ৰিকেটৰ বাবে। অসম ক্ৰিকেট সন্থাই ক্ৰিকেট আৰু ক্ৰিকেটাৰৰ খেলৰ বিকাশৰ বাবে এয়া অদম্য প্ৰচেষ্টা তথা বৃহৎ পদক্ষেপ।

# মাষ্টাৰ্ছ গেমছত পদক জয়ী গীতিমণি শইকীয়াইক সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ মে' ঃ** সদ্য সমাপ্ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেল' মাষ্টাৰ্ছ গেমছত অসমৰ লগতে ২৩ খন ৰাজ্যই অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত অসমৰ দলটোৱে শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়। প্ৰতিযোগিতাত শিৱসাগৰ জিলাৰ হৈ প্ৰতিনিধিত্ব কৰা খেলুৱৈসকলে বিভিন্ন শিতানত ১৫ টা সোন, ২৭ টা ৰূপ আৰু ২৮ টা ব্ৰঞ্জৰ পদক লাভ কৰি অসমৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইতিমধ্যে জিলাখনৰ এইসকল খেলুৱৈক বিভিন্ন প্ৰান্তত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে সম্বৰ্ধনা জনাইছে। ৰূপহী অঞ্চলৰ সমীপৰ দিছিয়াল গাৱৰ গীতিমণি শইকীয়াক বিজেপিৰ ৰংপুৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী ববী দত্ত, ৰংপুৰ মণ্ডলৰ সভাপতি ধ্ৰুৱ শইকীয়া, সম্পাদক জিন্ত দত্ত, জিলা বিজেপিৰ পূৰ্ণ বিকাশ দত্ত সহিতে এটি সজাতি দল খেলুৱৈগৰাকীৰ বাসগৃহলৈ গৈ সফলতাৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, গীতিমণি শইকীয়াই উক্ত প্ৰতিযোগিতাত লং জাম্পত সোণৰ আৰু ট্ৰিপল জাম্পত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।



# শক্তি উত্তোলনত মৌচুমীৰ সাফল্য

**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ২১ মে' ঃ** জুনিয়ৰ ৰাষ্ট্ৰীয় শক্তিউত্তোলনত অংশগ্ৰহণ কৰি অসমৰ মৌচুমী বৈশ্যই আজুৰি আনিছেব্ৰঞ্জৰ পদক। উল্লেখ্য যে তৃতীয় স্থান দখলৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা মৌচুমী কলিয়াবৰ উলুৱনী আৰক্ষী নিৱেশত কৰ্মৰত মহিলা শাখাৰ আৰক্ষী বিষয়া সহকাৰী উপ-পৰিদৰ্শক ভাৰতী বৰাৰ জীয়ৰী। ছত্তিছগড়ত অনুষ্ঠিত হৈছিল জুনিয়ৰ ৰাষ্ট্ৰীয় শক্তিউত্তোলন। এই প্ৰতিযোগিতাতে অসমৰ পৰা প্ৰতিনিধিত্ব কৰিছিল মৌচুমীয়ে। কমল চন্দ্ৰ বৈশ্য আৰু ভাৰতী বৰাৰ কন্যা মৌচুমীৰ এই সফলতাত এতিয়া উৎফুল্লিত কলিয়াবৰ আৰক্ষী প্ৰশাসন। পিতৃ-মাতৃ দুয়োগৰাকী পেচাত আৰক্ষী হোৱাৰ বাবে কন্যাক সময় দিব নোৱাৰে যদিও মৌচুমীয়ে পিতৃ-মাতৃক গৌৰান্বিত কৰি নিজ প্ৰতিভা বিকাশত পিছ পৰি ৰোৱা নাই। সফলতা লৈ অসম আহি পোৱাৰ পাছতেই কলিয়াবৰ উলুৱনী আৰক্ষী নিৱেশত মহকুমা আৰক্ষী বিষয়াই সম্বৰ্ধনা জ্ঞাপন কৰে মৌচুমীক। নগাঁৱৰ আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ত পঢ়ি থকা মৌচুমী ভৱিষ্যতে এগৰাকী প্ৰতিষ্ঠিত খেলুৱৈ হোৱাৰ ইচ্ছা প্ৰকাশ কৰে।





# ৰুছ আগ্ৰাসনৰ বিৰুদ্ধে কাঁ চলচ্চিত্ৰ মহোৎসৱত নগ্ন হৈ প্ৰতিবাদ মহিলাৰ

■ নিউজ ব্যুৰ'

**কাঁ/কিয়েভ, ২১ মে' ঃ** ইউক্ৰেইনৰ প্ৰতিবাদ এইবাৰ উঠি আহিল ফ্ৰান্সৰ কাঁ চলচ্চিত্ৰ মহোৎসৱলৈ। ইয়াৰ পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন'স্কীয়ে এই চলচ্চিত্ৰ মহোৎসৱত ভাৰ্চুৱেলী বক্তৃতা দিছিল। আজি উৎসৱস্থলীৰ বাহিৰৰ ৰঙা কাৰ্পেটত নগ্ন হৈ ৰাছিয়াৰ আগ্ৰাসনৰ বিপক্ষে নগ্ন হৈ প্ৰতিবাদ জনালে ইউক্ৰেইনৰ এগৰাকী মহিলাই। কাঁ চলচ্চিত্ৰ মহোৎসৱৰ কাৰ্যসূচী চলি থকা অৱস্থাতে উক্ত মহিলাগৰাকীয়ে ৰেড কাৰ্পেটত উঠি নিজৰ কাপোৰ খুলি দলিয়াই দিয়ে। কেৱল নিম্নাংগৰ অন্তৰ্বাস পৰিধান কৰি থকা মহিলাগৰাকীৰ গাঁত ইউক্ৰেইনৰ পতাকা অংকন কৰা আছিল। তাৰ ওপৰতে ইংৰাজীত লিখা আছে, 'আমাক ধৰ্ষণ কৰা বন্ধ কৰক।' মহিলাগৰাকীৰ সমগ্ৰ শৰীৰতে আছিল তেজৰ দৰে ৰঙা দাগ। অৱশ্যে নিৰাপত্তাৰক্ষীয়ে তেওঁৰ গাত ততালিকে এখন বস্ত্ৰ দি আঁতৰাই লৈ যায়। উল্লেখ্য যে ইউক্ৰেইনৰ মহিলাক ধৰ্ষণ কৰাৰ একাধিক তথ্য আৰু অভিযোগ ইতিমধ্যেই উত্থাপন হৈছে। আনকি ৰাষ্ট্ৰপতি জেলেন'স্কীয়েও দাবী কৰিছিল যে ৰুছ সেনাৰ হাতত ইউক্ৰেইনৰ কে'বা শ মহিলা ধৰ্ষিতা হৈছে। আনকি শিশুকো এৰি দিয়া নাই পুটিনবাহিনীয়ে।

## যুদ্ধত বিনষ্ট পৰিৱেশৰ ক্ষতিপূৰণ ৰাছিয়াৰ পৰা বিচাৰি আদালতৰ দ্বাৰস্থ ইউক্ৰেইন

উল্লেখ্য যে ৰাছিয়াই ইউক্ৰেইন আক্ৰমণৰ সময়ে তিনি মাহ সম্পূৰ্ণ হ'বৰ হ'ল। অথচ এতিয়াও মাৰিয়ুপ'লৰ বাহিৰে আন কোনো ডাঙৰ চহৰৰ যুদ্ধত বিশেষ সফলতা অৰ্জন কৰা নাই ৰাছিয়াই। তথাপি পুটিন বাহিনীৰ নিৰন্তৰ আক্ৰমণত অসংখ্য প্ৰাণহানি আৰু সম্পত্তি নষ্টৰ ফলত কাহিল অৱস্থা হৈছে ইউক্ৰেইনৰ। আনকি ৰুছ সেনাৰ ৰোষৰ পৰা ইউক্ৰেইনৰ পৰিৱেশেও ৰেহাই পোৱা নাই। ইয়াৰ বাবে ৰাছিয়াৰ পৰা ক্ষতিপূৰণ বিচাৰি আন্তৰ্জাতিক আদালতৰ দ্বাৰস্থ হ'ল কিয়েভ। সংবাদ সংস্থা ৰয়টাৰৰ সূত্ৰই এই কথা জনাইছে। ইউক্ৰেইনৰ পৰিৱেশ সুৰক্ষা বিভাগৰ মন্ত্ৰী ৰুছলান ষ্ট্ৰিলেট্‌ছে বৃহস্পতিবাৰে এক সংবাদমেলত এই বিষয়ত মন্তব্য কৰে। তেওঁ কয়, 'বিগত ২০ বছৰত এইটোৱেই প্ৰথম সেনা সংঘৰ্ষৰ ঘটনা, য'ত ইমান ব্যাপকভাৱে পৰিৱেশৰ ক্ষতি হৈছে। ৰুছ ক্ষেপণাস্ত্ৰসমূহে আমাৰ তেল ডিপ', তাপ বিদ্যুৎ কেন্দ্ৰ, ৰাসায়নিক কেন্দ্ৰত আছাৰ খাই পৰাত পৰিৱেশৰ নিশ্চিতভাৱে বিপুল ক্ষতি হৈছে। জংঘলো জ্বলিছে। গুৰুত্বপূৰ্ণ আৰু সংৰক্ষণযোগ্য বহু কিছু ধ্বংস হৈছে।' ৰাছিয়াৰ চেৰ্ণ'বিল দখল কৰাৰ প্ৰসংগও উঠি আহিছে তেওঁৰ মুখত। ষ্ট্ৰিলেট্‌ছে দাবী কৰে যে তাত থকা পাৰমাণৱিক শক্তি কেন্দ্ৰৰ আশেপাশে থকা প্ৰায় ১২ হেজাৰ হেক্টৰ ভূমি ক্ষতিগ্ৰস্ত হৈছে। যাৰ ফলত বহু গছ-গছনিও ধ্বংস হৈছে। বহু ঠাইৰ মাটি বিষাক্ত হৈ পৰিছে। নষ্ট হৈ পৰিছে বহুতো জলাশয়ো। সকলো মিলাই কেৱল চেৰ্ণ'বিলতে ৮৫ নিযুত মাৰ্কিন ডলাৰৰ আৰ্থিক ক্ষতি হৈছে। যুদ্ধৰ সামৰিক ক্ষতিৰ পৰিমাণ যে ইয়াতকৈ অনেক বেছি, সেই কথাও তেওঁ জনাইছে।

মাজত মাত্ৰ আঠটা বছৰ। অহা ২০৩০ত পেটত ভাতমুঠি নাথাকিব কমেও ন কোটি ভাৰতীয়ৰ। এনে তীব্ৰ খাদ্য সংকটৰ সন্মুখীন হ'বলৈ গৈ আছে ভাৰত। যাৰ ফলত দেশৰ ২৩ শতাংশ লোকেই পৰিব লাগিব অনাহাৰৰ মুখত। ঠিক এনে আশংকাই ব্যক্ত কৰিলে বিজ্ঞানীসকলে।



# অনাহাৰত থাকিব লাগিব ন কোটি ভাৰতীয়ই

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২১ মে' ঃ** মাজত মাত্ৰ আঠটা বছৰ। অহা ২০৩০ত পেটত ভাতমুঠি নাথাকিব কমেও ন কোটি ভাৰতীয়ৰ। এনে তীব্ৰ খাদ্য সংকটৰ সন্মুখীন হ'বলৈ গৈ আছে ভাৰত। যাৰ ফলত দেশৰ ২৩ শতাংশ লোকেই পৰিব লাগিব অনাহাৰৰ মুখত। ঠিক এনে আশংকাই ব্যক্ত কৰিলে বিজ্ঞানীসকলে।

আন্তৰ্জাতিক খাদ্যনীতি গৱেষণা কেন্দ্ৰৰ বিশ্বজনীন খাদ্যনীতি প্ৰতিবেদন-২০২২ৰ গৱেষণাত উঠি আহিছে এনে ভয়ংকৰ তথ্য। পৰিস্থিতি যি দিশে আগবাঢ়ি গৈছে, তাতেই প্ৰকট হৈছে বিপৰ্যয়ৰ অশনি সংকেত। দীৰ্ঘদিন ধৰিয়ে জলবায়ু পৰিৱৰ্তনৰ ৰোষত আছে পৃথিৱীখন। যাৰ বাবে অব্যাহত আছে বহু গৱেষণাও। তেনে এক গৱেষণাৰ সূত্ৰতে সম্প্ৰতি জনা গৈছে যে

## কাৰ্বন নিৰ্গমন অব্যাহত থাকিলে মহা বিপদত পৰিব অসমসহ ১১খন ৰাজ্য

জলবায়ু পৰিৱৰ্তনৰ প্ৰকোপত ভাৰতৰ বিস্তীৰ্ণ অঞ্চলজুৰি কৃষি আৰু খাদ্য সংকটে দেখা দিবলৈ গৈ আছে। 'আইপিচিচি'ৰ প্ৰতিবেদনত সতৰ্ক কৰি কোৱা হৈছে যে জলবায়ু পৰিৱৰ্তনৰ প্ৰকোপত ভাৰতত চাউল উৎপাদন ১০ৰ পৰা ৩০ শতাংশ কমিব পাৰে। সবাতোকৈ অধিক বিপদৰ মুখত আছে ভাৰত আৰু পাকিস্তানেই। ভাৰত কৃষিপ্ৰধান দেশ। কেতিয়াবা অতিবৃষ্টি, আকৌ কেতিয়াবা অনাবৃষ্টি। তাৰ লগতে প্ৰৱল গৰম। খেতিৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক পৰিৱেশ এতিয়া আগৰ দৰে নাই। যাৰ প্ৰকোপত ফচল উৎপাদনত প্ৰভাৱ পৰিছে। 'আইপিচিচি'ৰ সাম্প্ৰতিক প্ৰতিবেদন অনুসৰি, চৰম জলবায়ু পৰিস্থিতিত শীঘ্ৰেই সংকটৰ মুখত পৰিব দক্ষিণ এছিয়াৰ খাদ্য-নিৰাপত্তা। ৰাষ্ট্ৰসংঘৰ অধীনৰ উক্ত সংস্থাটোৰ শেহতীয়া প্ৰতিবেদনত দাবী কৰা হৈছে যে জলবায়ু পৰিৰ্তনৰ কাৰণে বান আৰু খৰাৰ সমস্যা মাত্ৰাধিকভাৱে বৃদ্ধি পাব। যাৰ প্ৰকোপত পৰি সবাতোকৈ বেছি কাহিল হ'ব ভাৰত, পাকিস্তানসহ বিস্তীৰ্ণ অঞ্চল। 'জলবায়ু পৰিৱৰ্তন ২০২২ ঃ প্ৰভাৱ, অভিযোজন আৰু সংকট' শীৰ্ষক এক প্ৰতিবেদনত এছিয়াৰ কৃষি আৰু খাদ্য ব্যৱস্থাৰ জলবায়ু সম্পৰ্কীয় এই সংকটৰ কথা কোৱা হৈছে। ইয়াৰ প্ৰকোপত ভাৰত-পাকিস্তানৰ দৰে কৃষিভিত্তিক অৰ্থনীতিত বৰ্তি থকা দেশসমূহত সমস্যাই বেছিকৈ দেখা দিব।

প্ৰতিবেদনত লগতে কোৱা হৈছে হৈছে কাৰ্বনৰ নিৰ্গমন যদি ক্ৰমাৎ বৃদ্ধি পাই থাকে, তেন্তে ডাঙৰ সমস্যাৰ সন্মুখীন হ'ব ভাৰতৰ ১১খন ৰাজ্য। এই ৰাজ্যসমূহ হৈছে অসম, পশ্চিমবংগ, ওড়িছা, মেঘালয়, ত্ৰিপুৰা, বিহাৰ, ঝাৰখণ্ড, ছত্তিশগড়, উত্তৰপ্ৰদেশ, হাৰিয়ানা আৰু পঞ্জাৱ। দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ পৰিব মৎস্য, জলজ উদ্ভিদ আৰু ফচল উৎপাদনত। গোমধানৰ উৎপাদন ২৫-৭০ শতাংশ পৰ্যন্ত হ্ৰাস পাব পাৰে। জলবায়ু পৰিৱৰ্তনৰ কুপ্ৰভাৱক যদি ধৰা হয়, সেই ক্ষেত্ৰত ৯.০৬ কোটি ভাৰতীয় (২২.৬৯ শতাংশৰ অধিক) অনাহাৰৰ আশংকাত পৰিব। উল্লেখ্য যে ভাৰতৰ খাদ্য উৎপাদনৰ পৰিমাণ জোখা হয় 'এগ্ৰিগেট ফুড প্ৰডাকছন' সূচকৰ দ্বাৰা। এই সূচকৰ আওতাত খাদ্যশস্য, মাংস, ফল, শাক-পাচলি, তৈলবীজ, দাইল আদি সকলোবোৰ আছে। প্ৰতিবেদনত কোৱা হৈছে যে ২০৪১ৰ পৰা ২০৬০ৰ ভিতৰত কৃষিজাত উৎপাদন ১.৮ৰ পৰা ৬.৬ শতাংশ পৰ্যন্ত কমিব পাৰে। আনহাতে, ২০৮০ৰ ভিতৰত সেই উৎপাদন ৭.২ৰ পৰা ২৩. ৬ শতাংশ পৰ্যন্ত কমিব পাৰে।

# বিভিন্ন মহানগৰ-ছবিগৃহ নোহোৱা ঠাইত প্ৰদৰ্শিত হ'ব 'লোকেল উৎপাত'



**গুৱাহাটী, ২১ মে' ঃ** শেহতীয়া কমেডী 'লোকেল উৎপাত'ৰ প্ৰশংসনীয় পৰ্যালোচনাত চৰ্চা হৈ দলটোৱে এতিয়া ছবিখন এনে ঠাইসমূহলৈ লৈ যোৱাৰ পৰিকল্পনা কৰিছে য'ত কোনো ছবিগৃহ নাই। লগতে তেওঁলোকে ছবিখনক অসমৰ বাহিৰতো মুক্তি দিয়াৰ পৰিকল্পনা কৰিছে। বিশেষকৈ দিল্লী, মুম্বাই, কলকাতা আৰু বাংগালুৰুৰ দৰে মহানগৰীত প্ৰদৰ্শনৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। মিছন চাইনা, কাঞ্চনজংঘা, ভিলেজ ৰকষ্টাৰছ, 'ৰত্নাকৰ'ৰ দৰে জনপ্ৰিয় অসমীয়া ছবিৰ লীগত যোগদান কৰি 'লোকেল উৎপাতে' বক্স অফিচত চেম্পিয়ন হিচাপে আত্মপ্ৰকাশ কৰিছে। 'লোকেল কুংফু'খ্যাত কেনী বসুমতাৰীৰ দ্বাৰা পৰিচালিত এই কমেডি ছবিখনে ইয়াৰ প্ৰথম সপ্তাহৰ ভিতৰতে ৰণবীৰ সিং অভিনীত জয়েশভাই জৰ্দাৰৰ লগতে ডাক্তৰ ষ্ট্ৰেঞ্জ, দুয়োখন ছবিতকৈ অধিক উপাৰ্জন কৰিছে। মিতালী ফিল্মছৰ ডিষ্ট্ৰিবিউটৰ সুকান্ত পলে এই বিষয়ে নিশ্চিত কৰি কয়, 'নিশ্চিতভাৱে তিনিওখন চলচ্চিত্ৰৰ ভিতৰত লোকেল উৎপাতেই সৰ্বোচ্চ টিকট বিক্ৰী কৰাত সক্ষম হৈছে। দৰ্শকৰ চাহিদা ইমানেই বেছি আছিল যে প্ৰায় সকলো ছবিগৃহতে দৰ্শনী বৃদ্ধি কৰিব লগা হৈছিল।' দলটোৰ পৰৱৰ্তী পদক্ষেপ হ'ল এতিয়া ছবিখনক এনে ঠাইলৈ লৈ যোৱাৰ উপায় বিচৰা য'ত কোনো ছবিগৃহ নাই। 'অসমত ছবিগৃহ নথকা বহু ঠাই এতিয়াও আছে। আমি ছবিখনক সেই ঠাইবোৰলৈ লৈ যোৱাৰ উপায় বিচাৰিছো যাতে তাত থকা লোকসকলেও এই আমোদজনক মুহূৰ্তবোৰ উপভোগ কৰিব পাৰে', পৰিচালক কেনী বসুমতাৰীয়ে কয়।

প্ৰসংগক্ৰমে, 'লোকেল উৎপাত'ৰ সফল মুক্তিৰ ঠিক মাজভাগতে, দিল্লী বেলীখ্যাত অভিনয় দেওৰ দ্বাৰা পৰিচালিত জি ষ্টুডিঅ'ৰ এখন ধাৰাবাহিকত অভিনয় কৰিবলৈ, কেনীয়ে দুদিনীয়া শ্বুটিংৰ বাবে কলকাতালৈ ৰাওণা হ'বলগীয়া হৈছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল তেওঁৰ দুটা দৃশ্য আছিল কৰিশ্মা কাপুৰৰ স'তে। নিজৰ অভিজ্ঞতা প্ৰকাশ কৰি কেনীয়ে কয়, 'শৈশৱৰ পৰাই ইমান ডাঙৰ তাৰকা হিচাপে দেখা এগৰাকী শিল্পীৰ স'তে অভিনয় কৰাটো মোৰ বাবে যথেষ্ট কঠিন আছিল, কিন্তু সদায়ৰ দৰেই মই নিজৰ লাইনবোৰ বহুবাৰ আখৰা কৰিছিলো যাতে মই সেইবোৰ পাহৰি নাযাওঁ। পৰিচালক অভিনয় দেও মোৰ অভিনয়ত যথেষ্ট সুখী হৈছিল।' লোকেল উৎপাতে এতিয়া বেছিভাগ ছবিগৃহত ইয়াৰ দ্বিতীয় সপ্তাহত প্ৰৱেশ কৰিছে। অসমীয়া চলচ্চিত্ৰপ্ৰেমীসকলৰ মাজত খলকনি তুলিবলৈ সক্ষম হোৱা আন এখন চলচ্চিত্ৰ হৈছে আমিষ নিৰ্মাতা ভাস্কৰ হাজৰিকাৰ পৰৱৰ্তী ছবি 'এমুঠি পুথি'। পাৰিবাৰিক নাটক-কৌতুক ভিত্তিক ছবিখন অহা ১৭ জুনত মুক্তি পাব।



*বকোত 'বগাই' সাংস্কৃতিক অনুষ্ঠানত শংকুৰাজ কোঁৱৰৰ সংগীত পৰিৱেশন*

## জি টিভিৰ ৰিয়েলিটি শ্ব'ত মেৰাপানীৰ শিশু

# ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকিছে নৱজিত নাৰ্জাৰী

অগ্ৰদূত বাৰ্তা



**মেৰাপানী, ২১ মে' ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভিতৰুৱা গাঁৱৰ পৰা গৈ ৰাষ্ট্ৰীয় চেনেলত নৃত্যৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে এজন ন বছৰীয়া শিশুৱে। জি টিভিৰ ৰিয়েলিটি শ্ব' 'ডান্স ইণ্ডিয়া ডান্সৰ লিটিল মাষ্টাৰ্ছ'ৰ পঞ্চম ছিজনত মেৰাপানীৰ চাংখাতি গাঁৱৰ নৱজিত নাৰ্জাৰী নামৰ শিশুটোৱে শীৰ্ষ ১০জনৰ ভিতৰত অন্তৰ্ভুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। দৰিদ্ৰ পৰিয়ালৰ উপেন নাৰ্জাৰী আৰু অনু নাৰ্জাৰীৰ সন্তান নৱজিতে কঠোৰ অনুশীলন আৰু পৰিশ্ৰমৰ বলত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰিয়েলিটি শ্ব'টোত স্থান লাভ কৰিছে। ইতিমধ্যে ৰিয়েলিটি শ্ব'টোত প্ৰাৰম্ভিক অৱস্থাত নৱজিতৰ অন্যান্য নৃত্যশৈলীয়ে বিচাৰক তথা আমন্ত্ৰিত চেলেব্ৰেটিসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। কাৰ্বি আংলঙৰ নৃত্য প্ৰশিক্ষক দীপিকা মাঝিৰ তত্বাৱধানত নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰা নৱজিতে অ'ডিচন ৰাউণ্ডতে বিচাৰকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। নৱজিতে চলিত সপ্তাহত শীৰ্ষ ১০জন প্ৰতিযোগীৰ ভিতৰত স্থান পোৱাত এতিয়া স্বাভাৱিকতেই উৎফুল্লিত হৈ পৰিছে পৰিয়ালবৰ্গৰ লগতে স্থানীয় অঞ্চলবাসী। আজি নৱজিতৰ জন্মস্থান চাংখাতি বজাৰত নৱজিতৰ সমৰ্থনত আত্মীয় স্বজনৰ লগতে ৰাজপথলৈ ওলাই আহি আনন্দ উল্লাসত আত্মহাৰা হৈ পৰে অঞ্চলটোৰ ৰাইজ। ইফালে, গোলাঘাট জিলা এবছু আৰু বড়ো সাহিত্য সভাই নৱজিতৰ সমৰ্থনত ৰাজ্যবাসীক ভোটদান কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে প্ৰতি শনিবাৰে আৰু দেওবাৰে নিশা জি টিভি যোগে সম্প্ৰচাৰিত নৃত্যৰ অনুষ্ঠানটোত আগবাঢ়ি যাবলৈ এতিয়া নৱজিতক প্ৰয়োজন হৈছে ৰাইজৰ ভোট। ৯১৫২৯-১৫২৪৬ নম্বৰত ফোন কৰি শনিবাৰে নিশা ন বজাৰ পৰা সোমবাৰে পুৱা ন বজালৈ নৱজিতক শুভাকাংক্ষীসকলে ভোটদান কৰিব পাৰিব।

# শোণিতপুৰত ড্ৰাগছ, গাঞ্জা-নকল সোণ জব্দ

ষ্টাফ ৰিপ'ৰ্টাৰ



**তেজপুৰ, ২১ মে' ঃ** আজি তেজপুৰ আৰক্ষীয়ে তেজপুৰৰ দিকৰাইজান অঞ্চলৰ কাছেম আলীৰ বাসগৃহত ছয়টা প্লাষ্টিক পাত্ৰত ভৰাই থোৱা হেৰ'ইন জব্দ কৰাৰ লগতে তিনিখন নকল সোণৰ বিস্কুট উদ্ধাৰ কৰে। উল্লেখ্য যে ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা কাছেম পূৰ্বৰে পৰাই নিষিদ্ধ ড্ৰাগছ আৰু নকল সোণৰ বেহাৰে জড়িত আছিল। তেওঁৰ এনে দুষ্কাৰ্যৰ বাবে আৰক্ষীয়ে পূৰ্বে গ্ৰেপ্তাৰো কৰিছিল; কিন্তু কাৰামুক্ত হৈয়েই পুনৰ একেই অসামাজিক কাৰ্যকলাপত জড়িত হৈ পৰে কাছেম। উল্লেখ্য যে তেজপুৰৰ পূৰ্বাঞ্চলৰ একাধিক অঞ্চলত শেহতীয়াকৈ ড্ৰাগছৰ বেহাৰ কে'বাটাও ঘটনা পোহৰলৈ আহিছে। ইপিনে, দুদিন পূৰ্বে শোণিতপুৰৰ ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত ৰঙাপৰা খেৰাই বস্তিৰ দিপালী বসুমতাৰী নামৰ মহিলাগৰাকীৰ বাসগৃহত চলোৱা তালাচীৰ সময়তো চাৰি কিলো ৮১৫গ্ৰাম গাঞ্জা জব্দ কৰা হয়। ঘটনা সন্দৰ্ভত এটা গোচৰ পঞ্জীয়ন হোৱা বুলিও উল্লেখ কৰিছে আৰক্ষীয়ে। একেদৰে জিলাখনৰ মিছামাৰীৰ বাহবেৰা অঞ্চলতো স্থানীয় আৰক্ষীয়ে চলোৱা আন এক অভিযানত ৰমজান আলী নামৰ লোকজনৰ বাসগৃহৰ পৰা দুই কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ কৰা হয়। ঘটনা সন্দৰ্ভত অভিযুক্ত ৰমজানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।



# বানপানীৰ মাজতে কাইলৈ বৰপেটা শিক্ষা খণ্ডত গুণোৎসৱৰ প্ৰস্তুতি সম্পন্ন

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২১ মে' ঃ** অহা ২৩ মে'ৰ পৰা অনুষ্ঠিত গুণোৎসৱৰ বাবে বৰপেটা জিলা প্ৰশাসনৰ লগতে শিক্ষা বিভাগে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। জিলাখনৰ অন্যান্য শিক্ষা খণ্ডৰ লগতে বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডত গুণোৎসৱৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। প্ৰতিখন বিদ্যালয়ত দুদিনকৈ হ'ব এই গুণোৎসৱ। অহা ২৩ মে'ত সকলো বিদ্যালয়ত স্বমূল্যায়ন অনুষ্ঠিত হ'ব। ইয়াৰ পাছত প্ৰতিখন বিদ্যালয়ত ২৪, ২৫ নাইবা ২৬ মে' ইয়াৰে যিকোনো এদিন বহিঃমূল্যায়নকাৰীৰ উপস্থিতিত মূল্যায়ন অনুষ্ঠিত হ'ব। বৰপেটা শিক্ষা খণ্ডত ৩৬ খন সমল কেন্দ্ৰৰ অন্তৰ্গত ৩৫০ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। মণ্ডল হিচাপে চাকদহ আৰু ডক্ৰেশ্বৰ মণ্ডল সমল কেন্দ্ৰৰ ১২ খনকৈ বিদ্যালয়ত, ২৬ নম্বৰ দামোধৰ শৰ্মা এম ভি, ৭৮ নম্বৰ পালহাজী বয়ছ, আমদহ, বাগনা, দৰ্গাপুৰ, ফিঙুৱা, কাহিকুছি, কাৰৈমাৰী, মেধিৰটাৰী, নলীগাঁও আৰু পাটবাউসী মণ্ডল সমল কেন্দ্ৰৰ ১১ খনকৈ বিদ্যালয়ত, বালাপাৰা, ভক্তৰডবা, বাৰাদী, ভেৰাগাঁও, দক্ষিণ পাকা, ধকুৱা, এৰাট্টাৰী, নেউলাৰভিটা, পালহাজী দক্ষিণ আৰু ৰাধাকুছি মণ্ডল সমল কেন্দ্ৰৰ ১০ খন বিদ্যালয়ত, ১১২২ নম্বৰ বৰপেটা নাৰ্ছাৰী, ১৯৫২ নম্বৰ গাড়ীভিটা, ৩ নম্বৰ দক্ষিণ হাটী, ফিঙুৱা পাথাৰ, কয়াকুছি, নগাঁও আৰু পিঠাদি পাম মণ্ডল সমল কেন্দ্ৰৰ নখনকৈ বিদ্যালয়ত, আঠ নম্বৰ দক্ষিণ হাটী জুনিয়ৰ বেছিক আৰু বাগোদী মণ্ডল সমল কেন্দ্ৰৰ আঠখনকৈ বিদ্যালয়ত, বৰপেটা টাউন হাইস্কুল, সদৰ বালক মজলীয়া বিদ্যালয় আৰু তেলেৰীয়া মণ্ডল কেন্দ্ৰৰ সাতখনকৈ বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। আনহাতে, কৰাগাড়ী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত পাঁচখন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। তদুপৰি ৩৫০ খনকৈ বিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱৰ বাবে প্ৰতিখন বিদ্যালয়ত এজনকৈ শিক্ষক-শিক্ষয়িত্ৰীক নডেল শিক্ষকৰূপে নিযুক্তি দিয়াৰ লগতে মুঠ ৪৬ জন ব্যক্তিক যোগাযোগকাৰী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। গুণোৎসৱ অনুষ্ঠিত হ'বলগীয়া ৩৫০ খন বিদ্যালয়ৰ ভিতৰত ২৫২ খন প্ৰাথমিক, ২৫ খন উচ্চ প্ৰাথমিক, ১৬ খন মজলীয়া, ১৪ খন উচ্চ মাধ্যমিক আৰু ৪৩ খন মিশ্ৰিত বিদ্যালয়। প্ৰথম দিনা ১২৮ খন, দ্বিতীয় দিনা অৰ্থাৎ ২৫ মে'ত ১২৮। আনহাতে, অন্তিম দিনা অৰ্থাৎ ২৬ মে'ত ৯৪ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হব। ৩৫০ খন বিদ্যালয়ৰ ভিতৰত ৩৪৯ খন সমভূমিত আৰু এশখন বিদ্যালয় চৰ অঞ্চলৰ। এই বিদ্যালয়সমূহৰ ভিতৰত ৩২৩ খন অসমীয়া মাধ্যমৰ, ১৬ খন বড়ো আৰু অসমীয়া মিশ্ৰিত, ১০ খন বড়ো আৰু এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় আছে। গুণোৎসৱ যাতে সফলতাৰে সম্পন্ন হয় তাৰ বাবে বিভিন্ন পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। নিযুক্তি দিয়া যোগাযোগকাৰী বিষয়াসকল প্ৰশিক্ষণ যোৱা ১৩ মে'ত ৯১৮ জন মেটুৰাকুছি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হৈ গৈছে। নিযুক্তি প্ৰাপ্ত ৩৫০ জন নডেল শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰশিক্ষণ যোৱা ১৪ মে'ত দক্ষিণ বৰপেটা বিদ্যা মন্দিৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছে। তদুপৰি ৩৬ টা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত সকলো শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। ইতিমধ্যে গুণোৎসৱ অনুষ্ঠিত হবলগীয়া প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উত্তৰ বহীসমূহ মণ্ডল সমল কেন্দ্ৰসমূহৰ সমন্বয়কৰ জৰিয়তে প্ৰেৰণ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ উত্তৰবহী আগতেই বিভাগে প্ৰেৰণ কৰিছে যাতে মূল্যায়নৰ দিনা কোনো শিক্ষাৰ্থী বঞ্চিত হ'বলগীয়া নহয়। বৰপেটা শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভৱেশ কুমাৰ তালুকদাৰে গুণোৎসৱৰ সকলো দিশ পৰ্যবেক্ষণ কৰি আছে। গুণোৎসৱৰ বাবে ইতিমধ্যে এজনীয়া শিক্ষক তথা বিদ্যালয়সমূহত দুজনীয়া কৰিছে। শিক্ষক নথকা বিদ্যালয়ত শিক্ষক দিছে সংশ্লিষ্ট বিভাগে। কিন্তু শেহতীয়াভাৱে যোৱা কে'বাদিন ধৰি চলি থকা নেৰানেপেৰা বৰষুণৰ বাবে গুণোৎসৱৰ পালনৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'বলগা হৈছে বিদ্যালয়সমূহে। কিয়নো বৰপেটা জিলাৰ বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ গুণোৎসৱ হ'বলগীয়া ৩৫০ খন বিদ্যালয়ৰ ভিতৰত কমেও ৭০-৮০ বিদ্যালয়ত পানী উঠিছে। ইয়াৰে কোনো বিদ্যালয়ত চাৰি-পাঁচ ফুটকৈ পৰ্যন্ত পানী হৈছে। বিদ্যালয়সমূহত পৰীক্ষা অনুষ্ঠিত কৰা দূৰৈৰ কথা কিছুমান বিদ্যালয়ত যাবলৈ বাট-পথ নাইকীয়া হৈছে। নাওঁ বা অন্য পদ্ধতিৰে বিদ্যালয়ত উপস্থিত হ'লেও লৰা-ছোৱালী বিদ্যালয়ত কেনেকৈ উপস্থিত হ'ব। ল'ৰা-ছোৱালী বিদ্যালয়ত উপস্থিত হ'লেও পৰীক্ষা কেনেকৈ দিব কিয়নো বহুতো বিদ্যালয়ত ডেস্ক-বেঞ্চ পানীৰ তলত। তেনেকুৱা সময়ত এই বানপানীৰ মাজত গুণোৎসৱ বিভাগে কেনেকৈ পালন কৰিব সেয়া ৰাইজে বুজিব পৰা নাই। জিলাখনৰ অন্যান্য ঠাইৰ লগতে বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ বিভিন্ন ঠাইত বানপানী হোৱাৰ পাছতো এতিয়ালৈকে বিভাগে জিলাখনৰ গুণোৎসৱৰ বাতিল কৰা নাই। বানপানীৰ বাবে চৰকাৰে ইতিমধ্যে হাইলাকান্দি, হোজাই আৰু দক্ষিণ শালমাৰাৰ গুণোৎসৱ বাতিল কৰিছে।

# শিৱসাগৰত গ্ৰেপ্তাৰ পাঁচ চোৰ ঃ বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ মে' ঃ** শিৱসাগৰ সদৰ আৰক্ষীয়ে যোৱা ২৪ ঘন্টাত পাঁচজন চোৰ গ্ৰেপ্তাৰ কৰি ৰঙাঘৰলৈ প্ৰেৰণ কৰাৰ লগতে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰে। আৰক্ষীয়ে শিৱসাগৰ সদৰ থানাত ৰুজু কৰা ২২৪/২০২২ নম্বৰৰ গোচৰৰ ভিত্তিত ভাৰতীয় দণ্ড বিধি ৩৭৯/ ৪১১ৰ অধীনত গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাত আদালতে জেললৈ প্ৰেৰণ কৰে। ধৃত চোৰ কেইজন হ'ল যমুনা পথৰ হাছিম আলী, মিৰাজ আলম, ফজিল আলম, মহম্মদ ৰেহমত আলী আৰু এএছটিচিৰ সমীপৰ বিক্ৰম কুমাৰ। আৰক্ষীয়ে চোৰ কেইজনৰ পৰা আইফ'নসহ সাতটা ম'বাইল, গাড়ী, ইনভাৰ্টাৰ আদিত ব্যৱহৃত ৪২ টা বেটেৰী, ১৬ ডাল ৩০ এমএমৰদ, চিলিং ফেন, ৰন্ধন গেছৰ চিলিণ্ডাৰ, আঠ কিলোগ্ৰাম এলুমিনিয়াম তাঁৰ উদ্ধাৰ কৰে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com